# মঙ্গলদৈ কলেজ আলোচনী

সম্পাদক - দীনবন্ধু শৰ্ম্মা

Ref. 290
11,677

NOT TO BE ISSUED
REFERENCE/RARE BOOK
(Ref.) / (R. B.)

REFERENCE/RARE BOOK
(Ref.) / (R. B.)

MANGALDAI COLLEGE
LIBRARY
Accession No 11677
Class No
Book No SAR

Ref 291/11677

# মঙ্গলদৈ কলেজ আলোচনী

## অসমীয়া বিভাগ

সম্পাদক—দীনবন্ধু শৰ্ম্মা

একাদশ সংখ্যা · বছেৰেকীয়া প্ৰকাশ · ১৩৭৮ শক
১৯৭০-৭১ চন

উপদেষ্টা — শ্ৰীজীৱন শৰ্ম্মা এম্‌.এ



সম্পাদনাত— শ্ৰীদীনবন্ধু শৰ্ম্মা

ছপাশাল—

বিদ্যাৱতী আৰ্ট প্ৰেছ, মঙ্গলদৈ ।

NOT TO BE ISSUED
REFERENCE/RARE BOOK
(Ref.) / (R. B.)

## ॥ এই সংখ্যাত আছে ॥

পৃষ্ঠা—

### ঃ প্ৰবন্ধ ঃ

| | | |
|---|---|---|
| শ্ৰীবিজয় চন্দ্ৰ ভাগৱতীৰ | মঙ্গলদৈৰ দেওধনী নৃত্য | ১ |
| অধ্যাপক, শৰৎ শৰ্ম্মাৰ | জলজলী গাওঁপঞ্চায়ত এলেকাত অৰ্থ নৈতিক স্বৰিপ | ৬ |
| শ্ৰীতৰুণ শৰ্ম্মাৰ | অসমৰ নিবনুৱা সমস্যা সমাধানত ছাত্ৰ-ছাত্ৰীৰ ভূমিকা | ১২ |
| অধ্যাপক, ভূপেন্দ্ৰনাথ কাকতীৰ | পৰমাণু আৰু উপ-পৰমানৱিক কণাৰ ক্ষেত্ৰত ভৰৰ একক | ২২ |
| শ্ৰীপৰীক্ষিত শৰ্ম্মাৰ | বিশ্বশান্তি আৰু স্বাৰ্থ | ২৬ |
| শ্ৰীলোকেশ্বৰ শৰ্ম্মাৰ | "চন্দ্ৰশিলা অধ্যয়ণ আৰু পৃথিৱীৰ জন্ম ৰহস্য" | ৩১ |
| দ্বিজেন চলিহাৰ | উত্তৰ ভাৰত অভিমুখে [ ভ্ৰমণ কাহিনী ] | ৩৩ |

### ঃ কবিতা ঃ

| | | |
|---|---|---|
| শ্ৰীতীৰ্থনাথ বড়াৰ | বাণী বন্দনা | ১ |
| অধ্যাপক, মহেন্দ্ৰ প্ৰসাদ বৰুৱাৰ | মকৰা | ৩ |
| মিচ্ আয়েচা বিলকিচ বেগমৰ | হৃদয়ৰ আৰ্ত্তনাদ | ৪ |
| শ্ৰীনীলমনি বৰদলৈৰ | এটি প্ৰশ্ন | ৫ |
| শ্ৰীবিমল ডেকাৰ | এটা মহ আৰু এজাক ল'ৰা | ৬ |
| এম, হবিবৰ ৰহমানৰ | গোৱালপৰীয়া ভাটীয়ালী গীত | ৭ |

পৃষ্ঠা

## ঃ গল্প ঃ


| | | |
|---|---|---|
| সুচিত্ৰা বৰুৱাৰ | সীমাৰ সিপাৰে | ১ |
| শ্ৰীসোণেশ্বৰ শৰ্ম্মাৰ | বেদনাৰ নাম নাই | ৮ |
| চিকন্ময় মেধিৰ | এৰাবাটে সোঁৱৰে | ১৩ |
| মিচ্ বিজয়া মেধিৰ | হয়তো নেজানে জোনে | ১৮ |
| শ্ৰীথেপীন্দ্ৰ শৰ্ম্মাৰ | পৰিবৰ্ত্তন | ২৪ |
| শ্ৰীৰঘু শৰ্ম্মাৰ | মুক্তি | ২৮ |
| শ্ৰীধীৰেণ শৰ্ম্মাৰ | কেৰেলুৱাৰ পাক | ৩১ |


## ঃ জীৱনী ঃ


| | | |
|---|---|---|
| শ্ৰীঅতুল কুমাৰ ভূঞাঁৰ | শ্বহীদ মুকুন্দ কাকতীৰ চমু জীৱনী | ১ |


## ঃ একাঙ্কিকা ঃ


| | | |
|---|---|---|
| গৌৰীকান্ত ডেকাৰ | দুৱাৰ যেতিয়া বন্ধ হ'ল | ৫ |
| | সাধাৰণ সম্পাদকৰ প্ৰতিবেদন ইং ১৯৭০-৭১ | ১৭ |
| | খেল-বিভাগ | ২১ |
| | কলা আৰু সংস্কৃতি বিভাগৰ সম্পাদকৰ প্ৰতিবেদন | ২৩ |
| | তৰ্ক সভাৰ সম্পাদকৰ প্ৰতিবেদন | ২৫ |
| | সমাজসেৱা বিভাগৰ প্ৰতিবেদন | ২৮ |
| | প্ৰতিবেদন, সম্পাদিকা, ছোৱালী জিৰণি কোঠা | ৩১ |
| | প্ৰতিবেদন এন, চি, চি, আণ্ডাৰ অফিচাৰ | ৩৩ |

...E ISSUED
REFERE.../RARE BOOK
(Ref.) / (R. B.)



# সম্পাদকীয়

## জাতিৰ পৰীক্ষা, দেশৰ জৰুৰী অৱস্থা আৰু ছাত্ৰ-ছাত্ৰীৰ ভূমিকা

"জীৱন পৰীক্ষা মুহূৰ্ত্তে মুহূৰ্ত্তে হয়
বিশ্বাসী যে বিচলিত কদাপি নহয়।"

ই অকল মানুহৰ ক্ষেত্ৰতেই নহয়, এনে এটা সময় আহে যেতিয়া একোটা একোটা জাতিও এনে 'জীৱন-পৰীক্ষাৰ' সন্মুখীন হব লগীয়াত পৰে। তেনে পৰীক্ষাত উত্তীৰ্ণ হব পাৰিলেহে সেই জাতিয়ে মূৰ ঠিয় কৰি জগতত জীয়াই থাকিব পাৰে। আজি ভাৰতবৰ্ষও তেনে এটা পৰীক্ষাত উপনীত হৈছে। আজি ভাৰত আৰু পাকিস্থানৰ মাজত অকল সশস্ত্ৰ যুদ্ধই নহয়, দুটা আদৰ্শৰ মাজতো যেনে এফালে গণতন্ত্ৰ, ধৰ্ম্মনিৰপেক্ষতা আৰু মানবীয় অধিকাৰ, আনফালে একনায়কত্ব বাদ ধৰ্ম্মীয় অসহিষ্ণুতা আৰু মৌলিক মানবীয় অধিকাৰ সমূহক পদদলিত কৰিব খোজা অমানবীয় নিষ্ঠুৰতাৰ মাজতো এক চূড়ান্ত সংঘাত আহি পৰিছে। ভাৰতীয় উপমহাদেশ খনত অশান্তি ভাৰতে বিচৰা নাই। যুদ্ধ আমাৰ কাম্য নহয়। ভাৰতৰ ওপৰত জোৰ কৰিহে জাপি দিয়া হৈছে। অৱশ্যে এই যুদ্ধত (যি যুদ্ধৰ পৰিণামে হয়তো এচিয়া তথা বিশ্বৰ ৰাজনীতিতো বহুতো বৈপ্লৱিক পৰিৱৰ্ত্তন আনিব পাৰে) ভাৰতৰেই জয় অনিবাৰ্য্য যিহেতু ভাৰতে মাতৃ ভূমিৰ অখণ্ডতা ৰক্ষাৰ কাৰণে আৰু এক গভীৰ মানবীয় আদৰ্শৰ কাৰণেহে যুদ্ধ কৰিছে।

স্বাধীনতাৰ পিছত এইখন ভাৰত বৰ্ষই এবাৰ নহয়, দুবাৰ নহয়, তিনিবাৰ স্বাধীনতা ৰক্ষাৰ হেতু সংগ্ৰাম কৰিব লগীয়া হ'ল। কিন্তু "সংগ্ৰাম যিমানেই নগ্ন নহওক তথাপি আমি স্বাধীনতা ৰক্ষাৰ হেতু সাজু।" এই অগ্নি পৰীক্ষাত আমি নিশ্চয় সন্মানেৰে উত্তীৰ্ণ হ'ম আৰু পৃথিৱীৰ শক্তিশালী আৰু সন্মানিত জাতি সমূহৰ মাজত নিজৰ ন্যায্য আসন অধিকাৰ কৰিম।

ছাত্ৰ-ছাত্ৰী সকল দেশৰ ধৰণী। গতিকে দেশৰ জৰুৰী অৱস্থাত তেওঁলোকৰ ভূমিকা কিমান বেছি তেওঁলোক সকলোৱে উপলব্ধি কৰা উচিত। দেশৰ জৰুৰী অৱস্থাত ছাত্ৰ-ছাত্ৰী সকল সজাগ হবই লাগিব। যুদ্ধ বিগ্ৰহ আৰু ৰাজনৈতিক বিপৰ্য্যয়ৰ সময় চোৱাত দেশৰ আভ্যন্তৰীণ সমস্যা সমূহে যাতে দেশবাসীক বেছি বিপদাপন্ন কৰিব নোৱাৰে তাৰ বাবে তেওঁলোক সজাগ থাকিব লাগিব। কোনো ৰাষ্ট্ৰ বিৰোধী কামৰ প্ৰশ্ৰয় লোৱা ব্যক্তি নাইবা তেনে অনুষ্ঠানৰ প্ৰতি লক্ষ্য ৰাখিব লাগিব যাতে সেই বিলাকে ৰাষ্ট্ৰৰ কোনো ক্ষতি সাধন কৰিব নোৱাৰে। সকলো ক্ষেত্ৰতে যাতে ঐক্য সম্প্ৰীতি অটুত থাকে, চোৰাং বেপাৰী মজুতকাৰী আদি সমাজ বিৰোধী লোকে যাতে কোনো অন্যায় কৰিব নোৱাৰে তাৰ বাবে সৰ্ব্ব সাধাৰণ ৰাইজ তথা ছাত্ৰ-ছাত্ৰী সকল সজাগ থাকিব লাগিব। জাতীয় সম্পত্তি সমূহৰ নিৰাপত্তাৰ ভাৰ দেশৰ নাগৰিকৰ হাতে-তেই ন্যস্ত কৰাৰ উপৰিও ছাত্ৰ-ছাত্ৰী সকলে দায়িত্ব লোৱাৰ আৱশ্যক। মুঠতে দেশৰ জৰুৰী অৱস্থাত দেশক সম্পূৰ্ণৰূপে সহায় কৰিব লাগিব --সমগ্ৰ ছাত্ৰ শক্তিয়ে।

## ব্যক্তিগত ভাবে প্ৰষাৰ :—

এইবাৰৰ মঙ্গলদৈ কলেজ আলোচনীখন সম্পাদনা কৰিবলৈ যি সকল ছাত্ৰ ছাত্ৰীয়ে সুযোগ দিলে তেওঁলোকলৈ মোৰ আন্তৰিক মৰম, শ্ৰদ্ধা আৰু অশেষ ধন্যবাদ থাকিল। আলোচনীখন সোনকালে উলিয়াব নোৱাৰাৰ কাৰণে মই বৰ দুখিত আৰু তাৰ বাবে মই কলেজৰ সকলো ছাত্ৰ ছাত্ৰীৰ ওচৰত ক্ষমা বিচাৰিছোঁ। মোৰ দৰে অপৈণত ছাত্ৰ এজনে কলেজৰ এখন আলোচনী সম্পাদনা কৰোতে বহুতো দুখ কষ্ট পাব লাগে আৰু নিৰাশ হবও লাগে। তাতে আলোচনীখন ছপাশালত দিয়াৰে পৰা কাগজৰ দুই ছাই দাম আনকি পইচা দিলেও নোপোৱা অৱস্থাত পৰি আলোচনীৰ কাম প্ৰায় ডেৰমাহ ধৰি বন্ধ থাকিব লগীয়াত পৰিল। এনেকুৱা কাৰণতে আলোচনীখন প্ৰকাশ কৰাত পলম হল। যাহওক সম্পাদনাৰ ক্ষেত্ৰতো হয়তো ভুল কৰিব পাৰো, কিয়নো ভাল কৰিবৰ কাৰণে মই যত্নৰ ত্ৰুটী কৰা নাই যদিও কিমান দূৰ কৃতকাৰ্য্য হৈছোঁ কব নোৱাৰোঁ।

NOT TO BE ISSUED
REFERENCE/RARE BOOK
(Ref.) / (R. B.)

সম্পাদকীয়

যি সকল শিক্ষাগুৰু আৰু বন্ধু-বান্ধৱীয়ে মোক বিভিন্ন সময়ত দিহা পৰামৰ্শ আৰু সহযোগিতাৰে মোৰ কামত উৎসাহ আগবঢ়াইছিল তেওঁলোকলৈ মোৰ শ্ৰদ্ধা আৰু কৃতজ্ঞতা থাকিল। পৰম পূজনীয় অধ্যক্ষদেৱ, অধ্যাপক ৰাজেন বৰুৱা, মহেন্দ্ৰ প্ৰসাদ বৰুৱা, অধ্যাপিকা সুচিত্ৰা বৰুৱা, উষা বড়া আৰু উপদেষ্টা জীৱন শৰ্মা দেৱৰ ওচৰত মই চিৰকৃতজ্ঞ। ছাত্ৰ ছাত্ৰী সকলৰ ভিতৰত সৰ্ব্বশ্ৰী বিজয় শৰ্ম্মা, জলতি শৰ্ম্মা, গিৰিণ শৰ্ম্মা, প্ৰভাত চৌধুৰী, লোকেশ্বৰ শৰ্ম্মা, কিনাৰাম নাথ, পৰীক্ষিত শৰ্ম্মা কুশেশ্বৰ বড়া, প্ৰদীপ ডেকা, থাইৰত হাজৰিকা, অজয় চহৰীয়া, দিপ্তী দেৱী, আয়েচা বেগম আৰু বিনু বৰদলৈৰ ওচৰত মই কৃতজ্ঞতা স্বীকাৰ কৰিছোঁ আৰু তেওঁলোকলৈ মোৰ হিয়াভৰা মৰম তথা শুভেচ্ছা থাকিল।

শেষত আলোচনীখনৰ ছপাৰ দায়িত্ব গ্ৰহণকাৰী বিদ্যাভাৰতী প্ৰেছৰ স্বত্বাধিকাৰী শ্ৰীগোবিন্দ ৰাম ডেকা আৰু তেওঁৰ সহকৰ্ম্মী সকললৈ ধন্যবাদ জনাই মোৰ সম্পাদকীয়ৰ অন্ত পেলালোঁ।

শ্ৰীদীনবন্ধু শৰ্ম্মা,
সম্পাদক, মঙ্গলদৈ কলেজ আলোচনী

# ৺জনাৰাম কলিতাৰ স্মৃতিত

১৯১৯ চনৰ ৫ চেপ্তেম্বৰ তাৰিখে ৺ললিত চন্দ্ৰ কলিতাৰ দ্বিতীয় পুত্ৰ ৺জনাৰাম কলিতাৰ জন্ম হয় ছিপাঝাৰৰ ভুক্তাবাৰী গাৱঁত। মঙ্গলদৈ হাইস্কুলৰ পৰা প্ৰবেশিকা পৰীক্ষা দি উত্তীৰ্ণ হব নোৱাৰি তেখেতে ১৯৪৩ চনৰে পৰা কৃষিকাৰ্য্যত নামে আৰু সোনকালে এজন আদৰ্শ খেতিয়ক হিচাপে খ্যাতিলাভ কৰে। ১৯৬৬ চনৰ ছিপাঝাৰৰ কৃষি প্ৰদৰ্শনীত ১৩ কেজি ওজনৰ বন্ধাকবি আৰু ৭ কেজি ওজনৰ ফুলকবি প্ৰদৰ্শন কৰি তেখেতে শ্ৰেষ্ঠ খেতিয়কৰ পুৰস্কাৰ পায়। সেই বছৰতে এবিঘা মাটিত ২৯ মোন ২৭½ সেৰ ধান উৎপাদন কৰি ২০০ টকীয়া পুৰস্কাৰ লাভ কৰে।

১৯৬৯ চনৰ ডিচেম্বৰ মাহত তেখেত মঙ্গলদৈ কলেজ কৃষি পামলৈ আহে আৰু অবৈতনিক ভাবে কাম কৰি কৃষি পামৰ যথেষ্ট মাটি খেতিৰ উপযোগী কৰি নানাবিধ খেতিৰে কৃষিপাম শস্যশালী কৰি তোলে। কিন্তু হঠাতে ২১/৯/৭১ তাৰিখে তেখেতৰ অকাল মৃত্যু ঘটাত তেখেতৰ আদৰ্শ কৃষিপামৰ যোগেদি বাস্তৱত ৰূপায়িত হব নাপালে।

৺কলিতা অকল এজন আদৰ্শ খেতিয়কেই নহয় তেখেত একেধাৰে সমাজ সেৱী, খেলুৱৈ আৰু সুদক্ষ শিক্ষক আছিল। স্বাধীনতা আন্দোলনত অংশ গ্ৰহণ কৰাৰ উপৰিও হুচেন চুবুৰীত প্ৰাথমিক বিদ্যালয় স্থাপন, খৈৰাবাৰীত শঙ্কৰ মিচন, এম্ ই স্কুল আৰু গান্ধী আশ্ৰম আদি স্থাপন তেখেতৰ নিষ্ঠাৱান সমাজ সেৱাৰ নিদৰ্শন। ৬ফুট ২ ইঞ্চি ওখ স্থূলকায় ৺কলিতাই স্কুলীয়া জীৱনতে প্ৰতিৰক্ষা বিভাগত ফুটবল খেলি 'হিমালয়' নাম পাইছিল। নিজে প্ৰতিষ্ঠা কৰা খৈৰাবাৰী এম্ ই স্কুলত অলপ দিন শিক্ষকতা কৰিয়েই তেখেতে ছাত্ৰ আৰু অভিভাবকৰ শ্ৰদ্ধাভাজন হৈছিল। ৺কলিতাৰ সাহস, ধৈৰ্য্য, কষ্ট সহিষ্ণুতা আৰু স্বাবলম্বিতাৰ কথা বৰ্ণানিবলগীয়া; তেখেতৰ সহজ, সৰল অথচ দৃঢ় মনোভাবে সকলোকে জয় কৰিছিল।

এইজনা আদৰ্শবাদী কৰ্ম্মীক অকালতে হেৰুৱাই আমি আটায়ে মৰ্ম্মাহত হৈছোঁ। তেখেতৰ স্মৃতিত আমাৰ আকুণ্ঠ শ্ৰদ্ধাঞ্জলি নিবেদি তেখেতৰ পবিত্ৰ আত্মাৰ চিৰশান্তি কামনা কৰিছোঁ।

—সম্পাদক—

# মঙ্গলদৈৰ দেওধনী নৃত্য

প্ৰবন্ধ

শ্ৰীবিজয় চন্দ্ৰ ভাগৱতী
তৃতীয় বাৰ্ষিক

"বৰ্ত্তমান অসমত চলি থকা নাচ সমূহে মৃত অৱস্থা পাইছে যদিও, এই নাচ বিলাকেই "নৃত্য গীত মুখৰিত" পুৰণি অসমৰ এখনি বহুমূলীয়া গীত নাচোনৰ চানেকি বুলি মানি লব লাগিব। এই চানেকিৰ আলম লৈ ধৈৰ্য্য ধৰি এই নৃত্যবোৰ সৌন্দৰ্য্য পূৰ্ণ কৰি তুলিবলৈ আমাৰ নৃত্য আৰু সঙ্গীত শিল্পী সকলে আগবাঢ়ি আহিলে আৰু ভাৰতত প্ৰচাৰ কৰিলে অসমে আকৌ এই বিষয়ত নিজৰ বৈশিষ্টতা ৰাখি ওখ ঠাই অধিকাৰ কৰিব। ভাৰতৰ প্ৰচাৰ আৰু বেতাৰ বিভাগৰ মন্ত্ৰী ডাঃ কেচকৰে দিল্লীত ১৯৬১ চনত অসমীয়া নৃত্য দেখি কৈছিল – "অসমৰ নৃত্য-গীত ভাৰতত শীৰ্ষস্থানীয়। অসমৰ পৰা এই বিষয়ে ভাৰতে শিকিবলগীয়া বহুত আছে।" (ভাঃ নৃত্য কলা)

আজি আমি ঠিক তেনেকুৱা এটি লুপ্ত প্ৰায় নৃত্যৰ বিষয়ে আলোচনা কৰোঁহক – সেইটো হৈছে মঙ্গলদৈৰ দেওধনী নৃত্য। এই নৃত্য হয়তো মৰহি যাব; ই হয়তো এসময়ত গবেষণাৰ বিষয় হব অথচ এই নৃত্যৰ আছে স্বকীয়া বৈশিষ্ট স্বকীয়া মূল্যাঙ্কণ। আজি কালিৰ সস্তীয়া হিন্দী কথা ছবিৰ কিছুমান নৃত্যতকৈ যি হয়তো বহুগুণে আছিল মাৰ্জ্জিত আৰু অভিৰুচি সম্পন্ন।

মঙ্গলদৈৰ দেওধনী নৃত্য হৈছে মনসা শাখাৰ ওজাপালিৰ লগত জড়িত এক বিশেষ আকৰ্ষণীয় অনুষ্ঠান। কামৰূপ কামাখ্যাৰ দেওধনী নৃত্য, কামৰূপীয়া ওজাপালিৰ দেওধনী নৃত্য, দেওধাই নৃত্য আদিৰ লগত মঙ্গলদৈ দেওধনী নৃত্য স্বকীয়া অনুষ্ঠান।

ললিত কলা একাডেমীৰ সচিব শ্ৰীপ্ৰদীপ চলিহা দেৱে লিখিছে—"দেওধনী নাচ অসমৰ বহু ঠাইত প্ৰচলিত হৈ আছে। বিশেষকৈ অসমৰ বড়ো, কছাৰী, দেউৰী, চুটিয়া, হেবেঙ্গীয়া, ৰাভা আদি জনজাতিৰ মাজত ই বৰ জনপ্ৰিয়। ঠাই বিশেষে ইয়াৰ পুৰুষ সংস্কৰণো আছে। তেওঁলোকক "দেওধা" "ভকি" "হোজাই" "ঘোৰা আদি বোলা হয়। তেওঁলোকেও নাচি উঠি জক উঠা অৱস্থাত ভবিষ্যবাণী কয়। আন ঠাইৰ লগত মঙ্গলদৈয়া দেওধনীৰ পাৰ্থক্য আছে। আন আন ঠাইত দুৰ্গা, কালী, শীতলা আদি দেৱী পূজাতো দেওধনী উঠে। মঙ্গলদৈত কিন্তু কেৱল মনসা বা মাৰৈ পূজাতহে দেওধনী উঠি নাচে। মঙ্গলদৈয়া দেওধনীৰ নৃত্যও প্ৰণালীবদ্ধ।

এজনী তিৰোতাই মনসা ওজাৰ পালিৰ লগত জয়ঢোলৰ চেৱে চেৱে নাচি আই ভগৱতীক (মনসা দেৱী) তুষ্ট কৰাৰ অৰ্থে যি প্ৰণালীবদ্ধ নৃত্য কৰা হয়, সেয়ে দেওধনী নৃত্য। যি জনীয়ে হয়তো ওৰে জীৱন কুমাৰী হৈয়ে কটাই দিছে। আই ভগৱতীৰ নামত জীৱন উছৰ্গা কৰি দিছে। সাত্বিক দেওধনী বিলাকে কুমাৰী জীৱন যাপন কৰিবই লাগিব। অৱশ্যে দুই এজনী ব্যতিক্ৰম দেখা যায়।

কাৰ পৃষ্ঠপোষকতাত, কেতিয়াৰ পৰা, কোন ওজাই কি কাৰণত দেওধনী নৃত্যৰ প্ৰচলন কৰালে ইত্যাদিৰ পম খেদি এই নৃত্যৰ ইতিবৃত্ত দিয়া কঠিন হব। কিন্তু এইটো হলে ঠিক যে সুকনানীৰ নায়িকা মহাসতী বেউলাৰ জন্মস্থান মঙ্গলদৈ। এই বেউলাই তেওঁৰ স্বামী লক্ষীন্দাৰক জীয়াবৰ কাৰণে দেৱপুৰীত গৈ দেৱতা সকলৰ আদেশ ক্ৰমে নাচিবলগীয়া হৈছিল। সুকনানীৰ ওজাপালিয়ে গোৱা এই গীতেই তাৰ প্ৰমাণ—

দিহা – এহে এ নটী নাচন নচৰহে মোহিনী কাছে
নানা বৰণে নটী নাচে।

পদ— ক্ষণে উঠে ক্ষণে বসে তালে দিয়া মান।
মধুমাসে মৈৰা যেন ধৰিছে পেখান॥
শূণ্যত নাচয় বেহুলা পৰম হৰিষে।
বচন মধুৰ যেন অমৃত বৰিষে॥
কেইদিকে চাই বেহুলা কৰয় নৰ্ত্তণ।
স্ত্ৰী পুৰুষ মুহিলেক যত দেৱগণ॥
দেৱগণে বোলে শুনা জয় পদ্মাৱতী।
সত্বৰে জীয়াই দেহ নৃত্যকৰ পতি॥
সুকবি নাৰায়ণ দেৱৰ সুৰস পাঞ্চালী।
শিৱৰ বচন বুলি একই লেচাৰী॥

বেহুলাৰ নাচনত দেৱতা সকল সন্তুষ্ট হৈছিল আৰু লক্ষীন্দাৰক জীয়াই দিবৰ কাৰণে পদ্মাৱতীক অনুৰোধ কৰিছিল। অৱশেষত পদ্মাৱতীয়ে লক্ষীন্দাৰক জীয়াই দিবলৈ বাধ্য হৈছিল। গতিকে এনেহেন এজনী মহাসতীৰ জন্ম স্থানৰ স্মৃতি ৰক্ষাৰ্থেও হয়তো দেওধনী নৃত্যৰ প্ৰচলন কৰোৱা হৈছিল।

ডক্টৰ সত্যেন্দ্ৰ নাথ শৰ্ম্মাৰ মতে "সুকনানীৰ ওজাপালিত দেওধনী নচুৱা হয় আৰু ভৰদকৰ দিনা অৰ্থাৎ লক্ষিন্দাৰক সৰ্প দংশনৰ দিনা

দেওধনীক দক্ত মাৰ থৈ পাছত কাপোৰেৰে জাৰি গীত গাই দেওধনীক জগোৱা হয়। ওজাপালিৰ এই মৃক চৰিত্ৰক সৰ্পভ্ৰষ্ট লখিন্দাৰ আৰু দেৱতাৰ আগত নৃত্যৰতা বেউলাৰ প্ৰতীক বুলি কলেও ভুল নহব।"

মঙ্গলদৈৰ দেওধনী পৰিদৰ্শন কৰোৱা কাৰ্য্যাৱলী প্ৰধানকৈ দুই ৰকমে ভাগ কৰিব পাৰি। নৃত্য আৰু দক্। যি সকলে দেওধনীৰ নৃত্য দেখিছে তাক সহজে পাহৰিব নোৱাৰে।

মঙ্গলদৈত দেওধনী নৃত্যৰ আৰম্ভনি হয় এই ধৰণে - দেওধনী প্ৰথমে ওলায় আহিব। গাত বিভিন্ন অলঙ্কাৰ, কৰ্কালত টঙালী, বুকুত মেঠনি, গাত এখনি ফুলাম কাপোৰ, মূৰত উজনীয়া খোপা। প্ৰথমে আই মনসাদেবী আৰু ৰাইজক সেৱা জনায় ওজাপালিৰ আগত থিয় হবহি। এই সময়ত ওজা জনে বহি বহি তেওঁৰ কাম বিলাক কৰি থাকিব। ওজাই দেওধনীৰ লগত নানাছে।

ওজাপালিৰ পালি সকলে জয়ঢোল আৰু তাল বজাবলৈ লয়। দেওবাদীৰে প্ৰথমে নৃত্য আৰম্ভ কৰিব। এই দেওবাদীত হেনো স্বৰ্গৰ দেৱতা সকলে চমক লাগি পৃথিবীলৈ নামি আহে। সেয়েই এই বাদীৰ গুৰুত্ব ইমান বেছি।

দেওধনীয়ে ইতিমধ্যে দেবী মণ্ডপলৈ মুখ কৰি এখিলা আগলতি কলপাতৰ ওপৰত আঠুকাঢ়ি ঢোলৰ চেৱে চেৱে মূৰৰ চুলি বিলাক চোঁৱৰৰ দৰে ঘূৰাই থাকে। মূৰৰ চুলিবিলাক আউল বাউল হোৱাৰ পিছত ঢোলৰ চেৱে চেৱে পালিৰ লগত নাচিবলৈ ধৰে। দেওধনীৰ লগত মুখ্য ঢোল বজাওতা আৰু নাচোতা পালি জনক "মেছা" বুলি কোৱা হয়।

এই সময়ত ওজাই গীতৰ দ্বাৰা কিছুমান দেৱতাক আহ্বান কৰিব। সাধাৰণতে ৪২ গৰাকী দেৱতাক আহ্বান কৰিব লাগে। এই সময়ত গোৱা পদ এনেকুৱা। এই পদ বিলাকক "দেৱতা মাতা" বুলি কোৱা হয়।

দিহা— অ দেৱ আইছৰে হংসৰ বাহনে দেৱ আইছে
হংসৰ বাহনে দেৱ নামে।
(অ' আহ) আনন্দ কৰিয়া দেৱ নামে॥

পদ— ঐৰাৱতৰ স্কন্ধে আইলা দেৱ পুৰন্দৰ।
মহীৰ বাহনত যম ৰবিৰ নন্দন।
চাগত চৰি অগ্নি আইলা হৰিণত পৱন।
হনুমন্ত বীৰ আইলা পৱন নন্দন॥
...ইত্যাদি

দেওধনীয়ে বহুত নাচন দিয়ে। এই নাচন বিলাকৰ নিয়মো বেলেগ বেলেগ। ঢোলৰ বাদীও বেলেগ বেলেগ। দেওধনীৰ প্ৰধান নাচবিলাক হ'ল— হাড়ি নাচন, শিৱ নাচন, ধৰ্ম্ম নাচন, দুৰ্গা নাচন, ধনতোলা কুবেৰ নাচন, মেছা মেছেনী নাচন, কাতিক নাচন, লক্ষ্মী নাচন ইত্যাদি। নাচন বিলাকৰ নামানুসাৰে নানা চিহ্ন দেওধনীয়ে হাতত লৈ নাচে। যেনে— শিৱ নাচোনত কল ঠকুৱাৰ টকা, দুৰ্গা নাচনত তৰোৱাল আদি লৈ নাচে। এই সময়চোৱাত সভা মণ্ডপ অতি গহীন হৈ উঠে।

দেওধনীৰ দ্বিতীয় পৰ্য্যায়ৰ কাৰুকাৰ্য্য অতি আচৰিত আৰু জটিল। ভৰদকৰ দিনা দেওধনীৰ কাৰুকাৰ্য্য চাবলগীয়া। ওজাপালিয়ে এইদিনা ( ভৰদকৰ দিনা ৰাতি ) ভাটিয়েলী খণ্ডৰ পদ গায়। অৰ্থাৎ লক্ষীন্দাৰক সৰ্প দংশনৰ পৰা লক্ষীন্দাৰ জীৱিত হৈ নুঠা পৰ্য্যন্ত।

ভৰদকৰ দিনা সন্ধ্যাৰ সময়ত ওজাপালিয়ে দেওধনীক লগত লৈ এখণ্ড পূজা কৰে। এই পূজা তাহানি দিনত ভূত প্ৰেতক কৰা পূজাৰ দৰে। এই পূজাক "কচেৰী" পূজা বোলে। ঠাই বিশেষে "চুনচামন" পূজাও বোলা হয়। দেওধনীয়ে এই পূজাত বলি কাটি কেচা তেজ খায় আৰু নৃত্য কৰে। ওজাপালিয়ে নানা অঙ্গী ভঙ্গী, স্থানীয় গীত মাত, হাঁহি ধেমালিৰে এই পূজা সম্পন্ন কৰে। এই পূজাও প্ৰণালীবদ্ধ। কাহিনীৰ জৰিয়তেহে এই পূজা কৰা হয়। দেওধা আৰু দেওধনীয়ে নানা ৰং ধেমালি কৰি মাছলৈ গৈছিল। কিন্তু মাছ মাৰোতে দেওধনীক সাপে খুটিলে। সেই সময়ত কছাৰী বেজ এজনে ঠিকনা চায় "চুনচামন" দেৱতাক পূজা কৰিবলৈ দিলে। সেই মতে পূজা কৰোতে দেওধনী আৰোগ্য হয়।

ইয়াৰ পিচৰ পৰা আৰম্ভ হব দেওধনীৰ অতি জটিল আৰু আচৰিত কাৰ্য্যাৱলী। ওজাই দেওধনীৰ জৰিয়তে সম্পন্ন কৰোৱা দকৰ দৃশ্য সমূহ সচাকৈয়ে অতি মনোৰম আৰু আচৰিত। দকৰ চাৰিবিধ। শিৱ দক্, দুৰ্গা দক্, চায়ামায়া দক্ আৰু ভৰদক্। প্ৰত্যেক দক্তে দেওধনীক মাৰি জীয়াই দিয়া দৃশ্য অতি আচৰিত। প্ৰত্যেকটো দকৰে গুৰুত্ব আছে। প্ৰত্যেকটো দকৰে কাহিনী আছে। যেনে— শিৱ দকত সদাশিৱে বিষ ভক্ষণ কৰি মুচ্ছিত হোৱা, দুৰ্গা দকত দুৰ্গা দেৱীয়ে পদ্মাৱতীক সতিনী কৰি নিয়া বুলি মুচ্ছিত হোৱা, চায়ামায়া দকত বিয়ামণ্ডপত লক্ষীন্দাৰে সাপ দেখি মুচ্ছিত হোৱা আৰু ভৰদকত বেউলা লক্ষীন্দাৰ মেৰৰ ভিতৰত থকা ঘটনাৱলী আৰু শিৱপুৰীত গৈ লক্ষীন্দাৰক জীয়াই তোলা পৰ্য্যন্ত। বাকী তিনিটা দকতকৈ ভৰদক্ অতি জটিল।

ৰাতিৰ শেষৰ পিনে দেওধনী ভৰদকত পৰে। দেওধনীক বগা কাপোৰেৰে ঢাকি সম্পূৰ্ণকৈ লৰিব নোৱাৰাকৈ ভৰিৰ পিনে আৰু মূৰৰ পিনে গাঠি দি সভামণ্ডপত ৰাইজৰ আগত শুৱাই ৰখা হয়। এই সময় চোৱাত দেওধনীয়ে লৰচৰ কৰিব নোৱাৰে আৰু নকৰেও। দেওধনীক শুৱাই থোৱা ঠাই খিনি অতি পৰিষ্কাৰ কৰি ৰখা হয়। দেওধনীক উত্তৰ মূৰে শুৱাই ৰখা হয়। লক্ষীন্দাৰক ভেল বান্ধি নদীত উটুৱাই দিয়াৰ গীত গোৱাৰ সময়ত দেওধনীক শুৱাই থোৱাৰ চাৰিও ফালে পিঠাগুৰিৰে সীমা দিয়া হয়। অৰ্থাৎ ভেলত বেউলা লক্ষীন্দাৰ উটি যোৱা দৃশ্য দৰ্শকৰ আগত অৱতৰণ কৰোৱা হয়। ভাটিয়েলী খণ্ডৰ শেষ পদৰ লগে লগে লক্ষীন্দাৰ জীৱিত হব আৰু লগে লগে দেওধনীও জীৱিত হব। এই খণ্ড পদ এনেকুৱা—

দিহা - (আৰে জাৰো বিষ নাই এ হাইৰে হাই)
লখাইৰ হাৰন বিষ জাৰে পদ্মা মাই ॥
পদ - এক হাতে ধৰিলেক বেহুলা সুন্দৰী।
আৰু হাতে ধৰিলেক জয় বিষহৰি ॥

হাতে কৰি তাৰে কাপোৰ কেশ মোকোলাই।
জাৰিতে লাগিল পদ্মা আদ্য মন্ত্র গাই ॥
শূণ্যে বিষ উপজিলা ঘোৰ প্ৰকাৰে ।
নামি গৈলা কুলকূট পদ্মাৰ হুঙ্কাৰে ॥
আদ্য মন্ত্র গাই পদ্মা মাৰিলেক গাঠি ।
যি দ্বাৰে উজাইছা বিষ সেই দ্বাৰে দিয়া ভাঠি ॥
.......... ..... ।

আমি দেখিলোঁ আৰু বুজিলোঁ যে, মঙ্গলদৈৰ দেওধনী সকলে অকল নৃত্যকে পৰিবেশন কৰি থকা নাই । দেৱতাৰ কাৰণে দুঃসাহসিক আৰু অতি কঠোৰ পৰিশ্ৰমো মূৰ পাতি লবলৈ তেওঁলোক সদায় সাজু ।

কিন্তু দুখৰ বিষয় যে, মঙ্গলদৈত বৰ্ত্তমান দেওধনী নতুনকৈ শিকোতা আৰু শিকাওতা নাই। যি দুই চাৰিজনী আছে তেওঁলোকৰো বৰ্ত্তমান প্ৰৌঢ় অৱস্থা। সেয়েই আমি দুখেৰে কব লগীয়া হৈছো যে, আমাৰ এই আপুৰুগীয়া নৃত্যটি মৰহি যাব।

হোৱহয় সেয়েই ললিত কলা একাডেমীৰ সচিব প্ৰদীপ চলিহা দেৱে দুখেৰে লিখিছে—

" একালত মঙ্গলদৈৰ ৰাইজে তেখেত সকলৰ অৱদানেৰে প্ৰাচীন কামৰূপী সঙ্গীতৰ ভঁৰাল চহকী কৰি থৈ গৈছে । কিন্তু এই কথা বৰ্ত্তমান কালত জানে কেইজনে ? বৰ্ত্তমান অসমীয়া সঙ্গীত প্ৰেমীয়ে এই বিলাক বস্তু দেখা শুনাহে নালাগে তাৰ নামেই শুনা নাই । দোষ কাৰ ? দোষৰ অলপমান ভাগ মঙ্গলদৈৰ শিক্ষিত সমাজে নলবনে ? ইমান বিলাক ঐতিহ্যপূৰ্ণ নৃত্যগীতক আমি অৱহেলা কৰি মৃত্যুৰ মুখলৈ ঠেলি দিলোঁ ।........ এনে বিলাক পুৰণি কলীয়া গাৰ্ঁলীয়া ভাঁৱনা বা মন্দিৰৰ দেৱ-দাসীৰ নৃত্যৰ সমল লৈয়ে অন্যান্য ৰাজ্যত উপযুক্ত শিল্পীয়ে বৈজ্ঞানিক পদ্ধতিৰে চৰ্চা কৰি জগৎবাসীক চমক লগাইছে ।"

# জলজলী গাওঁ পঞ্চায়ত এলেকাত অর্থনৈতিক জৰীপ

[ এটা সমীক্ষা ]

অধ্যাপক শৰৎ শৰ্ম্মা
অৰ্থনীতি বিভাগ

[ এক ]

**প্ৰস্তাৱনা—**

আমাৰ দেশৰ সৰহ ভাগ লোক গাৱঁতেই বসবাস কৰে আৰু সেয়ে দেশৰ অৰ্থনৈতিক আৰু সামাজিক অৱস্থাৰ প্ৰকৃত স্বৰূপ আমি গাৱঁতহে দেখিবলৈ পাওঁ। নগৰত বাস কৰা এমুঠি লোকৰ উন্নতিয়ে দেশখনৰ প্ৰতিচ্ছবি আমাৰ আগত দাঙি ধৰিব নোৱাৰে।

গাৱঁৰ উন্নতি সাধন কৰিবলৈ হলে আমি জানিব লাগিব কি কি প্ৰতিবন্ধকৰ কাৰণে গাওঁ সমূহে অৰ্থনৈতিক প্ৰগতিৰ পথত অগ্ৰসৰ হোৱাত বাধাগ্ৰস্ত হৈছে আৰু তেতিয়াহে চৰকাৰ আৰু ৰাইজে সেই কেৰোণ সমূহ পৰিহাৰ কৰি স্থিতাৱস্থাৰ পৰা আমাৰ গাওঁলীয়া জীৱন ধাৰণৰ মান উন্নয়ণ মুখী কৰিব পাৰিব। সেয়ে বৈজ্ঞানীক পদ্ধতিত আমাৰ গ্ৰাম্য সমাজ তথা গোটেই দেশৰ সমস্যা সমূহ অনুধাৱন কৰা আৱশ্যক।

বৰ্ত্তমান আমাৰ দেশৰ উন্নতি কৰিবলৈ চেষ্টা চলোৱা হৈছে পৰিকল্পনাৰ মাধ্যমেৰে। পৰিকল্পিত প্ৰগতিৰ বাবে লাগে প্ৰথমতে দেশৰ তথ্য সমূহ, যাৰ ওপৰত ভিত্তি কৰি ভৱিষ্যতৰ বাবে সংহত কাৰ্য্য পন্থা হাতত লোৱা হয়। তাৰোপৰি সময়ে সময়ে পৰিকল্পনাৰ মাধ্যমেৰে কিমান খিনি দেশে অগ্ৰগতি লাভ কৰিলে, তাকো ফঁহিয়াই চোৱা উচিত। যি যি কাৰণৰ কাৰণে উন্নয়ণ প্ৰতিহত হৈছে, তাকো ব্যখ্যা কৰি তাক নিৰাময় কৰিলেহে পৰিকল্পিত অৰ্থনৈতিক ব্যৱস্থাৰ সাৰ্থকতা আছে।

দুটা পদ্ধতি— সাধাৰণতে তথ্য সংগ্ৰহ কৰা হয় পিয়ল পদ্ধতি আৰু নমুনা জৰীপ পদ্ধতিৰ দ্বাৰা। পিয়ল পদ্ধতিত সকলো কথা অতি তন্ন তন্ন কৰি অধ্যয়ন কৰা হয়। লোক পিয়লৰ ক্ষেত্ৰত এই পদ্ধতি ব্যৱহাৰ কৰা আমি দেখিছো। পিয়লৰ কাৰণে বহুত কৰ্ম্মচাৰী, অধিক টকা পইচাৰ আৱশ্যক।

নমুনা পদ্ধতিত কিছুমান নমুনা (sample) পৰীক্ষা কৰি এটা সিদ্ধান্তলৈ অহা হয়। কম সংখ্যক উচিত শিক্ষা পোৱা লোকে, কম সময়তে আৰু কম খৰচতে এই পদ্ধতিত জৰীপ চলাই তথ্য সংগ্ৰহ কৰে। বৈজ্ঞানীক পদ্ধতিত নমুনা জৰীপ কৰিব পাৰিলে, ভালেমান মূল্যবান তথ্য সংগ্ৰহ কৰিব পৰা যায়।

শিক্ষা সমাজৰ বাবে :—

অৰ্থনৈতিক তথা সামাজিক নমুনা জৰীপ যদি কোনো শিক্ষানুষ্ঠানৰ দ্বাৰা চলোৱা হয়, তেনে ক্ষেত্ৰত ছাত্ৰ সকলে তেওঁলোকৰ উচ্চ শিক্ষিত শিক্ষকৰ সহযোগত সামাজিক সমস্যা সমূহ সহানুভূতিৰে অধ্যয়ণ কৰিবলৈ শিকিব পাৰে। শিক্ষাযে অকল শিক্ষাৰ বাবেই নহয়, ইয়াৰো যে এটা সামাজিক দিশ আছে তাক হৃদয়ঙ্গম কৰিব পাৰে আৰু আনুষ্ঠানিক শিক্ষাৰ অন্তত কৰ্ম্মক্ষেত্ৰত যেতিয়া নামি পৰে, তেতিয়াও সেই সকল ছাত্ৰই সামাজিক সমস্যা সমূহৰ প্ৰতি জাগ্ৰত থাকে, সেয়ে তেওঁলোকৰ সমাজৰ কাৰণে অধিক মূল্যবান বুলি পৰিগণিত হব পাৰে।

মঙ্গলদৈ কলেজৰ পৰিকল্পনা সংস্থাৰ উদ্যোগত, এনেবিলাক সামাজিক আৰু শিক্ষামূলক মূল্যৰ প্ৰতি লক্ষ্য ৰাখিয়েই যোৱা ১৯৭০ চনৰ চেপ্তেম্বৰ মাহত, জলজলী গাওঁ পঞ্চায়ত এলেকাত, কলেজৰ ছাত্ৰ-ছাত্ৰী আৰু অধ্যাপকেৰে গঠিত এটি দলে নমুনা জৰীপ চলাই বহুতো মূল্যবান তথ্য সংগ্ৰহ কৰে।

( দুই )

জলজলী গাওঁ পঞ্চায়ত এলেকা :

দৰং জিলাৰ মঙ্গলদৈ মহকুমাত জলজলী গাওঁ পঞ্চায়ত অঞ্চলটো অৱস্থিত। এই এলেকাটো ২৬° ২৭° পূৰ্ব দ্ৰাঘিমা আৰু ৯১°—৯২° অক্ষৰেখাৰ মাজত অৱস্থিত।

১৯৬১ চনৰ পিয়ল মতে ইয়াত ৩৩৪ টা পৰিয়ালে বসবাস কৰে আৰু মুঠ জনসংখ্যা ২৩৬৩ জন আৰু মুঠ ভূমিৰ পৰিমাণ ২৯৩৪.৪ একৰ। সকলো অধিবাসীয়েই কৃষিৰ ওপৰত নিৰ্ভৰ কৰে।

( তিনি )

আমি কি দেখিলো—

পৰিয়ালৰ গঠন :— গাৱঁত সংগ্ৰহ কৰা তথ্য পাতি মিলাই দেখা গ'ল যে প্ৰতিটো পৰিয়ালত জনসংখ্যা গড়ে ৮.২ জন। ১৫ বছৰতকৈ কম বয়সৰ ল'ৰা ছোৱালীৰ সংখ্যা হাজাৰত ৫০৭ জন' ১৫ বছৰ আৰু ৬০ বছৰৰ মাজৰ লোকসংখ্যা হাজাৰত ৪০২ জন আৰু ৬০ বছৰতকৈ অধিক বয়সৰ লোকসংখ্যা অতি নগন্য, মাত্ৰ হাজাৰত ৯১ জন। পুৰুষ আৰু মহিলাৰ অনুপাত ১০০০ : ৯০২।

শিক্ষিত আৰু শিক্ষিত নিবনুৱা —

শিক্ষিত লোকৰ হাৰ শতকৰা ১৫.৬ জন। শিক্ষিত নিয়োগ প্ৰাপ্ত লোক মাত্ৰ শতকৰা ১.২ জন। যি সকল কমেও ৮ম মান শ্ৰেণী পাছ কৰিছে, পঢ়া এৰিছে আৰু চাকৰিৰ অন্বেষণত আছে; প্ৰৱেশিকা, স্নাতক, নিম্ন স্নাতক আৰু স্নাতোকোত্তৰ পৰীক্ষাত উত্তীৰ্ণ হোৱা আৰু পঢ়ি নাথাকি, চাকৰি বিচৰা নিবনুৱাৰ সংখ্যা শতকৰা ১.৮ জন।

খেতি কৰিবলৈ মাটি নাই :-

যদি ১০ বিঘা মাটি একোটা পৰিয়ালৰ বাবে অত্যাৱশ্যকীয় সৰ্ব্বনিম্ন ভূমি বুলি ধৰা হয়, সেই হিচাবত শতকৰা ৩৬.২ টা পৰিয়ালেই ভূমিহীন শ্ৰেণীত পৰিব। শতকৰা ৫৯টা পৰিয়ালেই আৱশ্যকীয় খাদ্য শস্য উৎপাদন কৰিব নোৱাৰে।

ভূমি বিখণ্ডিত সমস্যা :—

যি খিনি ভূমি কৃষিৰ বাবে পোৱা যায়, সিও ক্ষুদ্ৰ ক্ষুদ্ৰ খণ্ডত বিখণ্ডিত শতকৰা ৩১ টা দাগত মাটিৰ পৰিমাণ এক বিঘাতকৈ কম, শতকৰা ৪২ টা দাগত মাটি এক বিঘাতকৈ অধিক অথচ তিনি বিঘাতকৈ কম, শতকৰা ২০টা দাগত তিনি বিঘাতকৈ অধিক মাটি, কিন্তু ৬ বিঘাতকৈ কম। মাত্ৰ শতকৰা ৭টা দাগত মাটিৰ পৰিমাণ ৬ বিঘাতকৈ অধিক।

ভূমি বিখণ্ডিত হোৱাৰ মূল কাৰণ উত্তৰাধিকাৰী সূত্ৰে ভূমিৰ বিভাজন। বহুতো দাগত মাটি বিভক্ত হোৱা বাবে কৃষি কাৰ্য্যত অসুবিধা পোৱা বুলি কৃষক সকলে ভাবে। চৰকাৰী বিষয়া সকল গৈ গাৱঁতেই মাটি সালসলনি কৰি দিয়াৰ ব্যৱস্থা কৰিলে কৃষক সকলে ভূমি একত্ৰী-কৰণ কৰাৰ সুবিধা গ্ৰহণ কৰিব।

আধিয়াৰ আইন :—

শতকৰা ৬১ ভাগ মাটিতেই দুটা খেতি কৰে আৰু শতকৰা ৯৭টা পৰিয়ালেই নিজে নিজে খেতি চলায়। আধিয়াৰ আইন এই অঞ্চলত প্ৰয়োগ হোৱা নাই; মাটিৰ গৰাকী আৰু আধিখোৱা লোকে শস্য ৫০ : ৫০ কৈ ভাগ কৰে। শতকৰা ৮ ভাগ পৰিয়ালে খাদ্য শস্য বিক্ৰী কৰে।

সেউজীয়া বিপ্লব কিমান দূৰৈত :—

সেউজীয়া বিপ্লৱে এই অঞ্চলত কোনো প্ৰভাৱ বিস্তাৰ কৰিব পৰা নাই। ভাল উন্নত জাতৰ বীজ, নতুন কৃষি পদ্ধতি আদি প্ৰচলন হোৱা নাই আৰু কোনো চৰকাৰী বিষয়াই এই ক্ষেত্ৰত তৎপৰতা লোৱা নাই বুলি জনা গ'ল।

ঋণ ব্যৱস্থা —

প্ৰতি এশটা পৰিয়ালৰ ১৯টা পৰিয়ালেই ঋণগ্ৰস্থ। মুঠ ঋণৰ শতকৰা ৭০ ভাগ কৃষিত, ৩০ ভাগ বিবাহ, শিক্ষা আৰু চিকিৎসাৰ বাবে খৰচ কৰে।

সম্পৰ্কীয় লোকে শতকৰা ১০ ভাগ, সমবায় বেঙ্কে ২০ ভাগ আৰু মহাজনে ৭০ ভাগ ধন ধাৰে দিয়ে। সূদৰ সৰ্ব্বোচ্চ হাৰ ৭৫% পৰা ১০০% লৈ।

পঞ্চায়ত সম্পৰ্কে :—

গাৱঁৰ পঞ্চায়ত ব্যৱস্থাই প্ৰাপ্ত বয়স্কৰ শিক্ষা, কৃষি, আমোদ প্ৰমোদ, বাট পথ, ডেকা সকলৰ কল্যাণমূলক কাম, জনস্বাস্থ্য আৰু মাতৃ মঙ্গলৰ ক্ষেত্ৰত কোনো অৰিহণা যোগাব পৰা নাই। প্ৰকৃত সেৱাৰ মনোভাৱৰ শিক্ষিত লোক আৰু ধনৰ অভাৱত পঞ্চায়ত ব্যৱস্থা ফলদায়ক হোৱা নাই বুলি গাৱঁৰ লোক সকলে অভিমত দিয়ে।

কুকুৰা পোহাৰ আগ্ৰহ :—

কুটীৰ শিল্পক কোনো লোকে উপাৰ্জ্জনৰ পথ হিচাবে গ্ৰহণ কৰা নাই যদিও পৰ্য্যাপ্ত পৰিমাণে কেচা মাল পোৱা যায়। মাছ পোহা, গৰু গাই পোহাৰ ( ব্যৱসায়িক ভিত্তিত ) আগ্ৰহ দেখা নগল, কিন্তু চৰকাৰে সাহায্য কৰিলে শতকৰা ৫৩ ভাগ পৰিয়ালে কুকুৰা পোহাৰ প্ৰতি আগ্ৰহ দেখুৱাইছে।

বেমাৰ আৰু চিকিৎসা :—

বসন্ত, মেলেৰিয়া, পেটৰ অসুখ, চকুৰ অসুখ আদিয়েই প্ৰধান বেমাৰ। এখন ৰাজ্যিক চিকিৎসালয় গাৱঁৰ মাজতেই অৱস্থিত। পুষ্টিহীনতাৰ কাৰণেই অধিক সংখ্যক লোকে বেমাৰ ভোগ কৰে বুলি ভাবিবৰ স্থল আছে।

পৰিয়াল পৰিকল্পনা :—

পুৰুষৰ বন্ধ্যাকৰণ পদ্ধতিয়েই এই অঞ্চলত সমাদৰ লাভ কৰিছে। গাৱঁৰ চিকিৎসালয়খনত ১৫০জনে এনে ব্যৱস্থা গ্ৰহণ কৰিছে।

গাৱঁত বজাৰ নাই :—

জলজলী গাওঁ পঞ্চায়তৰ অন্তৰ্গত কোনো বজাৰ নাই। বস্তু বেচা কিনা ৪ বা ৭ মাইল দূৰত থকা দুখন বজাৰত কৰে।

ৰাজহুৱা অনুষ্ঠান :—

গাৱঁৰ মাজত অৱস্থিত প্ৰাথমিক বিদ্যালয় খনত ১৮০জন ছাত্ৰ-ছাত্ৰীয়ে শিক্ষা লাভ কৰে ; কিন্তু যোৱা ১০ বছৰে কোনো মেৰামতি নকৰা বাবে ঘৰটোৰ বেৰবোৰ ভাগি গৈছে। চিলিং নথকা বাবে গৰমৰ দিনত আৰু বেৰ নথকা বাবে জাৰৰ দিনত কণ-কণ ল'ৰা-ছোৱালীহঁতে কষ্ট পায়। চাৰিজন শিক্ষক বহিবলৈ আচবাব, ব্লেকবোৰ্ড নাই। আগতে থকা এজন শিক্ষকক আতৰাই নিয়াত চাৰিজন শিক্ষকে ইমান বিলাক ল'ৰা-ছোৱালীক ভাল দৰে শিক্ষা প্ৰদান কৰাত বাধা জন্মিছে। ঘৰটোৰ বাবে আবেদন নিবেদন কৰা স্বত্তেও কোনো চৰকাৰী সাহয্য পোৱা নাই।

প্ৰাচীন জলজলী পুখুৰীটোৰ কোনো ৰক্ষণাবেক্ষণৰ ব্যৱস্থা কৰা হোৱা নাই, যদিও প্ৰায় এহেজাৰ লোকে ইয়াৰ পানী খায়।

[ চাৰি ]

আমাৰ দু আষাৰ—

প্ৰথম দৃষ্টিতে আমি দেখিবলৈ পাওঁ যে

প্ৰত্যেকটো পৰিয়ালত লোক সংখ্যা অধিক । সৰ্ব্ব ভাৰতীয় হিচাবত প্ৰতি পৰিয়ালত জনসংখ্যা গড়ে ৫.২ জন, কিন্তু আমাৰ সমীক্ষাত প্ৰতি পৰিয়ালত গড়ে ৮.২ জনকৈ পোৱা গ'ল । ইয়াৰ পৰা বুজা যায় যৌথ পৰিয়ালৰ ব্যৱস্থাৰ বহুলতা । পুৰুষ মহিলাৰ অনুপাত ভাল । শিশুৰ অধিক্যলৈ চাই জনসংখ্যা বৃদ্ধিৰ ইঙ্গিত পোৱা যায় । জন স্বাস্থ্যৰ উন্নতিৰ ফলত শিশুৰ মৃত্যুৰ হাৰ কমা বুলি ধাৰণা হয় । কাম কৰা বয়সৰ লোকৰ (১৫—৬০) সংখ্যা তাৰবীয়া আৰু বুঢ়া লোকৰ সংখ্যা তুলনা মূলক ভাবে বৰ কম ।

১৯৬১ চনৰ লোকপিয়ল মতে অসমত শিক্ষিতৰ সংখ্যা শতকৰা ২৫.৭৬ জন জলজলীত শিক্ষিতৰ সংখ্যা মাত্ৰ ১৫.৬ জন । শিক্ষিত নিবনুৱা সমস্যা পৰিসংখ্যা মতে প্ৰকট নহয় ।

য'ত সকলো লোকেই কৃষি জীৱি, তেনে-স্থলত শতকৰা ৫৮.২ ভাগ পৰিয়ালৰ ভূমিহীন অৱস্থা আৰু তাৰ ফলত শতকৰা ৫৯ টা পৰিয়ালে খাদ্য শস্য খোৱাৰ বাবে উৎপাদন কৰিব নোৱাৰাটোৱেই এটা ডাঙৰ সমস্যা । ইয়াত বস-বাস কৰা লোক সকলৰ কৃষিত বাদে কোনো টকা আৰ্জনৰ পথ নাই সেয়ে তেওঁলোকৰ জীৱন ধাৰণৰ মান নিম্নতম হোৱাই স্বাভাৱিক । তাৰ-বীয়া ভূমিত সৰহ শস্য উৎপাদন কৰাত বাদে তেওঁলোকৰ গত্যন্তৰ নাই । জলসিঞ্চন হলে কৃষি ক্ষেত্ৰত উৎপাদন বৃদ্ধি কৰিব পাৰিব সেইটো নিশ্চিত আৰু জলসিঞ্চন ব্যৱস্থা কাৰ্য্যত পৰিণত হলে ভূমি সংগঠন সহজ হৈ পৰিব । সমগ্ৰ ভাৰতত ভূমি একত্ৰীকৰণ কৰিছে ২৪০৫৩ হাজাৰ হেক্টৰ, কিন্তু অসমত মাত্ৰ ২ হাজাৰ হেক্টৰ মাটি একত্ৰীকৰণ কৰা হৈছে । জলসিঞ্চনৰ ক্ষেত্ৰত অসম চৰকাৰে এতিয়াও উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰিব পৰা নাই । সমবায়ৰ কৃত কাৰ্য্যৰ বাবে লাগে শিক্ষা, আৰু সহযোগৰ ভাব উপযুক্ত গুৰি ধৰা লোক । অসমত এতিয়াও এনে বিলাক গুনৰ লোকৰ অভাব । সেয়ে সমবায় কৃষিৰ দ্বাৰা কৃষিৰ উন্নতি কৰিব বুলি মনে নধৰে ।

আগৰ কালত পৰ্য্যাপ্ত পৰিমাণে ভূমি পোৱা গৈছিল, সেয়ে সকলোৱে কৃষিৰ দ্বাৰাই জীৱিকা নিৰ্ব্বাহ কৰিব পাৰিছিল । বৰ্ত্তমান পৰিস্থিতিত মনোভাব সলনি কৰি কিছু সংখ্যক লোকে, বাহ বেতৰ কাম, মুগা পলু পোহা, হাঁহ কুকুৰা পালন মৌ-পালন, গো পালন, মীন পালন আদি ব্যৱসায়ত লাগি আৰ্থিক অৱস্থা টনকিয়াল কৰিব লাগিব । এনেবিলাক উদ্যোগত উৎপাদিত দ্ৰব্য সহজেই বিক্ৰী কৰিব পাৰি ।

কৃষি আৰু ক্ষুদ্ৰ উদ্যোগৰ বিকাশৰ বাবে ৰাষ্ট্ৰীয় বেঙ্ক সমূহে ঋণ দিয়াৰ ব্যৱস্থা কৰিছে ; শিক্ষিত লোকসকলে এই সুবিধা গ্ৰহণ কৰিব লাগিব ।

পঞ্চায়ত সমূহক শক্তিশালী কৰিবলৈ চৰকাৰে অধিক ধন দিব লাগে । শিক্ষিত

লোকক ইয়াত সক্রিয় অংশ গ্রহণৰ সুবিধা দিব লাগে।

খণ্ড উন্নয়ণ বিভাগৰ কৃষি, উদ্যোগ আদিৰ সম্প্ৰসাৰণ বিষয়াসকলে অকল কাৰ্য্যালয়তে আৱদ্ধ নাথাকি, প্ৰকৃত সেৱাৰ মনোভাৱেৰে গাওঁ সমূহত ভ্ৰমণ কৰি যথাযোগ্য ভাবে মানুহক দিহা পৰামৰ্শ দিব লাগে। আনহাতে গাৱঁৰ লোক সকলেও নতুন নতুন কৃষি, শিল্প-পদ্ধতি গ্ৰহণ কৰিবলৈ আগ্ৰহান্বিত হোৱাটো কৰ্ত্তব্য। নিজে উন্নতি কৰিবলৈ ইচ্ছা নকৰিলে কোনেও উন্নতি কৰাই দিব নোৱাৰে। 'আত্ম বলেই পৰম বল' বুলি কোৱা হয়। আত্মনিৰ্ভৰশীল মনোভাৱলৈ আমাৰ গাৱলীয়া সমাজে কাৰ্য্যক্ষেত্ৰত নামিলেহে, গাৱলীয়া জীৱনত প্ৰাণ সঞ্চাৰ হব আৰু ক্ৰমোন্নতিৰ পথত অগ্ৰসৰ হোৱাৰ পথ সুগম হব।*

---

* জলজলীত নমুনা জৰীপত পোৱা তথ্য আৰু তাৰ তুলনামূলক আলোচনা, "Socio-Economic sample survey in Jaljali village parchayat Area" নামৰ এখনি ইংৰাজীত লিখা কিতাপত বহল ভাবে লিখা হৈছে।

# অসমৰ নিবনুৱা সমস্যা সমাধানত ছাত্ৰ-ছাত্ৰীৰ ভূমিকা

শ্ৰীতৰুণ শৰ্ম্মা
দ্বিতীয় বাৰ্ষিক ( বিজ্ঞান )

ছাত্ৰই দেশৰ ধৰণী। যদিও ছাত্ৰৰ বাবে "অধ্যয়নম্ তপম্'' হব লাগে তথাপি, এই অধ্যয়ন অকল অধ্যয়নতে আৱদ্ধ থকা উচিত নহয়। বৰ্ত্তমান পৃথিবী এক জটিল পথেৰে আগবাঢ়িছে। এই গতিৰ যুগত সমাজৰ সকলো স্তৰবে সমাজ উন্নয়ণ তথা সংস্কাৰত হাত থকা উচিত। ছাত্ৰ সমাজ সমাজৰ এক বৃহৎ অংশ। গঢ়ি উঠাৰ এই সময়টোকেই ছাত্ৰ কাল বোলে। সেয়ে নিজকে একোজন 'মানুহ" হিচাবে গঢ়িবলৈ হলে ছাত্ৰসকলে জীৱনৰ সকলো কামতে হাতে কামে শিক্ষা লাভ কৰা উচিত। তেওঁলোকে ইয়াৰ বাবে সাহসী হোৱা উচিত। তেওঁলোকে মনত ৰখা উচিত যে সাহসবিহীন জ্ঞান যমৰ মূৰ্ত্তিৰ নিচিনা। এখন দেশৰ নাড়ী নক্ষত্ৰ সেইখন দেশৰ যুব ছাত্ৰ শক্তিৰ ওপৰত প্ৰধানকৈ নিভ'ৰ কৰে। দেশখনৰ উত্থান পতনৰ লগত সেইদেশৰ ছাত্ৰ সমাজৰ ভূমিকা লেখত লবলগীয়া। আমাৰ স্বাধীনতা আন্দোলনত ছাত্ৰৰ ভূমিকাৰ বিষয়ে সকলোৱে জানে। কাৰণ ছাত্ৰশক্তি আমোঘ শক্তি। এই শক্তি কেতিয়াও ব্যৰ্থ নহব আৰু ই সদায় সত্যৰ ফালেহে ধাৱমান হয়।

অসমৰ ছাত্ৰশক্তি নিজৰ সত্যানুসৰণ পদ্ধতি, অন্যায়ৰ বিৰুদ্ধে মূৰ দাঙি ঠিয় হোৱা শক্তি আদিৰ বাবে প্ৰখ্যাত। প্ৰাক-স্বাধীনতাৰ যুগৰ পৰাই অসমীয়া ছাত্ৰই নিজৰ গৌৰব অক্ষুন্ন ৰাখিছে। অসমত যদি কিবা উন্নতি পৰিলক্ষিত হৈছে সেয়া প্ৰকাৰন্তৰে ছাত্ৰশক্তিৰেই ফল। কিন্তু বৰ্ত্তমান অসমীয়া ছাত্ৰশক্তিৰ চলত জাঁজি

উঠি আহিছে। উচিত ব্যৱস্থা নললে সেই ভঁাড়িয়ে প্ৰাণ সুতি বন্ধ কৰি দিব পাৰে। নিবনুৱা সমস্যাই বৰ্ত্তমান এনে এটা বাধা, যিয়ে অসমীয়া ছাত্ৰৰ মনোবল তথা অসমৰ উন্নতিত প্ৰকাণ্ড বাধা হৈ উঠিছে।

আমি এতিয়া চাব লাগিব এই নিবনুৱা সমস্যাটোৰ গুৰি ক'ত। অসম এখন এনে দেশ য'ত অসমীয়াতকৈ অনা অসমীয়াহে বেচি। বৰ্ত্তমান পূব পাকিস্তান আৰু পশ্চিম পাকিস্তান আদিৰ পৰা লাখে লাখে ভগনীয়া অসমলৈ আহিয়েই আছে। তাৰোপৰি নানা উদ্যোগ, অফিচ, কাছাৰী আদিত কাম কৰিবলৈ ভাৰত গভৰ্ণমেণ্টে সাধাৰণ চকিদাৰৰ বাবেও অনা অসমীয়াক অসমলৈ চালান দিছে। ফলত অসমত নানা সমস্যাৰ উদ্ভৱ হৈছে আৰু প্ৰতিটো সমস্যাই কৰালৰূপ ধৰি উঠিছে। গাওঁ, নগৰ উভয় খণ্ডতেই শিক্ষিত অশিক্ষিত উভয় বিধ নিবনুৱাৰ সংখ্যা ক্ৰমে বাঢ়ি আহিছে। জনসংখ্যা বৃদ্ধিৰ ক্ষিপ্ৰগতি, অনা অসমীয়া আৰু শৰণাৰ্থীৰ নিৰন্তৰ অনুপ্ৰবেশ আৰু গঞা যুৱকৰ নগৰমুখী ধাবন আৰু সাধাৰণ শিক্ষাৰ সম্প্ৰসাৰণে এই সমস্যা প্ৰবল কৰি তুলিছে। শেহতীয়া হিচাব মতে সৰ্ব্ব ভাৰতীয় বৃদ্ধিৰ হাৰ শত কৰা ৫৮ ৰ তুলনাত অসমত ১৪৫%লৈ বৃদ্ধি পাইছে। নিয়োগ বিনিময় কেন্দ্ৰৰ পৰিসংখ্যাৰে প্ৰকৃত নিবনুৱাৰ সংখ্যা পাব নোৱাৰি।

অসমৰ দৰে প্ৰাকৃতিক সম্পদত চহকী এখন ৰাজ্যত উদ্যোগৰ বহুল উন্নতি হব লাগিছিল। কিন্তু অসমত বৰ্ত্তমান কেইটামান সৰু উদ্যোগৰ বাহিৰে আন উদ্যোগ নায়েই। ইয়াৰো বেছিভাগ অনা-অসমীয়া উদ্যোগ-পতিৰ; আৰু ইয়াত অনা-অসমীয়াইহে কাম পায়। অসমীয়া মানুহে উদ্যোগ কৰিবলৈকে উদ্যোগ নকৰে। অদূৰদৰ্শিতা, কাৰিকৰী জ্ঞানহীনতাই এই ক্ষেত্ৰত প্ৰধান বাধা। অৱশ্যে এটা কথা যে, অৰ্হতাসম্পন্ন থলুৱা প্ৰাৰ্থী নাই বুলিয়েই অসমত কেন্দ্ৰীয় খণ্ডৰ উপৰিও ৰাজ্যিক খণ্ডৰো অনেক উদ্যোগত বাহিৰা প্ৰাৰ্থীক নিযুক্তি দিব লগা হয়।

বৰ্দ্ধিত জন সংখ্যাই আমাৰ নিবনুৱা সমস্যা আৰু ভয়াবহ কৰি তুলিছে। বৰ্ত্তমান গঞা যুৱক সকলৰ মনবোৰ চহৰমুখী হৈ পৰিছে। ফলত খেতি বাতি কৰাতকৈ চহৰত চিনেমা হলৰ গেট কিপাৰ হোৱাই ভাল বুলি ভবা হৈছে। অসমীয়া জাতিৰ কৰ্ম বিমুখতাৰ বাবে নিবনুৱাৰ সৃষ্টি হৈছে। সময়ে সময়ে বাতৰি কাকতত আমি সাধাৰণ কাম কৰি খাবলৈ অনিচ্ছুক অসমীয়া নিবনুৱাৰ কথা পাওঁ। ৰিক্সা, ঠেলা গাড়ী, ঘোঁৰা গাড়ী, সৰু পান দোকান আদি বৰ্ত্তমান অনা অসমীয়াৰ হাতত। অসমীয়াই সেইবোৰ কৰিবলৈ লাজ পায়। ই আমাৰ জাতিগত দোষ বুলিবও পাৰি। সমাজৰ গোৰামি অহৈতুক লজ্জা ভাব আতৰ হলেহে অসমীয়াই উন্নতি কৰিব পাৰিব।

একশ্ৰেণী বনুৱাক আকৌ কেতবোৰ উদ্যোগ পতিয়ে কামৰ পৰা চাটাই কৰি নিবনুৱাৰ

সমস্যাত পেলাইছে। যিহেতু অনা অসমীয়া লোক প্ৰায়বোৰ উদ্যোগৰ মালিক ; তেওঁলোকে সকলো কামত অনা অসমীয়া ভৰ্ত্তি কৰিব খোজে আৰু ফলত অসমীয়াই খেদা খায়। বাতৰিত এইবোৰ প্ৰকাশ পোৱা যায়। চাহ বাগিচাৰ মালিক সকলে তেওঁলোকৰ ক্ষতি বুলি কৈ বহুতো বনুৱাক কামৰ পৰা বৰখাস্ত কৰে। ১৯৬৬ চনৰ পৰিসংখ্যা মতে অকল চাহ বাগিচাৰ নিবনুৱাই একলাখ মান হব। এইদৰে নিবনুৱা সমস্যাৰ বৃদ্ধিত সহায় কৰিছে। অসমৰ কেতবোৰ উদ্যোগত উদ্যোগ পতি সকলে অটোমেচন বহুৱাব খোজাৰ কথা আমি কাকতে পত্ৰই পাইচো। ইয়াৰ ফলত যথেষ্ট সংখ্যক কৰ্ম্মী নিবনুৱা হৈ পৰিব।

কেন্দ্ৰীয় তথা ৰাজ্যিক প্ৰায় সকলোবোৰ কাৰ্য্যালয়তে নিযুক্তিৰ হাৰটো অনা-অসমীয়াৰ ফালেহে বেছি যেন অনুমান হয়। আনকি অলপতে বাতৰিত দিয়ামতে স্বয়ং সচিবালয়তে চতুৰ্থ শ্ৰেণীৰ চাকৰিৰ বাবে অসমীয়া লোকৰ স্থান নাই। Indian Air Lineচত মাত্ৰ কেইজন মানহে অসমীয়াই নিযুক্তি পাইছে। এই দৰে বিচাৰিলে দেখা যাব যে কেন্দ্ৰই আৰু চৰকাৰে আমাক সকলো ফালৰ পৰা নিচিহ্ন কৰিব বিচাৰিছে।

এইবোৰৰ ওপৰিও প্ৰাকৃতিক দুৰ্য্যোগে বছৰে বছৰে অসমীয়াক পীড়ন কৰি আহিছে। যোৱা কেইবছৰমানৰ পৰা ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনৈ সমূহে মাৰাত্মক ভাবে গৰাখহনীয়া আৰম্ভ কৰাত বহুত গাওঁ নিচিহ্ন হৈ গৈছে। ইয়াৰ ফলত নিবনুৱাৰ সৃষ্টি হৈছে। কৃষিজীৱি অসমীয়া নিবনুৱাই খেতি কৰিম বুলি চৰকাৰী মাটি দখল কৰিলেও উচ্ছেদ হয়। কিন্তু লাখ লাখ ভগ-ভগনীয়া বনুৱাই কিদৰে কাকতি ফৰিঙৰ দৰে অসমীয়াক কাটি মাৰি মাটি দখল কৰিছে বা চৰণীয়া পথাৰ বেদখল কৰিছে তাৰ বাবে বিচাৰক কোনো নোলায়। ৰক্ষকে যেতিয়া ভক্ষক হয় তেতিয়া নিবনুৱা হোৱাৰ বাহিৰে উপায় নোহোৱা হয়। ফলত নিবনুৱা সমস্যাৰ কনমানো সমাধান হোৱা নাই, বৰং ই তাল পৰিমাণে বাঢ়িছেহে।

ভাৰতত বৰ্ত্তমান যি পাচ বছৰীয়া পৰিকল্পনা লোৱা হৈছে এইবোৰ নিবনুৱা সমস্যা সমাধানত কোনো সহায় কৰা নাই। বিশেষকৈ অসমীয়া নিবনুৱা সকলৰ সংস্থান দিব পৰা নাই। "সেউজ বিপ্লৱৰ" আহ্বান কৰিছে যদিও দেশত সেউজ বিপ্লৱ সেই মান্ধাতা যুগৰ নাঙলৰনতে পাক খাই আছে। এই বাবে শিক্ষিত নিবনুৱাক প্ৰশিক্ষণ দিয়া উচিত। আমাৰ পৰিকল্পনা সমূহত অৰ্থ-নৈতিক বিকাশৰ ওপৰত জোৰ দিওঁতে দিওঁতে বৰ্ত্তমান P. L-480 চুক্তিৰ ভাত খাব লগা হৈছে। আমাৰ শিক্ষাপদ্ধতিৰ আমূল পৰিবৰ্ত্তন কৰা উচিত। বৰ্ত্তমান শিক্ষা পদ্ধতিয়ে কেৱল চাকৰি কৰি খাবলৈহে দিয়ে। সেয়ে যেতিয়া পৰীক্ষাত উত্তীৰ্ণ হৈ আহি চাকৰিৰ বাবে ঘূৰি ফুৰিব লগা হয় তেতিয়াই নিবনুৱাৰ শ্ৰেণীভুক্ত হোৱা যায়। ব্যৱহাৰিক শিক্ষাৰ প্ৰচলনেহে নিবনুৱা সমস্যা কিছু পৰিমাণে কমাব যেন

লাগে। অসমত টেক্‌নিকেল স্কুল খোলা উচিত। নতুন নতুন উদ্যোগৰ বাবে আৱশ্যকীয় অৰ্হতা পাবলৈ তাৰবাবে প্ৰশিক্ষণ দিয়া স্কুল খোলা উচিত।

চতুৰ্থ যোজনাৰ এটা ঘাই লক্ষ যদিও হৈছে উন্নয়ণ আৰু বিনিয়োগৰ মাজত ভাৰ সাম্য ৰক্ষা কৰি নিযুক্তিৰ বৃদ্ধি কৰা তথাপি ৰাহি শ্ৰমিক শক্তি যথাযথ ভাবে খটুওৱাত কৃষি আৰু ক্ষুদ্ৰ উদ্যোগ উন্নয়ণৰ সুস্থনীতি আৰু কৌশল প্ৰৱৰ্ত্তন কৰিব পাৰিলেহে এই সমস্যা কিছু পৰিমাণে সাধিত হব। চতুৰ্থ যোজনাৰ অন্তত অন্ততঃ চাৰে ছয়লাখ নিবনুৱাই কাম নোপোৱাকৈ থাকিব। কৃষি আৰু উদ্যোগৰ ক্ষেত্ৰত বিধি ব্যৱস্থা ভাল হলেও কেতবোৰ এৰাব নোৱাৰা কাৰণত নিযুক্তিৰ প্ৰশ্নটো বৈ যায়। বৰ্ত্তমান ব্ৰহ্মপুত্ৰ আৰ্চনি, দ্বিতীয় শোধানাগাৰ, পেট্ৰো কেমিকেল উদ্যোগ আদিত আশা কৰা যায়, বহুতো নিবনুৱাৰ কৰ্ম্ম সংস্থান ওলাব।

নিবনুৱা সমস্যা সামাধানৰ অৰ্থে চৰকাৰ আৰু ৰাইজ এক হব লাগিব। এই ক্ষেত্ৰত চৰকাৰৰ দায়িত্ব আন সকলোতকৈ বেছি। অসমীয়া নিবনুৱাক নিযুক্তি কৰণৰ বিষয়টো চৰকাৰে যথেষ্ট দায়িত্ব সহকাৰে পালন কৰা উচিত। দেখা গৈছে যে ১৯৬৮-৬৯ বছৰটোত চৰকাৰী খণ্ডত যদিও নিযুক্তি ৩.৯ শতাংশ বাঢ়িছে তথাপি বেচৰকাৰী খণ্ডত ৯.৪ শতাংশ কমি আহিছে। ৰেলৱে বিভাগত প্ৰায় ২০০০ জন কমিছে। অসম বিধান সভাৰ নিয়োগ সমীক্ষাত প্ৰকাশ পাইছে যে বেচৰকাৰী আৰু চৰকাৰী উদ্যোগতে শতকৰা ৮০ ভাগ উন্নত চাকৰি অনা অসমীয়াৰে। তেল আৰু প্ৰাকৃতিক গেচ আয়োগৰ প্ৰথম শ্ৰেণীৰ ৯০.৬৮% আৰু দ্বিতীয় শ্ৰেণীৰ ৮৯.০৫% পদ অসমৰ বাহিৰৰ মানুহে পাইছে। নিয়োগ নীতিৰ এনে উদাহৰণে থলুৱা নিবনুৱাৰ মনত খঙৰ ভাবহে জগায়। গতিকে চৰকাৰে শতকৰা ৮০টা পদ থলুৱা অসমীয়াৰ কাৰণে দিবই লাগিব বুলি কোৱা উচিত। কেন্দ্ৰীয় চৰকাৰে যদিও মাহিলী পাচশ টকা বা তাতকৈ কম দৰমহা পোৱা লোক নিযুক্তিৰ ক্ষেত্ৰত থলুৱা লোকক আগভাগ দিব লাগে বুলি কৈছে তথাপি ই অসমত কিমান দূৰ ফলৱতী হৈছে তাক সকলোৱে জানে। কেন্দ্ৰীয় চৰকাৰৰ অধীনত থকা (যেনে নামৰূপৰ সাৰকাৰখানা) উদ্যোগ সমূহত অসমীয়া নিযুক্তিৰ বিষয়ত যি গোলমলীয়া পৰিস্থিতিৰ উদ্ভৱ হয় তাৰ বাবে একমাত্ৰ চৰকাৰেই দায়ী। স্বজন প্ৰীতি, ভেটি ভূতা আদি ব্যৱস্থাই অৰ্হতাৰ কাণে পিঠি দিয়ে। এই ঘটনাবোৰ যাতে আন বিভাগতো নঘটে তাৰ বাবে চৰকাৰ সজাগ থকা উচিত।

ছাত্ৰসকলে পঢ়ি শুনি জীৱনৰ পথ বিচাৰি নাপালে। স্বাভাৱিকতে পঢ়া-শুনালৈ ধিক্কাৰ ওপজে। আজিৰ ছাত্ৰই কাইলৈৰ নিবনুৱা।

বৰ্ত্তমান অসমত এই কথাটোহে বহুল প্ৰচাৰিত হোৱা দেখা যায়। আগৰ চাম শিক্ষিত লোকৰ দুৰৱস্থাই পিচৰ চাম ছাত্ৰৰ মনলৈ এটা দুৰ্ব্বলতা আনে। অসমত অৰ্দ্ধ শিক্ষিত,

শিক্ষিত বহুতো ছাত্রই আজি নিয়োগ বিনিময় কেন্দ্রত চাকৰিৰ বাবে শাৰি পাতিছেগৈ। ঘৰুৱা অৰ্থনৈতিক দুৰ্ব্বলতাই বহুতকে উচ্চ শিক্ষা লাভৰ পৰা বিৰত ৰাখে। কিন্তু দেখা যায় অৰ্থনৈতিক পৰিকল্পনা আৰম্ভ হোৱাৰ আগতে অসমৰ জন-মূৰি আয় ভাৰতৰ আন আন ৰাজ্যতকৈ বেচি আছিল। কিন্তু প্ৰথম পৰিকল্পনাৰ পিচৰ পৰাই জনমূৰি আয় কমি যায়। আন কথাত যিমানেই পৰিকল্পনা সমূহ আগবাঢ়িছে সিমানেই আপেক্ষিক ভাৱে অসম দুখীয়া হৈ গৈ আছে। ফলত অৰ্দ্ধ-শিক্ষিত কিছুমান নিবনুৱাৰ সৃষ্টি হৈছে, যিয়ে নিজৰ পৈতৃক বৃত্তিটোও চলাব টান পায়; আন-হাতে ভাল চাকৰিও পাব নোৱাৰে। উদ্যোগৰ ক্ষেত্ৰটো সেই একেই কথা। এটা উদ্যোগ খুলি-বলৈ হলে যি পৰিমাণৰ মূলধন লাগে সেইখিনি এজন নিবনুৱাৰ পক্ষে গোটোৱা সম্ভৱ নহয়। সমবায় অনুষ্ঠানৰ যোগেদি অৱশ্যে এনে উদ্যোগ খুলিব পাৰি। সেই বিষয়ে কাৰিকৰী জ্ঞান লাভ কৰিবলৈ সুবিধা লোৱা উচিত। কৃষিৰ ক্ষেত্ৰতো নিবনুৱা সমস্যা সমাধান নহয়। আজিৰ এজন ছাত্ৰই সাধাৰণতে পথাৰত কাম কৰি-বলৈ লাজ কৰে। ফলত কৃষি যি পদ্ধতিৰে মান্ধাতাৰ আমোলৰ পৰা চলি আহিছে তাৰ কোনো উন্নতি হোৱা নাই। শিক্ষিত ছাত্ৰ-সকলে এইবাবে প্ৰধানকৈ গাৱঁলীয়া সমাজৰ লগত যোগাযোগ ৰখা উচিত। "শিক্ষা লাভ কৰি নিবনুৱা হোৱাতকৈ নপঢ়াই ভাল" এনে মন্তব্য বহুতো শুনা যায়। ১৯৬৮ চনত নোবেল বঁটা লাভ কৰা ডঃ হৰগোবিন্দ খোৰা নাই এই বাবেই শিক্ষাৰ প্ৰকৃত স্থান ভাৰতত নাপাই বিদেশলৈ গুচি যাব লগা হৈছিল। বৰ্ত্তমান অসমত শিক্ষিত ডিগ্ৰীধাৰী নিবনুৱা ইঞ্জিনিয়াৰে চাকৰিৰ বাবে চৰকাৰৰ সন্মুখত অনশন ধৰ্ম্মঘট কৰিব লগাত পৰিছে। ভাৰতীয় ইঞ্জিনিয়াৰে আমেৰিকাত চাকৰি কৰি-বলৈ গৈ কি দুৰ্দ্দশা ভুগিছে তাক বাতৰি কাকতৰ পাঠক মাত্ৰেই জানে। অসমীয়া শিক্ষিত যুৱকে আজি অট'ৰিক্সা চলাব ধৰিছে। অসমীয়া শিক্ষিত যুৱকে আজি কোনো অফিচত চাকৰি বিচাৰি গলে 'কাম খালী নাই" ধৰণৰ জাননী দেখে। উল্লেখিত হৈছে কিদৰে অসমীয়া শিক্ষিত যুৱকসকলে চৰকাৰ, অনা অসমীয়া উদ্যোগপতি, বিভীষণ অসমীয়া মালিক পক্ষ আৰু আন আন কুচক্ৰৰ হাতত লাঞ্চিত হৈছে। অসমীয়া ছাত্ৰ-নিবনুৱা হোৱাৰ আন এটা কাৰণ হ'ল আমাৰ প্ৰচলিত শিক্ষা ব্যৱস্থা। আজিৰ এজন ছাত্ৰৰ অভিভাৱকে শিক্ষাৰ মূল উদ্দেশ্যৰ পিনে পিঠি দি শিক্ষাক কেৱল অৰ্থোপাৰ্জ্জনৰ বাহক হিচাবে লৈছে। ফলত ছাত্ৰৰ যি স্বাভাৱিক বুদ্ধিবৃত্তি সি অভিভাৱকৰ জাপি দিয়া শিক্ষাৰ হেচাত মসিমূৰ হৈছে। কেইবছৰমান আগলৈকে অসমত ইঞ্জি-নিয়াৰিং পঢ়াৰ এটা ঢৌ উঠিছিল। বৰ্ত্তমান

মেডিকেল পঢ়াতো তেনে এটা ঢৌ। এইবোৰ অৱশ্যে এখন সুস্থ উন্নতিকামী সমাজৰ বাবে বেয়াৰ লক্ষণ নহয়; কিন্তু তাৰ আনুষঙ্গিক কাৰণ সমূহ বিশ্লেষণ কৰি চোৱা উচিত। এজন অভিভাৱকে যদি এজন ছাত্ৰক জোৰ কৰি ইঞ্জিনিয়াৰিং পঢ়ায় তাৰ ফলত ছাত্ৰজনৰ নিজস্ব ভাবধাৰা নষ্ট হৈ যায়। ফলত কেতিয়াবা পৰীক্ষাত ফেল হলে আধা ডুবৰীয়া হৈ নিবনুৱা দলত নাম ভৰ্ত্তি কৰিব লগাত পৰে বা বেয়া ল'ৰা আখ্যা পায়। আজিৰ শিক্ষা জ্ঞানৰ বাবে নহয়, কেৱল ডিগ্ৰীটোৰ বাবেহে। এই ব্যৱস্থাৰ আমূল পৰিৱৰ্ত্তন হোৱা উচিত। শিক্ষা সম্পৰ্কীয় পৰিকল্পনাবোৰ এইবাবে এনে ধৰণৰ হোৱা উচিত যাতে শিক্ষা সাং কৰাৰ পাচত শিক্ষাৰ্থীয়ে অৰ্হতা অনুসৰি নিযুক্তি লাভ কৰিব পাৰে। কিন্তু বিভিন্ন খণ্ডৰ কৰ্ম্ম প্ৰাৰ্থীৰ প্ৰয়োজনীয়তা আৰু শিক্ষাৰ্থীৰ নিজস্ব প্ৰতিভা কিম্বা অনুৰাগলৈ লক্ষ্য নাৰাখি শিক্ষাৰ আঁচনি প্ৰবৰ্ত্তন কৰাৰ ফলত হয়তো শিক্ষাৰ্থীৰ প্ৰতিভা মৰহি গৈছে কিম্বা শিক্ষা সাং কৰিও শিক্ষাৰ্থী নিযুক্তি যোগ্য হব পৰা নাই। এই ত্ৰুটি সংশোধন যোগ্য। এটা কথা। শিক্ষা-নীতি যদি নিখুঁত নহয়, যদি শিক্ষাৰ্থীৰ আৱশ্যকীয় জ্ঞানৰ পৰিপূৰক নহয়, ছাত্ৰ-ছাত্ৰীক নৈতিক আৰু ধৰ্ম্মীয় শিক্ষা দিব নোৱাৰে, দেশৰ চাহিদা অনুযায়ী ছাত্ৰসকলৰ মনলৈ সমাজ সচেতনতা, ৰাষ্ট্ৰ সচেতনতা আনি দিব নোৱাৰে, তেন্তে সেই শিক্ষাৰ পৰা ছাত্ৰ-ছাত্ৰী, আন কথাত কবলৈ গলে দেশবাসী উপকৃত হব নোৱাৰে, বৰং তাৰ পৰা দেশৰ যুৱক শক্তিৰ অপচয় কৰা হব। বৰ্ত্তমান শিক্ষা ব্যৱস্থাই শিক্ষিত নিবনুৱা সৃষ্টি কৰাতহে সহায় কৰিছে। গান্ধীজীয়ে এনে শিক্ষাৰ মূল্য নাই বুলি কৈ গৈছে।

এনেকুৱা নিবনুৱা সমস্যাৰ সমাধানত ছাত্ৰই কেনে ধৰণৰ ভূমিকা গ্ৰহণ কৰিব পাৰে তাৰ আমি আলোচনা কৰা উচিত। যিহেতু প্ৰচলিত ব্যৱস্থা মতে ছাত্ৰই শিক্ষা সাং কৰি নিবনুৱা হব লাগিব সেইবাবে বৰ্ত্তমানৰ পৰাই ভবিষ্যত ভাবিব লাগিব। শিক্ষাক আমি ভেমৰ, ক্ষমতাৰ বা অৰ্থ উপাৰ্জনৰ বাহন নকৰি ইয়াৰ মূলগত অৰ্থত লোৱা উচিত। নিজস্ব অনুৰাগ তথা প্ৰতিভা বিকাশৰ স্থল যি ক্ষেত্ৰত পোৱা যায় তেনে ক্ষেত্ৰতহে শিক্ষা গ্ৰহণ কৰা উচিত। অভিভাৱকৰ দ্বাৰা জাপি দিয়া ভাৰুকৰ সাঁত নিজ শক্তিৰ দ্বাৰা বিবেচনা কৰি চোৱা উচিত আৰু তাৰ পিচতহে সেই ক্ষেত্ৰত অগ্ৰসৰ হোৱা উচিত। শিক্ষিত হৈ আমি সৰু কাম কৰিবলৈ লাজ কৰাটো আমাৰ শিক্ষাৰেই অপমান। বৰ্ত্তমান অসমৰ পৰা সৰু সুৰা কামৰ ফলত কিমান টকা বাহিৰা মানুহে চুচি নিছে তাক আমি জানো। কিন্তু সেইটো জানিও লাজ কৰি সাধাৰণ চাকৰি বিচাৰি অফিচে অফিচে ঘূৰি ফুৰাটো মুঠেই সমিচীন নহয়। গুৱাহাটিত শিক্ষিত যুৱকে অটো-ৰিক্সা চলোৱাটো এটা জলন্ত আদৰ্শ। শিক্ষিত

নিবনুৱাই তেনে আদৰ্শ দেখুৱালে অশিক্ষিত বা অৰ্দ্ধশিক্ষিত নিবনুৱাই তেনে কাম কৰিব'ল লাজ নকৰিব। সেইবাবে আমাক কায়িক তথা মানশিক প্ৰস্তুতিৰ দৰ্কাৰ হৈ পৰিছে। পৰিশ্ৰমৰ মূল্য বুজা উচিত। গান্ধীজীয়ে কৈছিল মুচী এজনৰ ব্যৱসায় ডাক্তৰ এজনৰ ব্যৱসায়তকৈ কোনো গুনে হীন নহয়। নিজৰ নিজৰ পৈতৃক ব্যৱসায়ৰ স্বকীয়া স্বকীয়া মূল্য আছে। আমি সাধাৰণতে ভাৰতীয় ছাত্ৰই অভিভাৱকৰ টকাৰ ওপৰতে আমাৰ ছাত্ৰজীৱন আৰম্ভ কৰি শেষ কৰোঁ। ইয়াৰ বাবে এখন একান্নভোগী পৰিয়ালত অভিভাৱকৰ কিমান চিন্তা তাক উপলব্ধি কৰাটো মুঠেই কঠিন নহয়। কিন্তু আমেৰিকা, ৰাচিয়া আদি উন্নত দেশৰ ছাত্ৰসমাজৰ ফালে চকু ফুৰালে তেওঁলোকৰ জীৱনাদৰ্শৰ লগত আমাৰ জীৱনাদৰ্শৰ বিৰাট অমিল দেখা যায়। আমেৰিকাত শতকৰা পঞ্চাচজন ছাত্ৰই বন্ধৰ দিনত কোনো হোটেলত বা কৃষি পামত বা আন ব্যৱসায়ত কাম কৰি টকা আৰ্জে। ৰাচিয়াত ছাত্ৰবোৰক কোনো কৃষি ফাৰ্ম বা যৌথ উদ্যোগ-পামলৈ নিয়া হয় যাতে তেওঁলোকে তাতে কিছু-সহায় কৰিব পাৰে। ইয়াৰ বাবে তেওঁলোকে দৰমহা পায়। ৰাচিয়াত ছাত্ৰবিক্ষোভ নাই। কাৰণ তাত চাকৰিক মৌলিক অধিকাৰ হিচাবে ধৰা হয়। জন্মিয়েই চাকৰি এটা পালে তাত পেটৰ ভোকৰ বাবে বিক্ষোভৰ দৰকাৰ নাই। চীন দেশ আজি পৃথিবীৰ ভিতৰতে এখন শক্তিশালী দেশ। তাত ছাত্ৰ আৰু বনুৱাৰ প্ৰভেদ নাই। ছাত্ৰসকলে বনুৱাসকলৰ লগত একেলগে কাম কৰিব লাগিব আৰু তাৰ বাবে দৰমহা পাব। ফলত দেশখনে সাংস্কৃতিক শিল্পৰ মাজেদি অভাৱনীয় ভাৱে উন্নতি লাভ কৰিছে। আমাৰ দেশত আইনমতে যদিও তেনে ব্যৱস্থা গ্ৰহণ কৰা নাযাই তথাপি আমি ছাত্ৰসকলে আমাৰ সুবিধাৰ বাবে তেনে কামবোৰ কৰিবলৈ লাজ কৰাটো নিতান্ত মূৰ্খামিৰ পৰিচায়ক। আমাৰ সমাজত বনুৱা আৰু শিক্ষিত সমাজৰ মাজত আকাশ পাতাল প্ৰভেদ; সেইবাবে ছাত্ৰসকল এনে কাম কৰাত অনভ্যস্ত। কিন্তু বৰ্ত্তমান যুগত পুৰণি ধাৰধাৰা দলিয়াই পেলোৱা উচিত। সমাজৰ গোৱাৰিয়ে পেটৰ ভোক নমৰে। কৰ্ম্ম কৰিলেহে খাবলৈ পোৱা যায়। জীৱিকাৰ অৰ্থ বা শিক্ষাৰ খৰচবিনি যোগাৰ কৰিবলৈ নিজৰ হাত আৰু শৰীৰে কাম কৰাটো ঘৃণনীয় বুলি যিবিলাকে কয় তেওঁলোকে কৰ্ম্মক উপহাস কৰে। ইয়াৰ ফলত কি অনিষ্ট সাধিত হৈছে সেইটো বাস্তৱিক পক্ষে আধিকতাৰ অনিষ্টতকৈ নৈতিক অধোগতি বহু পৰিমাণে হৈছে। আমেৰিকাৰ কেনচাচ, এন ওৱাই বিশ্ববিদ্যালয়, পিটাৰ্চ বাৰ্গ, এন্টিৰক কলেজত ইণ্ডাষ্ট্ৰিয়েল ইঞ্জিনিয়াৰিঙৰ 'সমবায়' পাঠ্যক্ৰমৰ ব্যৱস্থা আছে যাৰ দ্বাৰা ছাত্ৰই শিল্প কাৰখানাত কাম কৰি শিক্ষাৰ মাচুলৰ টকাখিনি উপাৰ্জ্জন কৰিব পাৰে লগতে কাৰ্য্যকৰী অভিজ্ঞতাও

অৰ্জ্জন কৰিব পাৰে। আমাৰ দেশতো এনে ব্যৱস্থা গ্ৰহণ কৰিবলৈ ছাত্ৰ সমাজে চৰকাৰক অনুৰোধ কৰা উচিত। শাৰিৰীক পৰিশ্ৰমৰ মূল্য আমি নিশ্চয় বুজো। ছাত্ৰসকলে ধন ঘটিবৰ বাবে ব্যৱসায়িক শিক্ষা যেনে কাঠ মিস্ত্ৰী, ৰাজ মিস্ত্ৰী, ফটোগ্ৰাফী, খেতিৰ কাম আদিৰ শিক্ষা লৈ জীৱিকা মোকোলাব পাৰে।

অসমৰ অৰ্থব্যৱস্থা কৃষি প্ৰধান সমাজ ব্যৱস্থাৰ ওপৰত নিৰ্ভৰশীল আৰু এই ব্যৱস্থাক অৱলম্বন কৰিয়েই অসমৰ অৰ্থনৈতিক উন্নতি হোৱা অপৰিহাৰ্য্য। গাৱঁলীয়া ৰাইজ তথা কৃষি খণ্ড উন্নয়ণে এটা পূৰ্ণ গঢ় এই সময়তে লোৱা উচিত। কিন্তু তিনিখনকৈ পঞ্চ বাৰ্ষিকী পৰিকল্পনায়ো অসমৰ অৰ্থনৈতিক গাঠনি বা আয় ব্যয়ৰ স্পেট গঢ় দিব পৰা নাই। যি নহওক আমাৰ চলিত কৃষি ব্যৱস্থা উন্নত কৰিবলৈ হলে আধুনিক পদ্ধতি অৱলম্বন কৰিব লাগিব। এইবোৰৰ শিক্ষিত সম্প্ৰদায়ে বাট কটকটিয়াব বাব লব লাগিব। অসমত এটা কৃষি বিশ্ববিদ্যালয় স্থাপিত হলেই এইটো সূচায় যে অসমত এটা কৃষি বিপ্লৱ আহিব। প্ৰকৃততে সেইটো হোৱা নাই। কৃষি কলেজত পঢ়া ছাত্ৰ সকলে চাকৰিৰ বাবে আবেদন কৰাতকৈ উন্নত ধৰণৰ পাম পতাহে উচিত হব। এনে আদৰ্শই কৃষকক উৎসাহিত কৰি তুলিব। দেখা যায় যে অসমত বেছিকৈ চাউল কেইটাহে হয়। ১৯৬০-৬১ চনত উৎপাদিত খাদ্য সমস্যাৰ পৰিমাণ ১৮.১৪ লাখ টনৰ পৰা ১৯৬৭-৬৮ চনত ২১.৪৯ লাখ টনলৈ বৃদ্ধি পালে যদিও প্ৰতিজন মানুহৰ খাদ্যৰ পৰিমাণ ১৬ আউন্সৰ পৰা কমি ১৫ আউন্সলৈ পালেগৈ। এনেদৰে ভোক আৰু দৰিদ্ৰতাৰ গৰাহত পৰা জনতাই কি কৰ্ম্মোদ্যমেৰে দেশক ক্ষিপ্ৰগতিত আগুৱাই নিব? অসমত সকলো বস্তুৰে দাম বেছি। তাৰমানে চাউলৰ বাহিৰে অসমত খাদ্য শস্য উৎপাদন হোৱা নাই। এই বাবে যদি শিক্ষিত সকলে সকলো দিশৰ পৰা কৃষিত লাগে তেন্তে নিশ্চয় অসমৰ কৃষি সমস্যা লগতে নিবনুৱা সমস্যা কিছু পৰিমাণে হলেও সমাধান হব।

কৃষি কৰিবলৈ মন আছে যদিও বৰ্ত্তমান নিবনুৱা হৈ থকা খেতিয়ক সকলৰ মাটি এটুকুৰা নাই। এনে ক্ষেত্ৰত ছাত্ৰই নিশ্চয় কিছু সহায় কৰিব পাৰে। ছাত্ৰ সকলে এই বিষয়ে নিশ্চয় চৰকাৰৰ লগত যোগাযোগ কৰিব পাৰে। কিছুমান ঠাইত একোখন সমবায় সমিতি খুলি তাৰ যোগেৰে নিবনুৱা খেতিয়কক মাটি দিবলৈ চৰকাৰক খাটনি ধৰিব পাৰে আৰু বৰ্ত্তমান এইটো কিছু পৰিমাণে হৈছেও। এই ক্ষেত্ৰত যাতে সহাৰি দিয়ে আৰু কৃষিৰ বাবে ঋণ আগবঢ়াই তাৰ বাবে এনেকুৱা প্ৰতিষ্ঠানে আবেদন কৰিব পাৰে। ইয়াৰ ফলত নিৰক্ষৰ বা আক্ষৰিক নিবনুৱা সকলে অন্ততঃ বনুৱা হব পাৰিব।

উদ্যোগিক উন্নয়ণৰ ক্ষেত্ৰত অসম খুউব পিচ পৰা। চৰকাৰী তথা বে-চৰকাৰী খণ্ডত যদিও কেইবাটাও উদ্যোগ প্ৰতিষ্ঠা কৰা হৈছে তথাপি এই ক্ষেত্ৰত কেইবাটাও অসুবিধা আছে। ডাঙৰ

উদ্যোগৰ কথা বাদ দিও শিক্ষিত নিবনুৱা সকলে সমবায় পদ্ধতিত সৰু উদ্যোগ খুলিব পাৰে। ইয়াৰ বাবে মূলধনো কম লাগে। আৰু লাভো ভয় যথেষ্ট। এইবাবে আৱশ্যকীয় শিক্ষা লবলৈ ছাত্ৰ সকল আগবঢ়া উচিত। শোষণ শাসনৰ পৰা হাত সাৰিবলৈ, হস্ত শিল্প কুটীৰ শিল্প, গ্ৰামোদ্যোগ আদিত জোৰ দিয়া উচিত। নিবনুৱা সকলে যাতে উদ্যোগিক কাৰখানাত কাম কৰিবলৈ লাজ নকৰে ! তাৰ বাবে ছাত্ৰ সকলেই আদৰ্শ দেখুৱা উচিত। চাহ বাগিচাৰ পৰা খেদি দিয়া নিবনুৱা সকলে যাতে নিজৰ ভৰিৰ ওপৰত ভৰ দি চলিব পাৰে তাৰ বাবে তেওঁলোকক বুজাব লাগে। আৱশ্যক হলে মালিক পক্ষৰ লগত ছাত্ৰ সকলেই সেই স্থানীয়া নিবনুৱা সকলৰ হৈ আলোচনা কৰা উচিত। অটো মেচনৰ প্ৰৱৰ্ত্তন চৰকাৰে উঠাই দিয়া উচিত। ইয়াৰ বাবে দৰকাৰ হলে শিক্ষিত সমাজে মুৰ ডাঙি উঠা উচিত।

উদ্যোগিক অনুস্থান সমূহত অসমীয়া নিবনুৱাক চাকৰি নিদিয়া যি এটা মনোভাব গঢ় লৈছে তাৰ বিৰুদ্ধে চৰকাৰ আৰু জনসাধাৰণে ঠিয় হোৱা উচিত। চৰকাৰে যদি এই ক্ষেত্ৰত হেমাহি কৰে তেন্তে ছাত্ৰ সমাজে তেওঁলোকৰ চকুত আঙুলি দি দেখুৱাব লাগিব যে নিবনুৱা সকলক খাবলৈ ভাতো লাগে। সকলো অনুস্থানতে অসমীয়া নিবনুৱাক চাকৰিৰ ক্ষেত্ৰত অগ্ৰাধিকাৰ দিবলৈ আমি চৰকাৰক টানি অনুৰোধ কৰা উচিত। অসমৰ নিবনুৱা ডেকা-গাভৰু সকলে নিযুক্তিৰ পূৰ্ণ সুযোগ পাব লাগিলে ৰাজ্যিক আৰু কেন্দ্ৰীয় চৰকাৰে সতৰ্ক দৃষ্টি ৰাখি দৃঢ়ভাৱে নিয়োগ নীতি কাৰ্য্যকৰী কৰিব লাগিব প্ৰস্তাৱিত পেট্ৰো-ৰাসায়নিক উদ্যোগ চক্ৰত আৰু দ্বিতীয় শোধানাগাৰৰ নিযুক্তি ক্ষেত্ৰত যাতে অসমীয়াই প্ৰথম স্থান পায় তাৰ বাবে ছাত্ৰ সকলে যত্ন কৰা কৰা উচিত। সকলো ঠাইতে যাতে নামৰূপৰ ঘটনাৰ পুনৰাবৃত্তি নহয় তাৰ বাবে আৱশ্যক হলে ছাত্ৰ সমাজে শান্তিপূৰ্ণ বিক্ষোভ প্ৰদৰ্শন কৰিব লাগিব। অৱশ্যে কেৱল শ্লোগানেৰে কেতিয়াও কোনো কাম কৰিব নোৱাৰি। কাম কৰিবলৈ হলে প্ৰয়োজন হৈছে বাস্তৱবাদী কাৰ্য্য পন্থা। অসমৰ ছাত্ৰই তেনে বাস্তৱ বাদী দৃষ্টি ভঙ্গীকে এই ক্ষেত্ৰত গ্ৰহণ কৰিব লাগিব। অবৈধ অনুপ্ৰবেশ কাৰীক চৰকাৰে কঠোৰ হাতে খেদি দিব লাগে। আৱশ্যক হলে জনসাধাৰণক আহ্বান কৰক। অসমৰ ছাত্ৰ সমাজেও এনে অনুপ্ৰবেশকাৰীক ধৰি দিবলৈ দৃঢ়প্ৰতিজ্ঞ হওক। নহলে অসমত জনসংখ্যাৰ বিস্ফোৰণে থলুৱা নিবনুৱাৰ সংখ্যা বৃদ্ধি কৰিব। বিদেশী ৰঘুমলাই অসমৰ জাতীয় বৰগছ জোপা টানি ধৰিছে। ছাত্ৰসকলে আৰু ৰঘুমলাৰ সৃষ্টি হবলৈ নিদিয়ে যেন।

ব্ৰহ্মপুত্ৰ বান নিয়ন্ত্ৰণ আয়োগ, প্ৰস্তাৱিত পেট্ৰ' কেমিকেল উদ্যোগ, আঞ্চলিক গবেষণাগাৰ আদিত অসমীয়া ছাত্ৰই যেন চাকৰি পায় তাৰ বাবে চেষ্টা কৰা উচিত. এটা কথা আৱশ্যে

১৯৬৮-৬৯ চনৰ শেষত সংস্থান বিহীন হৈ থকা নিবনুৱা আৰু নকৈ পঞ্জীয়ন হব লগা ৬.১৭ লাখ শ্ৰমিক শক্তিৰ হিচাব ললে চতুৰ্থ যোজনাৰ কাল ছোৱাত প্ৰায় ১৩ লাখ নিবনুৱাক নিযুক্তি দিব লাগিব। এই বিৰাট সংখ্যক নিবনুৱাই (যাৰ মাজত বৰ্তমান ছাত্ৰসকলো) যাতে অকল চাকৰিৰ বাবে চাই নাথাকি আন কামতো লাগি পৰে তাৰ বাবে আমি চেষ্টা কৰা উচিত। অকল জনসংখ্যাৰ বিস্ফোৰণে কিম্বা অৰ্থনৈতিক দুৰৱস্থাই অসমত নিবনুৱাৰ সংখ্যা বৃদ্ধি কৰা বুলি কোনো কোনোৱে বিশ্বাস নকৰে। উদ্যোগ আৰু দপ্তৰ সমূহৰ মুৰব্বীসকল অনা অসমীয়া হোৱা বাবে নিয়োগ নীতি প্ৰবৰ্ত্তনত পৰ্য্যায় ক্ৰমে ন্যস্ত স্বাৰ্থৰ প্ৰভাব পৰাটো অবিশ্বাস্য নহয়।

মুঠতে অসমৰ নিবনুৱা সমস্যা সমাধানত চৰকাৰ আৰু জনসাধাৰণ উভয় পক্ষই এটা স্থিৰ মীমাংসাত আহিব লাগে। ছাত্ৰ সকলেই যেতিয়া এই নিবনুৱা হব লাগিব সেইবাবে তেওঁলোকৰে এই ক্ষেত্ৰত দায়িত্ব সবাতোকৈ বেচি। এই কথাটো একাধিক বাৰ দোহৰা হৈছে। "স্বাৱলম্বনেই আত্ম সন্মান" এই জ্ঞান মনত ৰাখি আমি আগবাঢ়িব লাগিব। আমাৰ সন্মুখত বহুতো আদৰ্শ আছে, যাৰ সহায়ত আমি নিবনুৱা সমস্যা সমাধান কৰিব পাৰোঁ। আমি সেই আদৰ্শবোৰ মানি চলিব পাৰিব লাগিব। এই সমস্যাই যেনেকৈ হতাশাৰ সৃষ্টি কৰিছে তেনেকৈ খণ্ড বিপ্লৱবো সৃষ্টি কৰিছে। কিন্তু খণ্ড বিপ্লৱে কেতিয়াও কোনো সমস্যা সমাধান কৰিব নোৱাৰে। গতিকে আমি ছাত্ৰ সকলে এই জ্বলন্ত সমস্যাটো একান্ত ভাৱে অহিংস নীতিৰে সমাধান কৰা উচিত।

Refe 290/1167

# ॥ পৰমাণু আৰু উপ-পৰমাণৱিক কণাৰ ক্ষেত্ৰত ভৰৰ একক ॥

অধ্যাপক ভূপেন্দ্ৰ নাথ কাকতি
এম্-এচ্-চি

## পৰমাণু কি ?

ডেল্টনে কোৱাৰ দৰে পৰমাণুবোৰ হ'ল পদাৰ্থৰ ক্ষুদ্ৰ ক্ষুদ্ৰ অবিভাজ্য, কণিকা। এই ক্ষুদ্ৰ ক্ষুদ্ৰ কণিকাবোৰৰ পৰাই পদাৰ্থৰ গঠন হয়। তেখেতে আৰু কৈছিল যে, একে মৌলৰ পৰমাণুবোৰৰ ভৌতিক (উদাহৰণ স্বৰূপে ভৰ) আৰু ৰাসায়নিক ধৰ্ম্ম বোৰো একেই আৰু বিভিন্ন মৌলৰ পৰমাণুবোৰৰ ধৰ্ম্মও বিভিন্ন। সেইয়া আছিল ১৯ শ শতিকাৰ আদি ভাগৰ কথা। ১৯শ শতিকাৰ শেষ ভাগত 'ক্ৰুক', 'পেৰিণ', 'থমচন' আদি বিজ্ঞানী সকলৰ পৰীক্ষামূলক অন্বেষণে আৱিষ্কাৰ কৰিলে ইলেক্ট্ৰন – হাইড্ৰোজেন পৰমাণুৰ ১৮৩৬ ভাগৰ এভাগ ভৰ বিশিষ্ট এবিধ ঋণাত্মক বিদ্যুত আধান যুক্ত পদাৰ্থ কণা। 'পৰমাণু অবিভাজ্য' এই ধাৰণাৰ সলনি কৰিবলৈ বাধ্য হ'ল বিজ্ঞানী মহল। আৰু সেয়েই নহয়— আৱিষ্কাৰ হ'ল 'ধনাত্মক ৰশ্মিৰ (Positive Rays) পৰমাণুত ঋণাত্মক আৰু ধনাত্মক দুই ধৰণৰ চাৰ্জ যুক্ত কণা থাকে। —এই ধাৰণা লাহে লাহে বিজ্ঞান জগতলৈ আহিল। আনকি 'ধনাত্মক ৰশ্মি' আৱিষ্কাৰৰ পিছতে এই কথাও জনা গল যে, একে মৌলৰ পৰমাণুবোৰো বিভিন্ন ভৰ বিশিষ্ট হব পাৰে। বিভিন্ন পৰমাণৱিক ওজন বিশিষ্ট অথচ একে পৰমাণৱিক সংখ্যা বিশিষ্ট এই ধৰণৰ পৰমাণুবোৰৰ নাম দিয়া হ'ল 'আইচ'টোপ'। এতিয়া কোনো মৌলৰ পৰমাণৱিক ওজন বুলিলে সেই মৌলৰ বিভিন্ন আইচ'টোপবোৰৰ গড় ওজনকহে বুজো।

থমচনৰ ইলেক্ট্ৰন আৱিষ্কাৰে পৰমাণুটো যে অবিভাজ্য নহয় এই কথাৰ সত্যতা প্ৰতিপন্ন কৰিলে। আকৌ 'ধনাত্মক ৰশ্মি'ৰ আৱিষ্কাৰে আমাক এই কথা কলে যে, পৰমাণুত ঋণাত্মক আৰু ধনাত্মক দুই ধৰণৰ বৈদ্যুতিক আধান বিশিষ্ট কণা আছে।

এই দুই ধৰণৰ কণাবোৰ পৰমাণুৰ ভিতৰত কি ধৰণে থাকে সেই বিষয়ে অধ্যয়ন আৰম্ভ হ'ল ১৯শ শতিকাৰ শেষ ভাগত। শেষত ১৯১১ চনত ৰাদাৰফোৰ্দে আৱিষ্কাৰ কৰিলে পৰমাণুৰ কেন্দ্ৰত থকা ধনাত্মক চাৰ্জ যুক্ত কণাৰ সমষ্টি— নিউক্লিয়াচ। তাৰ পিচত পৰমাণুৰ ছবিটো এনেকুৱা ধৰণৰ বুলি ধৰি লোৱা হ'ল যে, ধনাত্মক চাৰ্জ যুক্ত নিউক্লিয়াচটোক কেন্দ্ৰ কৰি ঋণাত্মক চাৰ্জ যুক্ত ইলেক্ট্ৰনবোৰ বিভিন্ন কক্ষ পথত ঘূৰি থাকে— যেন এখন সৰু সৌৰজগতহে। [মনত ৰাখিব পৰমাণুটোক বৰ্ত্তুলাকাৰ বুলি ধৰি ললে এক চেণ্টিমিটাৰক দহ কোটিৰে ভাগ কৰি একভাগ ললে যিমান হব সেই পৰিমাণৰেই হব পৰমাণু গোলকটোৰ ব্যাস] ১৯৩২ চনত চাদ উইকে নিউট্ৰন আৱিষ্কাৰ কৰাৰ পিচতে নিউক্লিয়াচ গঠনত প্ৰোটন আৰু নিউট্ৰন কণা দুটা থাকে বুলি ধাৰণা কৰা হ'ল। আৰু ডেল্টনৰ অবিভাজ্য পৰমাণুত এতিয়ালৈকে আমি অন্ততঃ ইলেক্ট্ৰন, প্ৰোটন আৰু নিউট্ৰন— এই তিনিটা কণা আছে বুলি জানিলো। আকৌ জাপানী পদাৰ্থবিদ হিদেকী ইউকাৱাই, নিউক্লিয়াচৰ ভিতৰত নিউট্ৰন আৰু প্ৰোটনক একেলগ কৈ ৰাখিবলৈ হলে 'পাইমেচন' নামৰ এবিধ মধ্যৱৰ্ত্তী কণাৰ আৱশ্যকতাৰ কথা কলে।

১৯শ শতিকাৰ শেষ ভাগতে উইলচন, এলেস্টাৰ, গাইটেল আদি পদাৰ্থবিদ সকলে আৱিষ্কাৰ কৰা "মহা জাগতিক ৰশ্মি" বিষয়ৰ অধ্যয়নত ইতিমধ্যে পৃথিৱীৰ বিভিন্ন বিজ্ঞানী সকল ব্ৰতী হৈ পৰিছিল। ১৯৩২ চনত আৱিষ্কাৰ হ'ল ইলেক্ট্ৰনৰ প্ৰতিকণা পজিটিভ ইলেক্ট্ৰন বা পজিট্ৰনৰ। তাৰ পিচতে আৱিষ্কাৰ হ'ল 'মিউমেচন' নামৰ আন এবিধ কণা (Elementary particle) ৰ। তালিকাখন ক্ৰমে দীঘল হৈ যাবলৈ ধৰিলে। আৰু আজি আমি এই তালিকাত ডেৰ ডজনকৈ মৌলিক কণা আৰু সিহঁতৰ প্ৰত্যেকৰে প্ৰতিকণা বোৰক স্থান দিবলগীয়া হ'ল।

আমাৰ আলোচ্য বিষয় হ'ল উক্ত পৰমাণু আৰু উপ পৰমাণৱিক কণাবোৰৰ ভৰ জোখা হয় কি এককত। তিনি চাৰিজনীয়া এটা পৰিয়ালৰ সাপ্তাহিক বজাৰ কৰোতে আমি দোকানীক চাহ পাত গ্ৰাম হিচাবত আৰু চেনী কিলোগ্ৰাম হিচাবতহে খোজো। এই গ্ৰাম আৰু কিলোগ্ৰাম হ'ল ভৰৰ একোটা একক। এটা নিৰ্দ্দিষ্ট পৰিমাণৰ ভৰক এক গ্ৰাম আৰু অন্য এটা নিৰ্দ্দিষ্ট পৰিমাণৰ ভৰক কিলোগ্ৰাম বুলি কোৱা হয়। আৰু এই নিৰ্দ্দিষ্ট পৰিমাণৰ ভৰৰ সৈতে তুলনা কৰি দোকানীয়ে আমাক গ্ৰাম বা কিলোগ্ৰাম হিচাবত বস্তু জুখি দিয়ে।

এতিয়া কথা হ'ল পৰমাণু এটাৰ ভৰ। পৰমাণু এটাৰ ভৰো আমি গ্ৰাম বা কিলোগ্ৰামত প্ৰকাশ কৰিব পাৰোনে? মই একে আষাৰে কৈ দিম, নিশ্চয় পাৰো। তেনেহলে এই বিষয়ে আলোচনা কৰাৰ অৰ্থ কি থাকিব পাৰে? অৰ্থ নিশ্চয় আছে। অক্সিজেন — ১৬ পৰমাণুটোৰ কথাকে ধৰা যাওক। এই পৰমাণুটোৰ ভৰ যদি আমি গ্ৰামত প্ৰকাশ কৰো তেনেহলে ইয়াৰ মান হব $২৬·৫৬ \times ১০^{-২৪}$ গ্ৰাম বা $২৬·৫৬ \times ১০^{-২৭}$ কিঃ গ্ৰাম (আসন্নমান; গধুৰ ধাতু ইউৰেনিয়ামৰ ক্ষেত্ৰত পৰমাণৱিক ওজন গ্ৰাম বা কিঃ গ্ৰামত প্ৰকাশ কৰিলে $১০^{-২২}$ গ্ৰাম ক্ৰমত কৈ (order) বেছি কেতিয়াও নহব। এতেকে দেখা গ'ল যে, পৰমাণৱিক ভৰ গ্ৰাম বা কিঃ গ্ৰামত প্ৰকাশ কৰিলে ৰাশিটো তেনেই সৰু হয় আৰু তেনেকুৱা ৰাশি লিখাটোও অলপ কষ্টকৰ সেয়েহে পদাৰ্থৰ পৰমাণুবোৰৰ ভৰ পৰমাণৱিক ভৰ একক (Atomic mass unit) বা চমুকৈ পঃ ভঃ এঃ (a, m, u) ত উল্লেখ কৰা হয়।

এই পৰমাণৱিক ভৰ এককনো বাৰু কি? ইয়াৰ সংজ্ঞা দিবলৈ পদাৰ্থবিদ সকলে প্ৰথমে অক্সিজেন — ১৬ আইচ টোপৰ ভৰক মান (Standerd) হিচাবে লৈছিল। উক্ত আইচ'টোপৰ সঠিক ভাবে নিৰূপণ কৰা ভৰক ১৬ভাগ কৰি এভাগক এক পৰমাণৱিক ভৰ একক [পঃ ভঃ এঃ] বুলি ধৰা হৈছিল। এই হিচাবত এক পৰমাণৱিক ভৰ এককৰ মূল্য হবগৈ $১·৬৫৯৮ \times ১০^{-২৪}$ গ্ৰাম; এই ধৰণে উল্লেখ কৰিলে এটা প্ৰোটনৰ ভৰ হবগৈ ১·০০৮১৪২ পঃ ভঃ এঃ; এটা নিউট্ৰনৰ ভৰ হব ১·০০৮৯৮২ পঃ ভঃ এঃ। ঠিক তেনেকুৱাকৈ কাৰ্বন — ১২ আইচ'টোপৰ পৰমাণৱিক ভৰ হব ১২·০০৩৮০৪ পঃ ভঃ এঃ। বিভিন্ন মৌলৰ আইচ' টোপবোৰৰ ভৰ এই ধৰণে পঃ ভঃ এঃ প্ৰকাশ কৰাৰ পৰা আমি এই সুফল লাভ কৰো। সেইটো হল আইচ টোপৰ ভৰ সংখ্যা আৰু আইচটোপৰ ভৰৰ মাজত থকা মিল। দেখা যায় গোটা সংখ্যাত প্ৰকাশ কৰিলে আইচটোপ টোৰ ভৰ পঃ ভঃ এঃ ত যিমান হব আইচ'টোপটোৰ ভৰ সংখ্যাও সিমানেই। উদাহৰণ স্বৰূপে কেডমিয়াম — ১১২ [$cd^{112}$] আইচ'টোপটোৰ কথাকে ধৰা যাওঁক। পৰমাণৱিক ভৰ এককত প্ৰকাশ কৰিলে এই আইচ টোপটোৰ ভৰ হয় ১১১·৯০৯৯৯। এই ৰাশিটো গোটা সংখ্যাত প্ৰকাশ কৰিলেই ১১২ পাওঁ এনেকুৱা ধৰণৰ আৰু অনেক উদাহৰণ দিব পৰা যায়। অক্সিজেন ১৬ স্কেলত দিয়া পৰমাণৱিক ভৰ এককৰ সংজ্ঞা ১৯৬১ চনত পদাৰ্থ বিজ্ঞান আৰু ৰসায়ণ বিজ্ঞানৰ আন্তৰ্জাতিক সন্থাই কাৰ্বন ১২ স্কেললৈ পৰিবৰ্ত্তন কৰে। এই নতুন সংজ্ঞামতে কাৰ্বন ১২ আইচ টোপৰ ভৰক ১২ৰে হৰণ কৰি পোৱা ভাগ ফলৰ এক পৰমাণৱিক ভৰ একক বোলা হয়। এই কাৰ্বন — ১২ স্কেল অনুযায়ী কাৰ্বন — ১২ ৰ পঃ ভৰ ১২·০০৩৮০৪ ৰ পৰিবৰ্ত্তে ১২·০০০০ হৈ

Ref: 296/11677

হব। ঠিক তেনেকুৱাকৈ অক্সিজেন —১৬ৰ ভৰ ১৬ৰ পৰিৱৰ্তে ১৫·৯৯৬ পঃ ভঃ এঃ (আসন্ন মান]। অৰ্থাৎ অক্সিজেন ১৬ স্কেলৰ পৰা কাৰ্বন ১২ স্কেললৈ পৰিৱৰ্তন কৰিবলৈ হলে অক্সিজেন ১৬ স্কেলৰ পঃ ভৰবোৰৰ পৰা শতকৰা ·০৩১৮ ভাগ কথাই লিখিব লাগিব।

এই নতুন স্কেলত এক পঃ ভঃ এঃ ৰ মূল্য হব $১·৬৬ \times ১০^{-২৪}$ গ্ৰাম। প্ৰোটন আৰু নিউট্ৰনৰ ভৰ এই স্কেলত হবগৈ ক্ৰমে ১·০০৭৫৯ আৰু ১·০০৮৬৬১ পঃ ভঃ এঃ

আমি আগতে উল্লেখ কৰিছোঁ যে, ইলেক্‌ট্ৰন এটাৰ ভৰ প্ৰোটন এটাৰ ভৰৰ ১৮৩৬ ভাগৰ এভাগ। গতিকে যিবোৰ উপ পৰমাণৱিক কণা [মেচন] ৰ ভৰ ইলেক্‌ট্ৰনৰ ভৰতকৈ বেছি কিন্তু প্ৰোটন বা নিউট্ৰনৰ ভৰতকৈ কম সেই-বোৰ কণাৰ ভৰ 'পৰমাণৱিক ভৰ এককত উল্লেখ কৰাটোও সিমান সুবিধা জনক নহয়। উপ পৰমাণৱিক কণাবোৰৰ ভৰ সাধাৰণতে দুই ধৰণে উল্লেখ কৰা হয়। তাৰে এটা ধৰণত ইলেক্‌ট্ৰনৰ ভৰকে ষ্টেণ্ডাৰ্ড হিচাবে লৈ আন-বোৰ কণাৰ ভৰ ইলেক্‌ট্ৰনৰ ভৰৰ গুণিতক হিচাবে প্ৰকাশ কৰা হয়।

উদাহৰণ স্বৰূপে পাই ($\pi \pm$) মেচনৰ ভৰ $২৭৩ \times m_c$ মানে এটা পাই মেচনৰ ভৰ ২৭৩টা ইলেক্‌ট্ৰনৰ ভৰৰ সমান বুলি বুজোঁ। ঠিক তেনেকুৱাকৈ এটা প্ৰটোনৰ ভৰ $= ১৮৩৬ \times m_c$ আৰু এটা নিউট্ৰনৰ ভৰ $= ১৮৩৮ \times m_c$ বুলিও লিখিব পাৰি। আকৌ আইনষ্টাইনৰ ভৰ শক্তি সমন্বতা সূত্ৰানুযায়ী [$E = mc^২$] m ভৰৰ পদাৰ্থ এটাত $mc^২$ পৰিমাণৰ শক্তি নিহিত হৈ থাকিব। (c = পোহৰৰ বেগ।) গতিকে উপপৰমাণৱিক কণাবোৰৰ ভৰ আমি এই নিহিত শক্তি (Rest energy]তো প্ৰকাশ কৰিব পাৰো। এই শক্তি প্ৰকাশ কৰা এবিধ উপযুক্ত একক হ'ল এম ই. ভি (মিলিয়ন ইলেক্‌ট্ৰন ভল্‌ট বা নিযুত ইলেকট্ৰন ভল্‌ট)। এক. এম. ই, ভি বা নিযুত ইলেক্‌ট্ৰন ভল্‌টৰ মূল্য হ'ল $১·৬০২১ \times ১০^{-৬}$ আৰ্গ।

এই ধৰণে ইলেক্‌ট্ৰন পাইমেচন ($\pi^+$) প্ৰোটনৰ ভৰ এম. ই. ভিত প্ৰকাশ কৰিলে ক্ৰমে ০·৫১১ এম, ই. ভি; ১৩৯·৫৮ এম. ই, ভি আৰু ৯৩৮·২৫৬ এম.ই, ভি, হব। আকৌ এক পৰমাণৱিক ভৰৰ নিহিত শক্তি হ'ল ৯৩১·২ নিযুত ইলেক্‌ট্ৰন ভল্‌ট। গতিকে এই সম্পৰ্কৰ সহায়ত বিভিন্ন পৰমাণুবোৰত নিহিত থকা শক্তি পৰমাণুবোৰৰ ভৰ পৰমাণৱিক ভৰ এককত দিয়া থাকিলে সহজেই উলিয়াব পৰা যায়।

# বিশ্ব শান্তি আৰু স্বাৰ্থ

শ্ৰীপৰীক্ষিত শৰ্ম্মা
প্ৰাক্ বিশ্ববিদ্যালয় শ্ৰেণী [ কলা ]

বৰ্ত্তমান যুগত গোটেই ভাৰত তথা বিশ্বতেই এটা ব্যাধিয়ে গোটেই মানৱ তথা বিশ্বৰ প্ৰাণীৰেই জীৱন শঙ্কান্বিত আৰু ভয়াবহ কৰি তুলিছে। যি ব্যাধিৰ কোনো প্ৰতিকাৰৰ উপায় পোৱা হোৱা নাই। এই ব্যাধিয়ে এনে ভাৱে প্ৰত্যেক মানুহক আক্ৰমণ কৰিছে যে, ইয়াৰ কৱল গ্ৰাসৰ পৰা কোনেও হাত সাৰিব পৰা নাই। কি ডাক্তৰ, কবিৰাজ, মাষ্টৰ, মন্ত্ৰী, দুখীয়া, ধনী সকলোচাম মানুহৰ ওপৰত কম-বেছি পৰিমাণে এই ৰোগে বিজাণু বিয়পাইছে।

এই ৰোগৰ উৎপত্তি পোনতে ক'ত হয়—কোৱাটো কঠিন; তথাপি অনুমান হয় মানৱ সভ্যতাৰ বিকাশ হোৱাৰ লগে লগে বোধহয় এই ৰোগবোৰো উৎপত্তি হয়। আদিম সভ্যতাৰ বুৰঞ্জীৰ পাতত পোৱা যায় যে, যেতিয়াই আদি মানৱে সমাজমুখী হৈ দেৱ-দেৱীৰ পূজা অৰ্চ্চনা কৰিবলৈ আৰম্ভ কৰে তেতিয়াৰ পৰাই এই ৰোগৰ উৎপত্তি হোৱা বুলি অনুমান কৰিব পাৰি।

পোনতে মানৱ সংগঠিত সমাজ সমূহত এচাম বুদ্ধি বৃত্তিৰ মানুহে (যি চামে সমাজৰ আগশাৰীত স্থান পায়) নিজৰ স্বাৰ্থৰ বাবেই বোধহয় ব্ৰাহ্মণ, ক্ষত্ৰিয়, শূদ্ৰ আৰু বৈশ্য নামৰ চাৰিভাগ মানুহৰ শ্ৰেণীৰ সৃষ্টি কৰে। ভাবি চাবলৈ গলে এইটোৱেই মানৱ সমাজৰ স্বাৰ্থৰ প্ৰথম নিদৰ্শন। কিয়নো, আমাৰ আদিম পুৰুষ সকলৰ মাজত বোধহয় যিবোৰ জ্ঞানী আৰু বুদ্ধিমান আছিল তেওঁলোকেই নিজৰ স্বাৰ্থৰ বাবে

এই বিভাজন কৰে। তেওঁলোকৰ ৰুচী অনুযায়ী এই বিভাগ নিজে কৰি লৈছিল আৰু সেই হিচাবে নিৰীহ প্ৰজাই মানি চলিবলৈ বাধ্য হৈছিল। সেই বিষয়ে তেওঁলোকে কিবা প্ৰতিবাদ যে কৰিছিল আশা কম, কাৰণ আজিও আমাৰ সমাজৰ বৰমূৰীয়া সকলৰ আধিপত্যই জুৰুলা কৰি আছে, ঠিক সেই মতেই আগৰ যুগত বৰমূৰীয়া সকলক ঈশ্বৰ জ্ঞান কৰাটো এটা স্বভাৱ আছিল বুলি জানিব পাৰি। সেই সময়ৰ বুদ্ধিমান সকলেই বোধহয় ব্ৰাহ্মণ শ্ৰেণীত ভুক্ত হয় আৰু বাকীবোৰ নিজ ৰুচী বা শক্তি অনুযায়ী বিভিন্ন জাতিত পৰিণত হয়। সেই বাবেই বোধহয় পুৰণি জাতিভেদৰ এনাজৰী ডাল লাহে লাহে কামত নহা হৈ আহিছে আৰু কালক্ৰমত ই লোপ পাই পুনৰ অন্য এক ৰূপ লব ; কাৰণ বৰ্ত্তমান যুগত সকলো মানুহেই কম বেছি পৰিমাণে শিক্ষাৰ পোহৰ পাইছে। পূৰ্ব্বৰ এই চাৰি বৰ্ণৰ আদি কাৰণ হৈছে পূৰ্ব্বপুৰুষ সকলৰ পৰা চলি অহা "স্বাৰ্থ" নামৰ এক ব্যাধিৰ দ্বাৰা।

এই ব্যাধিৰ পৰাই বিশ্বত সদায় নতুন নতুন আলোড়ণৰ সৃষ্টি হৈ আছে, বুৰঞ্জীৰ পাতত নতুন বিস্মৃতিবোধক অধ্যায় লিপিবদ্ধ হৈ আছে আৰু কতনা কি হৈ আছে কোনো লেখ নাই। বিশ্বৰ সকলো ঠাইতে এই স্বাৰ্থ নামৰ ব্যাধিয়ে গোটেই মানৱ জাতিক শান্তিৰ পথৰ পৰা আতৰাই আনিছে, প্ৰতি মুহূৰ্ত্তে প্ৰাণৰ সংশয় কৰি তুলিছে। সৰু সৰু পৰিয়ালৰ পৰা আৰম্ভ কৰি ডাঙৰ ডাঙৰ অফিচ, আদালত আৰু ইয়াৰ পৰাই গোটেই বিশ্ব জুৰি এই ব্যাধিয়ে মানুহক গিলি থৈছে। এই বোৰৰ উদাহৰণ আৰু এতিয়াও উল্লেখ কৰিব লগীয়াই থকা নাই। প্ৰত্যেকেই ইয়াৰ পাকত পৰি পাইছে আৰু ই এবাৰ হলেও কন্দুৱাইছে বা বিদ্ৰোহী কৰি তুলিছে।

আপুনি আজি কিবা এটা চাকৰিৰ বাবে সাক্ষাৎ দৰ্শন বা পৰীক্ষা দিলে, আপুনি জানে যে আপোনাৰ পৰীক্ষাৰ উত্তৰ খুব ভালেই হৈছে— চাকৰি পোৱাৰ আশাও আপোনাৰ মনত জাগিল, কিন্তু আপুনি ইয়াৰ ফলাফল চাই জানিব পাৰিব যে আপোনাৰ উত্তৰ হোৱা নাই বা আপোনাৰ Merit Dull। কিন্তু কিছুদিন পিচত জানিব পাৰিব আপোনাৰ চাকৰিটোত নিয়োগ কৰ্ত্তাৰ খুলশালীয়েক বা ভায়েক জাতীয় মানুহে কাম কৰে নতুবা সেইটো চাকৰি পাচশ বা ততোধিক টকা দি কিনি লৈছে। চাওক এতিয়া এইবোৰ জানো ব্যাধিৰ অন্তৰ্ভূক্ত নহয়। আৰু কিছুদিন পিছত জানিব পাৰিব অফিচৰ বা যিটো চাকৰী কৰে সেই চাকৰীৰ বেমেজালিত পৰি আন মানুহে মূৰ ঘমাব লগীয়া হৈছে। এই ক্ষুদ্ৰ ক্ষুদ্ৰ দোষৰ পৰাই আৰম্ভ কৰি গোটেই দেশ জুৰি এনে বেমেজালি ঘটি আছে। আপোনাৰ ঘৰৰ সন্মুখৰ বাটটো পি, ডব্লিও. ডিয়ে ললে, আপোনাৰ খুব ভাল লাগিল, শিলগুটি পৰিব, পিচ হব, মটৰ চলিব, যাতায়ত ভাল হব ইত্যাদি। কিন্তু আপুনি এবছৰমান অপেক্ষা কৰাৰ পিচত

দেখিবলৈ পাব সেই বাটটো আন ফালেহে বনাবলৈ ধৰিছে—আপুনি আচৰিত হোৱাৰ দৰকাৰ নাই, কাৰণ ইয়াকো এই বেমাৰে পাইছে বুলি জানি থব। আপোনাৰ ঘৰৰ দক্ষিণ ফালৰ বাটটোৰ পুল বা কাঠৰ দলং খন যোৱা বেলি ফাগুনত বনোৱা বুলি ভালদৰে জানে কিন্তু এইবাৰৰ অৰ্থাৎ শাওণ ভাদ মাহৰ পানীয়ে ভাগি নিব বুলি নেজানিলে আপোনাৰ ভুল হব, কাৰণ সকলো ঠাইতে এই বিধ বেমাৰে ভালদৰে শিপাইছে। তিনি লাখ নে চাৰিলাখেই আছিল পাহৰিলো, যোৱা বেলি বনোৱা মথাউৰীটোৰ এই বেলি এটা মূৰ ভাগিল। অহা বেলি বোধহয় চিন চাব নোহোৱা হব; তাত জানো আপোনাৰ বা মোৰ কিবা লোকচান আছে আমাৰ পাব্লিকে পইচা পাব, প্ৰতি বছৰে মঠাউৰী বান্ধিব, প্ৰতিবাৰে ভাগিব তাত আৰু আমাৰ চিন্তা কৰিব লগীয়া একো নাই। কাৰণ গুৰিতে পূৰ্ব্বে উল্লেখ কৰা ব্যাধিয়ে ধৰিছে।

আপোনাৰ ঘৰৰ ওচৰৰ স্কুলখনৰ বেৰবোৰ ভাগি গৈছে, টিনপাত বতাহত উৰাই নিছে, মাষ্টৰ বহিবলৈ চকী নাই, ছাত্ৰৰ সংখ্যা কমি গৈছে; সেই বোৰৰ দায়ী জানো অকল স্কুলৰ শিক্ষক। বছৰে বছৰে দিয়া মেৰামতিৰ মঞ্জুৰী পইচাত এইবিধ ব্যাধি লগা বুলি আপুনি জানো নেজানে। আৰু বহাগ বিহুৰ আগৰ পৰা আৰম্ভ কৰি দুমাহ তিনিমাহ দৰমহা নোপোৱাটো জানো লংঘোণে থকা শিক্ষকৰ দোষ। আপোনাৰ ল'ৰাটো খুব dull', পঢ়াত একো নাই কিন্তু আপুনি জানো মেনেজিং কমিটিৰ মেম্বাৰ বা সভাপতি নহয়? আপোনাৰ হিতত জানো ল'ৰা জনে পাচ কৰিব নোৱাৰিব। বাকীবোৰ ল'ৰাজনতকৈ আপোনাৰ ল'ৰা জন পঢ়াত ভাল, সেইবুলি জানো আপোনাৰ ল'ৰাই শ্ৰেণীত প্ৰথম হব পাৰিব, আপুনি ভাবে নেকি এইবিলাক ঠাই এই ব্যাধিয়ে এৰি গৈছে।

যোৱা শনিবাৰে আপোনাৰ ঘৰৰ পূৰত হোৱা হত্যা কাণ্ডই গোটেই অঞ্চলত চাঞ্চল্যৰ সৃষ্টি কৰিলে, পুলিচে বহু কেইজন মানুহ ধৰি নিছে। আপুনি হয়তো ভয় কৰিছে— সিহঁতৰ জেল, জৰিমনা হব কিন্তু ভয় নকৰিব—এই ব্যাধিয়ে যদি সেইবোৰক প্ায় নেনেহলে বাচি যাব, তাত কোনো সন্দেহ নাই। কাৰণ আপুনি জানে যোৱাবেলি ধনীৰামৰ সিন্ধিৰ মুখত ধৰা চোৰটোক হেনো গৃহস্থই নিজে মাতি আনিছিল। ভগীৰাম মহাজনে দুখীয়া মনবৰৰ ঘৈণীয়েক আৰু পুতেকক কিবা এটা সাধাৰণ কাৰণত মাৰিলে; বিচাৰত মনবৰ এঘৰীয়া হ'ল। গাল খাই মৰা ভোগ নিদিয়ালৈকে সিহঁত দুইয়ে পানীয়ে আলগ, কাৰণ ভগীৰাম মহাজন মানুহ, ধন আছে গতিকে ভগীৰামৰ ধনে বাকীবোৰক পূৰ্ব্বত উল্লেখ কৰা বেমাৰে ধৰি থৈছে।

ইলেকচনৰ আগ মুহূৰ্ত্তে আপোনালোকক মন্ত্ৰীয়ে কৈ যোৱা কথা বোধহয় পাহৰিছে কিন্তু মই পাহৰা নাই, আমাৰ এই বাটত বোকা নোহোৱা হব, স্কুলখন ডাঙৰ হব, গোসাঁই আৰু

মছজিদ ঘৰটোও পকা হব, পথাৰত গৰুৰ হালৰ সলনি টেক্টৰ চলিব, বিজুলী বাতিয়ে—বাতিক দিন কৰিব আৰু আমাৰ আবোল ফুৰা শিক্ষিত নিবনুৱা ডেকাহঁতে অফিচৰ কামত ভৰ নোপোৱা হব। ওচৰতে পাতি দিব খোজা ডাক্তৰখানাৰ ভৰায়তে ৰোগী নোহোৱা হব ইত্যাদি। কিন্তু ইলেক্চন পাৰ হব আজি চাৰি বছৰ হ'ল, আপুনি এতিয়াও জানো বুজিব বাকী আছে কি বেমাৰৰ বশৱৰ্ত্তী হৈ এইবোৰ প্ৰলোভন দেখুৱাইছিল।

যোৱাবেলি বান বিধ্বস্ত ৰাইজৰ বাবে কিবাখিনি টন চাউল, দালি, তেল, নিমখ আদিৰ যোগান ধৰা হৈছিল, পিচত পানীত কৰা কাৰবাৰ বাবে তাৰে কিবাখিনি টন পানীত পৰিল, পুনৰ অনা হ'ল, তাৰে দিবলগীয়াৰ (প্ৰতিজনক) ভুৱ অংশ দিয়া হ'ল। বাকীখিনিৰ মলঙা হিচাবটো দুইবছৰ বা তাৰ আগতে মিলাই দিয়া হব, কাৰণ এই ব্যাধিয়ে বৰ্ত্তমান সকলোকে ব্যস্ত কৰি ৰাখিছে। সময় নাই। কণ্ট্ৰোলৰ চেনীবিলাকৰ অৱস্থা এই ব্যাধিয়ে কি কৰিছে ভুক্তভোগী বিলাকেহে জানে।

অলপতে জানিব পাৰিলো, বাতৰি কাকতত হেনো সচাঁ কথাৰ তথ্য তোলাটো দোষণীয়। কোনোবা এজন বিচাৰকে ইয়াৰ সপক্ষে ৰায়ও দিছে, নিদিব কিয়? তেওঁক জানো এইবিধ বেমাৰে এৰিব পাৰে।

"সত্যই হেনো সাহিত্য" উক্তিটো খুব ভাল শুনি; কিন্তু সত্যৰ ওপৰত জানো আমাৰ সাহিত্যক প্ৰতিষ্ঠা কৰিব পৰা গৈছে। সত্যৰ ওপৰত প্ৰতিষ্ঠা কৰি প্ৰকৃত সাহিত্য লিখিবলৈ সাহিত্যিক বিলাকক জানো এই বেমাৰে ধৰা নাই।

এইদৰেই গোটেই ভাৰত তথা বিশ্বক এই ব্যাধিয়ে জুৰুলা কৰিব লাগিছে। মানুহবোৰক বিবেচনাহীন কৰি তুলিছে। আজি ভাৰতৰ নানা ধৰণৰ আন্দোলনৰ মূল এইবোৰেই। স্বাৰ্থ জৰীত কিছুমান কামৰ বাবে বা কিছুমান মানুহৰ বাবে গোটেই দেশেই দুখ কষ্টৰ মুখত পৰি থাকিব লগীয়া হৈছে। আজি আমাৰ দেশত নিস্বাৰ্থৰ কৰ্ম্মী নোহোৱা হৈ আহিছে, যিবোৰ ওলায় তেওঁলোকেও কিবা এটা স্বাৰ্থৰ টোপ আগতলৈ থাকে। দেশৰ প্ৰতিটো মহান অনুষ্ঠান বা উদ্যোগ আদি আনিবলৈ আমাৰ স্বাধীন দেশৰ নাগৰিকে তেজ দান দিবলগীয়া হয়। অনশন, হৰতাল, আন্দোলন আদি কৰিবলগীয়া হয় কিয়? এইবোৰৰ ভিতৰতো জানো এই ব্যাধি নাই বুলি কব পাৰি।

আৰু বহুতো কথাই কব পাৰি, লিখিব পাৰো কিন্তু নিলিখো কিয় আপোনালোকে জানে—? নিশ্চয় নাজানে কওঁ শুনক, মইয়ো যে এই ৰোগত ভোগী থকা এজন ৰোগী আৰু কথা লিখিলে হয়তো ই প্ৰকাশৰেই অযোগ্য হব, কাৰণ প্ৰতিজন মানুহেই এই ৰোগত আক্ৰান্ত। নহলে জানো উনৈশ শ সাতচল্লিশ চনত স্বাধীন হোৱা পুণ্যভূমি ভাৰত সীমাহত এতিয়াও শুনিব পোৱা যায়

কিছুমান ভয়াবহ শব্দ আৰু মৃতকৰ সংখ্যাৰ বাতৰি । দেশৰ অশান্তি, দুখ-দুৰ্গতি আদি নানা ভয়াবহ সমস্যাৰ সমাধান অতি সোনকালেই হব— যদি প্ৰতিজন নাগৰিকে প্ৰতিজন দেশ কৰ্ম্মীয়ে— নিজৰ স্বাৰ্থ ত্যাগ কৰি সত্যক সদায় আগ শাৰীত ঠাই দিয়ে । ক্ষুদ্ৰ স্বাৰ্থৰ ওপৰত অৱলম্বন কৰি এটা জাতিৰ, এখন দেশৰ, এখন ৰাষ্ট্ৰৰ অহিত সাধন কৰাটো কোনো বিধাতাই ক্ষমা নকৰিব— আজিয়েই আমাৰ হেৰোৱা শান্তি ঘূৰি আহিব— যদিহে প্ৰতিজন মানুহে নিজৰ স্বাৰ্থৰ কথা পাহৰি বিশ্বৰ এক মহান স্বাৰ্থৰ কথা চিন্তা কৰে । অন্যথায় বিশ্বত শান্তি ঘূৰি অহাতো সহজ সাধ্য নহয় । ভিয়েটনাম, চীন, আৰব, ইজৰাইল, পূৰ্ববঙ্গ, পাকিস্থান, ভাৰত আদিৰ স্বাৰ্থৰ হেতু লগা মনোমালিন্যই এদিন তৃতীয় মহাযুদ্ধৰ সূচনা হব যদিহে নিজৰ স্বাৰ্থ কোনো ৰাষ্ট্ৰই ত্যাগ নকৰে । বিশ্ব শান্তিৰ বাবে আন কোনো অস্ত্ৰৰ প্ৰয়োজন নাই, মাত্ৰ প্ৰয়োজন হৈছে স্বাৰ্থ ত্যাগৰ । প্ৰত্যেকজন মানুহ, প্ৰত্যেকখন ৰাজ্যই যদি নিজৰ লাভজনক স্বাৰ্থ ত্যাগ কৰে তেনে বিশ্বৰ শান্তি ভাগিবলৈ কোনো শক্তিয়েই নোলাব ।

"ছাত্ৰশক্তি যদিও প্ৰবল শক্তি, সি সংযত হলেহে দেশহিতকৰ হব ; নতুবা সি অনৰ্থ উৎপাদন কৰে । প্ৰবল ভাপ কল ( ষ্টীম ইঞ্জিন ) সংযত আৰু নিয়মৰ বশীভূত হলেহে তাৰ দ্বাৰাই মহোপকাৰ সাধিত হয়, নতুবা অসংযত আৰু উদ্দাম শক্তিপুঞ্জৰ দ্বাৰাই অনৰ্থহে সংঘটিত হয় । সংযম দুই ভাবে হব লাগিব । ব্যক্তি আৰু সমষ্টি ভাৱে আৰু সমাজগত ভাবে................ ।

সাহিত্যৰথী লক্ষীনাথ বেজবৰুৱা

অ: ছা: স: গুৱাহাটী ১৯১৬

# "চন্দ্র শিলা অধ্যয়ণ

## আৰু

## পৃথিবীৰ জন্ম ৰহস্য"

শ্ৰীলোকেশ্বৰ শৰ্ম্মা
২য় বাৰ্ষিক [ বিজ্ঞান ]

অষ্ট্ৰেলিয়াৰ জাতীয় বিশ্ব বিদ্যালয়ৰ জিঅ'ফিজিক্স আৰু জিঅ'কেমেষ্ট্ৰি বিভাগৰ অধ্যাপক ডঃ ডি, এইচ, গ্ৰীনৰ মতে এপল' ১১ আৰু এপল' ১২ই কঢ়িয়াই অনা বেচল্‌টৰ দৰে শিলাবোৰ পৃথিবীৰ উপৰিভাগত থকা বেচল্‌ট শিলাবোৰৰ মাজত উল্লেখযোগ্য পাৰ্থক্য আছে। (আমেৰিকা যুক্তৰাষ্ট্ৰৰ জাতীয় ব্যোম বিজ্ঞানী আৰু মহাকাশ শাসক সকলে চন্দ্ৰপৃষ্ঠৰ পৰা অনা মূল্যবান পদাৰ্থসমূহ বিতৰণ কৰা পৃথিবীৰ বিভিন্ন ২০০খন গবেষণা কেন্দ্ৰৰ ভিতৰত এইখনো এখন।

চন্দ্ৰপৃষ্ঠৰ বেচল্‌ট শিলাবোৰৰ গলিত চিলিকন মেগনেচিয়াম, লো, কেলচিয়াম, টিটানিয়াম, এলুমিনিয়াম, চডিয়াম আৰু পটাচিয়াম আদি গোটা পদাৰ্থৰে গঠিত।

এইটোৱে আমাক জনায় যে, এই পদাৰ্থবোৰ গলনৰ আগতে অন্ততঃ ১১০০°চেঃ পৰ্য্যন্ত উষ্ণ হৈছিল, আৰু সেইবোৰ চন্দ্ৰপৃষ্ঠলৈ লাভা ৰূপে ওলাই আহি গোট মাৰি চান্দ্ৰ-সাগৰ ৰূপ লৈছিল। গবেষণাগাৰত চন্দ্ৰ পৃষ্ঠৰ পৰা অনা পদাৰ্থৰ ওপৰত চাপৰ সহায়ত পৰীক্ষা-নিৰীক্ষা কৰি জাতীয় বিশ্ববিদ্যালয়ৰ জিঅ'-কেমিষ্টসকলে চন্দ্ৰৰ ভিতৰ ভাগ জানিবলৈ সমৰ্থ হৈছে।

চন্দ্ৰপৃষ্ঠৰ বেচল্‌টবোৰ অন্ততঃ এক মহাপদ্মৰ তিনি চতুৰ্থাংশ বছৰৰ পাৰ্থক্যত ঘটা দুটা গলন আৰু আগ্নেয়গিৰিৰ যুগ পাৰ হৈ অহা বুলি তেখেতসকলে অনুমান কৰিছে। আপাতভাৱে চন্দ্ৰ পৃষ্ঠখন পৃথিবী গঠিত হোৱাৰ এক মহাপদ্ম বছৰৰ পিচত গলিত শিলাৰ পৰা গঠিত হোৱা বুলিও তেওঁলোকে ভাৱে।

বৰ্ত্তমানে কেনবেৰাৰ জিঅ' কেমিষ্টসকলে চন্দ্ৰপৃষ্ঠৰ ওখ ঠাইৰ পৰা এপল' ১৪ই অনা পদাৰ্থ সমূহৰ বাবে অপেক্ষা কৰি আছে। আগৰ এপল' যানে অনা চন্দ্ৰ পৃষ্ঠৰ বেচল্‌টৰ দৰে শিলাবোৰ ২.৯ ৰ পৰা ৩.৮ মহাপদ্ম বছৰৰ আগৰ পুৰণি। তেওঁলোকে আশা কৰিছে যে, চন্দ্ৰ পৃষ্ঠৰ ওখ ঠাইৰ

পৰা অনা শিলাবোৰে ১.৫ মহাপদ্ম বছৰৰ কথা কলৈ সক্ষম হব আৰু লগে লগে পৃথিৱী, চন্দ্র আৰু গোটেই সৌৰজগতৰ জন্মৰ বিষয়ে কব পাৰিব।

অধ্যাপক এ, ই, ৰিংউদে চন্দ্র পৃষ্ঠৰ শিলা বোৰৰ ফলাফল প্রয়োগ কৰি জিঅ'ফিজিক্স আৰু জিঅ' কেমিষ্ট্ৰিৰ গৱেষণাগাৰত পৃথিৱী, চন্দ্র আৰু সৌৰজগতৰ জন্মৰ বিষয়ে সূত্র উলিয়াবলৈ দীঘলীয়া গৱেষণা কৰিছে। চন্দ্ৰ পৃষ্ঠত চলোৱা ভূতত্ত্ব আঁচনি আগবঢ়াৰ লগে লগে জাতীয় বিশ্ববিদ্যালয়ে আগবঢ়োৱা এটা সূত্ৰই বেচি সমৰ্থন লাভ কৰিছে। পৃথিৱীৰ অন্য অংশৰ দুটা সংঘয়ো অধ্যাপক ৰিং-উদে আৰু সহকৰ্মীবৃন্দই আগবঢ়োৱা সূত্ৰৰ দৰেই আন এটা সূত্র আগবঢ়াইছে।

এই সূত্ৰমতে ৪.৫ মহাপদ্ম বছৰৰ আগতে মহাকাশত থকা গেচীয় আৰু কঠিন পদাৰ্থৰ মিশ্ৰণ এটাই কালক্ৰমত লগ লাগি সৌৰজগতৰ নক্ষত্র আৰু অন্যান্য গ্ৰহ উপগ্ৰহৰ সৃষ্টি হয়। অধ্যাপক ৰিংউদৰ মতে চন্দ্ৰও নিজে নিজে সম্ভৱতঃ বহুযুগৰ পিচত পৃথিৱীৰ দৰেই ক্ৰমবৰ্দ্ধন নিয়মানুসাৰে গঠিত হৈছে। তেখেতৰ মতে এটা সময়ত পৃথিৱীৰ নিওক্লিয়াচক কেন্দ্র কৰি বৰ্ত্তমানৰ শনিগ্ৰহৰ আঙঠি আকৃতিৰ উপগ্ৰহ পুঞ্জৰ দৰে গেছীয় আৰু গোটা পদাৰ্থ কণা কিছুমান ঘূৰি আছিল। কালক্ৰমত সেই পদাৰ্থ কণাবোৰ লগ লাগি এটা গোটা পদাৰ্থ হ'ল যাক আমি বৰ্ত্তমান চন্দ্র বুলি কওঁ।

এনে ধৰণৰ বহুতো পদাৰ্থ কণা লগ লাগি ইয়াৰ আকৃতি বাঢ়ি অহাৰ লগে লগে ইয়াৰ ভিতৰৰ অংশত থকা কিছুমান তেজস্ক্রিয় মৌলৰ ভাঙনৰ ফলত তাপ বাঢ়িবলৈ ধৰিলে. যেতিয়া উষ্ণতা ১২০০° চেঃ ৰ পৰা ১৫০০° চেঃ লৈ হ'ল তেতিয়া গলিত শিলাবোৰ পৃষ্ঠভাগলৈ ওলাই আহিল।

সম্ভৱতঃ চন্দ্ৰৰ ওখ পৃষ্ঠভাগ মূল খোলা লাভা আদিৰ দ্বাৰা গঠিত। চান্দ্ৰ সাগৰত থকা শিলা বোৰৰ ভিতৰত এবিধ অচিনাকী শিলা পোৱা গৈছে যাৰ সৃষ্টি চন্দ্ৰৰ প্ৰাচীন ওখ পৃষ্ঠৰ পৰা হব পাৰে।

এই অচিনাকী শিলাবোৰৰ সৃষ্টি হৈছে পটাচিয়াম, ফচফৰাচ আৰু দুষ্প্ৰাপ্য মৌলৰ পৰা সিহঁতৰ বয়স ৪.৫ মহাপদ্ম বছৰ বুলি ধাৰণা কৰিব পাৰি।

ভ্ৰমণ কাহিনী

# ॥ উত্তৰ ভাৰত অভিমুখে ॥

দ্বিজেন চলিহা
১ম বাৰ্ষিক ( বিজ্ঞান )

মানুহে বহুতো কিবা কিবি বিচাৰে, তাৰে কিছুমান পায় আৰু কিছুমান নাপায়। ময়ো বহুতো বিচাৰিছো—কিছু পাইছোঁ আৰু বহুতো পোৱা নাই। পালোঁ। ভাল লাগিল। আমাৰ কলেজৰ ৬ জন ছাত্ৰ-ছাত্ৰীৰ ভিতৰত ময়ো পাইছিলোঁ "ভাৰত দৰ্শন" কৰাৰ সুবিধা। মনত বহুতো আনন্দ, বহুতো আশা লৈ ওলাই গৈছিলোঁ ন, পুৰণি চহৰৰ বহুতো স্মৃতি আৰু আদৰ্শ মূলক বস্তুবোৰ চোৱাৰ হেঁপাহত।

গলোঁ, ৪ অক্টোবৰৰ নিশা ২ বাজি ৪৫ মিনিটত ( অৰ্থাৎ ৫ অক্টোবৰ বুলি কব পাৰি ) ইয়াৰ মাজতে কৈ থওঁ যে এই যাত্ৰাত বহুতো কষ্ট পাইছিলোঁ যদিও মনৰ আনন্দত বা বহুতো Collegeৰ ল'ৰা-ছোৱালী লগ পাই তাৰ পিছত চিনাকি হৈ সেইবোৰ পাহৰি গৈছিলোঁ। গুৱাহাটী মহানগৰীক বিদায় দি আমাৰ ৰেলগাড়ী আগবাঢ়ি গ'ল আমাৰ লক্ষ্য স্থানলৈ। গৈ আছো। আৰু যাম বহু দূৰলৈ। লাহে লাহে পাৰ হৈ গলো হেজাৰ গাওঁ আৰু চহৰ। দুই দিন গ'ল—৭ তাৰিখ। বিহাৰ। ৰাতিপুৱা চকু মেলি চাওঁ পানী, চাৰিওফালে পানী, পানীত ডুবি থকা সৰু ডাঙৰ ঘৰ। বহুত দূৰলৈ চকু দিওঁ, মাত্ৰ পানী। ভাব হৈছিল আমি যেন কোনোবা এখন মহাসাগৰত সোমাই পৰিছোঁ। ঠিক সেই সময়তে মনত পৰিছিল—যি বিহাৰত ১৯৬৩চনত পানীৰ কাৰণে হাহাকাৰ কৰি ভেকুলীৰ বিয়া পাতিব লগা হৈছিল—সেই বিহাৰ জানো আজিৰ এইখন বিহাৰ নহয়। আজিৰ বিহাৰত গম নাই,

মাকৈ নাই, কুকিয়াৰ নাই, আছে মাথো অসংখ্য গরু মহৰ ভঁৰা আৰু ঠায়ে ঠায়ে এটি দুটি মৃত-দেহ। সেই মৃৎগেৰত আজি মঙ্গল ধ্বনি নাই, আছে কিছু আশা বান্ধি ৰখা জনগণ। পাৰ হৈ গলোঁ বিহাৰ। উত্তৰ প্ৰদেশ। কেতিয়া পালো কব নোৱাৰোঁ। একে অৱস্থা। কৈ শেষ কৰিব নোৱাৰি তাৰ ধ্বংসলীলাৰ কথা। পালো লক্ষ্ণৌ চহৰ। ৮ তাৰিখ, দুপৰীয়া। এয়া আমাৰ প্ৰথম লক্ষ্য স্থান। ডাঙৰ মহানগৰী, প্ৰথমে ভাবিছিলোঁ কেনেকৈ ফুৰিম, পিচত কব নোৱাৰাকৈ ফুৰিলো গোটেইখন। আমাক নিবলৈ গাড়ী আহিল, উঠিলোঁ এখন ধুনীয়া গাড়ীত, ৰেডিঅ'ত বাজি আছে ভাটিয়ালী গীত। প্ৰথমে আমাক দেখুৱাব নিছিল হাচান ছুচেনৰ স্মৃতিত আলিচাহে বনোৱা ডাঙৰ "ইমাম বৰা" আৰু সৰু "ইমাম বৰা"। তাৰ কাৰুকাৰ্য্যবোৰ চাই নিজকে পাহৰি গৈছিলো— মই ক'ত আছো। "ভুল ভুলিয়া"। সচাকৈয়ে অতি আচৰিত তাৰ কাম, বোধ কৰো আজি কালিৰ যুগত বিজ্ঞান পদ্ধতিৰে বনোৱা ঘৰতকৈয়ো আচৰিত। চিৰিয়াখানা চাবলৈ যাম বুলি ভাবিছিলো, কিন্তু দুৰ্ভাগ্য - সেয়া হেনো পানীৰ মাজত! চহৰ চালো নিশা হল। অসময়ৰ পৰা যোৱা ৰেলগাড়ী এৰি 'ব্ৰডগজ" ৰেলগাড়ীত উঠিলো। নিশা বাৰ মান বজাত আমাৰ মাজতেই গণ্ডগোলৰ সৃষ্টি হল। বহুতো লৰাৰ লগত মযো সোমাই পৰিছিলো তাৰ মাজত। ২-৩০ বাজি যোৱাত শাম কাটিল ৰেমেজালি বোৰ, এৰিলে আমাৰ ৰেলগাড়ী দ্বিতীয় লক্ষ্যস্থান চণ্ডীগড়লৈ।

চণ্ডীগড়। ৯ তাৰিখ। দুপৰীয়া ১২ বাজি গৈছে। মনে ভবাৰ দৰে ডাঙৰ station নহয়। সৰু, অতি সৰু। station ৰ পৰা ৪ মাইল মান গলেহে পৰিকল্পিত নগৰ পোৱা যায়। গলো নগৰৰ বাহিৰ হৈ ভাক্ৰা চাম বুলি। চালো। দেখিলো ভাবিব নোৱাৰা কিছুমান বস্তু। ইয়া-তেই আছে এচিয়াৰ ভিতৰত ডাঙৰ lift আৰু power station যিটো U. S. S. R. এ বনাইছিল। উঠিছিলোঁ সেই Lift ত। কব নোৱাৰাকৈয়ে পাৰ হৈ গৈছিলো ১১ টা ভাগ। এই বান্ধটি বনাওতে সময় লাগিছিল ১৫ বছৰ (১৯৪৭-১৯৬৩) আৰু বনুৱা লাগিছিল১৩ হাজাৰ, ৩০০ জন ভাৰতীয় আৰু ৪০ জন বিদেশী ইঞ্জিনিয়াৰ। ইয়াৰ উচ্চতা তিনিটা কুটুবমিনাৰৰ সমান। তাৰ পৰা আহিলোঁ। নগৰ চালো কিছু পৰিমাণে। বেচ ভাল লাগিল পৰিষ্কাৰ, পৰিচ্ছন্নতা দেখি। নিশা ১১ বাজি যোৱাত বিদায় দিলোঁ চণ্ডীগড় মহা নগৰীক অমৃতচৰ পোৱাৰ আশাত।

অমৃতচৰ। এয়া আমাৰ তৃতীয় স্থান। ১০ তাৰিখ দুপৰীয়া ১ বাজি যোৱাত ঘোৰা গাড়ী লৈ চাবলৈ গলো অমৃতচৰৰ সৌন্দৰ্য্য। স্বৰ্ণ মন্দিৰৰ সৌন্দৰ্য্য সচাকৈয়ে পাহৰিব নোৱাৰি। পানীৰ মাজত ধুনীয়া এই মন্দিৰ। জালি-য়ানৱালা বাগ। হিন্দু, মুছলমানৰ যুদ্ধ ক্ষেত্ৰ।

চাই বৰ দুখ লাগিছিল তাৰ চিনবোৰ। মনত পৰি গৈছিল অমানুসিক অত্যাচাৰৰ কাহিনী। দুৰ্গা মন্দিৰ। প্ৰায় মিল আছে স্বৰ্ণ মন্দিৰৰ লগত। দুয়োটা পানীৰ মাজতে অৱস্থিত, মাত্ৰ অমিল এই খিনিয়েই যে এই মন্দিৰটো সোণেৰে মনোৱা নহয়। ভাল লাগিল সেইবোৰ চাই। নিশা ৰঙা, নীলা বিজুলী চাকিৰ মাজত ঘূৰি ১২ বাজি যোৱাত ভাৰতৰ ৰাজধানী দিল্লী বুলি ৰাওনা হলো।

পাৰ হৈ গ'ল দুইদিন। ১২ তাৰিখ সন্ধিয়া ৬ বাজি যোৱাত দিল্লী মহানগৰী পালো। প্ৰথমেই দেখিলো নিশাৰ ৰমক-জমক দিল্লী চহৰ। মনবোৰো ৰঙীণ হৈ পৰিছিল, আনন্দ লাগিছিল, ভাল লাগিছিল। দিল্লী পাই শুনিছিলো কিছুমান অসমীয়া মানুহৰ মাত। খুউব আপোন যেন লাগিছিল তেওঁলোকক। দুদিন আছিলো। বহুতো চালো তাৰ ভিতৰত কুটুবমিনাৰ, লাল কিল্লা, শাস্ত্ৰী, গান্ধী আৰু নেহেৰুৰ সমাধি, যন্তৰ মন্তৰ আৰু বহুতো। সমাধিবোৰ চাই দুখ লাগিছিল যদিও ভাল লাগিছিল, তেওঁলোকে দি যোৱা বস্তুবোৰৰ কথা ভাবি। দিল্লী মহানগৰীৰ বৰ্ণনা খুউব কমতে দিব নোৱাৰি, কিন্তু তাৰ মাজতে কৈ থওঁ যে লালকিল্লাত নিশা হোৱা Sound and light উল্লেখযোগ্য। ১৪ তাৰিখে নিশা বিদায় লয় ৰাজধানীৰ পৰা, তাৰ আগতে Assam Houseত অনুষ্ঠিত হোৱা এখন চাহমেলত মইয়ো যোগ দিছিলো। এই মেলত কেইবাজনো ছাত্ৰ আৰু কেইগৰাকীমান ছাত্ৰীয়ে লোক গীত, বনগীত, অসমীয়া আধুনিক গীত আৰু বঙালী গীত গাইছিল। ভাল লাগিছিল তেনেকুৱা এখন মেলত যোগ দিব পাই। তাৰ পৰা আহিলো নিশা ১১-৩০ মিঃ বাজি যোৱাত।

১৫ তাৰিখ। চকুমেলি চাও আগ্ৰাকেণ্ট। মনত খুউব আনন্দ লাগিল আগ্ৰা পোৱা বুলি-জানিব পাৰি। তাজমহল। তাৰ আগতে বহুতো কিবা চালো কিন্তু তাজমহল চোৱাৰ লগে লগে সকলোবোৰ পাহৰি গলো তাজমহলৰ ধুনীয়া দৃশ্য দেখি। বহুত ৰাতিলৈ আছিলোঁ-- চন্দ্ৰৰ পোহৰত তাজমহল চাম বুলি। দুৰ্ভাগ্য— চন্দ্ৰই দেখা নিদিলে আমাক। আতৰি আহিলো –।

৩ দিন পিচত ১৮ তাৰিখে ৰাতিপুৱা কাণপুৰ পালোঁ। তাত চাবলগীয়া একো নাই, ধুনীয়া চহৰ, ব্যস্ত সকলো মানুহ। ২০ তাৰিখে পালো ৰুলকেল্লা। Steel plant ৰ বাহিৰে তাত পুৰণি কলীয়া চাবলগীয়া খুউব বেছি একো নাই। চহৰখন চালো আৰু নিশা ১১ বজাত ৰাচী অভিমুখে ৰাওনা হলো। ২১ তাৰিখে ৰাতিপুৱা ৪-২০ মিঃত ৰাচী পালো। তাত প্ৰথমে চাবলৈ গলো E. M. T. চালো কেনেকৈ যন্ত্ৰবোৰ বনায়। ভাল লাগিল তাৰ আচৰিত কামবোৰ দেখি। তাৰ পিচত পগলা ফাটেক চালো। আচল চহৰৰ পৰা কিছু দূৰৈত। আবেলি ৩ বজাত আমি ৰাচী ৰাজ্যিক স্কুল প্ৰাঙ্গন পাওঁ। তাত এখন সভা আয়োজন কৰিছিল। সেই সভাৰ মাজত

তেওঁলোকৰ আৰু আমাৰ ছাত্ৰ-ছাত্ৰীয়ে নৃত্য গীত আদি পৰিবেশন কৰিছিল। সভাৰ শেষত এখন ফুলনিত গোটেইবোৰে মিলি জলযোগ কৰিছিলো। তাৰ পিচতেই বিদায় ললো ৰাচী নগৰীৰ পৰা।

এয়া আমাৰ শেষ লক্ষ্যস্থান। চিত্তৰঞ্জন – ২২ তাৰিখে ৰাতিপুৱা পালো। ৰেলগাড়ী বনোৱা কাৰখানাৰ বাহিৰে চাবলগীয়া একো নাই। চালো আৰু আৰেলি নিজ নিজ ঘৰ বুলি তাৰ পৰা ৰাওনা হলো। বাৰাউনী পালো। আমাৰ বাবে বৈ আছিল অসমলৈ কঢ়িয়াই আনিবৰ বাবে এখন সৰু ৰেলগাড়ী, আহিলো। গোটেই বাট আনন্দতে কটায় দিছিলো; ঘৰ পোৱাৰ আশাত আৰু আন ফালে দুখ লাগিছিল নতুনকৈ চিনাকি হোৱা লগবোৰ এৰিব লগা হোৱাত। এই যাত্ৰা যেন আমাৰ জয় যাত্ৰা আছিল। বহুতো হাই-কাজিয়া, আনন্দ ধেমালিৰ মাজতেই ২১ দিন পাৰ কৰি দিলো।

বহুতো চালো, বহুতো শিকিলো, কিতাপত পোৱা কথা নিজে দেখি আহিলো, কিন্তু লগত কি লৈ আহিলো। আহিছোঁ হয়তো কিছু বাহিৰা জ্ঞান আৰু নতুন নতুন আদৰ্শ। লক্ষ এতিয়াও মোৰ শেষ হোৱা নাই আৰু বহুত দিন আছে নতুন লক্ষ্যস্থান পাবলৈ।

## কবিতা

# বাণী বন্দনা

শ্ৰীতীৰ্থনাথ বড়া
প্ৰাক্ বিশ্ববিদ্যালয় ( কলা )

পূজিম কিমতে আই চৰণ তোমাৰ
নাজানো পূজিব নাই পূজাৰো সম্ভাৰ ।
নাজানো তোমাৰ দেৱী মন্ত্ৰ আৱাহন,
নাজানো কিমতে দিব লাগে বিসৰ্জ্জন ।

নাজানো কিৰূপে তুমি হোৱা সুপ্ৰসন্না
নাজানো কিদৰে কৰে তোমাৰ অৰ্চ্চনা ।
নাই মোৰ দ্বীপ্তিময়ী মালা সুশোভন
পূজিবলে বীণাপানি তোমাৰ চৰণ ।

স্বৰ্ণময়ী মালা গাঁঠি আদি কৱিগণ
বন্দিলে হিয়াৰ ছন্দে দুখনি চৰণ ।

তুষ্টা হৈ দিলা তুমি বীণা আপোনাৰ,
তুলিলে সি যুগজয়ী অমিয় ঝঙ্কাৰ ।

যি সুৰে নমালে মন্দাকিনী ধৰণীত
সৰালে অসংখ্য ফুল কৰি ফুলনিত ।
সি সুৰতে হাঁহিলে চেনেহী মাতৃভাষা
পুত্ৰৰ হাতৰ বীণ অমৃত বৰষা ।

সজালে নতুন সাজে ভাষাৰ জননী
পিন্ধালে ডিঙিত যত্নে মুকুতাৰ মণি ।
হৃদয় বেদীত ঢালি আঁজলি আঁজলি,
তোমাৰ পূজাৰ বাবে নৱ পুষ্পাঞ্জলি ।

পূজিলে তোমাক আই নিতে নব ৰূপে
কৰিকুলে যুগে যুগে জননী স্বৰূপে।
তোমাৰ কৃপাত আই কৰি নিকুঞ্জত
সুৰধ্বনি কূজন তুলি মৰত পুৰত
কতজন আওঁৰিল সমাপি জীৱন,
আজিও বিৰাজে আহা সুকৰি ৰতন।

নহওঁ পূজাৰী মই অবোধ সন্তান
নুবুজো কি তোমাৰ আদৰ সন্মান।
তোমাৰ পূজাৰ বাবে ফুৰি বনে বনে,
চৰণে অৰ্পিম বুলি ভাবি মনে মনে;
এপাহি বনৰ ফুল আনিলো বুটলি
'নিদাঘ তাপত' সিয়ো গ'ল যে লেৰেলি।

আৰু মোৰ পূজিবৰ নাই যে উপায়,
অৱশেষত ফুলপাহি গ'ল যে শুকাই।
চকুলোৰে ৰচা মোৰ করুণ জীৱন,
তাৰেই কৰিম আজি তোমাৰ পূজন।
নয়ন-নীৰেৰে ধুই তোমাৰ চৰণ,
জীৱনৰ শ্ৰেষ্ঠ অৰ্ঘ্য কৰো বিচৰণ।

ব্যথিত হিয়াত জ্বলা অগ্নি অনিৰ্বাৰ
তাৰেই জ্বলাম তৱ প্ৰদীপ পূজাৰ।
ভুমুটা হোৱা বাণীদেৱি চোৱা চকু মেলি,
পৰাণ-পদুম এয়া পূজাৰ অঞ্জলি;
আশীষ নিৰ্মালি দিয়া যাওঁ বাট বুলি
সি সবৰ পদ-চিন নিহালি নিহালি।



# মকৰা

অধ্যাপক মহেন্দ্ৰ প্ৰসাদ বৰুৱা
এম্-এ

ডাৱৰে আবৰা জোন
মাজেদি বৈ যায় চকুলোৰ নৈ ;
ভুৱাৰ বিচাৰি নোপোৱা সেই ঠাইত
মকৰাৰ করুণ বিলাপ !
চেতনাৰ আকাশত
ওলমি ৰোৱা সময় ;
চকুলোৰ নৈ বৈ যায়।
তেজৰ প্ৰতিটো কণা
সপোনৰ বতাহে উৰুৱাই লৈ যায়
ডাৱৰে আবৰা জোন
চৌদিশে দেখা যায়
লুণ্ঠন কাৰি মকৰাৰ দৰবাৰ
মাজেৰে বৈ যায় চকুলোৰ নৈ

# হৃদয়ৰ আৰ্ত্তনাদ

মিচ্ আয়েচা বিলকিচ বেগম
১ম বাৰ্ষিক ( বিজ্ঞান )

ভীষণ নিৰিবিলিত,
দৃষ্টি নিবদ্ধ মোৰ
গভীৰ নিলিম গগণত ;
বহু দূৰৈত,
এটি পক্ষী, বিন্দুমান,
জনাইছিল আহ্বান ।
কিন্তু ·· ···· · ···· !
আশাৰ ডেউকা মেলি
কৰিলো অনুসৰণ ;
হঠাৎ ··········· ·· !
ক'লা ডাঁৱৰে কৰিলেহি অদৃশ্যমান ।

আশাৰ তুলিকাই আঁকা ছবি,
হতাশৰ তুলিকাই দিলে মচি ।
অন্ধকাৰে কৰিলে সৰ্ব্বস্ব চুৰমাৰ্ ;
উঠিল প্ৰচণ্ড নিৰাশাৰ জোৱাৰ ।
মোৰ যে হৃদয় ফাটি যায়,
হায় ! আছে জানো কিবা উপায় ???

# এটি প্ৰশ্ন

শ্ৰীনীলমণি বৰদলৈ
দ্বিতীয় বাৰ্ষিক (কলা)

এটি প্ৰশ্ন ?
আভিজাত্য আৰু দৰিদ্ৰতাক লৈ
সেয়া নগ্নতা—
আভিজাত্য আৰু দৰিদ্ৰতাৰ ;
এবেগেত কাপোৰ আৰু এটি ব্লাউজ
এয়া বৰ্ত্তমানৰ ব্যস্ততা,
এবেগেত কাপোৰ আৰু এটি ভিক্ষাৰী
এয়া কুৰি শতিকাৰ দৈন্যতা,
আজিৰ সভ্য সমাজখনে
সেই দুই নগ্নতাৰ -
এটিক সমাদৰ কৰে,
আৰু—
আনটিক ঘিণ কৰে
নৰ্দ্দমাৰ গেলা-পচা পানীৰ নচিনা !
কিন্তু—
সেই দুই নগ্নতাৰ মাজত
পাৰ্থক্য কিমান বাৰু ?
সেয়াচোন একেই নগ্নতা।

---

MANGALDAI COLLEGE LIBRARY

# এটা মহ আৰু এজাক ল'ৰা

শ্ৰীবিমল ডেকা
১ম বাৰ্ষিক ( কলা )

বেৰখনত এটা মহ পৰিছিল ।
তেজ শুহি শুহি গেৰেলা হোৱা এটা মহ
বেৰ এৰি চিলিঙ পালেগৈ ।
সি পাখি জোকাৰিলে এক অবুজ আনন্দত
ল'ৰাবোৰৰ তেজ শোহা আনন্দত ।
এডাল দীঘল মাৰি লৈ ল'ৰাহঁতে
মহটো বিচাৰি ফুৰিছিল ।
মহটো সিহঁতে উৰাইছিল । বাৰে বাৰে উৰাইছিল ।
উৰি উৰি গৈ ই চিলিঙ পাইছিল ।
ল'ৰাবোৰে মাৰিডালেৰে কিন্তু
মহটো মাৰিবহে খুজিছিল ।
পিচে ল'ৰাহঁতৰে তেজ শুহি খাই
মহটো বলী হৈ উঠিছিল ।
তেজহীন ল'ৰাকেইটাই মাৰি লৈ
মহ মৰা ভাওনা কৰিছিল ।

# গীত

## গোৱালপৰীয়া ভাটীয়ালী

এম্ হবিবৰ ৰহমান
প্ৰাক্-বিশ্ববিদ্যালয় (কলা)

আৰে অ' ... ... অ' .... ....

অ' আৰে উজান ঘাটেৰ নাইয়া ।

নাও চাপাও নাও চাপাও

নাও চাপাও ৰে ...

অ' আৰে উজান ঘাটেৰ নাইয়া...

আমি অবলা নাৰী ...

পতি গেল মোকে চাৰি,

একলা থাকব কেমন কৰি ৰে....

এহি নদীৰ ঘাটে ।

নাও চাপাও .. ... নাও চাপাও .. .... ....

আমি অবলা নাৰী....

পতি গেল মোকে চাৰি,

পতি বিনে আমি নাৰী ৰে ???

এ-দিতে জীৱন তৰী ।

নাও চাপাও .... নাও চাপাও ... .... ....

(নাৰীৰ) পতি বিনে নাহি গতি ...

পতিৰ বুকে স্বৰ্গপুৰী,

তাহা চাৰা থাকব কেম্‌নে ৰে ...

এ জীৱন নদীৰ ঘাটে ॥

আৰে অ' ... — অ' - আৰে উজান ঘাটেৰ নাইয়া
তোমাৰ নাৱে কৰা পাৰ -
তোমায় দিব কণ্ঠহাৰ
পাৰ না কৰিলে আমি—
যাব যমেৰ পুৰে ।

নাও চাপাও নাও চাপাও নাও চাপাওৰে
অ'- আৰে উজান ঘাটেৰ নাইয়া ।
নাও চাপাও নাও চাপাও—
নাও চাপাও ৰে ।





শ্ৰীঅৰনী কুমাৰ দত্ত
বছৰৰ শ্ৰেষ্ঠ খেলুৱৈ



দ্বিজেন চলিহা
অন্তদ্বাৰৰ শ্ৰেষ্ঠ খেলুৱৈ



শ্ৰীগোবিন্দ উপাধ্যায়
বছৰৰ শ্ৰেষ্ঠ তাৰ্কিক



মহম্মদ আব্দুল্লা মেহমুদ
বছৰৰ শ্ৰেষ্ঠ আণ্টাল খেলুৱৈ

গল্প

# সীমাৰ সিপাৰে

সুচিত্ৰা বৰুৱা
এম-এ, এল-এল-বি

ঈৰ্ষাৰ দাবানলে কেতিয়াবা মানুহক বলীয়াৰ দৰে কৰে আৰু কাৰোবাক বিপথগামী কৰাৰ বহুতো উদাহৰণ আছে। এইকুৰা দাবানলে মোৰ বন্ধু বান্ধৱীসকলক বলীয়া নকৰিলেও, বিপথগামী মুহূৰ্ত্ত কিছুমান বৰ অশান্তিময় কৰি তুলিছে। তাৰ কাৰণ, কলেজৰ প্ৰিন্সিপালে মোক বৰ মৰম কৰে, বৰ আদৰ কৰে। আৰু সেই-খিনি আদৰ মৰম ঈৰ্ষাৰ আইনাত পৰি কলেজ চৌহদত প্ৰতিফলিত হোৱাৰ উপৰিও চহৰখনৰ কেইবাটাও আলি পদূলিৰ সমালোচনাৰ বিষয় বস্তু হৈ পৰিছে। মই অৱশ্যে কেৰেপ নকৰো এইবোৰলৈ। মইতো প্ৰিন্সিপালক কোৱা নাছিলো মৰম কৰিবলৈ। কলেজত জইন কৰাৰ প্ৰথম দিনা তেওঁ মোক মাতি আনি তেওঁৰ ৰূমত বহুৱাই বহুত সময় মোলৈ একেথৰে চাই আছিল। ময়ো লাজ লাজকৈ চাই আছিলো। তাৰ পিচত ইটো সিটো উপদেশ দি মোক যাবলৈ দিছিল। তেওঁ মোক দিনো তেওঁৰ ৰূমলৈ মাতি নিয়ে। কিবা কিবি কাম কৰিবলৈ দিয়ে। এইবোৰ দেখি শুনি ষ্টাফৰ বন্ধু-বান্ধবী সকলে ঈৰ্ষা কৰাটো একো আচৰিত নহয়। প্ৰিন্সি-পালে কেতিয়াবা মোৰ লগত ধেমালি কৰে, জোকায়।

শেষলৈ আমি দুয়ো বৰ সহজ হৈ পৰিলো। দৃঢ় ধাৰণা এটা হ'ল প্ৰিন্সিপালে মোক বৰ মৰম কৰে, খুব ভাল পায়।

কিন্তু, এইটো মুহূৰ্ত্তত মোৰ দৃঢ় ধাৰণাৰ ভেটি কঁপি উঠিল।

প্ৰিন্সিপালৰ ঘৰলৈকে গৈছিলোঁ আগদিনা যোৱাৰ দৰে আজিও। আমাৰ সহজ পৰিবেশটো হঠাৎ অসহজ হৈ পৰিল। মই উভতি আহিব খুজি বৈ গলো। উভটি চোৱাৰ সাহস গোটাব পৰা নাছিলো। প্ৰিন্সিপালে কৈছিল উভটি আহিবলৈ। অসম্ভৱ ভয় লাগিলেও আসন্ন বিপদৰ আশংকা থাকিলেও উভটি গৈছিলো। ভগবানক মোক ৰক্ষা কৰিবলৈ মনে প্ৰাণে কাকূতি কৰিছিলো। চকীখনত বহিবলৈ দি দুৱাৰ খিৰিকিবোৰ জপাই দিলে তেওঁ। মোৰ ভয় আৰু বাঢ়িল। অসম্ভৱ ৰূপে কঁপিছিলো। উশাহ নিশাহবোৰ ঘন হৈ আহিছিল।

"ভয় খাইছা তুমি।" মই আকৌ উচাপ খাই উঠিলোঁ। কোমলকৈ তেওঁ মোক সুধিছে। কিন্তু ভয় নাখাম নেকি? ইমান অকলশৰীয়া পৰিবেশ এটাত তেওঁ আৰু মই বন্ধ ঘৰ এটাৰ ভিতৰত………।

মোৰ বুকুখন চিৰিং কৈ উঠিল। মনোবিজ্ঞানৰ বিশেষজ্ঞ ডাক্তৰোপৰি এখন বিখ্যাত ছোৱালী কলেজৰ প্ৰিন্সিপাল তেওঁ। ইতিমধ্যে মোৰ অৱস্থাৰ কথা বঢ়িয়াকৈ বুজি উঠিছে। কোনো ৰকম কলো, "নাই, মানে বেছি গৰম লাগিছে।" মই তেওঁৰ চকুৰেদি জুই ওলোৱা দেখিছিলোঁ আৰু এইমাত্ৰ মই যেন সেই জুইত ভস্মিভূত হৈ যাম। ফোনৰ চুইছটো দি কলিং বেল টিপি দিলে। দুৱাৰ মেলি সোমাই আহিল বিৰাটকায় এটা মানুহ। মোৰ এইবাৰ ধাতু উৰি যোৱা যেন লাগিল "পানী লে আও।" মই পানী খাব বিচৰা নাই তেওঁৰ চাগে পিয়াহ লাগিছে। পানী দিলেও হয়তো মই খাব নোৱাৰিম। শৰীৰত যি প্ৰৱল কম্পনৰ সৃষ্টি হৈছে, পানী গিলাচত নৰবগে। পানী গিলাচ টেবুলৰ ওপৰত থোৱাৰ লগে লগে ড্ৰয়াৰ খুলি বটল এটাৰ পৰা টেবলেট এটা পানীত পেলাই দি গিলাচটো মোলৈ আগুৱাই দিলে। হায় ভগৱান, এইবাৰ মোৰ ৰক্ষা নাই। মোক মাৰিবৰ এইবোৰ ষড়যন্ত্ৰ। ইমান বোৰ মৰম চেনেহৰ প্ৰতিদান এয়েই হয়তো, দৌৰি গুচি যাবলৈও দুৱাৰ খিৰিকি বন্ধ। মহা বিপাঙত পৰিলো। "খোৱা", সেইটো চৰবতৰ বড়ি", ৰক্ষা পৰা যেন পালো। তেওঁৰ পিনে নোচোৱাকৈ পানীখিনি ঢোক ঢোক কৰি খাই পেলালো।

তেওঁ মোক খুব সুখী নেকি সুধিছিল মই তেওঁলৈ চালোঁ… সেমেকা চকু হাৰ পিচত তেওঁ কান্দি পেলালে। অসমৰ প্ৰখ্যাত প্ৰিন্সিপাল এগৰাকীয়ে এইদৰে কন্দা দেখিলে কাৰ বেয়া নালাগে? সুখ আৰু সম্ভোগেৰে জীৱন যাপন কৰা প্ৰিন্সিপালৰ চকুত পানী দেখি মই বিস্ময়ত হতবাক হলো! পৃথিৱীৰ য'ত সুখ আমাৰ নিচিনা নিঃকিন লেকচাৰাৰ বোৰৰ বাবেহে বুলি ভাবিছিলোঁ। তেওঁৰ চকুলো দেখি ময়ো অভিভূত হৈ পৰিলো।

"এইখন পঢ়া, মই নহালৈকে নাযাবা"। সৰু হাতে লিখা কিতাপ এখন দি তেওঁ বাহিৰলৈ ওলাই গল। মোৰ অনুসন্ধিৎসু মনটোৱে হয়টো তাকেই বিচাৰিছিল ….এখন বঙা নীলা সেউজীয়া পৰ্দা মোৰ চকুৰ

আগন্ত ভাহি উঠিল ।

....প্ৰেম সুগন্ধিৰে বাৰবছৰ জীৱন সুবাসিত কৰাৰ পিচত অনঙ্গ চৌধুৰীৰ লগত মোৰ বিয়া হ'ল । আমাৰ ঘৰৰ পৰা মোৰ আপত্তি থকা সত্ত্বেও আমাৰ প্ৰেমৰ বান্ধোন শিথিল কৰাৰ ক্ষমতা কাৰো নাছিল বাবেই হয়তো বাৰ বছৰৰ পিচত মা দেউতা সন্মত হ'ল । মধুযামিনীৰ বাবে আমি কাশ্মীৰলৈ গলো । পাঠানকোটৰ পৰা শ্ৰীনগৰলৈ যোৱা সুদীৰ্ঘ পথছোৱা আমাৰ বাবে চমু যেন লাগিল । আমি যেন সৈয়েই থাকিম এইদৰে ।

গুলমাৰ্গলৈ গলো । প্ৰাকৃতিক দৃশ্যই আমাক বৰ আকৰ্ষণ কৰিলে । বাটত এহাল দম্পতিৰ সৈতে আমাৰ পৰিচয় হ'ল । তেওঁলোক স্থানীয় কলেজৰ প্ৰফেচৰ । মিছেছ খানে এখন ডিজাইনৰ দোকান দিছে । সভা সমিতি আদিত মিছেছ খান আগৰণুৱা বুলি মিঃ খানে গৌৰৱ অনুভৱ কৰিছিল । মোৰ মুখত কম বেগত সৰু সৰুকৈ ইংৰাজী কোৱা শুনি মিছেছ খানে কৈছিল "ইউ কেন স্পিক ক'ৰেক্ট ইংলিচ" । মই সামান্য হাঁহি এটা মাৰিলো । আমাৰ আগে আগে দম্পতিহাল খুব ওচৰা ওচৰিকৈ দুটা বেগী ঘোৰাত আগুৱাই গৈছিল । মোৰ ঘোৰাটো গেল্লাবৰ সহায়ত লাহে লাহে চলাইছিলো । এটা অদ্ভুদ ভয় আৰু মনক প্ৰবোধ দিব নোৱাৰা আক্ষেপে মনটো জুমুগ কৰিছিলহি । মিঃ আৰু মিছেছ খানে মোৰ মনত মচিব নোৱাৰা সাঁচ বহুৱাই থৈ গ'ল । অনঙ্গই কৈছিল, সুঁৱৰ ছেইল আৰু এইযোৰ গোছাকেৰে বৰ ধুনীয়া দেখুৱাইছে তোমাক কবৰী ! প্ৰকৃতিৰ এই মনোমোহা দৃশ্যৰ মাজত বৰ অপৰূপ লাগিছে তোমাক। মই তেওঁলৈ চাইছিলো, বৰ সুন্দৰকৈ মোলৈ চাই আছে । পোন্ধৰ দিন শ্ৰীনগৰত কটোৱাৰ পিচত আমি উভতি আহিছিলো ।

এদিন অনঙ্গক অভাৱনীয় ভাৱে আচৰিত কৰি দি কলো - শুনা, কলেজত চাকৰি এটা খালী আছে, লক্ষ্মী শৰ্মাই মোক এপ্লাই কৰিবলৈ কৈছে । সেইদিনা অনঙ্গই একো নকলে । দুদিন পিচত আকৌ কলো, ঘৰতে বহি থাকি আমনি লাগিছে. তুমি দেখোন একো নকলা । অনঙ্গই কলে, তেওঁৰ হেনো মোক চাকৰি কৰিবলৈ দিবলৈ ইচ্ছা নাই । ঘৰতে বহি গল্প, কবিতা, প্ৰবন্ধ, নাটক আদি লিখিবলৈ কৈছে ।

মই অলপ ক্ষুন্ন হলো । মিঃ খানৰ নিচিনা যদি অনঙ্গ হলহেঁতেন । অভিমানত মোৰ মনটো গুৰি উঠিল । অথচ মুখ ফালি কোৱাৰ সাহসখিনি গোটাব পৰা নাই । মই যেন ক্ৰমান্বয়ে অনঙ্গৰ ওচৰত অসহজ হৈ পৰিছো ।

এদিন অনঙ্গই মোক বশিষ্ঠলৈ লৈ গল । ইতিমধ্যে আমাৰ মাজলৈ দুইটা জিনটি আৰু মণটি আহিছে । সিহঁতক আয়াৰ লগত ঘৰত এৰি আহিছো । মই জোৰ কৰি মনটো আনন্দ মুখৰ কৰিব বিচাৰিছো, কিন্তু পৰা নাই । বশিষ্ঠৰ ডাঙৰ শিল এটাত বহি সন্ধ্যা, ললিতা আৰু কান্তাৰ অবিৰাম সোত চাই আছো । হঠাৎ অনঙ্গই কৈ উঠিল ঃ এৰেকটা টাই-ত সিহঁত মিলিছে নহয় ? তাৰ পিচত ভাগৰৈ যাব বিচাৰিছে নেকি?

: মানে অনঙ্গৰ মুখলৈ চাই কলো।

: মানে তুমি যেন মোৰ পৰা আতৰি যাব বিচাৰিছা।

: সব ভুল তোমাৰ

: ভুল যদি ভালেই, যদি ভুল হোৱা নাই। অনঙ্গ মোৰ আৰু কাষ চাপি আহি পিঠিখন চুই চুই কলে : মই নিবিচাৰো, মোৰ কৰবী অইন এজনী কৰবী চৌধুৰী হৈ বেলেগ এটা পৰিবেশত আত্মপ্ৰকাশ কৰিব। মই বিচাৰো মোৰ কৰবীয়ে চুইট, জিনটি আৰু মনটিৰ মাজেৰে আত্ম প্ৰকাশ কৰিব।

ভাবিলো মোৰ অভিলাষ আৰু পূৰ্ণ নহয় কোনো দিন।

সময়বোৰ ইহঁতৰ লগতেই কটাই দিলো। অনঙ্গৰ লগত সান্নিধ্যও ক্ৰমাৎ কমি আহিল। অনঙ্গই কেতিয়াবা মোক জোৰ কৰি ফুৰাবলৈ লৈ যায়, গল্প কবিতা আদি লিখিবলৈ প্ৰেৰণা দিয়ে। মোৰ হেনো লিখাবোৰ খুব ভাল; পঢ়ি হেনো খুব ভাল লাগে।

লিখিছিলো। প্ৰাণৰ আবেগ ঢালি বহুতো কিবা কিবি লিখিছিলো। ৰাষ্ট্ৰীয় পুৰস্কাৰো পালো। এবাৰ মোক সম্বৰ্দ্ধনা জনাবলৈ জিলা পুথি ভৰালত এখন চাহ মেলৰ আয়োজন পাতিলে। এক অনামি আনন্দত মই আপ্লুত হৈ পৰিলো। ভাবিছিলো অনঙ্গই মোৰ এই আনন্দত ভাগ লব।

: তুমি যাব নোৱাৰা কৰবী।

: কিন্তু মোৰ বাবেই যে সকলো আয়োজন কৰিছে।

: জানো সেই আয়োজন মৰেই কৰিম।

: মোৰ প্ৰশংসা, কৃতকাৰ্য্যতা তুমি সহ্য কৰিব পৰা নাই। তুমি নগলেও মই যাম।

: তুমি যাব নোৱাৰা। কৰবী ৰৰা কাহানি-বাই অনঙ্গ চৌধুৰীত বিলীন হৈ গৈছে। গতিকে অনঙ্গ চৌধুৰীৰ কথাই ৰব।

: মোৰ নিজত্ব আৰু ব্যক্তিত্বৰ প্ৰকাশ।

: সেই কথা আগতেই ভাবিব লাগিছিল।

সেই দুখ, অভিমান আৰু খঙে মনত যিদৰে শিপালে তাৰ মোচন নহল কোনোদিন। এপিনে আত্ম প্ৰতিষ্ঠাৰ পূৰ্ণ বিকাশ কৰা আৰু আনপিনে অনঙ্গৰ দমন মিশ্ৰিত মৰমৰ যি টাগ-ৱৰ-ওৱাৰ চলিছে তাৰ মাজত মোৰ বিবেক বুদ্ধিৰ ভাৱনাৰ স্থিৰতাও নোহোৱা হল। অন্তৰ্দ্বন্দ্বই মোক পীড়িবলৈ ধৰিলে। আৰম্ভ হল আমাৰ তৰ্ক যুদ্ধৰ। খাওঁতে-শোওঁতে আমাৰ বাকাবাণৰ কটা-কটিত পোনাইত অবাক হল, আয়াজনী অতিষ্ঠ হল। জীৱনটো আপদীয়া যেন লাগিল, জীৱনৰ এই দুৰ্ব্বহ বেদনাৰ ভাৰ লৈ সৰহদিন জিয়াই থাকিবৰ আৰু মন নগ'ল। মন নগ'ল অনঙ্গৰ নিচিনা পৰশ্ৰীকাতৰ মন এটাৰ লগত সৰহ দিন কটাবলৈ।

প্ৰথম শ্ৰেণীৰ প্ৰথম হৈ এদিন এম-এ পাছ কৰিছিলোঁ। অনঙ্গক কৈছিলো- তোমাক পালেহে মই ইয়াতকৈ বেছি সুখী হম, তোমাৰ বাহিৰে মই অইন একো নিবিচাৰোঁ। সেই দৰে কিয় কৈছিলোঁ মই নিজেই নাজানোঁ। অৱচেতন মনে হয়তো সেয়া বিচৰা নাছিল – বিচাৰিছিল নিজত্ব

আৰু ব্যক্তিত্বৰ পূৰ্ণ বিকাশ আৰু প্ৰখ্যাত হোৱাৰ প্ৰবল হেপাহ।

মুহূৰ্তৰ আনন্দৰ খলকনিত আত্মহাৰা হৈ কামনা বাসনাৰ ৰঙীন পৰ্দাত নিজৰ ছাঁটো বৰ সুন্দৰ দেখিছিলো।

এইবাৰ জীৱনৰ পথ বাছি লবলৈ আৰু এটা সুযোগ পালোঁ। মোৰ স্বকীয়া স্বাধীনতাৰ ওপৰত হস্তক্ষেপ কৰাটো মই কাৰো পৰা বাঞ্ছা নকৰোঁ। সেয়ে ইউনিভাৰচিটিৰ পৰা সুন্দৰ অফাৰ অহাত অনঙ্গৰ অজানিতে দৰখাস্ত কৰিলোঁ। কামো পালো। এই বিষয়ত অনঙ্গই একো নকলে এদিনো।

মোৰ কৰ্ম্মময় জীৱন আৰম্ভ হল। কলেজত বেচি সময় কটাই দিলোঁ। ঘৰ খনৰ দায়িত্বতকৈ কলেজৰ দায়িত্বৰ কথা বুজা হলো বেচি।

মৰমৰ এনাজৰী এৰা সূতাত পৰিণত হল।

আয়াজনীৰ পৰা এদিন জানিলো কোনোবা এগৰাকী ভদ্ৰমহিলা আহি চাহাবৰ লগত বহুত সময় কথা পাতি থাকে। বিশেষ একো উলিয়াব নোৱাৰিলোঁ তাইৰ পৰা। আকৌ মোৰ মূৰটো সন্দেহেৰে গৰম হৈ উঠিল। মই পাৰোমানে অনঙ্গক গালি পাৰিলো। নিজৰ মানুহজনীক সন্তুষ্ট কৰিব পৰা নাই বেলেগ এজনীৰ লগত জানো পাৰিব সুখেৰে থাকিবলৈ? সন্দেহ বাঢ়িলেও মনে মনে থকাৰ বাহিৰে মোৰ অইন উপায় নাছিল।

এদিন আয়াই কান্দিছিল। তাৰ পিছত উচুপি উচুপি বহুত সময়লৈকে বেৰখনত আউজি আছিল। তাৰ পিচতো মাজে মাজে তাই চকুলো টোকা মই লক্ষ্য কৰিছিলোঁ। কোনোদিন এই বিষয়ে মই প্ৰশ্ন নকৰিলো, যেহেতু নিজৰ জীৱনৰ প্ৰশ্ন তুলি উত্তৰ বিচাৰি আজিলৈকে নাপালো। মই মোৰ কৰ্ম্মব্যস্ততাৰ মাজত ভালকৈ খোপনি পুতি ললো।

ছুইট, মনটি আৰু জিনটিৰ হোষ্টেলীয়া জীৱন আৰম্ভ হল। মই সুযোগ বুজি সিহঁতক দেখা কৰোগে। বাকীবোৰ অস্বীকাৰ কৰিলেও মাতৃত্বৰ অনুভূতিক মই কোনোদিন অস্বীকাৰ কৰিব নোৱাৰো আৰু নোৱাৰো অনঙ্গৰ প্ৰতি মোৰ অগাধ ভাল পোৱা। সেই ভাল পোৱাক মান অভিমানে আৰু বেচি গভীৰ কৰি তুলিছে।

আকৌ এদিন শুনিছিলোঁ অনঙ্গ আৰু ৰেবেকাৰ মিলামিছাৰ কথা। আয়াজনীৰ কথাই অৱশেষত বিশ্বাস কৰিলো। যৌৱন গৰকা দিন পাৰ হৈ গলেও কাৰোবাৰ কামনাসিক্ত মন এটাক তৃপ্তি দিয়াৰ সামৰ্থ মোৰ এতিয়াও আছে। পুনৰবাৰ অইনক ভাল পাব নোৱাৰিলেও ভাল পোৱাৰ অভিনয় নিশ্চয় কৰিব পাৰিম কিন্তু নকৰো। অস্থিৰ ব্যক্তিত্বৰ মানুহক মই কোনোদিন সন্মান কৰা নাই আৰু নিজেও তেনে নহওঁ। অনঙ্গই যি কৰে কৰক।

কিন্তু মই যে বৰ দুৰ্বল হৈ পৰিছোঁ দিনে দিনে। ই হব নোৱাৰে মোৰ ভাল পোৱাৰ স্মৃতি সৌধ ৰেবেকাৰ হাঁহিৰে উজ্জ্বলাবলৈ কোনোদিন নিদিওঁ। মোৰ চকুৰ পানীৰে সেই সমাধি উটুৱাই নিম। অনঙ্গ মোৰ।

অন্তৰ্দ্বন্দ্ব সমানে চলি থাকিল। বাৰ বছৰ

এইদৰে অতীত হৈ গ'ল। বাৰ বছৰৰ অন্তত এদিন মই প্ৰিন্সিপাল হলো। সেইদিনা অনঙ্গই কৈছিল 'এতিয়া চাগৈ খুব সুখী তুমি। আত্ম প্ৰতিভাৰে দিনবোৰ নিয়াৰিকৈ কটাব পাৰিবা।'

এটা গোমা পৰিবেশত আমি তিনিটা প্ৰাণী অনঙ্গ, মই আৰু আয়া। আমাৰ যৌনতাৰ লক্ষণবোৰ শিহঁতেও লক্ষ্য নকৰাকৈ থকা নাই। কিন্তু কবলৈ সাহস নকৰে।

আয়াক এদিন অনঙ্গই কোৱা শুনিছিলো, 'মই দেখোন একো খাব নোৱাৰো—ডিডিঙ বৰ দুখ পাওঁ।' আয়াই ডাক্তৰ আনিবলৈ কৈছিল, অনঙ্গই নানিলে। তাৰ দুদিন পিচত আয়াই ফেকুৰি ফেকুৰি কন্দা দেখিছিলো। সুধিছিলো তাই একো নকলে।

আয়াৰ হতুৱাই অনঙ্গই মোক মাতি নিলে। বেমাৰ বুলি কোৱাত যেকি মোৰ মনটো কুমলি গৈছিল। অকলশৰীয়া হোৱাৰ ভয় এটাই মোক বৰ ভয় খুৱালেহি। চকিত বহিব খুজিলোঁ, কিন্তু তেওঁৰ নিৰ্দ্দেশ মতেই তেওঁ শুই থকা বিচনা খনিত বহিলো চকুযুৰিলৈ চালো বেদনা সিক্ত মুখখন কণীয়া আৰু বয়সে আচোৰা। মই ভনলৈ মুৰ কৰিলো।

"জানো কৰবী, তুমি মোক লৈ খুব অসুখী। তোমাৰ মনে যি বিচাৰিছিল, তাক তুমি পাইছা।

"মই যাওঁ—এইবোৰ কবলৈহে মাতিছিলা। মনটো আকৌ অভিমানেৰে ভৰি উঠিল।

"নাযাবা কৰবী। দুনাই আৰু তোমাক আমনি নিদিওঁ। শুনাচোন। তুমি বিচাৰিছিলা অনঙ্গ চৌধুৰীক বিয়া কৰাবলৈ। — বিচাৰিছিলা নিজকে প্ৰখ্যাত কৰিবলৈ, কোনোদিন বিচৰা নাছিলা অনঙ্গ চৌধুৰীক সুখী কৰিবলৈ। আত্ম প্ৰতিষ্ঠা কৰি ললা যেতিয়া তোমাৰ দিগদাৰ নহয় আৰু। তোমাৰ চিন্তা কৰিবলৈ হয়তো: ময়ো নাথাকিম।" অনঙ্গ ৰ'ল। উশাহবোৰ ঘন হৈছিল। মোৰ হাতখন তেওঁৰ হাতলৈ নিলে।

"কৰবী" মাতটো অসম্ভৱ ৰূপে কঁপিছিল। "পানী এগিলাচ দিবা কৰবী ?" মই পানী এগিলাচ হাতত তুলি দিলোঁ।

তুমিতো এতিয়া বেচ সুখী। মই তেওঁৰ মুখলৈ চালো। পানী এঢোক কোনো ৰকমে খাই কলে, "যাবৰেই দিন হ'ল মোৰ। তোমাৰ জীৱন ভৰা কৃতীত্বক মই ঈৰ্ষাৰ চকুৰে চোৱা নাই কৰবী—। মই বিচাৰিছিলোঁ তুমি যেন মোক লৈ ব্যস্ত থাকিবা, সকলো সময়তে মই তোমাৰ মুখলৈ চাই থাকিম। সেইখিনিতে মোৰ ভুল হৈ গ'ল আৰু তুমিও ভুল বুজি মোৰ পৰা দূৰে দূৰে থাকিলা। আজি ইমান বছৰ কিমান কষ্টত দিন কটাইছো তুমি সুবুজিবা। বেয়া নাপাবা কৰবী। —আস্ মোৰ বুকুখন বৰ বেয়া লাগিছে অলপ—।" মই বিহ্বলা হৈ পৰিছিলো। ধাৰাসাৰে ওলোৱা চকু পানীক কোনো ৰকমে বাধা দি ৰাখিব পোৱাৰিছিলো।

"ডাক্তৰ মাতো।"

"সেহাই সেহাই কলে, "লাভ নাই। ব্যৰ্থ চেষ্টা কৰি মিচাই দুখ পাবা। কেন্সাৰ ৰোগী কোনোদিন ভাল নহয়—তুমিতো জানা"। মই

ৰব নোৱাৰিলো। তেওঁৰ বুকুখনত পৰি পাৰো-মানে কান্দিলো। "তুমি মোক ক্ষমা কৰা, মোৰ ভুল হ'ল।" কোনোৰকম কলো। দুহাতেৰে মৰম কৰি অনঙ্গই কলে, "দুৰ্ব্বল হলেও তোমাক মৰম কৰিব পৰা শক্তি মোৰ আছে কৰবী। বহু দিনৰ মূৰত আমি আকৌ ওচৰ চাপিছো নহয় ?

অনঙ্গ শুচি গ'ল। বেদনা ভৰা মন এটা লৈ তেওঁ অনন্তলৈ গতি কৰিলে। সকলোবোৰ অশান্তিৰ মূলতে যে মই মোৰ প্ৰখ্যাত হোৱা প্ৰবল হেঁপাঁহটো, এই কথা ভাবিলে নিজৰ ওপৰত ভীষণ প্ৰতিশোধ লবৰ মন যায়। কি দৰকাৰ আছিল ইমানবোৰ সুখ্যাতিৰ, ইমানবোৰ কৃতীত্বৰ। মই জানো নোৱাৰিলোহেতেন। অনঙ্গই বিচৰাৰ দৰে হবলৈ সুখৰ সংসাৰ নহ'ল। সোণৰ সংসাৰ গঢ়িবলৈ গৈ চিৰদিন অতৃপ্ত হলো, অনঙ্গৰ মৃত্যু মাতি আনিলো। এইখন কলেজৰ মই প্ৰিন্সিপাল। মোক দেখুৱা সন্মানৰ অভাৱ নাই। মৰমৰ আকালো নাই। তথাপি মই প্ৰতিমুহূৰ্ত্তত অভাৱ অনুভৱ কৰিলো অনঙ্গ চৌধুৰীৰ—মোৰ স্বামীৰ। এটা নিৰ্দ্দিষ্ট সীমাৰ মাজত বন্ধ কৰি ৰাখিব খোজা অনঙ্গৰ কথা নুশুনি মই সীমা পাৰ হৈ আহিলো—সীতাৰ নিচিনাকৈ। এয়া মই সেই সীমাৰ বাহিৰত।"

কিতাপখন পঢ়ি জপাই থলো। বুকুখন গধুৰ গধুৰ লাগিল। কিন্তু বাইদেৱে নিজৰ জীৱনৰ গোপনীয় কথা মোক জনোৱাৰ অভিপ্ৰায় কি ? অলপ আগতে মোক গেট আউট কৰি দিছিল। মই তেওঁক সুখী বুলি কৈছিলো। অনঙ্গ চৌধুৰীৰ কথাষাৰ মোৰ মুখত শুনি হয়তো সহ্য কৰিব পৰা নাছিল। মই চাগে তেওঁক ঈৰ্ষা কৰা বুলি ভাবিছে।

সন্ধ্যা নামিছে। ফেনখন আগৰ দৰে চলি আছে। লাইটটো জ্বলোৱা নাই, মই বাইদেউলৈ বৈ আছো। প্ৰায় আধা ঘণ্টাৰ মূৰত বাইদেউ আহল। চুলিবোৰ মেলা। হয়তো গা ধুই আহিছে। ফেনৰ বতাহত কেকোৰা কেকুৰি বগা চুলিবোৰ উৰিছে। লাইটটো জ্বলাই লৈ তেওঁ টেবুলৰ আগত বহিল। হাতত কিবা এটা আনিছে। মোক ওচৰলৈ মাতিলে

"চো'ৱাচোন এইখন।"

"এইখন মোৰ ফটো বাইদেউ।"

"ভালকৈ চোৱা।"

"হয়। কিন্তু হেয়াৰ কাট মোৰ এনে নহয়।" বাইদেৱে সামান্য হাঁহিলে।

"আৰু এইখন চোৱা।"

"এইখনো মোৰ। মই আপোনাক দিছিলো।"

'এখন তোমাৰ নহয়। এইখন মোৰ স্বামী অনঙ্গ চৌধুৰীৰ আৰু এইখন তোমাৰ অবিনাশ। অবিকল একে।

মই আচৰিত হলো। অবিকল চেহেৰাৰ আমি দুয়ো। বাইদেৱে একান্তমনে ফটো দুখন চাই আছে। তাৰ পিছত মোলৈ চালে।

"অবিনাশ

"বাইদেউ। বাইদেউৰ সজল চকু যুৰিলৈ চালো। মোৰ পৰা দৃষ্টি ঘুৰাই দূৰণিলৈ বাইদেৱে চাই পঠিয়ালে, হয়তো সীমাৰ এইপাৰত বাইদেউৰ অন্তৰ আত্মাই অনঙ্গ চৌধুৰীৰ সান্নিধ্য বিচাৰিছে

---

# বেদনাৰ নাম নাই

শ্ৰীসোণেশ্বৰ শৰ্ম্মা
প্ৰাক্তন সম্পাদক

: সঁচাই কৈছনে ?

: ওঁ।

: মিছা কোৱা নাইতো ?

: তুমি কি বুজিবা গাভৰু চিত ?

: বিশ্বাস নহয় তথাপি।

: বুকুখন ফালি দেখুৱালেহে হব এতিয়া !

: নালাগে বুকু ফালি দেখুৱাব। এইফালে আহা।

: ইচ ....... ... ....

: ..... ... ... ....

সোণতৰা ওচৰচাপি আহিছিল। ইন্দ্ৰই সোণতৰাৰ বাহু এটা চুই চাইছিল। তাৰ পিচত বাহুটোত খামোচ মাৰি ধৰিছিল। গাটো তাৰ কিবা কিবা লাগিছিল। মনটো অসহ্য ভাবে ভাল লাগি গৈছিল ইন্দ্ৰৰ। সোণতৰা ওচৰ চাপি আহিছিল।

চকু দুটা ডাঙৰকৈ মেলি চাইছিল তাই। চকুৰ মনি দুটা তিৰবিৰাই উঠিছিল সোণতৰাৰ। লাহে লাহে চকু দুটা নমাই আনি এটা সময়ত ইন্দ্ৰৰ উদং বুকুৰ ডাঠ ঘন নোমসোপাৰ মাজত গোটেই মুখখন গুজি ধৰিছিল সোণতৰাই।

সোণতৰাক আৰু অলপ বেছি মৰম কৰি দিলে তাৰ পাপ হব নেকি ? ইন্দ্ৰই ভাবিলে ! বিয়াৰ পিচত এতিয়া আৰু তাইৰ পৰা অলপ-মান মৰম কাঢ়ি ললেও সোণতৰা শেষ হৈ নাযায়। সোণতৰায়ো ভালেই পাব নিশ্চয়। বুকুত কাপোৰ লোৱা দিনৰে পৰা সোণতৰাই তাক ভাল পাই আহিছে। সিয়ো সোণতৰাক হে বেছি ভাল পায়, অথচ সোণতৰাৰ বায়েক থাকিহে সি বিয়া কৰাবলগীয়াত পৰিল। সোণতৰাক বিয়া কৰালে বন্ধু ভদ্ৰই। তথাপি তাৰ খেদ নাই। সোণতৰাক সি এতিয়াও

মৰম কৰিব পাৰে। এতিয়াও সি সোণতৰাকে মৰম কৰিব। সঁচা মৰম দিয়া আৰু লোৱাত পাপ নাই।

তাইৰ মূৰটো আৰু জোৰেৰে সি তাৰ গাত হেঁচি ধৰিলে। সোণতৰাৰ মুখখন সি দাঙিলে। বুকুৰ মৰমবোৰ যেন এতিয়াও উজাৰি দি কব— সোণতৰা তোলৈ মোৰ মৰমবোৰ এতিয়াও শেষ হৈ যোৱা নাই।

সোণতৰাৰ কপাললৈ ওঠ দুটা নিব খুজি ইন্দ্ৰ হঠাতে বৈ গ'ল। তাইৰ বগা কপাল খনত টক টককৈ জ্বলি থকা ৰঙা সেন্দুৰৰ ফোটটো দেখি সি সচকিত হৈ উঠিল।

সোণতৰাৰ শিৰত দীঘলীয়াকৈ জ্বলি থকা সেন্দুৰীয়া সেওঁতাটো দেখি মনটো তাৰ কোচ খাই গ'ল। হঠাৎ যেন পাহৰি থকা কথা এটা মনত পৰি গ'ল ইন্দ্ৰৰ— সোণতৰা এতিয়া বিবাহিতা। সোণতৰা এতিয়া তাৰ খুলশালিয়েই হৈ থকা নাই, সোণতৰা এতিয়া এখন গৃহস্থিৰ লক্ষ্মী গৃহিণী। সোণতৰা এতিয়া…… । এৰা সোণতৰা এতিয়া………………।

ইন্দ্ৰৰ মনটো অপৰাধী অপৰাধী যেন লাগিল। সোণতৰাৰ পিঠিৰ পৰা হাতখন সি নমাই আনিলে। ইন্দ্ৰৰ ভাবান্তৰ দেখি সোণতৰা অলপ ক্ষুণ্ণ হ'ল। আচৰিত হৈ তাই ইন্দ্ৰৰ মুখলৈ চালে। ইন্দ্ৰই একো নকৈ খিৰিকীৰে বাহিৰৰ কৃষ্ণচূড়া জোপালৈ চাই থাকিল।

কথাত অৱসাদ সানি ইন্দ্ৰই কাৰোবাক কোৱাৰ দৰে সোণতৰাক কলে : সোণতৰা, আমাৰ ভুল হৈছিল।

সোণতৰাই একো নকলে।

: এতিয়া আৰু তই আগৰ সোণতৰা নহয়। ময়ো এতিয়া আৰু আগৰ ইন্দ্ৰ হৈ থকা নাই।

সোণতৰাই একো নামাতিলে।

: মই যাওঁ। এতিয়া আৰু তোৰ লগত আগৰ দৰে হলি গলি নকৰো। আমাৰ পাপ হব।

এৰা পাপ হব। বিয়াৰ পিচত সোণতৰা আৰু ইন্দ্ৰৰ বেলেগে গৃহস্থি হ'ল। সোণতৰাই আগৰ দৰে এতিয়া আৰু নদীৰ ঘাটত গৈ এপৰ বেলা ইন্দ্ৰৰ লগত চুপতি মাৰি থাকিব নোৱাৰিব। সোণতৰাই আৰু এতিয়াও আগৰ দৰে ইন্দ্ৰই দিয়া চুটি হাতৰ ব্লাউজ চোলা আৰু পাউদাৰ টেমা মনে মনে গ্ৰহণ কৰিব নোৱাৰিব। সোণতৰা এতিয়া বিবাহিতা। সোণতৰাই এতিয়া চুপতি মাৰিব লাগিব গিৰিয়েক ভদ্ৰৰ লগত। ভদ্ৰই আনি দিয়া চোলা আৰু পাউদাৰহে এতিয়া তাই লব পাৰিব।

কিবা ভাবি ভাবি সোণতৰাই কলে : তুমি যোৱাগৈ ভিনদেউ— তুমি আৰু মোক আগৰ দৰে মৰম কৰিব নালাগে।

চকু চলচলিয়া কৰি সোণতৰাই কলে :

: তুমি আৰু আহিব নালাগে।

: বাইদেৱে বেয়া পাব।

: তুমি আৰু মোক একো দিব নালাগে।

: বাইদেউক দিবা।

: তুমি আৰু …… …… তুমি আৰু …… ।

: কি এটা কথা কওঁ ?

: ক, কি কথা ?

: আমাৰ তেওঁক আৰু তোমালোকৰ ঘৰলৈ যাব নিদিওঁ। বাইদেউৰ অনিষ্ট হব পাৰে। মোৰো।

ইন্দ্ৰই একো নকলে। ঘৰলৈ ইন্দ্ৰৰ মনত পৰিল। ঘৈণীয়েক পাহিয়ে তাক ইমান মৰম কৰে, ইমান বিশ্বাস কৰে। সচাঁকৈয়ে সি মহাপাপ কৰিব খুজিছিল। পাহিয়ে জানিব পাৰিলে তাক বৰ বেয়া পালেহেঁতেন। তাই তাক ক্ষমা কৰিব নোৱাৰিলেহেঁতেন। পাহিয়েও তাক কম ভক্তি নকৰে। অথচ স এটা সম্বন্ধৰ চেনু উলিয়াই এজনী বিবাহিতা তিৰো- তাক সৰ্ব্বনাশ কৰিবলৈ গৈ ছল। বিয়াৰ আগতে সি সোণতৰাক ভাল পাইছিলেই যেনিবা এতিয়াতো আৰু তাই তাৰ কাৰণেই ভাবি নাথাকে। তাই এতিয়া ভদ্ৰৰ কথা ভাবক। সিও ভাবক পাহিৰ কথা। পাহিক সি সন্তুষ্ট কৰক। পাহিক বিয়া কৰাই অনাৰ এবছৰ হ'ল, এতিয়াওতো সি পাহিক সঁচা মৰম যচা নাই। তাৰ এই অধঃপতনৰ কথা জানিব পাৰিলে পাহিয়ে বাক কি লৈ আৰু জীয়াই থাকিব ?

পাহিলৈ মনত পৰি তাৰ মনটো গধুৰ গধুৰ লাগিল। সোণতৰা ইতৰ ঘৰৰ পৰা একে কোবে উঠি আহি সি নিজৰ ঘৰলৈ খোজ ললে।

আধামাইল বাট ঘৰলৈ খোজ কাঢ়ি গৈ থাকোতে তাৰ গোটেই বাটতে পাহিৰ কথাকে মনলৈ আহিল। পাহিক আজি সি মৰম কৰিব, একেবাৰে সঁচা মৰম। তাৰ মৰমত ওভতিষ্ঠ হৈ উঠিব পাহি। সোণতৰাৰ কথাও সি আজি পাহিক কব। সোণতৰা সম্বন্ধীয় সকলো কথা আজি সি পাহিক কৈ তাৰ ভুলৰ বাবে সি তাইৰ ওচৰত ক্ষমা খুজিব।

খোজবোৰ তাৰ দীঘলহৈ গ'ল।

সময় পাৰ হ'ল।

ঘৰ পায়েই পাহিক হঠাতে সাৱটি ধৰি চুমা এটা খাই আচৰিত কৰি দিবলৈ মন গ'ল ইন্দ্ৰৰ। ঘৰখন নীৰৱ। ইমান সময়ে কিজানি পাহিয়ে ৰান্ধনী ঘৰতেই কিবা কৰি তাৰ বাবে অপেক্ষা কৰি আছে। বাহিৰত তাইক নেদেখি খুলি থোৱা দুৱাৰ খনেৰে ৰান্ধনী ঘৰৰ ভিতৰলৈ এবাৰ জুমি চালে ইন্দ্ৰই। নাই। পাহি কিজানি খোৱনী ঘৰতেই আছে। ভিতৰলৈ সোমাই যাব খুজি ইন্দ্ৰ ৰৈ খাবলগীয়াত পৰিল হঠাতে। সি শুনিলে ভিতৰত কোনোবাই চেপা মাতেৰে পাহিৰ লগত কথা পাতিছে। কিবা এটা ভাবি ইন্দ্ৰ শিয়ৰি উঠিল। ঘৰৰ ভিতৰলৈ হঠাতে সোমাই যাবলৈ তাৰ সাহস নহ'ল! কিছু সময় একে ঠাইতে থিয় হৈ ইন্দ্ৰই ভাবিলে। ভিতৰত যেন এই সময়ত কোনো নাই। কোনো নাথাকক। নহলে যে, সি মানুহ গুচি অমানুহ হৈ যাব লাগিব। পশু হৈ যাব লাগিব। সি তাৰ মৰমৰ পাহিক বিশ্বাস কৰে। অতি বিশ্বাস। তাৰ অতি মৰমৰ পাহি ইমান সোনকালে ইমান বেয়া হৈ যোৱা নাই। বেয়া হৈ যাব পৰা নাই।

বেলিটো গৈ মূৰৰ ওপৰ পাইছে।

ঘৰখন নীৰৱ।

কাৰোবাৰ চেপা মাতৰ অস্ফুত শব্দ আহি

আকৌ ইন্দ্ৰৰ কাণত পৰিল। ভদ্ৰৰ উপৰীয়াৰ চোকা ৰ'দটো ইন্দ্ৰৰ বৰ অসহ্য লাগিল। আৰু দুখোজ আগবাঢ়ি গ'ল সি। নাচাওঁ বুলি ভাবিও ইন্দ্ৰই নিলিপা বেৰৰ জলঙাবে ভিতৰলৈ এবাৰ জুমি চালে।

ইন্দ্ৰই চালে। দেখিলে পাহিক। ভদ্ৰক। মূৰটো ঘূৰোৱা যেন লাগিল তাৰ। ভদ্ৰই পাহিৰ পিঠিৰ ওপৰেদি হাত এখন দি লাহে লাহে সুধিলে—

: সঁচাকৈয়ে কৈছনে ?

: ওঁ।

: মিছা কোৱা নাইতো ?

: তুমি কি বুজিবা গাভৰু চিত ?

: বিশ্বাস নহয় তথাপি।

: বুকুখন ফালি দেখুৱালেহে হব এতিয়া।

: নালাগে বুকু ফালি দেখুৱাব। ... .... ....

: ... ... ... ....

পাহি আৰু ওচৰ চাপি আহিছিল। ভদ্ৰৰ বুকুত পাহিয়ে মুখখন গুজি দিছিল।

চকু দুটা মুদি দিলে ইন্দ্ৰই। ঠিক অলপ আগতে সোণতৰাৰ লগত সি যি যি কৰিলে ঠিক সেই বোৰকেই যেন ভদ্ৰই পাহিৰ লগত কৰিব লাগিছে। সোণতৰাক সোধা চববোৰ কথাকেই যেন আখৰে আখৰে ভদ্ৰই পাহিক সুধিব লাগিছে। চব বোৰকেই। তেনেহলে পৃথিবীৰ সকলোবোৰ পুৰুষেই নাৰীক একেবোৰ কথাকেই সোধে ? একেবোৰ উত্তৰকেই পুৰুষক সদায় নাৰীয়ে দি আহিছে ?

এনেকুৱা সময়ত ইন্দ্ৰই কি কৰিব— কি কৰা উচিত একো ভাবি নাপালে। বুকুখনত হঠাতে এটা অতি প্ৰচণ্ড আঘাট অনুভব কৰিলে সি। মূৰটো যেন হঠাতে ঘূৰাবলৈ আৰম্ভ কৰিলে। কিছুসময় পিচত হঠাতে ইন্দ্ৰ মাটিৰ ওপৰতে অচেতন হৈ পৰি গ'ল।

এটা সময়ত ইন্দ্ৰই চেতনা ঘূৰাই পালে। চকু দুটা লাহে লাহে মেলি পাহিক সমুখত দেখি চকু দুটা সি পুনৰ মুদি দিলে। পাহিয়ে তেতিয়া তাৰ মূৰটো কোলাত লৈ লাহে লাহে বিচি দি আছিল। চুলিবোৰৰ মাজে মাজে লাহে লাহে আঙুলিবোৰ সুমুৱাই দি অতি কোমল মাতেৰে পাহিয়ে তাক সুধিলে : ভাল পাইছানে ?

ইন্দ্ৰই একো নামাতিলে। তাৰ মনলৈ আকৌ কিছুমান চিন্তা আহিল। বিয়াৰ আগৰ কথাবোৰ তাৰ মনত পৰি গ'ল।

সোণতৰা আৰু পাহি। দুজনী বাই-ভনী।

ভদ্ৰ আৰু ইন্দ্ৰ। দুজন বন্ধু।

একেখন গাওঁ। জুলুকিঘাট। জুলুকিঘাটৰ নদীৰ বালিত সিহঁত চাৰিওজনে খেলিছিল। বিহুত একেলগে নাচিছিল। বয়সৰ লগে লগে সিহঁতৰ আন্তৰিকতাও গাঢ় হৈ আহিছিল। লাজ কৰিবলৈ সোণতৰা আৰু পাহিয়ে শিকিছিল। সিহঁতক জোকাবলৈ ভাল লাগি গৈছিল, ভদ্ৰ আৰু ইন্দ্ৰৰ। তাৰ পিছত এটা সময়ত বিয়াও হৈ গৈছিল সিহঁতৰ। ইন্দ্ৰই বিয়া কৰাইছিল বায়েক পাহিক আৰু ভদ্ৰই বিয়া কৰাইছিল ভনীয়েক সোণতৰাক।

অথচ, অথচ ক'ৰবাত যেন ভুল হৈ গ'ল।

বিয়া তুখন যেন ঠিক ভবামতে নহ'ল। বিয়াৰ আগতে সি ভাল পাইছিল সোণতৰাকহে, পাহিক নহয়। কিন্তু বিয়া কৰালে পাহিক। সোণতৰাব বাপেক পাহিক বিয়া কৰাই ঘৰলৈ লৈ আহিল। এদিন সি আৰু ভদ্ৰই ? সৰু কালিৰে তাৰ বন্ধু ভদ্ৰয়ো যদি পাহিকহে ভাল পাইছিল ? পাহিকহে যদি বিয়া কৰোৱাৰ ইচ্ছা আছিল ? বিয়াৰ পিছতো সোণতৰাক অন্ততঃ দিনে এবাৰ হলেও দেখাৰ তাৰ যি হেপাহ সেই হেঁপাহ যদি ভদ্ৰৰো পাহিৰ প্ৰতি আছে ? ভদ্ৰৰ মনৰো মনত যদি পাহিৰে প্ৰতিচ্ছবি এতিয়াও জীয়াই আছে তেনেহলে তাৰ বাবে সি দায়ী কৰিব কাক ? আৰু আজি সোণতৰাই জানো তাৰেই ইঙ্গিত দিয়া নাছিল ? আমাৰ তেওঁক আৰু তোমালোকৰ ঘৰলৈ যাব নিদিবা। বাইদেউৰ অনিষ্ট হব পাৰে।

পাৰে, সচাকৈয়ে অনিষ্ট হব পাৰে। সচা-কৈয়ে অনিষ্ট হ'ল বহুতো। পূৰাব নোৱাৰা অনিষ্ট। ভিতৰোতা মানুহে আমি নজনা বহুত কথাই বহুত আগ ধৰিয়ে জানে—। সোণতৰাৰ কথাকে আকৌ এবাৰ ভাবিলে ইন্দ্ৰই। ভাবি ভাবি আৰু সি একো ভাবিব নোৱাৰা হৈ গ'ল।

অসহ্য এক বেদনাত ইন্দ্ৰৰ গাটো পুৰিবলৈ ধৰিলে। চকু দুটা সি আৰু জোৰকৈ মুদি দিলে।

গীতাত আত্মা আৰু দেহৰ সম্বন্ধ বুজাইছে আৰু বৈদিক যাগ যজ্ঞ কৰ্ম্ম বহুল জীৱন যাপনৰ নিয়ম বলৈ অনাসক্তভাৱে কৰ্ম্ম কৰিবলৈ আদেশ দিছে। মানুহৰ দৈহিক আৰু আসুৰী বৃত্তিবোৰৰ যুদ্ধৰ কথাকে লক্ষ্য কৰি উপদেশ দিছে— "তুমি যুদ্ধ কৰা, জ্ঞানৰ অস্ত্ৰ লোৱা আৰু সেই অস্ত্ৰেৰে হৃদয়ৰ অজ্ঞান দূৰ কৰি সমভাৱ লোৱা।"

# এৰা বাটে সোঁৱৰে

চিকন্ময় মেধি
তৃতীয় বাৰ্ষিক (কলা)

"হিঃ হিঃ হিঃ হাঃ হাঃ হাঃ"

বিকট অট্টহাস্য এটিত মই সাৰ পাই উঠিলোঁ। সপোন নে দিঠক প্ৰথমে একো ঠিক কৰিব নোৱাৰিলোঁ। চকু দুটা মোহাৰি ভালদৰে চাই দেখো সপোন নহয়, দিঠকেই। লেমটোৰ ক্ষীন পোহৰত স্পষ্ট ভাবে দেখিছোঁ মোৰ বিচনাৰ নিচেই ওচৰতে আউল বাউল চুলিৰে মুখ ঢকা এটি নাৰীমূৰ্ত্তি। অজ্ঞান ভয়ত মোৰ অন্তৰাত্মা শুকাই গ'ল। শৰীৰৰ প্ৰত্যেক ডাল নোমেই শিয়ৰি উঠি সমস্ত শৰীৰ কঁপাই তুলিলে। প্ৰতি শিৰা-উপশিৰাত অনুভৱ কৰিছোঁ তপত ৰক্ত-প্ৰৱাহ। লৰচৰ কৰিবৰ শক্তি মোৰ হেৰাই গৈছে। নিচেই ওচৰতে জ্বলি থকা হাৰিকেন লেমটোৰ ফিটাটো বঢ়াই দিবলৈও যেন মই অক্ষম। কোনোবাই যেন বলিষ্ঠ হাতেৰে মোৰ শৰীৰটো হেচাঁ মাৰি ধৰিছে। সৰ্ব্বশৰীৰ মোৰ জঠৰ হৈ গৈছে। শুই থকা বিচনাখন কোনোবাই যেন অদৃশ্য হাতেৰে আলাসতে দাঙি লৈ ফুৰাইছে। স্পষ্ট দেখিছোঁ চিনাকি চিনাকি লগা কঠিন মাংসপেশীৰে দুখন ধকধকীয়া বগা হাত মোৰ ডিঙিৰ ওচৰলৈ আগবাঢ়ি আহিছে। ক্ষন্তেক পিচতে যেন সেই হাত দুটিয়ে মোৰ টেটুত চেপি ধৰিবহি। সমস্ত শক্তি প্ৰয়োগ কৰি চিঞৰি দিব খুজিছোঁ, কিন্তু বৃথা চেষ্টা। এটি অস্ফুট আৰ্ত্তনাদৰ পিচত মই আৰু একো কৰ নোৱাৰিলোঁ।

* * *

"চাৰ! এতিয়া কেনে পাইছে চাৰ?"

চকু মেলি মোৰ চাৰিওফালৰ উদয়ক দেখি মই একো অনুমান কৰব নোৱাৰিলোঁ। কিছু

সময় বুৰ্ব্বক দৃষ্টিৰে তাৰ কালে চাই থাকি মই সম্পূৰ্ণ ভাৱে চেতনা পালোঁ। কিন্তু ইকি, মই দেখোন হস্পিতেলৰ এখন বিচনাত।

"উদয়, মই ইয়াত কিয়? মোৰ কি হৈছে?"

"চাৰ, আপুনি বৰ্ত্তমান ডাক্তৰৰ চিকিৎসাধীন। প্ৰায় বাৰ ঘণ্টা আপুনি অচেতন হৈ পৰি আছে।"

'হে ঈশ্বৰ, বাৰ ঘণ্টা জুৰি অচেতন হৈ পৰি আছোঁ। কিন্তু কিয়? মোৰটো কোনো অসুখৰ কথা মনত নপৰে।' যোৱাৰাতিৰ সকলো কথা মই পাহৰি গৈছো। উদয়ৰ পৰা জানিব পাৰিলো মাজৰাতি মোৰ আৰ্ত্তনাদ শুনি উদয় হেনো মোৰ কোঠালৈ উধাতু খাই সোমাই আহে। মই হেনো অচেতন হৈ মজিয়াত পৰি আছো। মোৰ মুখত এখোপা ফেঁন। লগে লগে চাকিট হাউচৰ চকীদাৰ জনৰ সহায়ত হস্পিতেললৈ লৈ আহে। এতিয়া দিনৰ প্ৰায় দুই বজালৈ মই অচেতন হৈ পৰি আছোঁ।

যোৱাৰাতিৰ সেইবোৰ কথা মই মনত পেলাবলৈ যত্ন কৰিছোঁ, কিন্তু সম্পূৰ্ণভাবে মনত পৰা নাই। সঁচাকৈয়ে মই বৰ দুৰ্ব্বল দুৰ্ব্বল অনুভৱ কৰিছোঁ। এনেতে ইউনিফৰ্ম পিন্ধা এজন ডাক্তৰ আৰু এগৰাকী কোমল বয়সৰ নাৰ্চ মুখত এমোকোৰা হাঁহি লৈ সোমাই আহিল। কেনে আছো সোধাৰ পিচত ডাক্তৰে মই হঠাতে অচেতন হোৱাৰ কাৰণ সুধিলে। এটা অমঙ্গলীয়া সপোন দেখি চিঞৰি উঠা বুলি সংক্ষেপতে কওঁ। ডাক্তৰে বৰ বিশেষ একো নুসুধিলে। ময়ো ভালেই পালোঁ। তেতিয়া মোৰ সকলোবোৰ দুৰ্ব্বলতা নাইকিয়া হৈছে। যোৱা ৰাতিৰ সকলো ঘটনাই মোৰ মানস পটত ফট্ ফটীয়া হৈ ধৰা দিয়ে। হস্পিতেলত আৰু মই থকাৰ আৱশ্যকতা অনুভৱ নকৰিলোঁ।

"আপুনি পিছে আজিয়েই যাবগৈ নেকি?"

নাৰ্চ গৰাকীৰ মাতত মই উচাপ্ খাই উঠিলোঁ। ইমান সময়ে নাৰ্চ গৰাকীৰ উপস্থিতি মই পাহৰিয়ে আছিছোঁ। নাৰ্চ গৰাকীক দেখি মই ভুত দেখা যেন দেখিলোঁ। যোৱা ৰাতি মোৰ কোঠাত আবিৰ্ভূত হোৱা নাৰী মূৰ্ত্তিৰ লগত এই নাৰ্চ গৰাকীৰ অদ্ভুত সাদৃশ্য আছে। এওঁক কেতিয়াবা কৰবাত দেখা দেখা যেন অনুমান হয়। কিন্তু কেতিয়া আৰু ক'ত দেখিছো মনত পেলাব নোৱাৰিলো।

"একো নকলে দেখোন?" নাৰ্চ গৰাকীৰ দ্বিতীয় বাৰৰ মাতত মই লজ্জিত হ'লো। অচিনাকি এগৰাকী গাভৰুৰ ওচৰত নিজৰ দুৰ্ব্বলতা ধৰা পৰাত মোৰ মনটো কেনেবা কেনেবা লাগিল।

'হয়, মই এতিয়াই ইয়াৰ পৰা বিদায় লব খোজোঁ। সম্ভৱ এতিয়া মই সম্পূৰ্ণ ৰূপে আৰোগ্য লাভ কৰিছো?' কথমপি মই উত্তৰ দিলোঁ।

কিবা কিবি উপদেশ কিছুমান দি নাৰ্চ আৰু ডাক্তৰ ওলাই গ'লগৈ।

সেইদিনাই উদয়ৰ সৈতে মই হস্পিতেল এৰিলোঁ। কিন্তু আৰু এটি ভয় লগা নিশা চাৰ্কিট হাউচৰ সেই বিশেষ কোঠালিটোতে কটাবলৈ

মোৰ সাহস নাইকিয়া হৈ গৈছে। সৌভাগ্যক্রমে ওচৰতে এঘৰ আত্মীয় মানুহৰ ঘৰ আছে। ৰিক্সা এখনত সন্ধিয়াৰ আগে আগে চাৰ্কিট হাউচ পৰিত্যাগ কৰিলোঁ। যদিও সেই ভয়লগা নিশাটোৰ কথা পাহৰিব নোৱাৰিলো আৰু পাহৰিব নোৱাৰিলো চাৰ্কিট হাউচত আবিৰ্ভূত নাৰীমূৰ্ত্তিটোৰ লগত থকা হম্পিৰ্জেলৰ নাচ গৰাকীৰ সাদৃশ্যতাখিনিৰ কথা।

চোৰাং চোৱা বিভাগত কাম কৰোঁ মই। দেৰগাওঁত সংঘটিত এটি ৰহস্যজনক হত্যাকাণ্ডৰ পম খেদি আহি ধুবুৰীৰ চাৰ্কিট হাউচত আলহী হবলগীয়া হৈছে। তাতে আকৌ ভূতৰ ওপৰতে দানহ। ৰহস্যৰ পম খেদি আহি নিজেই ৰহস্যৰ জালত মেৰ খালোঁহি। মোক কেন্দ্ৰ কৰি চাৰ্কিট হাউচত আবিৰ্ভাৱ হোৱা নাৰী মূৰ্ত্তিটোৰ মাজত যেন বিৰাট ৰহস্য এটি সোমাই আছে। হয়তো হম্পিৰ্জেলৰ সেই নাচ গৰাকীও তাৰপৰা ৰেহাই নেপাব। কিন্তু কোনজনক কাৰ লগত কি সূত্ৰত জোৰা লগাওঁ তাক অনুমান কৰিব পৰা নাই।

নাচ গৰাকীক মই দুদিনেই লগ ধৰিলোঁ। নাম তাইৰ জ্যোতিমা বৰুৱা। নানা কথা বতৰাৰ চলেৰে চাৰ্কিট হাউচৰ সেই দুৰ্ঘটনাটিৰ ইঙ্গিত দি ৰহস্য সমাধানৰ ওচৰ চাপিব খুজিছোঁ, কিন্তু আচৰিত, তাই মুঠেও সেই আলোচনাৰ ওচৰ চাপিব নোখোজে। ৰহস্যৰ গোন্ধ পোৱা মোৰ মনটো আৰু বেছি উৎসুক হৈ পৰে। মই স্থিৰ নিশ্চিত—জ্যোতিমাৰ লগত সেই নাৰীমূৰ্ত্তিৰ নিশ্চয় সম্পৰ্ক আছে। কিয়নো জ্যোতিমাৰ দেহ ভঙ্গিমাত সেই নাৰীমূৰ্ত্তিৰ বহুখিনি সাদৃশ্যই মোৰ চকুত ধৰা পৰিছে। জ্যোতিমাক মই চিনি নেপাওঁ; কিন্তু নিশাৰ সেই নাৰীমূৰ্ত্তিটোক মোৰ চিনাকি চিনাকি লাগিছে। ইয়াৰ মাজত নিশ্চয় এটি গভীৰ ৰহস্য সোমাই আছে, যাক জ্যোতিমাই প্ৰকাশ কৰিব খোজা নাই।

কেইদিনমান পিচৰ কথা। জ্যোতিমাই মোক আচৰিত কৰি কোনো এটি বিশেষ আলোচনা কৰিবৰ বাবে নিৰ্জন ঠাইত লগ পাব বিচাৰিলে। অনুসন্ধিৎসু মন মোৰ সহজেই মান্তি হ'ল। জ্যোতিমাৰ লগত ওলাই গলোঁ ব্ৰহ্মপুত্ৰৰ পাৰৰ নিজান ঠাইখিনিলৈ।

বহু কথাই কলে জ্যোতিমাই মোক। বিশেষকৈ তাইৰ বাইদেৱাক অজন্তাৰ কথা। মৰম পাগলী অজন্তাই হ'বলা এফেৰি প্ৰকৃত মৰমৰ সন্ধান নেপাই এই ধুবুৰী চাৰ্কিট হাউচতেই আত্মহত্যা কৰিছিলহি। অজন্তাৰ নাম লোৱাত মই উচপিচাই উঠিলোঁ। মোৰ অতীত জীৱনৰ অজন্তা জনীৰ কথাকেই দেখোন জ্যোতিমাই কব বিচাৰিছে। তথাপি কোনো ৰকম নিজক চম্ভালি জ্যোতিমাৰ কথা মই শুনি গৈছোঁ। তাইৰ প্ৰতিষাৰ কথাতেই মই শিয়ৰি উঠিছোঁ। সন্তৱ প্ৰতি মুহূৰ্ত্তে মোৰ মুখৰ ৰং সলনি হৈ গৈছে। জ্যোতিমাই মোক চিনি পোৱা নাইতো? এনেকুৱা পৰিস্থিতি এটিৰ সম্মুখীন হম বুলি মই সপোনে ভাবিব পৰা নাছিলোঁ।

সেয়া বহুদিন আগৰ কথা। তেতিয়া মই হি-বৰুৱা কলেজৰ (গুৱাহাটী) ছাত্ৰ, এজন উটন্তুৱা

ডেকা। তৃতীয় বার্ষিক পোৱাৰ লগে লগে মোৰ সান্নিধ্যলৈ আহি পৰে প্ৰাক্-বিশ্ববিদ্যালয় শ্ৰেণীৰ অজন্তা নামৰ গাভৰু গৰাকী। অজন্তাক মই ভাল পাই পেলাইছো নে নাই তাক কব নোৱাৰোঁ; কিন্তু অজন্তাৰ সান্নিধ্যত যে মই উত্তলি উঠো তাত সন্দেহ নাই। বহুদিন মই অজন্তাক বুকুত সাৱটি লৈছো। বুকুৰ মিঠা মিঠা উমে বহু সময়ত সংযম হেৰুৱাই পেলায়। পৰিণতিৰ কথা তেতিয়া পাহৰি পেলাওঁ। এদিনাখনৰ কথা। মোৰ বুকুৰ মাজত মূৰ থৈছে অজন্তাই। দুইতৰ পাৰৰ এটি সৰু টিলা। সন্ধিয়াৰ মিঠা মৃদু বতাহ জাকে দুয়োকো পৰশি যায়।

"অনুপদা!"

'অজন্তা!'

"অনুপদা!"

'কোৱা'

"তুমি মোক কি বুলি ভাবা?"

'মানে?'

"তোমাৰ ওচৰলৈ মই বহুতেই আগবাঢ়িলোঁ। নাজানো ইয়াৰ পৰিণতি কি? কিন্তু অনুপদা, মোক জানো তোমাৰ মৰমৰ জোনাকত চিৰদিনলৈ জুৰ লব দিবা? তুমি জানো কেতিয়াবা মোক উপেক্ষা কৰিবা?

'তাৰ মানে?'

তাৰ মানে মই যদি কিবা বিপদত পৰো মোক তুমি উদ্ধাৰ কৰিবা?"

'আজি তুমি এনে কথা কিয় কৈছা অজন্তা? তোমাক বিপদত পেলাই জানো কেতিয়াবা শান্তি পাম? জিন্দেগী ভৰ তোমাক আকোৱালি ধৰিয়েই মই সকলো বিপদ কাটি কৰি যাম।"

অজন্তাই শান্তনাৰ নিশ্বাস পেলালে। নিঃসঙ্কোচে তাই তেতিয়া মোৰ বুকুৰ মাজত সোমাই সজোৰে সাৱতি ধৰে। দেহৰ প্ৰতি শিৰা-উপশিৰাত তেতিয়া দুয়োৰে উপজ বক্ত প্ৰবাহিত। সংযম তেতিয়া হেৰাই গৈছে।...

কিন্তু!

অজন্তা হেৰাই গ'ল। মানে ময়ে তাইক প্ৰতাৰণা কৰিলোঁ; অৱশ্যে তাক প্ৰতাৰণা বুলিব পাৰি নে নোৱাৰি মই নেজানো, কিয়নো দাদাক মই বাঘৰ দৰে ভয় কৰোঁ। মই তেতিয়া গাৱৰ ঘৰত। অজন্তাৰ পৰা চিঠি পালো, আমাৰ অবৈধ মিলনৰ চৰম পৰিণতি অজন্তাই অকলে ভোগ কৰিব ওলাইছে। মই তাইক বচাব লাগে। কিন্তু দাদাৰ আগত সেই কথা মই কোৱাৰ সাহস বিচাৰি নেপালো। নিষ্ঠুৰতা আৰু বিশ্বাস ঘাটকতাৰ প্ৰতিনিধি হৈ নীৰৱেই থাকিবলৈ বাধ্য হলোঁ। অজন্তা বোলা গাভৰু এজনীৰ লগত যে কলেজীয়া জীৱনত কিবা সম্পৰ্ক আছিল তাক সমূলি সপোন বুলি ভাবিবলৈ মই কুণ্ঠিত নহলোঁ। অজন্তাজনীক চিৰদিনৰ কাৰণেই মোৰ মানস পটৰ পৰা বিসৰ্জন দিছো।

তাৰে এবছৰ পিচত। তেতিয়া মই যোৰহাট পুলিচ ডিপাৰ্টমেণ্টত ডিটেক্‌টিভ গিৰি কৰো। বেচ শান্তিতেই কটাইছো দিনবোৰ। অজন্তাৰ খবৰ পাওঁ; মানে অজন্তাৰ ভনীয়েক কোনোবা

'জ্যোতি'য়ে চিঠিৰে জনায়। মই এৰি অহাৰ সাত মাহ পিচত হেনো অজন্তাই এটি মৃত সন্তান প্ৰসৱ কৰে। তাৰ বাবে অজন্তাই সমাজৰ নিন্দা খোৱাৰ ওপৰিও নানা লাঞ্ছনা ভোগ কৰিব লগীয়াত পৰে। তাইৰ দেউতাক অফিচৰ পৰা আহি বিচনাত যি পৰিল আৰু নুঠিল। ঘৰৰ অৱস্থা ক্ৰমে শোচনীয় হবলৈ ধৰিলে। অজন্তাৰ হেনো চাৰিত্ৰিক অধঃপতন ৰাতিকৈয়ে ঘটিল। কলেজ তাই এৰি পেলায়। বিশেষকৈ মিলিটাৰী অফিচাৰ এজনৰ লগত অজন্তাৰ অবৈধ সম্পৰ্ক গঢ়ি উঠে। তাৰ বাবে কোনোবাই যদি বেয়া বুলিছে তাৰ বাবে তাইৰ কোনো আক্ষেপ নাই। সমাজক তাই ভ্ৰূক্ষেপ নকৰে। শোচনীয় ঘৰৰ অৱস্থাৰ বাবে অজন্তাৰ ভনীয়েকে পৰিয়ালৰ ভৰণ পোষণৰ দায়িত্বত নাৰ্চ হবলগীয়াত পৰে।

অজন্তা হেনো দিনৰ বেছিভাগ সময় ঘূৰি ফুৰিয়েই কটাই আৰু এদিন মাক-ভনীয়েকক এৰি সেই মিলিটাৰী অফিচাৰৰ লগত পলাই যায়।

কিছুদিনৰ পিচত কাকতত এটি হত্যাকাণ্ডৰ বাতৰি ওলায়। ধুবুৰী চাৰ্কিট হাউচত এজনী অসমীয়া গাভৰু মৃত অৱস্থাত পোৱা গ'ল। অনুসন্ধানৰ পিচত 'জ্যোতি'য়ে জানিলে সেইজনী তাইৰেই হতভাগিনী বাইদেৱাক অজন্তা।

অজন্তাৰ সিমান খবৰ মই ৰখাৰ আৱশ্যকতা অনুভৱ কৰা নাই। আৰু পাহৰি পেলাইছোঁ তাইৰ এজনী নাৰ্চ ভনীয়েক আছে। জ্যোতিমাৰ বাইদেৱাক আৰু মোৰ এসময়ৰ আপোনাতকৈও আপোন অজন্তাজনীৰ আত্মাই কি চাৰ্কিট হাউচত লগপোৱা সেই নাৰীমূৰ্ত্তি? তেন্তে এতিয়াও তাই মোৰ ওপৰত প্ৰতিশোধ লোৱাৰ অভিপ্ৰায় এৰা নাই। সঁচা, তাই মোক ক্ষমা কৰিব নোৱাৰে। তাইক মই অৱহেলাই কৰা নাই তাইৰ প্ৰতি চৰম নিষ্ঠুৰতাৰ নিদৰ্শন দেখুৱাইছোঁ।

"উঠক, সন্ধিয়াই হ'ল।"

জ্যোতিমাৰ মাতত মই বাস্তৱলৈ ফিৰি আহোঁ। একেথৰে চাই থকা জ্যোতিমাৰ মুখলৈ চোৱাৰ সাহস মোৰ নাইকিয়া হৈছে। জ্যোতিমাই নিশ্চয় মোক চিনি পাইছে। তাই যেন চিঞৰি চিঞৰি কব—অজন্তা বাইদেৱে আত্মহত্যা কৰা নাই, হত্যা কৰিছোঁ তাইৰ নিচেই ওচৰতে থকা, মই। মোৰ মনে হাহাকাৰ কৰি উঠিল। মই তেতিয়া 'মই' হৈ থকা নাই। মোৰ সমুখত এইজনী জ্যোতিমা নহয়, এইজনী **অজন্তা**। মানস পটত চিলিকি উঠিল আউল **বাউল** চুলিৰে মুখ ঢকা সেই নাৰী মূৰ্ত্তিটো, ক্ৰোধান্বিতা, প্ৰতিহিংসাত জ্বলি উঠা অজন্তা; এসময়ৰ চঞ্চলা হাস্যময়ী কলেজীয়া গাভৰু অজন্তা। মোৰ নিচেই ওচৰেৰে আহি থকা জ্যোতিমাৰ কথা মই একেবাৰে পাহৰি পেলাইছোঁ তেতিয়া।

# হয়তো

## হয়তো নেজানে জোনে

## জোনে

মিচ্ বিজয়া মেধি
প্ৰাক্ বিশ্ববিদ্যালয় শ্ৰেণী ( কলা )

মই যদি চব কথা কৈ দিওঁ, তেতিয়াতো তোমালোকে মোৰ দুখ আছে বুলি জানিবাই। কিন্তু দুখনো বাৰু নেথাকে কাৰ ? আৰু যদি চববে দুখ থাকেই, তেন্তে মোৰ হাঁহিটো দেখিয়েই মোক সুখী বুলি ভবাতো জানো উচিত !

হয়তো উচিত নহয়। পৃথিবীৰ সকলো নিয়মেতো উচিত অনুচিতৰ ধাৰ মানি নচলে আৰু মোৰো দোষ। ইমানকৈ হাঁহি মাতি বত্ৰাহত পখিলা উৰাদি উৰি ফুৰিলে কোনে বাৰু মোক অসুখী বুলি ভাবিব ? পৰীক্ষাত ব্ৰেক পেপাৰ চাৰ্‌মিট কৰি অহা ল'ৰাক কোনোবাই পৰীক্ষা কেনে হ'ল বুলি সোধা প্ৰশ্নৰ উত্তৰত যদি লৰাজনে ধুনীয়াকৈ হাঁহি মাৰি কয়, একদম বেয়া হ'ল বুলি- কোনেনো বিশ্বাস কৰিব ? হয়তো কওঁতাজনৰ দোষ নাই—দোষ নাই অবিশ্বাস কৰোতাজনৰো। স্বৰ্ণনিৰ্ম্মিত ফুল জানো ফুল নহয় ? কিন্তু সঁচা ফুল হয় জানো ?

ইপ্সিতা।

চুটিকৈ তোমালোকে মাতা—ইমু

মোৰ নামটো জানো ধুনীয়া নহয় ? মানুহজনী ? ঈশ্বৰ ইমান উদাৰ নহয়। চবকে অকৃপণ ভাবে সৌন্দৰ্য্য দিয়াৰ সৎসাহস ভগবানৰ নাই। নিয়নৰ তলত ফলচ্ হেয়াৰ, নকল অলঙ্কাৰ আৰু জকমক পোচাকৰ আঁৰত দেখা মোৰ কুহকিনী ৰূপটোৱেই আচল ৰূপ নহয় জানা। মই এজনী খুউব সাধাৰণ ছোৱালী। গাৰ ৰংটো বগা। চুলিকোচা বেছ দীঘল মানুহে মিছা কোৱা নাই যদি মোৰ মাতটো বেছ মিঠা, চকু দুটাও ধুনীয়া। বেছ

ইমানেই ; আৰু মই দেখিবলৈ কেনেকুৱা সেইটো মোতকৈতো তোমালোকেই বেছিকৈ জানিবা। নহয় জানো ?

অৱস্থাই বাধ্য নকৰালে "মৌচাক সঙ্ঘত" সোমাই পোনাদাৰ অভিনেত্ৰী হয়তো নহলোঁহেতেন। তেতিয়া হয়তো মই বিহা, মেখেলা সেন্দুৰেৰে এজনী ৰোৱাৰী হলোহেঁতেন। এখন সৰু ঘৰত, তুলসী তলৰ চাকি, উঘা চেৰেকী আথল ঘৰেৰে মই ব্যস্ত হৈ গলোহেঁতেন। কিন্তু জীৱনৰ অঙ্ক জানো ইমান উজু ? মঞ্চত নিজকে ঢাকি গান গাওঁ, হাঁহো। তোমালোকক তৃপ্তি দিওঁ। কেইটামান টকাৰ বিনিময়ত তোমালোকে মোৰ জীৱনটোক লৈ জুৱা খেলা। দোষ তোমালোকৰ নহয়। হয়তো মোৰো নহয়। আৰু জানা, পৃথিবীত ভাল-বেয়া দোষ-গুণ বুলি কোনো কথা নাই। পৃথিবী পৃথিবীয়েই, মানুহো মানুহ।

আকাশো মানুহ। দেৱতা নহয়। মই প্ৰথমতে আকাশক মানুহ বুলি ভবাই নাছিলোঁ। কি বুলি ভাবিছিলোঁ কোনে জানে ? হয়তোবা অমানুহ বুলি, নহলে দেৱদূত বুলি। আচলতে আকাশক মই একো বুলি ভবাই নাছিলোঁ কিজানি। নহলে একেলগে সম্পূৰ্ণ তিনিটা বছৰ অভিনয় কৰাৰ পাচতো আকাশৰ সতে মই ফ্ৰেঙ্ক্‌লি কথা নকম কিয় ?

আকাশ সদায়েই নায়ক হয়। ধুনীয়া তেজ-গোৰা চেহেৰাটোৰ বাবে, চিক্‌মিক্ দাঁতৰ উজ্জ্বল হাঁহিটোৰ বাবে আকাশ বেচ জনপ্ৰিয় নায়ক। আৰু, আকাশৰ চেহেৰাটোও মাথো চেহেৰাই নহয়, যেন এটি দেহৰ ভাঁজে ভাঁজে অফুৰন্ত যৌৱন স্থিৰ হৈ আছে। মইতো সদায়েই আকাশৰ নায়িকা সাজিছিলোঁ। কিন্তু কিয় নেজানোঁ, আকাশৰ সতে দু-একাষাৰ মৰুৱা কথা পতাৰ প্ৰয়োজনীয়তা উপলব্ধি কৰা নাছিলোঁ। মদৰ গিলাচ হাতত লৈ বুঁদ হৈ থকা আকাশৰ কথা মই কোনোদিনেই এপলকৰ বাবেও ভবা নাছিলোঁ। কপট গাম্ভীৰ্য্যৰ মুখাৰ আঁৰত অজস্ৰ ইম্‌পালা, তৰুলিকা, নন্দৰানা আদি ডজনে ডজনে ছোৱালীৰ লগত একে ধৰণে মিলা মিছা কৰা আকাশৰ কথা অৱকাশৰ মুহূৰ্ত্তত ভাবি কোনো-দিনেই মোৰ বুকুখন কিবা লাগি যোৱা নাছিল.... ... .... ।

ঠিক এনেদৰেই যেতিয়া মই মৌচাক সঙ্ঘত তিনিটা বছৰ অতিক্ৰম কৰি দিছোঁ, "গুঞ্জন" "আলপনা" আদি পত্ৰিকাবোৰে যেতিয়া মোৰ ছবি প্ৰচ্ছদ পদত ছপাই তলত খেয়ালী আৰু প্ৰতিভাৱতী নায়িকা বুলি লিখি হুলস্থুল লগাই দিছে, ঠিক তেতিয়াই আকাশৰ অসুখ আৰম্ভ হ'ল। অতিৰিক্ত সুৰাপানে আকাশৰ লিভাৰ হেনো পচাবলৈ আৰম্ভ কৰিছিল। সেই খবৰটো মৌচাক সঙ্ঘৰ কৰ্ম্মকৰ্ত্তা সকলৰ বাবে সঁচাই বৰ ভয়ানক আছিল। কিন্তু কিয় নেজানো, আকাশৰ জীৱনৰ এই অভিশাপটো মোৰ জীৱনলৈ আশীৰ্ব্বাদ হৈ আহিছিল। মই পাইছিলোঁ— অফুৰণ অৱকাশ। এনেইতো সময়ে অসময়ে ৰিহাৰ্চেল কৰি নিশা জাগি

অভিনয় কৰি নিজৰ কথা নভবাকৈ বা ভাবিব নোৱাৰাকৈ সময়বোৰ অতিবাহিত কৰিছিলোঁ। আকাশৰ অসুখে স্বাভাৱিক একঘেয়ে জীৱন গতিৰ পৰিবৰ্ত্তন আনিছিল। অত্যন্ত স্বাৰ্থপৰৰ দৰে মই ভাবিছিলোঁ, আকাশৰ অসুখ আৰু বেছি হওক আৰু বহুদিন আকাশ হস্পিতেলত পৰি থাকক।

কাৰোঁ কথা নভাবাকৈ মই যেতিয়া মাথোঁ নিজকে লৈ ব্যস্ত হৈ সময়বোৰ অলসভাবে কটাই দিছো; ঠিক তেনে এটি দিনতে মোৰ নজৰানা নামৰ ছোৱালীজনীৰ লগত চিনাকি হৈ গ'ল।

কাম-বন নাই! বাহিৰৰ বাৰান্দাতে বহি মই মেজ ঢাকনীত চেইন চিলাইৰে শহা তিনিটা কৰি আছিলো। অলপ মান কৰাৰ পিছতে আমনি লাগিল। চিকন সূতাৰে চিলাই কৰা যিমানহে আৰু অসুবিধা। কোঁট লাগিলেটো কথাই নাই। অলপমান কৰিয়েই চিলাইখন এৰি, টব কেইটাৰ ফৰগেট মি নট আৰু ব্লিডিং হাৰ্ট কেইজোপাত পানী অকন দিও বুলি উঠিবলে খাওঁতেও, জোতাৰ খট্ খট্ শুনি মই থমকি ৰলো।

এগৰাকী তম্বী গাভৰু সোমাই আহিল। আহি থকা গাভৰু গৰাকীক মই ভালদৰে চালো। টিয়া ৰঙী জীয়া পাখী যেন পাতল শাৰী খনৰ লগত ধুনীয়াকৈ মিলাই থি, কোৱাটাৰৰ অলিভ গ্ৰীণ কালাৰৰ ব্লাউজ পিন্ধিছে। মত্ত খোপাটো "ফ্ৰেন্স নট" ষ্টাইলত বান্ধিছে। কাণৰ ওপৰেদি খোপাৰ তলত তিনিটা গোলাপৰ পাহেৰে সৈতে এটি কণমানি গোলাপ কলি। শাৰীৰ তলেৰে চাৰ্টিনৰ কল-পত্তীয়া পেটী কোটটোৰ হালধীয়া এপলিক এমব্ৰইডিয়েৰী খিনি ভালদৰে দেখা পায়। হাতত এটি মস্ত বেগ — কেছুৱা এটা মুখুৱাই থব পৰা।

মোৰ ওচৰত থিয় হৈ ছোৱালীজনীয়ে সক নমস্কাৰ এটা কৰি কলে, মই যদি ভুল কৰা নাই তেন্তে আপুনি নিশ্চয় যশস্বিনী অভিনেত্ৰী ইপ্সিতা দেবী। হাঁহি মাৰি মই কলোঁ, ঠিকেই ধৰিছে আপুনি। কিন্তু মই যে আপোনাক চিনি নেপালোঁ। হাঁহাৰ নিচিনা কৰি ছোৱালীজনীয়ে কলে, মই মিচ নজৰানা ৰেহমান। "কথাছবিৰ পৃথিবী" নামৰ আলোচনী খনৰ সহ সম্পাদিকা। এটা বিশেষ কাৰণত আপোনাক আমনি দিবলৈ আহিলোঁ। বেয়া নেপায় যদি ......।

মই হাঁহি মাৰি কলোঁ, অ' আই, বেয়া আকৌ পাম কেলেই? তোমাৰ দৰে ধুনীয়া ছোৱালী এজনীক জানো বেয়া পাব পাৰি? তুমি বুলি কলো দেই — বেয়া নেপাবা। আৰু শুনা, মই চাহ খোৱা নাই। একেলগে বহি অকন অকন চাহ খালৈ তোমাৰ কিবা আপত্তি আছে জানো?

কিয় জানো বিস্ময়ত নজৰানা হতবাক হৈ গ'ল। মন্ত্ৰ মুগ্ধাৰ দৰে অনুসৰণ কৰি মোৰ সতে নজৰানাৰ ডাইনিং হল পালেহি। মিচ্ চেফৰ পৰা নাৰিকলৰ লাৰু জাহাতী, কল আৰু বিস্কুত আদি উলিয়াই তুৰন্ত পিৰিচত সজাই মই কলোঁ — "চকলেট, আমাক জানো আজি চাহ খুৱাবা!" লৰমাৰি আহি চকলেটে ভেম পাতি কলে — "ইচ মই অথনিৰে পৰা বিচাৰি ফুৰিছো বাঃ, এতিয়া

আকৌ মোৰ গাত্ততে দোষ দিয়ে। হিটাৰৰ ওপৰত পানী উতলি উতলি নাইকিয়া হ'ল, নিজে আকৌ বহি বহি কৰবাৰ কিবা চিলাইতে কাৰ আছেগৈ।"

চকুলেটৰ কাণ্ড দেখি নজৰানাই হাঁহিলে, তাৰ পিচত লাহেকৈ কলে - "আচৰিত!" মই কলোঁ, "কোন, মই নে তুমি?" নজৰানাই মুখত এখন বিস্কুট ভৰাই কলে— "সচাঁই জানে, অভিনেত্রীও এনেকুৱা লখিমী হয় নেদেখিলে বিশ্বাসেই কৰিব নোৱাৰি।" মই কলোঁ, "হয় নেকি? বৰ ভাল চাৰ্টিফিকেট এখন পালো দেই। এখন বিখ্যাত পত্রিকাৰ সহ সম্পাদিকাৰ পৰা চাৰ্টিফিকেট এখনৰ যথেষ্ট মূল্য আছে নিশ্চয় ... ..... .. ..... ।

আমি বহুকথা পাতিছিলোঁ। আপুনি এৰি নজৰানাই মোক তুমি কৰি পেলাইছিল। ইমু বুলি মাতিছিল। ময়ো তাইক নাজ বুলি মাতিছিলোঁ। বহুসময় গল্প কৰাৰ পাচত নাজে কৈছিল— "সচাঁই ইমু, মঞ্চত অভিনয় কৰা ইম্প্রিতা দেবীৰ সতে ঘৰত বহি মেজ ঢাকনিত ফুল তুলি থকা ইমুজনীৰ বহুত পাৰ্থক্য আছে। মোৰ মিছা অহঙ্কাৰ চৰ তোমাৰ ওচৰতে শেষ হৈ গ'ল।

অৱশেষত নজৰানা আচল কথালৈ আহিছিল। কৈছিল— বাৰু ইমু, তোমাৰ লগতটো আকাশৰ বহু দিনৰ চিনাকি; অন্তত: এই চিনাকি তিনি বছৰ মানৰ পুৰণি নিশ্চয় হব। গতিকেই তুমি আকাশৰ স্বভাৱ চৰিত্র, ব্যৱহাৰ পাতিৰ বিষয়ে অকণমান কোৱানা! নাজৰ কথা শুনি মোৰ হাঁহি উঠি গৈছিল। ধেৎ, তিনিবছৰ একেলগে কাম কৰিলো বুলিয়েই যে মই আকাশৰ বিষয়ে জানিব লাগিব তাৰ কি মানে আছে। মোৰ এখন চাপ দিয়া ভইলৰ চাদৰ আছিল। বৈ যে ইমান ভাল লাগে। এবছৰমান মই খুব মৰমেৰে চাদৰখন লৈছিলো, অৱশেষত উৱলি যোৱা চাদৰখন "ফটা কানিৰ তলপাৰা" বৰলৈ নাজিৰাৰ মাহিদেউক দিম বুলি ফটা কাপোৰ থোৱা আলমাৰীটোত সুমুৱাই থবলৈ গৈ হে মই আবিষ্কাৰ কৰিছিলোঁ, ইমান দিনে মই মাথো বং চঙীয়া আঁক মৰা বুলি ভাবি থকা পাৰিটোত ধুনীয়াকৈ কিছুমান ম'ৰা চৰাই আৰু হাতী আঁকা আছে। ক'তো এবছৰে সেই একেখন চাদৰ পিন্ধি মই বহুবাৰ ড্রেচিং মিৰৰৰ সন্মুখত থিয় হৈছোঁ— মই এই হাতী আৰু ম'ৰা চৰাইবোৰ দেখা পোৱা নাছিলোঁ। তেন্তে ........ !!

এপলক মই কিবাকিবি ভাবিলো। মনৰ ভিতৰতে বহু প্রশ্নৰ উত্তৰলৈ হেতালি খেলিলোঁ। সচাঁইতো তিনি বছৰ একেলগে কাম কৰা মানুহ এজনৰ বিষয়ে মই যদি নেজানো বুলি কওঁ, কোনে বিশ্বাস কৰিব? কিন্তু জনাতো জানো অপৰিহাৰ্য্য? ধেৎ, অপৰিহাৰ্য্য, চপৰিহাৰ্য্য নহলেও মানুহজনৰ বিষয়ে মই জানো একো ভাবি চাব নেলাগিছিল? ..........এসময়ত মই কলোঁ, নাজ, মই জানো মই যিখিনি কম, সেই খিনি কথা "কথা ছবিৰ পৃথিবীত" হুবহু উঠি যাব। তাতকৈ তুমি এটা কাম কৰা। মোক কেইদিন মান সময় দিয়া। আকাশৰ বিষয়ে মই যি জানোঁ লিখি তোমাক দিম। হব?

আনন্দত নজৰানা জপিয়াই উঠিছিল; হব হব। নহব কেলেই! মোক ৰক্ষা কৰিলা ইমু। উচ্ছাসত উৎফুল্লিত হৈ উঠা নজৰানালৈ চাই মই ভাবিছিলোঁ মই জানো আকাশৰ বিষয়ে লিখিব পাৰিম? পাৰিম জানো?

কেইদিন মান পাচতেই মোৰ হাতত এখন "কথা ছবিৰ পৃথিবী" পৰিল। প্ৰচ্ছদপটত মোৰ ছবি। ভিতৰতো চাৰি পাচ পৃষ্ঠা জুৰি মোৰেই কথা। ইপ্সিতাদেবীয়ে ধুনীয়া এমব্ৰইডিয়েৰী কৰে, ইপ্সিতা দেবীৰ ব্যৱহাৰ চমৎকাৰ, কথা-বতৰা মোহনীয়, ঘৰৰ কাম কৰিব পাৰে, অভিনয়তো কথাই নাই। নজৰানা যোৱাৰ পৰাই মই আকাশৰ কথা পাহৰি আছিলোঁ -সেই দিনা আকৌ মনত পৰি গ'ল। নাই, মইতো নাজক কথা দিছিলোঁ। অকণমান হলেও আকাশৰ বিষয়ে লিখি দিবই লাগিব।

ওবে দিনটো অলেখ কামৰ ফাঁকে ফাঁকে মাথো আকাশৰ কথাকে ভাবিলোঁ। আবেলি পৰত মই হস্পিতেললৈ যাবলৈ সাজু হলোঁ, কাপোৰকানি খিনি পিন্ধি আঙৰি হৈ বেতৰ বাস্কেটটিত কেইটামান কমলা আৰু আপেল সুমুৱাই লওঁ। তাৰ পাচত যাবলৈ ওলায়ো মাথোঁ অভিনেত্ৰীৰ ঢংটো বজাই ৰাখিবৰ বাবেই চকলেটক কেইথোপামান ফুল আনি দিবকৈ কলোঁ। চকলেটে এথোপামান ফৰ গেট-মি-নট ছিঙি আনি দিলে। বাস্কেটৰ ফুলবোৰ ঢাক খোৱাকৈ ফুলবোৰ সজাই সজাই মই ভাবিলোঁ, ইমান দিনে ওচৰতে থকা মানুহজনক নতুনকৈ চিনিবলৈ এয়া মোৰ কেনেধৰণৰ আয়োজন বাৰু?

হস্পিতেলৰ গেটখনৰ মুখতে নজৰানা ইতক লগ পালো। এজাক ছোৱালী। নাজ, হাচিনা, তৰুলতা নন্দিনী, মিনা, ৰীতা— আৰু কেইজনীমান। হাঁহি মাৰি নাজে কলে - যোৱা ইমু, তুমি যলৈ যাবা আমি তাৰ পৰাই আহিছোঁ! মই নিঃশব্দে হাঁহিলোঁ মাত্ৰ ............ ।

মোক দেখি নায়কৰ সন্মান বজাই ৰাখি আকাশে হাঁহিলে— লগে লগে কলে, "আৰে মিচ দেৱী দেখোন!" ময়ো হাঁহিলোঁ, কলো, আচৰিত হ'ল নেকি? আহি ভুল কৰা নাইতো!! "নাই নাই"— ব্যস্ত হৈ আকাশে কলে, "তেনেকৈ নকবছোন, মই দুখ পাম।" ইচ্, "আপুনিহে দুখ পায় নেকি? মই আজি আপোনাৰ খবৰ কৰিবলৈ আহিলোঁ, আপুনি আচৰিত হৈ গ'ল। কিয়, মই আপোনাৰ খবৰ লবলৈ নেপায় নেকি? বেয়া নেপাব বুইছে; জানে মিচ্ দেৱী ........ মোক নাম ধৰি মাতিলেও মই বেয়া নেপাওঁ -" মই কলোঁ "অ হয় নেকি?" হাঁহি হাঁহি আকাশে কলে - "মানহানিৰ কেচ কৰাৰ ভয়তহে মই...... এইবাৰ দুয়োজনে প্ৰাণ খুলি হাঁহিলোঁ! বহুত কথা পাতিলোঁ, কি যে কলোঁ নেজানোঁ কিন্তু ঘড়ীৰ কাটাই সকিয়াই দিলে চাৰিটা ঘন্টা পাৰ হৈ গ'ল। কথাৰ মাজতে মই ফলবোৰ মেজখনত ঠিকঠাককৈ থলোঁ, ফৰ-গেট-মি-নটৰ বগা বগা ফুলবোৰ গিলাচ এটাত পানী ভৰাই সজাই পেলালোঁ। তাৰ পাচত যেতিয়া মই আহিবলৈ ওলালোঁ - আকাশে চিঞৰি সুধিলে; এইবোৰ কি ফুল ইমু? নামটো কবলৈ খুজিও মই জিভা কামুৰি কলোঁ - ধেৎ!

তাৰ পাচত এনেকুৱা ঘটনা মই নকলেও তোমালোকে ছাগে বুজি পাবা। কি যে হৈ গৈছিল মোৰ! একোকে ভাল নেলাগে নে চববোৰ ভাল লাগে বুজি নোপোৱা হৈছিলোঁ। কোনো দিনে জোন তৰা নোচোৱা মোৰ মনটোৱে নীল আকাশৰ বগা ডাৱৰ, ফুটফুটীয়া তৰা-বোৰ, নাওঁ যেন জোন বাইজনী চাই আনন্দত আপ্লুত হৈছিলো। চুলিবোৰ উৰুৱাই ঝিৰ্ ঝিৰ্ কৈ বই যোৱা সন্ধিয়াৰ সুৰভিত মলয়া চাটি মোৰ বাবেই বই অহা যেন লাগিছিল। দিনটোত ডুবাৰ তিনিবাৰকৈ আকাশৰ ওচৰলৈ গৈছিলোঁ, যাওঁতে কোনো দিনে নিপিন্ধি সাঁচি ৰখা মৰমৰ দামী দামী সাজ আৰু অলঙ্কাৰ বোৰ পিন্ধিছিলোঁ। আকাশৰ বাবে ঘৰৰ পৰা নানাবিধ খোৱা বস্তু কৰি লৈ গৈছিলোঁ। মই যেন পখিলা হৈ গৈছিলোঁ, দুকাষে দুখন প্ৰেমৰ ফুট্ ফুটীয়া পাখী, পাখী কপাঁই কঁপাই মই যেন অলেখ ফুল তৰা ডাৱৰৰ মাজে মাজে উৰা মাৰিছিলোঁ।

নাজে বহুদিন সোঁৱৰাই দিছিল—আকাশৰ বিষয়ে লিখি নিদিয়া ইমু? দিম নিশ্চয় দিম; এই কেইদিন মই অকণমান ব্যস্ত জানা; তুমি বেয়া নাপাবা নাজ।

আকাশ! মাজে মাজে মোৰ ওচৰতে থকা যেন লাগে; কিন্তু মাজে মাজে আতৰি যাব খোজে। সুধিবলৈ ইচ্ছা হয়—তুমি মোক বিশ্বাস নকৰা আকাশ? নকৰা? কিন্তু নোসোধো। কিবা লাজ লাগে। মনতে ভাবোঁ নাই, নাই মই আকাশক ইমান ভাল পাওঁ, আকাশে নিশ্চয় মোক বুজি-বলৈ চেষ্টা কৰিব। প্ৰেমৰ ওপৰত মোৰ যে গভীৰ আস্থা আছিল।

সেই দিনা ………।

হাতত এসোপা ব্লিডিং হাৰ্ট আৰু কেইটামান উইপিং উইলাৰ, সৰু সৰু ডাল লৈ আকাশক লগ ধৰিবলৈ গৈছিলোঁ। ইতিমধ্যেই আকাশ প্ৰায় সুস্থ হৈ উঠিছেই। দুই এদিনতে হস্পিতেল এৰাৰ কথা। মোৰো ছোন কথাটো ভাবি ভাল লাগিছে; আকাশ আৰোগ্য হ'ল, এটা যেন মধুৰতম খবৰ।

পৰ্দাখন গুচাব খুজিও মই থমকি ৰৈ গলোঁ। সেয়া আকাশ আৰু নাজ। কাণপাতি শুনিলো: নহয় নাজ, হয়তো সচাঁই ইপ্সিতা দেখীয়ে মোক ভাল পাবলৈ বিচাৰিছে। অভিনেত্ৰী প্ৰেম…… …. .. … …. ….. ….. ….. ধেৎ আকাশ এইবাৰ নাজে কলে, ইমুক তেনেকৈ নকবাচোন? তেওঁ তেনেকুৱা ছোৱালী নহয়। ডজনে ডজনে ছোৱালীৰ লগ লগা, মদখাই নিজৰ নষ্ট কৰা, আকাশৰ সতে প্ৰেম কৰিবলৈ ইমু নাজৰ লেখীয়া মুৰ্খ নহয়। আকাশে কলে— তথাপি মোৰ যে সন্দেহ হয়। বাৰু মই সুধি চাম ৰবা, ইমুই নিশ্চয় মোৰ পৰা একো লুকুৱাব। নাজে কলে নাৰীৰ স্বাভাবিক ঈৰ্ষা লৈ পৰ্দাৰ ফাঁকেৰে চালোঁ, দেখিলোঁ আকাশৰ নিবিড় বাহু বন্ধনত নিশ্চিন্ত হৈ নাজে ….. ….. …..।

হাতৰ পৰা মোৰ ব্লিডিং হাৰ্টৰ বগা ৰঙা ফুলবোৰ আৰু উইপিং উইলোৰ দীঘল দীঘল পাতবোৰ পৰি গ'ল। উদ্‌গত চকুলো সম্বৰণ কৰি তাৰ পৰা মই নিঃশব্দে পলাই আহিলোঁ।

ঘৰপাই চিঞৰি চিঞৰি কান্দিবলৈ খুজিছিলোঁ। কিন্তু কন্দা নাছিলোঁ, মোৰ ক্ৰন্দনবোৰ কলমৰ আগেদি আখৰ হৈ তুলা পাতত জিলিকি উঠিছিল। মই আকাশৰ বিষয়ে লিখিছিলোঁ। লিখিছিলোঁ— আকাশৰ সতে নক্ষত্ৰনাৰ নিবিড় প্ৰেমৰ কথা। পিচদিনা পুৱাই নক্ষত্ৰনা মোৰ ঘৰ ওলাইছিলহি। মই নাক্ষৰ হাতত আগদিনা লিখা কাকত খিলা তুলি দিছিলোঁ— বিনা বাক্য-ব্যয়ে নাক্ষে পঢ়িছিল, আনন্দতে ইমানকৈ হাঁহিছিল। ময়ো হাঁহিছিলোঁ—হাঁহিব লাগে বাবেই। নাক্ষে সুধিছিল তুমি কেনেকৈ জানিলা ইমু? মই কৈছিলোঁ, নিজৰ সেইবোৰ নাই বুলি আনৰ কথাও নেজানিম নেকি? মযোতো ছোৱালী !!

সদায়েই মই হাঁহো জানা, নিজকতো নিঃস্ব বুলি দেখুৱাই দিব নোৱাৰি। ওবে জীৱন চকুলো ঢাকি মই হাঁহিবই লাগিব। আকাশ নাক্ষ, তোমালোক চবে ভাবি থাকা মই খুব সুখী বুলি। কিন্তু মযোতো ছোৱালী........।

# পৰিবৰ্ত্তন

শ্ৰীখেগীন্দ্ৰ শৰ্ম্মা

১য় বাৰ্ষিক ( বিজ্ঞান )

মনটো এতিয়াও গধুৰ হৈয়ে আছে। মনৰ বোজাটো পাতলাবৰ বাবেই মৰমৰ বাগিচাখনত সোমাই পৰিলোঁ। ফুলবোৰ আলফুলকৈ চুই চুই সুগন্ধি ঘ্ৰাণ ললো; এটি ফুল যিটো ফুলে মোৰ মনলৈ আনে অন্তহীন ভাবাবেগ আৰু যাৰ পৰশত অন্তৰৰ সকলো দুখ বেদনাৰ বিলুপ্তি ঘটে। কিন্তু ক'তা আজিটো মোৰ চিন্তাৰ কোনো পৰিবৰ্ত্তনেই নহ'ল। তথাপি ফুল এজোপাৰ তলত দুবৰীৰ দলিচাত ভাগৰুৱা মন এটিৰে বহি পৰিলোঁ। এটা কথাই মনত বৰ দুখ দি আছে। কথাটো হ'ল, ৰমেণক সুধিছিলোঁ—তুমি বিধবা বিবাহ পচন্দ কৰা নে?" উত্তৰত " এহোঁ, একেবাৰে নকৰোঁ। কোনোবাই বিয়া কৰাই সংসাৰ কৰা ছোৱালী এজনীক কিয় বিয়া কৰাবা বা কৰায় ভাই! তাৰ প্ৰশ্নই উঠিব নোৱাৰে। তাতে আকৌ পৰিয়াল পৰিকল্পনাৰ

কথা জানাই নহয় ?" "কিয় ? প্ৰশ্নই উঠিব নোৱাৰে ? লাজ পালোঁ, দুখ পালোঁ। কিয়নো এতিয়াও কি শিক্ষিত কি অশিক্ষিত কোনেও বিধবাবোৰৰ দুখ-বেদনাৰ কোনো কথাই চিন্তা নকৰে নেকি ? কিমান গম্ভীৰ দুখৰ বোজা কঢ়িয়াই মাক দেউতাকৰ ঘৰত তুষ জুইত পুৰি মৰিব লাগিছে। অৱশ্যে তিনিটা, চাৰিটা সন্তানৰ মাতৃ বিধবা সকলৰ কথা মই কব খোজা নাই। অন্ততঃ সন্তানৰ মুখ নেদেখাকৈ বা এটা সন্তানৰ মুখ দেখি বিধৱা হোৱা সকলৰ কথাই কব বিচাৰিছোঁ। এতিয়াও বিশেষকৈ ব্ৰাহ্মণ সমাজত তেনেকুৱা কত বিধবাই অজ্ঞাতত চকুপানী টুকি টুকি জীৱন অতিবাহিত কৰিব লাগিছে, তাৰ জানো হিচাব কোনোবাই ৰাখিছে ? সিহঁতৰো নিশ্চয় এখন জীৱন্ত হৃদয় আছে, জীৱন্ত আশা-আকাঙ্খা আছে। তেনেকুৱা জীৱন্ত হৃদয়বোৰ অকালতে মৰহি যাব দিয়া মানে, সমাজ এখনৰ ধ্বংস হোৱা। তেনেকৈ অকালতে মৰহি যাব দিয়া সকলৰ মাজৰ পৰাই সমাজত অশান্তি হোৱাৰ ভয় থাকে বোধিছোঁ।

আৰু কলোঁ—"বিধবাবোৰে কিমান বিৰহ বেদনাৰে দিনবোৰ অতিবাহিত কৰিব লাগিছে, তাৰ চিন্তা এবাৰো কৰি চাইছা নে ? পৰিয়াল পৰিকল্পনা আইনৰ ফালৰ পৰাও সন্তান নোহোৱাকৈ বা এটা দুটা সন্তানৰ মাতৃ বিধবাক বিয়া কৰোৱাতো কোনো দোষৰ কথা হব নোৱাৰে। ব্ৰাহ্মণ সমাজতো বিধবা বিবাহ প্ৰচলন হোৱাতো কামনা কৰো। সমাজত বিধবা বিবাহ প্ৰচলন কৰাই বিধবাবোৰৰ মঙ্গল কামনা কৰিবলৈ মই দৃঢ়-প্ৰতিজ্ঞ। ৰমেণে কৈছিল—'তাৰ মানে, বিধবা কোনোবা এজনীৰ লগত তোমাৰ প্ৰেম নে ভালপোৱা কিবা আছে, নহয় নে ?" কথাখিনি তেওঁ ধেমালিৰ সুৰত কলেও খং কৰিছিলোঁ আৰু কৈছিলোঁ—"তুমি যিয়ে নোকোৱা ব্ৰাহ্মণ সমাজত বিধবা বিবাহ প্ৰচলন কৰাবই লাগিব আৰু আমাৰ সমাজৰ অন্ধ-বিশ্বাসবোৰ নাইকিয়া কৰিবই লাগিব। মতাবোৰৰ কিছুমানে বৰলা হৈও তিনি চাৰি বাৰ বিবাহ কৰাব পাৰে; তিৰোতাই দ্বিতীয় স্বামী গ্ৰহণ কৰাত বাধা কি ? তিৰোতাই দ্বিতীয় স্বামী গ্ৰহণ কৰা একো পাপ নহয়। কিয় মতাবোৰৰোতো পাপ হব লাগিছিল, যদি সেয়ে হয়। সোৱা নোচোৱা কিয় দীনেশ আতৈ তিনি কুৰি পাঁচ বছৰ বয়সতো দেখোন ওঠৰ বছৰ বয়সীয়া ফুলপাহি যেন ছোৱালী জনী বিয়া কৰালে; মানে ছোৱালী জনীৰ উজ্জ্বল ভবিষ্যতত ক'লা আঁৰ কাপোৰ তৰিলে। এই মহাপাপটো কৰাতকৈ যদি তেওঁ বিধবা এজনী বিয়া কৰালেহেঁতেন, তেতিয়াহলে দুয়োকূল উদ্ধাৰ হ'লহেঁতেন। তুমি কি কোৱা ?" সুধাই কৈছিলোঁ—"তুমি কি কব খোজা ৰমেণ ?" ৰমেণে ক'লে "মই একো বুজি নেপাওঁ। এতিয়া উঠিলোহে।" আৰু লগে লগে খপংকৰে উঠি গুচি গৈছিল। কথা ইমানেই। আজি, কালিৰ সেই কথাবোৰ চিন্তা কৰিয়েই এইয়া ফুল জোপাৰ তলত বহি আছোঁ এক চিন্তা গধুৰ মনেৰে।

সমাজ ধৰ্ম্মৰ বান্ধোনবোৰ মানুহেই কৰি লোৱা। মানুহ মাত্ৰেই ভুল হয় যেতিয়া সেই নিয়ম-নীতিবোৰত ভুল হৈ যোৱাতো স্বাভাৱিক কথা।

সেই নিয়ম-নীতিবোৰ পুঙ্খানুপুঙ্খৰূপে বিচাৰ

কৰি গোত হৈ যোৱা ভুল-চুকবোৰৰ শুধৰনি কৰাতো আমাৰ ডেকা সমাজৰ কাম । সেই কাৰণেই ব্ৰাহ্মণ সমাজত বিধবা বিবাহ প্ৰচলন কৰাত উঠি পৰি লাগিছোঁ ।

ৰমেণ আৰু মই পঢ়া কালিৰে বন্ধু । ৰমেণ বি-এ, এপেক্স বেঙ্কৰ কেৰাণী । তেওঁতৰ দুটা ল'ৰা-ছোৱালী আৰু ঘৈণীয়েকেৰে সংসাৰখন ভালেই চলিছে । মই বি-এ পাছ কৰি হাইস্কুলৰ চাকৰিত সোমাওঁ । মইয়ো বিয়া হৈছিলো আজি পাচ বছৰ আগতেই । বিয়া হোৱাৰ দুবছৰ পিছতে আমাৰ সংসাৰত আৰু এটি প্ৰাণীয়ে পদক্ষেপ পেলাইছিল ; সি মোৰ মৰমৰ, নয়নৰ মণি পিনু । পিনুৰ মাক বিজুলী, মই, পিনু আৰু মোৰ ভনী মিনুক লৈ আমাৰ সংসাৰখন গঢ়ি উঠিছিল । এটি সময়ত মোক পিনু, বিজুলী, মিনুৰ মৰমে অনাবিল আনন্দ দিছিল, সকলো দুখ-কষ্ট পাহৰি পেলাইছিলো । সংসাৰখন মোৰ বাবে স্বৰ্গ স্বৰগ লাগিছিল ।

শৰতৰ পূৰ্ণিমাৰ ভৰ জোনাকেৰে ভৰপূৰ এটি নিশা । ভাত পানী খাই মোৰ ভনী মিনুৱে কোৱা সাধু শুনি শুনি বিশ্ৰাম লৈছিলোঁ । কেই মুহূৰ্তমান অতিক্ৰম কৰাৰ পিছত বিজুলীয়ে চক্‌মক্ খাই কৈছিল— "মোৰ বুকুখন বৰকৈ বিষাইছে ।" আৰু অভাৱনীয়ৰূপে কেইটামান চঞ্চল মুহূৰ্তৰ পিছতে সকলোকে কন্দুৱাই বিজুলী গুচি গৈছিল । পিনু তেতিয়া টোপনিত লালকাল, মিনুৱে পাৰে-মানে কান্দিছিল আৰু মোৰ সপোন সপোন যেন লাগিছিল । শৰতৰ পূৰ্ণিমা নিশাটো মোৰ বাবে অমানিশা হৈ পৰিছিল আৰু যেন মোৰ চাৰিওফালে ধুমুহা, ধৰষুণ, শিলাবৃষ্টি হৈ আছে, এনে হেন লাগিছিল ।

আজি বিজুলিয়ে এৰি যাবৰ দুবছৰেই হ'ল । বিয়া কৰোৱা নাই । কিন্তু মিনুৱেতো মোক সদায় খুৱাই নেথাকে । তাইয়ো ডাঙৰ হৈ আহিল । গতিকে মই পুণৰ বিয়া হোৱাটোকে ঠিৰাং কৰি পেলাইছিলোঁ ।

আজি দুবছৰে মোলৈ বহু ছোৱালীকেই দিব বিচাৰিলে । কিন্তু ভাব হয়, মই চল্লিশ বছৰীয়া মানুহজনে ওঠৰ, উনৈশ বছৰীয়া ছোৱালীৰ লগত বিয়া হোৱাতো জানো যুক্তি সঙ্গত হব ? কুৰি শতিকাৰ সভ্যমানৱ হৈ মই তেনে কৰাতো ভুল হব । ছোৱালীৰ লগত বিয়া হোৱাৰ কথা মনত পৰিলেই মোৰ মানস পটত ভাঁহি উঠে বহু মুখ — মানে মোৰ ছাত্ৰীবোৰৰ মুখবোৰ ।

আজি এমাহ আগতে নীলিমাক মোলৈ দিবৰ ইচ্ছাৰে মাক আহিছিল । নীলিমা— সেই গোলাপী ৰঙৰ মেখেলা চাদৰ পিন্ধা ছোৱালীজনী । বয়স পোন্ধৰ বছৰ । মোৰ ভনী মিনুৰ শ্ৰেণীৰ বান্ধৱী । মোক সদায় দা, দা বুলি মতা ছোৱালীজনী । নীলিমাৰ মাকে কথাষাৰ কোৱাৰ লগে লগে আকাশ খহি মোৰ মূৰত পৰা যেন পালোঁ । লাজ আৰু খঙত কাণ-মূৰ গৰম হৈ গৈছিল । নীলিমাৰ মাকক কলোঁ "মই বিয়া হোৱাৰ আশা খুব কম আৰু নীলিমাৰ কাৰণে দৰা এজনৰ দিহা ময়ে কৰিম বাৰু ।" "এতিয়া

উঠোহে মাটিৰ বোপা" বুলি নীলিমাৰ মাক গুছি গৈছিল। মোৰ মানস পটত শেতিয়া নানা কথাই লুকা-ভাকু খেলিছিল আৰু এটা সময়ত সকলোবোৰে সামা মূৰ্ত্তি ধাৰণ কৰিছিল।

আজি এসপ্তাহ আগতে মই এজনী বিধবাৰ লগত বিবাহ হোৱাটো ঠিক কৰি পেলাইছোঁ। নাম তাইৰ শেৱালি, এজনী ছোৱালীৰ মাতৃ, বিধবা। মোৰ ঘৰৰ পৰা চয় মাইল আঁতৰৰ অতি কষ্টেৰে দুখ বেদনাক জীৱনৰ সৰ্ব্বস্ব বুলি বাস কৰি থকা, দেখিলেই বহু বছৰে গচকি যোৱা যেন লগা; কিন্তু জীৱন্ত হৃদয় এখনেৰে সেই শেৱালিজনী। ইতিমধ্যে শেৱালিৰ মতামত লৈছোঁ। তাইৰ কোনো আপত্তি নাই। শেৱালিৰ মতামত লওঁতে মুখৰ অভিব্যক্তিৰ পৰা বুজিবলৈ বাকী নাছিল যে, আজি পাচ চয় বছৰে অপৰিতৃপ্ত হৈ থকা আশা-আকাংখাবোৰ পূৰ্ণ হোৱাৰ আশাত শেৱালীৰ হৃদয় নাচি উঠিছিল।

শেৱালিৰ লগত বিবাহ-পাশত আবদ্ধ হব খোজা কথাটো মোৰ ইষ্ট-কুটুম, বন্ধু-বান্ধৱ, ওচৰ-চুবুৰীয়া সকলোৱে গম পাইছে। এই বিবাহত সকলোৰে আপত্তি, পূৰ্ণ অসমৰ্থন। সকলোৰে মনবোৰৰ প্ৰায় বুজ লইছোঁ। সমাজৰ পৰা বহিস্কাৰ কৰিম বুলি ভয় দেখুৱাইছে আৰু কিছুমানে বিবাহত নাহো নেখাও বুলিও শুনাইছে। আনকি মিনুৱেও বাধা নজন্মোৱাকৈ থকা নাই। এইয়া যোৱা কালি মোৰ বাল্য কালৰ বন্ধু ৰমেণৰো প্ৰকাৰান্তৰে মতামত ললোঁ। তাৰো বিধবা বিবাহ পত্যন্ত আপত্তি। এই ক্ষুদ্ৰ আপত্তি বোৰে মোৰ প্ৰতিজ্ঞা ভঙ্গ কৰাব নোৱাৰে। ৰমেণৰ মন্তব্যই মোক বিচলিত কৰিব পৰা নাই, মোৰ প্ৰতিজ্ঞাত দৃঢ়ভাৱে আগবাঢ়িবলৈহে বল যোগাইছে। এই বিবাহত কোনো নাহে, নেখায় তাত কোনো আপত্তি নাই। মই বিচাৰিছোঁ মাথো ব্ৰাহ্মণ সমাজত বিধবা-বিবাহ প্ৰচলন কৰাই বিধবা সকলৰ দুখ মোচন কৰিবলৈ; অৰ্দ্ধমৃত জীৱনৰ কৰাল গ্ৰাসৰ পৰা মুক্তি দিবলৈ। বিধবাবোৰে 'নৱজন্ম' পাওঁক আৰু নতুন সেন্দুৰীয়া আলিৰে নতুন দিগন্তলৈ খোজ দিয়ক। সমাজৰ কুসংস্কাৰ আৰু অন্ধ বিশ্বাসবোৰ দূৰ হওঁক। সকলো বাধা বিঘিনি অতিক্ৰম কৰি মই মোৰ কৰ্ত্তব্য পথত অগ্ৰসৰ হবই লাগিব। মোক কোনো বাধাই পৰাজয় কৰিব নোৱাৰে। মই সমাজত পৰিবৰ্ত্তনৰ ধুমুহা বলাম। মই বিচাৰিছোঁ সমাজৰ পৰিবৰ্ত্তন.... ..... পৰিবৰ্ত্তন !!

# মুক্তি

শ্ৰীৰঘু শৰ্ম্মা
১ম বাৰ্ষিক কলা

...... "হেজাৰ জনতাক অৱমাননা কৰিবলৈ কাৰ শক্তি আছে ? ভাৰত চৰকাৰে আমাক কিটো দিছে ? ইমান সোপা খাৰুৱাতেলৰ সন্ধান পায়ো নুই কৰিলে আমিয়েবা মানিম কিয় ? গণতন্ত্ৰ কাৰ দ্বাৰা গঠিত ? জন-গণৰ দ্বাৰাই গঠিত আৰু পৰিপুষ্ট নহয় জানো? তেনেহলে জনগণৰ দাবী নামানিলে জনগণেই এৰিব জানো ? নেৰে। দাবী কৰিব। আন্দোলন কৰিব, সংগ্ৰাম কৰিব। আমাৰ ঘৰৰ খাৰুৱা তেলেৰে আমাৰ ঘৰতেই শোধনাগাৰ পাতিম, আগিলা পাতি চৰকাৰে দিবই লাগিব। বাহিৰলৈ খাৰুৱা তেল নিবলৈ দিমেইবা কেলেই ? উচ্চ পৰ্য্যায়ৰ তেল শোধানাগাৰ অসমত নোহোৱাকৈ আমি জন-গণই কেতিয়াও নেৰিম। তেজ দিম কিন্তু তেল নিদিম।"

ৰকুৱা বহাৰ লগে লগে সকলোৱে জয়োল্লাসেৰে হাত চাপৰি বজালে। বিৰূপাক্ষৰো অন্তৰত আজি শতেক জোৱাৰ ভাটাই উঠা নমা কৰিছে। আঢ়ৈ কুৰিৰ দেওনা পাৰ হোৱা বিৰূপাক্ষৰ গাত আজি বিশ বছৰীয়াৰ কেচাঁ তেজে পিৰপিৰনি তুলিছে। এৰা, ভাৰত চৰকাৰে আজি অসমক পূৰ্ণ পৰ্য্যায়ৰ তেল শোধনাগাৰ দিবই লাগিব। এয়া অসমৰ ন্যায্য প্ৰাপ্য নিদি নোৱাৰে। ঠিক সেইদৰে এদিন বৃটিচ চৰকাৰে ভাৰতক স্বাধীনতা দিবলৈ বাধ্য কৰাইছিল। হেজাৰ হেজাৰ জনতাই দেশ মাতৃৰ স্বাধীনতাৰ বাবে হাঁহি মুখে কেঁচা তেজ দিছিল। বিৰূপাক্ষও আগবাঢ়ি গৈছিল সেই আন্দোলনত।

সেয়া এক অতীত কাহিনী।

এটা সময়ত গোটেই দেশখন স্বাধীনতাৰ আন্দোলনে গুঞ্জন তুলিছিল। ভাৰতবাসীয়ে নিজ স্বাৰ্থ পৰিত্যাগ কৰি, ভেদাভেদ পাহৰি, উত্তেজিত হৈ জপিয়াই পৰিছিল মুক্তি আন্দোলনত। গান্ধীজীৰ অহিংসা মহামন্ত্ৰ শিৰোগত কৰি হেজাৰ জনতা একগোট হৈ পুলিচ থানা, জেলখানা, ৰাস্তা, পদূলি বেৰি ধৰি সমস্বৰে কৈছিল – 'ভাৰতক মুক্তি লাগে, আমাক স্বাধীনতা লাগে।' লগে লগে পতাকা উত্তোলন হৈছিল। সেই পতাকা কিন্তু অধিক সময় থাকিব পৰা নাছিল, নমাই পেলাইছিল। নমাইছিল এক শ্ৰেণী ভাৰতীয়ই, বগা বঙালৰ পোহনীয়া চাকৰে। শত সহস্ৰ লাঠিৰ কোব আৰু গুলি চালনাত জনতাপুঞ্জ বেদনাক্লিষ্ট হৃদয় লৈ সংগ্ৰাম কৰিছিল তথাপি সিহঁতৰ বিপক্ষে হাত দঙা নাছিল! সেয়া আছিল গান্ধীজীৰ মহামন্ত্ৰ সত্যাগ্ৰহ আন্দোলন।

বৃটিছৰ অংপালিত ছাত্ৰ শক্তিও উত্তেজিত হৈ উঠিছিল। বিৰূপাক্ষ তেতিয়া নৱম শ্ৰেণীৰ ছাত্ৰ। তেজ কণিকাই শৰীৰত অন্যায়ৰ বিৰুদ্ধে পিৰপিৰণি তোলা এটা অৱস্থা। স্কুলৰ অধিক সংখ্যক ছাত্ৰই এই আন্দোলনত জপিয়াই পৰিছিল।

বিৰূপাক্ষ আছিল বিক্ষোভকাৰী ছাত্ৰ দলৰ নেতা। সকলোৰে মুখত একেটাই কথা — ভাৰত আমাৰ, আমাক স্বাধীনতা লাগে।"

বিক্ষোভকাৰী ছাত্ৰদল আগবাঢ়ি গ'ল আৰু পতাকা উত্তোলন কৰি ভাৰত জননীৰ জয়গান গাবলৈ আৰম্ভ কৰিলে। বৰ বেছি সময় তেনেদৰে থাকিব পৰা নাছিল— কেইজনমান পুলিচে পতাকা নমাবলৈ আদেশ দিলে। কিন্তু কোনেও কাণসাৰ নিদিলে। এই চেলুতে পুলিচহঁতে পতাকাখন নমাই পেলালে আৰু ছাত্ৰদলৰ ওপৰত লাঠি চালনা কৰিলে। বিৰূপাক্ষৰ মূৰে গাই অনেক কোব পৰাৰ কথা তাৰ এতিয়াও অন্তৰত জাঁহে। সি চেতনাবিহীন হৈ মাটিত বাগৰি পৰিছিল। যেতিয়া সি চেতনা ফিৰাই পাইছিল— সি দেখিলে বিচনাত, মাক দেউতাকৰ ওচৰত।

লাঠিৰ কোব খোৱাৰ দহ দিনমান পিচত তাক পুলিচে গ্ৰেপ্তাৰ কৰিলে। তেতিয়া সি দীঘলী পুখুৰীৰ পাৰত। বিৰূপাক্ষক শিকলি লগাই লৈ গৈছিল– কোনো এক মজলা ঠাইলৈ।

বিৰূপাক্ষৰ দুগালেৰে দুধাৰি চকু পানী বৈ আছিল। কাৰাগাৰবাসী হব লগা বাবে নহয়— মিছা অপবাদ জাপি দিয়া বাবে।

কেইখনমান ফটোৰ বাবে পুৱাতে কেমেৰাটো লৈ ওলাই গৈছিল সি। প্ৰকৃতি প্ৰেমী বিৰূপাক্ষই প্ৰাকৃতিক দৃশ্যবোৰ ভাল পায়। সেয়ে ধৰি ৰাখিব বিচাৰে কেমেৰাটোৰ জৰিয়তে। প্ৰথমখন ফটোৰ বাবে সাজু হৈছে মাথো, এনেতে কেইজনমান পুলিচে তাক গ্ৰেপ্তাৰ কৰি গৰ্জি উঠিল— "হাতত পিষ্টল লৈ সত্যাগ্ৰহী হবলৈ আহিছ বুৰ্বক।" লগে লগে তাৰ হাতৰ কেমেৰাটো দীঘলী পুখুৰীৰ মাজত দলিয়াই পেলালে আৰু কাগজ এখনত চহী কৰিবলৈ কলে। তাত লিখা আছিল - 'হাতত পিষ্টল লৈ এজন ইংৰাজ কৰ্মচাৰীক হত্যা কৰিব খোজা অপৰাধত আজি—

বিৰূপাক্ষক গ্ৰেপ্তাৰ কৰা হৈছে।' কথা খিনি পঢ়ি সি এটা অবুজ চাৱনিৰে পুলিচৰ মুখৰ ফালে একেথৰে চাই থাকিল। এটা সুন্দৰ হাঁহি মাৰি তাক আদেশ দিলে—'চহী কৰ ভতালিকে।'

বিৰূপাক্ষৰ দুগালেৰে দুটোপাল চকুপানী বৈ আহিল।

প্ৰতিবাদ কৰা নাছিল বিৰূপাক্ষই। বুজিছিল ইংৰাজৰ পাপলীলা অৱসান নোহোৱা পৰ্যান্ত এই ভাবেই জীৱন দান দিব লাগিব। তাক বিচাৰকৰ ওচৰলৈ নিয়া হৈছিল। বিচাৰৰ ফল বিচাৰকৰ ইচ্ছাধীন। হয় ফাঁচি নহয় আজীৱন কাৰাবাস। বিৰূপাক্ষই জানিছিল

সেয়ে হ'ল— আজীৱন সশ্ৰম কাৰাবাস। এটা অন্ধকাৰ কাৰাগাৰলৈ তাক সোমাই লৈ গৈছিল। আজীৱন হয়তো সি তাতে পচি পচি মৰিব লাগিব। তাতো তৃপ্তি আছে – বিৰূপাক্ষই ভাবিছিল। হেজাৰ জনতাই মাতৃ পূজাৰ হকে এইদৰে প্ৰাণ বিসৰ্জন দিছে, সিও তাৰে ভিতৰত এজন হব।

সময়ৰ মুহূৰ্ত্তবোৰ কালৰ চকৰিত লাগি উৰি যায়। দিন বাগৰে—বছৰৰ গণ্ডী পাৰ হয়। বিৰূপাক্ষ নিৰাশ হয়। ইমান দিনেও ভাৰতে মুক্তি নাপালে। সি বাহিৰৰ পৃথিৱী নেদেখে, নেদেখে সূৰুযৰ সোণোৱালী আভা। পিতা-মাতাৰ খবৰ নাপায়, নাপায় বিক্ষোভকাৰী জনতাৰ অভিমত। বহুযুগ যেন সি সেই কাৰাগাৰতে আছে। অথচ ইমান দিনেও ভাৰতে মুক্তি নাপালে। তেন্তে কি ভাৰতীয় জনতাই মুক্তি আশা ত্যাগ কৰিলে?

কৰা নাছিল। এদিনাখন সেই ভুল ভাঙিল তাৰ।

টং, টং, টং,........

মাজ নিশা বাৰ বজাৰ সঙ্কেত। মহ উৰহ পিপৰা আদিৰ দংশন; বৰ কাঁহৰ টং, টং শব্দ বিৰূপাক্ষৰ চিৰ পৰিচিত। সেই সদায় কাণ তাল মাৰি ধৰা শব্দবেই কাঁহ চতাত কোবাইছিল — হয়তো ৰাতিৰ চৌকিদাৰ জনে।

কেৰ, কেৰ, কেৰেট্।

বিৰাট লোহাৰ দৰ্জাখন খুলি বিৰূপাক্ষক শিকলি মুক্ত কৰি বাহিৰ কৰি দিলে এজন কনিষ্টবলে। হতবম্ব হৈ সি কনিষ্টবল জনৰ ফালে চাই থাকিল। কি মৰম ওপজিল আজি তাৰ প্ৰতি! ইমান দিনে যমৰ যাতনা সহি এই নিষ্ঠুৰ কাৰাগাৰত জীৱন অতিবাহিত কৰিছে – কিন্তু আজি কি পুতৌ উপজিল তাৰ প্ৰতি! বিৰূপাক্ষই সপোন দেখা নাইতো।

এজন এজনকৈ কেবাজনো কাৰাগাৰবাসীক বাজকৰি দিয়া তাৰ চকুত পৰিল। তেন্তে জানো ভাৰত বাসীৰ অভিষ্ট সিদ্ধি হ'ল।

দূৰৰ পৰা এটি জয়ধ্বনি ভাঁহি আহি তাৰ কাণত পৰিল – 'জয় ভাৰত মাতাকি, জয় গান্ধীজীকি।

বিৰূপাক্ষৰ অজানিতে এটি হাঁহি ফুটি উঠিল, তাৰ শুকান ওঠত।

১৯৪৭ চন, পোন্ধৰ আগষ্ট।

ভাৰতবৰ্ষই স্বাধীনতা পালে। হেজাৰ নিজাৰ

জনতাৰ মনৰ উদ্দেশ্য পূৰ্ণ হ'ল। বৃটিছৰ প্ৰচণ্ড দমন নীতি এদিন জঁই পৰি গ'ল। গঠিত হ'ল ভাৰতবৰ্ষত গণতন্ত্ৰ শাসন। করুণাবিহীন কাৰা-গাৰত অসহনীয় যাতনা ভোগ কৰি এদিন মুক্তি মাতি আনিলে সহস্ৰ জনতাই। বিৰূপাক্ষও একজন। এইবোৰ কথা ভাবি তাৰ আজিও ভাল লাগে।

সেয়া আছিল বৃটিছ সিংহৰ বিপক্ষে স্বাধীনতা সংগ্ৰাম আৰু এয়া গণতন্ত্ৰৰ পৰিচালকৰ ওচৰত ন্যায্য প্ৰাপ্তিৰ দাবী। মূলতঃ দুয়োটা একে কথা। একে অৱহেলিত জনতাৰ ন্যায্য প্ৰাপ্তি বিপ্লৱ। যমৰ যাতনা দিও বৃটিছে জনতাক দমাব নোৱাৰিলে - মুক্তি দিবলৈ বাধ্য হ'ল। অসমে কি এদিন পূৰ্ণ পৰ্য্যায়ৰ তেল শোধনাগাৰ নাপাব?

বিৰূপাক্ষ চমকি উঠিল। তাৰ চিন্তাৰ আঁত হঠাৎ হেৰাই গ'ল। সকলোৱে ঠিয়হৈ সমবেত কণ্ঠত ৰাষ্ট্ৰীয় সঙ্গীত গাইছে। বিৰূপাক্ষ খক্ মক্কৈ ঠিয় হ'ল।

মাত্ৰ শেষৰ ফাঁকিটোহে সি গাব পাৰিলে।
... জয়, জয়, জয়, জয় হে।

# কেৰেলুৱাৰ পাক

শ্ৰীধীৰেণ শৰ্ম্মা
২য় বাৰ্ষিক (কলা)

এখনি বিশাল অথচ ধূনীয়া আকাশ। শাৰদীয় বতৰ। শাৰদীয় জোনটিও পবিত্ৰ ফুল এটিৰ দৰে নিষ্পাপ, পৰ্ব্বতীয়া জুৰিৰ দৰে নিষ্কলুষ হৈ সকলোৰে মন প্ৰাণ জুৰ পেলাইছে। বিৰ্-বিৰ্কৈ মলয়া বতাহ ছাটিয়ে তাতে সোণত বাখৰ খটুওৱাই ৰূপতে ৰহণ চৰাবলৈয়ে বোধহয় ইফালৰ পৰা সিফাললৈ কণমান নাইটি-ভটি হতে খেলা দোলনিৰ দৰে তুলি আছে। নিশা বাৰ বাজিবলৈ মাত্ৰ কেইমিনিট মানহে বাকী। গোটেই পৃথিৱীখনি দিনটোৰ ব্যস্ততাৰ পৰা অকণমান হাত সাৰি নিমাত নিস্তব্ধ হৈ পৰি আছে। নিদ্ৰা দেৱীৰ মায়াৰ বল আৰু আদেশত সকলো টোপনিৰত হৈ নিচাল দি পৰি আছে। কিন্তু তেওঁয়ে নিদ্ৰা দেৱীৰ লগত সংগ্ৰাম কৰি বিজয়ীনী হৈ উজাগৰে আছে আৰু খুব ভালদৰে জাগি আছে তেওঁৰ অশান্ত মনটি। ব্যস্ততাৰ

নীৰৱতা ভঙ্গ কৰিবলৈ ওচৰৰ ৰেল ষ্টেচনটিৰ যাত্ৰীৰ সমাগম আৰু গুণ-গুণনিয়ে খুব চেষ্টা কৰিছে। অৱগমান আগতে অহা ৰেলখনে মৰা বিকট দীঘল উকিটি আৰু জিলি কেইটাৰ চিএঃৰৰ বাহিৰে একোকেই শুনা নাই এই নিশা উজাগৰে থকা তিতিজনীয়ে।

তিতিজনী কান্দি কান্দি একেবাৰেই তিতি গৈছে। দুচকুৰ অবাধ্য চকুলো কেইধাৰি গিৰ-গিৰকৈ ওলাই আহিল ঠিক অবাধ্য দুষ্ট ল'ৰাৰ দৰে। তিতিৰ চকুলোৰে ৰচনা কৰা জিলমিলনিত চিকমিকাই উঠিল এখনি ধুনীয়া মুখ। যাৰ জ্যোতিত জিলিকিল নতুন আশাৰ সঁচা জেউতি। চৰহালি তিতিয়ে কিবা ভাবি মুদি দিলে চুইচ বন্ধ কৰি দিয়া বিজুলি বাতিটোৰ দৰে আৰু বাগৰি পৰি গুলী খোৱা বাঘিনীৰ দৰে। নিদ্ৰাদেৱীৰ কোমল বুকুত তিতি শুই পৰিল অকণি শান্তি বিচাৰি।

তিতিৰ লগীৰ নৈৰ ঘাটত একেলগে গা ধোৱা, সোনকালে নদীৰ পৰা উঠিব খুজিলে বালি ছটিয়াই আকৌ একেলগে গা ধোৱা, সাঁতোৰা, গুৰণিকলীয়া অসমীয়া তাঁত শাল খনতে ভমকা ফুলীয়া চালে চকুৰোৱা ফুল বচা এই জনীয়ে তিতিৰ লগৰি বন্তী। যি জনীৰ বিয়া হব অহা কালি যোৰহাটৰ ডঃ সীমান্ত চলিহাৰ লগত। এটি নিশাৰ বিৰতিৰ পিচতেই বন্তীজনী গুচি যাব যোৰহাটলৈ ন কইনা হিচাবে। হয়তো সীমান্ত চলিহাই খুব মৰম কৰিব, চলিহাৰ মাক বাপেক, ভায়েক-ককায়েক, বায়েক-ভনীয়েক সকলোৱে মৰমৰ উমনিত উম দিব।

পূব দিগন্তৰ পৰা দিনমণিয়ে নিজ যাত্ৰা আৰম্ভ কৰিলে ঠিক জীয়েক জোৱায়েকৰ ঘৰলৈ ভাৰে ভেটীয়ে ওলোৱা ককাদেউতাৰ দৰে।

নিদ্ৰাদেৱীয়ে তিতিৰ পৰা বিদায় লৈ গুচি গ'ল। ভালদৰে ৰাতি পুৱাল। মুখ হাত ধুই গামোচাখনিৰে মুখখন মচি বান্ধনি ঘৰত সোমাব খোজোঁতেই লচপচী বন্তীৰ ভনী ভন্টিয়ে মাত লগালে - "তিতি বা, তুমি দেখোন আমাৰ কালৈ যোৱাই নাই।" এমোকোৰা কৃত্ৰিম হাঁহিৰে তিতিয়ে উত্তৰ দিলে —'যাম নহয়। বন্তীৰ বিয়ালৈ নগৈ মই কাৰ বিয়ালৈ যাম ভন্টি।'

—'তিতি বা বলক মোৰ লগতে। মোক নিব পঠিয়াইছে। বলক মোৰ লগতে—' ভন্টিয়ে অনুৰোধৰ সুৰত কলে।

দোমোজাত পৰিল তিতি। একালে অন্তৰ ভৰা অপাৰ আনন্দ আনফালে জীৱন পাত্ৰ ভৰা বিতৃষ্ণা আৰু পাপৰ প্ৰায়শ্চিত্ত। আনন্দ আৰু বিতৃষ্ণা, এই দুয়ৰ হেঁচাত তিতিজনী হেঁপেটা হৈ গ'ল। শোকাসিক্ত জীৱন নদীত ভাই এই সকলোবোৰ এটি এটিকৈ এৰি দিলে শোকাঞ্জলি ৰূপে। তিতিৰ কৰ্ম্ম নিপুনতা আৰু ফুলতীৰ সাক্ষীৰূপে চিনাকি দিয়া ফুলবচা চাদৰ মেখেলাজোৰ পিন্ধি যাব ওলাল তিতি আৰু ভন্টি বন্তীহঁতৰ ঘৰ অভিমুখে।

উকলী জোকাৰেৰে বিয়া বিয়া লাগিছে বন্তীহঁতৰ ঘৰখনি, কইনা কইনা লগা বন্তীজনীয়ে লাজ, ভয়, শঙ্কাৰে ভৰা শোকাকুল অন্তৰ এখনি লৈ

ইফালে সিফালে ঘূৰি ফুৰি আছে।

বন্তীয়ে তিতিক দেখা মাত্রেই ব্যাধে এৰি দিয়া কাড়ঁৰ দৰে একে চাবেই তিতিৰ ওচৰ পালেহি।

বন্তীয়ে কান্দো কান্দোকৈ কলে—

—"এই তিতি! তই কিয় বাৰু মোৰ খবৰ লোৱা নাই? নে কিবা বেয়া পাইছ কনা! ইমান বেয়া লাগিছে ভাই তোলৈ।"

—"বেয়া লাগিলে কি হব বন্তী। বেয়া লগাৰ পিছতহে ভাল লগাব পাৰি।" —গহীনাই তিতিয়ে কৈ পেলালে।

"আহ তিতি, বৰ ঘৰত বহোগৈ" বুলি বন্তীয়ে কান্ধত ধৰি বৰ ঘৰৰ বিচনাখনৰ কাষত থকা ডাঙৰ আইনাখনৰ সন্মুখলৈ গৈ দুয়ো বহি পৰিল। ফটফটীয়া আইনাখনত প্রতিফলিত হ'ল দুখনি বিভিন্ন মুখৰ জ্যোতি। বন্তীৰ চকুৱে মুখে এক আশাৰ বেঙনি আৰু তিতিৰ চকুৱে মুখে জিলিকিল এক নিৰাশাৰ ক'লা ডাৱৰ।

বহু ব্যস্ততাৰে ল'ৰাৰ পৰা বুঢ়ালৈ, ছোৱালীৰ পৰা আইতালৈ সকলোৱে স্থকলমে চলাই দিলে দিনৰ বিয়াখন। নিশা বাৰ বাজি দহ মিনিট এই মাত্র গৈছে। চাৰ বাৰ বজাত এই নৱ দম্পতিৰ শুভ লগ্ন। বাৰ বাজি পোন্ধৰ মিনিট পাৰ হৈ যাব খোজোতেই ঢোলে-দগৰে, বেন্ পাৰ্টিয়ে ডাঃ সীমান্ত চলিহা আৰু দুগাড়ী ভৰা বৰ যাত্রী আহিল বন্তীক নিবলৈ যোৰহাটলৈ ন-কইনা ৰূপে।

কইনাৰ আসনত বন্তীক বহুওৱা হ'ল। তিনি কুৰিৰ দেওনা পাৰ হবলৈ দেং মেলা দেউতাক শ্রাদ্ধত বহি বামুণৰ মন্ত্রৰ লগে লগে যন্ত্রৰ দৰে যাৱতীয় বিবাহ কাৰ্য্যবোৰ কৰি যাব ধৰিলে। বামুণৰ মন্ত্রই দুখনি নুবুজা হৃদয়, অচিনাকি দুটি প্রাণীৰ মন একত্রিত কৰা আৰু জীৱন নদীৰ নাওঁ খনিৰ বঠা ধৰি স্থকলমে ফেনে ফোটোকাৰে ভৰা নদী পাৰ হব পৰাৰ স্থ-পৰিকল্পিত আচনি লৈ যথাসাধ্যে চেষ্টা কৰিছে তেওঁৰ সেই পুৰণি কলীয়া সাঁচি পাতৰ বুকুত থকা বেদমন্ত্রেৰে। হোমৰ জুই দপ্ দপ্ কৈ জ্বলি উঠি আকৌ ধুমাই ধোৱাবোৰ সিচি দিলে বিয়া চোৱা ৰাইজৰ চকুৱে মুখে, কাপোৰে কানিয়ে।

বেদনাৰ প্লাৱনত উটি ফুৰা তিতি বন্তীৰ কোঠাত শুই থাকিলহি নিশব্দে নীৰবে। নিদ্রা দেৱীয়ে বাৰে বাৰে তিতিক আমনি কৰাত কামুক পুৰুষ এজনক সতী নাৰী এজনীয়ে অপমান কৰি পঠিওৱাৰ দৰে নিদ্রা দেৱাক আতৰাই পঠিয়ালে। শাৰীৰিক আৰু মানসিক চিন্তা কৰি তাই নিজকে বৰ অসহায় আৰু ভাগৰুৱা ভাগৰুৱা অনুভব কৰি থিয়েটাৰ চোৱা মানুহে গেট পাছ লৈ বাহিৰলৈ অহাৰ দৰে বন্তীৰ দদায়েকক সুধি তিতি আহি শুই পৰিলহি নিজ ঘৰত।

ন'বাৰুণ ৰূপে দেখা দিলে অৰুণে পূব দিগন্তত। অৰুণে সিঁচি দিয়া তাপত তাপত হৈ বিয়া চোৱা ৰাইজৰ চকু তেজত সনা অস্ত্রৰ দৰে ৰঙা হৈ উঠিল, মদ খোৱা মানুহৰ দৰে দেহাবোৰ ঢুলিবলৈ ধৰিলে আৰু এটি পৰিয়াল কিবা এটি অঘটনত ধ্বংস হৈ শেষ হোৱাৰ দৰে ধন্তীহঁতৰ গোটেই ঘৰখনে উদুপি

উঠিল। উঘা চেৰেকী, তাঁতশাল, হাঁহপাৰ, গৰু ছাগলী আদিৰ মৰমে বন্তীজনীক বৰকৈ উচুপালে। অকৃত্ৰিম মৰমৰ এনাজৰীডাল যেন অলপ পিছতেই ছিগি যাব।

সীমান্ত চলিহা অহা এম্বেচেদৰ' গাড়ীখনত বহি পৰিল দৰা সীমান্ত চলিহা, কইনা বন্তী বেজবৰুৱা, দৰাৰ মিতা নীলাঞ্জন হাজৰিকা আৰু সীমান্তৰ বায়েক ভনীয়েক ক্ৰমে নয়নমালা, কুন্তলা। ড্ৰাইভাৰ জনে কৰা গাড়ীৰ ওপৰত অত্যাচাৰৰ হেতুকেই হওঁক বা সোনকালে চলিহাই যোৰহাট পাবলৈয়ে হওঁক গাড়ীখনৰ চাৰি চকা আগবাঢ়িল বন্তীহঁতৰ পদূলিৰ পৰা। লাহে লাহে গাড়ীৰ বেগ বাঢ়ি গ'ল। জোৱাৰৰ আস্ফালনত সাগৰৰ পানীয়ে উপায় হেৰুৱাৰ দৰে বন্তীজনীয়েও লাজ ভয় শঙ্কাত উপায় হেৰুৱাই পেপুৱা লাগি বহা চিঙা পৰি গ'ল। গাড়ীখনে হয়তো ঘৰ পালেগৈ ডাঃ চলিহাৰ।

বুঢ়া দেউতাকে তিতিক অশান্ত অৱস্থাত দেখি সুধিলে— তিতি কি হৈছে ?

"একো হোৱা নাই।"

"ইমান কান্দিছ"।

"কিয় নেকান্দিম ?"

তিতিজনী কান্দি কান্দি একেবাৰেই তিতি গৈছে। দুজনী গাভৰু—তিতি আৰু বন্তি প্ৰাৰ্থকাও অকণমানহে। দুয়োবো কান্দোন খিনি যদি মনৰ ভুলাচনীত জুখি চোৱা হয় তেতিয়া আমি অতি সহজতেই কব পাৰিম তিতিৰ কান্দোনৰ পৰিমাণ বন্তীতকৈ বহুগুণে বেছি। বন্তীয়ে কান্দিছিল অকল মৰমৰ ঘৰখনিক এৰিব লগা হোৱাৰ কাৰণে।

কিন্তু তিতিয়ে ? বন্তীৰ বিদায়ত যিমান কান্দিব লাগিছিল তাতোকৈ বেছি কান্দিলে তাইৰ জীৱনটোলৈ চাই, বৃদ্ধ মাক বাপেকৰ মুখলৈ চাই।

নিয়তিৰ অভিশাপত অভিশপ্তা হৈ তাই জন্ম লৈছিল। কতবাৰ তাৰ ভাবি স্বামীৰ ভৰিত পৰি সেৱা কৰিলে, কিমানে তাইক চাব আহিছিল ন-কইনা ৰূপত নিবলৈ। কিন্তু তিতি ? সদায়ে সেই একেজনী জীয়ৰী হৈয়ে থাকিল বোৱাৰী হবলৈ নেপালে। চেকুৰা চেকুৰী আঙুলি কেইটালৈ তাইৰ বৰ হৰ উঠিলত কাটি পেলাবৰ মন গ'ল। —নে কাটিয়ে পেলাব। ভাবনাৰ সূতবোৰৰ আঁত ধৰি ৰাখিব নোৱাৰি শেষত তাই বাপেকৰ বাঁহৰন কৰা চোকা কটাৰীখন আনি হাতত ললে। নিজবাৰ সন্মুখত থকা বিৰিণা কেইডালিৰ দৰে তিতিৰ বুকুখন দুৰুদুৰুকৈ কপি উঠিল। দীঘল দীঘল উশাহে তাইৰ বুকুখন কপাই তুলিলে, চকুৰে মুখে ঘামৰ কণিকাবোৰে তিৰ বৰাব ধৰিলে। তেনেতে তাইক যেন কোনোবাই বাণে কাণে কৈ গ'ল— "তিতি এনে কাম নকৰিবা ভাগ্যৰ দোষ। তোমাৰ বাবে বিবাহ আশীৰ্বাদ নহয় অভিশাপহে।" কোৰ খোৱা সৰ্পিনীৰ দৰে তাই ভীষণ আচৰিত ভাবে উগ্ৰ হৈ উঠিল আৰু চোকা কটাৰী খনেৰে তাৰ পিছত ...... ।

এটি এটিকৈ তিনিটা আঙুলি কক্ষচ্যুত পপীয়া তৰাৰ দৰে তপ্ তপ্ কৈ সৰি পৰিল মজিয়াখনত। তেজবোৰ কিলকিলকৈ ওলাই আহিল প্ৰতিশোধ বিচাৰি। অজ্ঞান হৈ পৰি গ'ল এই সৰাকী তিতি, যি জনীৰ বাবে এই ঘটনাটি একোৱেই নাছিল। আউলি বাউলি হৈ কান্দি আছে কাষতে মাকজনীয়ে আৰু ঘৰৰ এটি কোণত নিঃশব্দে চকুলো টুকি আছে বৃদ্ধ দেউতাকে।

মৰাশত শগুণ পৰাৰ দৰে ওচৰ চুবুৰীয়া আহি হেঁপেচি খাই পৰিল অচেতন তিতিৰ ওপৰত। ইন্টাৰভিউত প্ৰশ্নৰ উত্তৰ দিব নোৱাৰি অবাক হৈ চাই থকা পৰীক্ষাৰ্থীৰ দৰে মানুহবোৰে চাই থাকিল ভেবা লাগি।

অচেতন হৈ পৰি থকা তিতিয়ে চিৰদিন অজ্ঞান হৈ থকাটোকেই কামনা কৰে। কাৰণ তাইৰ বাবে জীৱনটো শাৰদীয় জোনাকৰ দৰে নিৰ্ম্মল নহয়। তাইৰ জীৱনটো ঠিক আউসীৰ ঘোপমৰা এন্ধাৰটিৰ দৰেহে। তিতিয়ে চেতন পালেও এনে তাড়নাৰে ভৰা প্ৰাণটিক আহুতি দিবলৈ তাই হয়তো পুনৰ ভালদৰে চেষ্টা চলাব। এদিন তিতি নিয়ৰত তিতা আনৰ গছকত পৰা অনাদৃতা শেৱালি ফুলৰ দৰেই সৰি পৰিব। হয়তো এদিন এনেদৰে নানা কষ্ট খাই মৰি পৰি থাকিব কিন্তু তাইৰ মৃত্যুত হৈ যাব এখন সমাজৰ প্ৰতি থকা আক্ৰোশৰ ছিটিকনি, নিয়তিৰ কুটিল হাঁহিৰ প্ৰতিধ্বনি, দুদিনীয়া পৃথিৱীত ভাল-বেয়া বিচৰা মানবৰূপী দানববোৰে কৰা অন্যায়ৰ ঘোৰ প্ৰতিবাদৰ দাবানল আৰু সমাজ তথা মানবৰ ওপৰত দি যোৱা ভীষণ অভিশাপ - হয়তো দুৰ্ব্বাসাই শকুন্তলাক দিয়া অভিশাপতকৈও বেছি ভয়াবহ, বেছি তাড়নাৰ।

"—তোমালোকে এতিয়াৰে পৰা যৌৱন, স্নেহ আৰু সহযোগৰ মাজেৰে জীয়াই থাকিবলৈ শিকিব লাগিব। বয়স পাৰ হলে এই বিষয়ে শিক্ষা দিয়া কঠিন হৈ পৰিব। পৈণত বয়স হোৱাৰ পিচত মানুহৰ একোটা ধাৰণা হয় যেন তেওঁহে সবাতোকৈ বিজ্ঞলোক আৰু জ্ঞানী ব্যক্তিৰ উপদেশ মনাৰ আৱশ্যক নহয়; তোমালোকে বয়সস্থ লোকৰ এই পদ্ধতি অনুসৰণ কৰিব নেলাগে।"

নেহেৰু

জীৱনী

# শ্বহীদ মুকুন্দ কাকতীৰ চম্ু জীৱনী

শ্ৰীঅতুল কুমাৰ ভূঞা
প্ৰাক্ বিশ্ববিদ্যালয় [ কলা ]

স্বাধীনতাৰ শেষ সংগ্ৰামত যি সকল লোকে অন্যায়ৰ বলি হৈছিল তেওঁলোকৰ ভিতৰত শ্বহীদ মুকুন্দ কাকতী স্মৰণযোগ্য। দেশপ্ৰেমীক বহুতো বীৰ বীৰঙ্গনাই একো একোটি শুভ মুহূৰ্ত্তত জন্ম গ্ৰহণ কৰিছিল। শ্বহীদ মুকুন্দ কাকতীও অসমী আইৰ এটি সুযোগ্য সন্তান আছিল। গাৱঁৰ পাৰিপাৰ্শ্বিকতাৰ মাজত ডাঙৰ দীঘল হৈও মুক্তি যুজত জপিয়াই পৰি বুকুৰ তেজেৰে স্বাধীনতাৰ সোধ নিৰ্ম্মাণত বৰঙণি যোগাই স্বদেশ প্ৰেমত আত্মাহাৰা হৈ নিজৰ দেশক গোৰৱান্বিত কৰিছিল।

মুকুন্দ কাকতীৰ জন্ম হয় কামৰূপ জিলাৰ অন্তৰ্গত বৰভাগ মৌজাৰ সোনকানি গাৱঁত। জন্মৰ পাছ বছৰ মানলৈকে তেওঁ বৰ তজবজীয়া আৰু স্বাস্থ্যবান আছিল। ছয় বছৰত তেওঁৰ বৰ টান নৰিয়া হয়; আৰু সেই নৰিয়াই তেওঁৰ জীৱনৰ আশা একেবাৰে নাইকিয়া কৰে। সকলোৰে অশেষ চেষ্টাৰ ফলত তেওঁ আৰোগ্য লাভ কৰে। ন বছৰ বয়সত ওচৰৰে দতৰা গাৱঁৰ প্ৰাইমাৰী স্কুলত তেওঁক ভৰ্ত্তি কৰাই দিয়ে। প্ৰাইমাৰী শিক্ষা শেষ কৰি বৰখলা মধ্য ইংৰাজী স্কুলত পঢ়ে আৰু সেই স্কুলৰ

৬ষ্ঠ মান শ্রেণীৰ শেষ পৰীক্ষাত উত্তীর্ণ হয়। মাইনৰ পাচ কৰাৰ লগে লগে তেওঁৰ উচ্চ শিক্ষা লবলৈ প্ৰবল হেপাহ জন্মে। কিন্তু তেওঁলোকৰ ঘৰৰ দুৰৱস্থাৰ বাবে মাক দেউতাকে তেওঁক উচ্চ শিক্ষা দিবলৈ অক্ষম হয়। মুকুন্দ কাকতীয়ে কৰবাত কিবা কাম কাজ কৰি পঢ়িব পাৰে নেকি তাৰ বাবে চেষ্টা কৰিলে। কিন্তু কতো একো সুবিধা কৰিব নোৱাৰি শেষত তেওঁ গুৱাহাটী পালেহি। কিন্তু তাতো একো সুবিধা কৰিব নোৱাৰি তেওঁৰ মনৰ কল্পনা মনতে মাৰ নিয়াব জগাত পৰিল।

পঢ়াৰ আশা সিমানতে ত্যাগ কৰি মনত এটি গভীৰ বেদনাৰ ভাৰ লৈ গুৱাহাটী এৰি তেজপুৰ মহকুমাৰ গমিৰি গাঁৱত থকা ককায়েক শ্ৰীলোহিত কাকতীৰ ওচৰ চাপে। কিছুদিনৰ পিচত ককায়েকৰ সহায়ত গমিৰিৰ ওচৰৰ ধোপাবৰ গাঁৱত দোকান দি জীৱিকা নিৰ্ব্বাহ কৰে।

১৯৬৭ চনৰ অক্টোবৰ মাহত সোনকালিলৈ যোৱাৰ সৌভাগ্য মোৰ হৈছিল। মুকুন্দৰাম কাকতীৰ স্মৃতি বিজড়িত গাওঁখনিৰ মাজত ঘূৰি ফুৰোতে স্বাভাৱিকতে বিয়াল্লিচৰ গণ বিপ্লৱৰ শ্বহীদ জনাৰ বিষয়ে নতুন কথাৰ সন্ধেদ উলিয়াবলৈ মনটো উত্‌ৰাৱল হৈ পৰিছিল। এগৰাকী বৃদ্ধ লোকক লগ পাই প্ৰশ্ন কৰাত তেওঁ কলে— 'তজৰজীয়া স্বভাৱৰ মুকুন্দক মই নিজ চকুৰে দেখিছো। বিয়াল্লিচ চনত তেওঁৰ বয়স প্ৰায় বিশ বছৰমানহে হৈছিল।

পঢ়া শুনাত মুকুন্দ মধ্যম ধৰণৰ ছাত্ৰ আছিল। তেওঁ অতি উৎসাহী আৰু সাহসী আছিল। খেলা ধুলাত তেওঁ যেনে পাৰ্গত থকৰা কাম কাজতো তেনে সুদক্ষ আছিল। নাওঁ চলোৱা আৰু পানীত সাতুৰিবলৈ তেওঁ খুব ভাল পাইছিল।

ওপৰত উল্লেখ কৰা বৃদ্ধ লোকজনৰ কথাৰ ওপৰত ভিত্তি কৰি মুকুন্দ কাকতী ১৯২২ চনত জন্ম গ্ৰহণ কৰিছিল বুলি সিদ্ধান্ত কৰিব পাৰি। ১৯৪০ চন মানৰ পৰা মুকুন্দই কলং-পুৰ মৌজাৰ ধোপাবৰ গাঁৱত থাকিবলৈ লৈছিল আৰু তাত থকা তেওঁৰ ককায়েক লোহিত চন্দ্ৰ কাকতীক তেওঁৰ ব্যৱসায়ত সহায় কৰিছিল।'

১৯৪২ চনত বোম্বাইত বহা ভাৰতীয় জাতীয় কংগ্ৰেচৰ অধিবেশনত ইতিহাস প্ৰসিদ্ধ "ভাৰত ত্যাগ" প্ৰস্তাৱ গ্ৰহণ কৰা হ'ল। লগে লগে ভাৰতৰ ৰাজনৈতিক আকাশ বিপ্লৱৰ ডাৱৰে আবৰি পেলালে। লগে লগে দেশৰ জনগণে গান্ধীজীৰ কৰ্ত্তব্য সাধন কিম্বা শৰীৰ পতন মন্ত্ৰত দীক্ষিত হ'ল আৰু বৃটিছৰ হাতৰ পৰা দেশক মুক্ত কৰিবলৈ উদ্যত হৈ পৰিল। চাৰিওফালে বিপ্লৱৰ বহ্নিৰ শিখা জ্বলি উঠিল। গান্ধীজী প্ৰমুখ্যে দেশৰ নেতৃবৃন্দক বৃটিচ চৰকাৰে কাৰাগাৰত আবদ্ধ কৰি থলে। তথাপিতো সৰ্ব্বসাধাৰণ ৰাইজে স্বপ্ৰোদিত ভাৱে স্বাধীনতাৰ সংগ্ৰাম চলাই থাকিল। এই সময়ত মুকুন্দ কাকতী কলংপুৰ মৌজাৰ ধোপাবৰ কংগ্ৰেচ শিবিৰ পৰিচালক আছিল। কংগ্ৰেচৰ নিৰ্দ্দেশক্ৰমে তেওঁ গাৰঁলীয়া ৰাইজৰ মাজত বিপ্লৱৰ

বাণী প্ৰচাৰ কৰিছিল আৰু স্বেচ্ছাসেৱক সকলক অহিংসা সংগ্ৰামৰ কৌশল শিকাইছিল। স্বেচ্ছাসেৱক সকলে বৃটিছৰ শাসন কেন্দ্ৰবোৰ অধিকাৰ কৰি তাত ভাৰতীয় জাতীয় পতাকা উত্তোলন কৰাৰ কাৰণে দৃঢ় প্ৰতিজ্ঞ হৈছিল।

১৯৪২ চনৰ ২০ চেপ্তেম্বৰ তাৰিখে হেলেম, কলংপুৰ আৰু ব্ৰহ্মজান মৌজাৰ স্বাধীনতাকামী জনতাই গহপুৰ থানাত পতাকা উত্তোলন কৰিবলৈ সিদ্ধান্ত কৰিলে। কলাবাৰী আৰু বৰঙাবাৰী অঞ্চলৰ পৰা অহা প্ৰায় আঠ হেজাৰ লোক গহপুৰ থানাৰ পুখুৰী পাৰত সন্মিলিত হল। এই শোভাযাত্ৰাৰ নেতৃত্ব কৰিছিল মুকুন্দ কাকতী আৰু তেৰ বছৰীয়া কুমাৰী কনকলতা বৰুৱাই। শোভাযাত্ৰাকাৰী সকলে কনকলতাৰ নেতৃত্বত পুখুৰীৰ পশ্চিম পাৰেদি সোমাই গহপুৰ থানাত পতাকা উত্তোলন কৰিবলৈ আগবাঢ়ি গ'ল। কিন্তু থানাৰ ভাৰপ্ৰাপ্ত বিষয়া ৰেৱতি সোম আৰু আন চাৰিজন চিপাহীয়ে তেওঁলোকৰ বাট ভেটি ধৰিলে। কনকলতাই কলে— আপুনি অন্ততঃ মহিলা সকলক ভিতৰত সোমাবলৈ দিয়ক। আমি থানাৰ ভিতৰত জাতীয় পতাকা উত্তোলন কৰিম আৰু কোনো গোলমাল নকৰাকৈ উভতি আহিম। এই কথাত ভাৰপ্ৰাপ্ত বিষয়াই কলে—"আৰু এখোজ আগবাঢ়িলেই তোমালোকক গুলী কৰা হব। তাৰ পিছত জনতা আৰু থানাৰ ভাৰপ্ৰাপ্ত বিষয়াৰ মাজত বাক্‌যুদ্ধ আৰম্ভ হ'ল আৰু ৰেৱতী সোমৰ নিৰ্দ্দেশক্ৰমে বগাৰাম নামৰ চিপাহী এজনে এজাই গুলী মাৰিলে। প্ৰথম গুলীয়ে কনকলতাৰ বুকু ভেদ কৰিলে। কনকলতা মাটিত বাগৰি পৰিল আৰু মুহূৰ্ত্তৰ ভিতৰতে জীৱনৰ শেষ নিশ্বাস পেলালে; কিন্তু জাতীয় পতাকা মাটিত পৰিবলৈ নিদি মুকুন্দ কাকতীয়ে পতাকাত থাপ মাৰি ধৰিলে। লগে লগে পুলিচে পুনৰ গুলী এৰিলে আৰু সেই গুলী মুকুন্দ কাকতীৰ মূৰত লগাত তেওঁ মাটিত লুটি খাই পৰিল। জনতাৰ মাজত হুৱা-দুৱা লাগি পৰিল। চিঞৰ-বাখৰেৰে ঠাইডোখৰ হুল-স্থূলীয়া হৈ উঠিল। খাৰবাৰুদৰ গোন্ধৰ মাজতে মুকুন্দ কাকতীৰ হাতৰ পৰা নিধমাপতি ৰাজখোৱাই গহপুৰ থানাৰ ওপৰত জাতীয় পতাকা উত্তোলন কৰিলে। দুটি প্ৰাণৰ কেঁচা তেজৰ বিনিময়ত জনতাৰ জয় হ'ল।

পুলিচৰ পাশৱিক আক্ৰমণত অজস্ৰলোকে আঘাট পালে যদিও, তেওঁলোকৰ ভিতৰত হেম বৰুৱা, বগাই কছাৰী, খৰ্গেশ্বৰ বৰুৱা, থুলেশ্বৰ ৰাজখোৱা আৰু ভোলানাথ ভৰালী বৰুৱাৰ অৱস্থা গুৰুতৰ আছিল। মুকুন্দ কাকতীৰ গুলী খোৱা স্বত্তেও লগে লগে মৃত্যু হোৱা নাছিল। তেওঁৰ মৃত্যুৰ কাৰণে দফলাগছ চাহ বাগিচাৰ মেনেজাৰ মনৰো চাহাব প্ৰধানকৈ দায়ী আছিল। মনৰো চাহাবৰ পৰামৰ্শমতে গহপুৰ ডাক্তৰখানাৰ ডাক্তৰে মুকুন্দ কাকতীক প্ৰাথমিক চিকিৎসা দিয়াৰ পৰা বিৰত আছিল। মনৰোৱে আঘাত প্ৰাপ্ত লোক সকলক গালি গালাজ কৰিছিল আৰু মুকুন্দক কঢ়িয়াই নিয়া লোক সকলৰ গান্ধী টুপী

ভৰিৰে মোহাৰি পেলাইছিল। যিটো সময়ত মুকুন্দৰ জিৰণি আৰু চিকিৎসাৰ প্ৰয়োজন হৈছিল সেই সময়ত মনৰোৱে মুকুন্দক তেওঁৰ গাড়ীৰ ভিতৰত পেলাই লৈ এবাৰ-গহপুৰ থানালৈ, এবাৰ দফলাগছ ছাহবাগিছালৈ অহা যোৱা কৰিছিল। এনে কৰি থাকোতে অশেষ যন্ত্ৰণা ভুগি গধূলি সময়ত মুকুন্দৰ জীৱন বান্তি নুমাই গ'ল। তেওঁৰ মৃত্যুৰ বতৰা পাই ককায়েক কেশৱ কাকতী শোকত ম্ৰিয়মান হ'ল আৰু মানুহ দুজনহ গোটাই লৈ মৃত মুকুন্দৰ শেষকৃত্য সমাপনৰ কাৰণে শ্মশানলৈ গ'ল। বৰ্ব্বৰ পুলিচে শ্মশানতে কেশৱ কাকতীক তিৰস্কাৰ কৰি হাতত হেণ্ডকাফ লগালে আৰু শ্বহীদ মুকুন্দ কাকতীৰ মৃতদেহ গহপুৰ থানালৈ লৈ আহিল।

পিছদিনা ৰাতিপুৱা বীৰপুৰুষৰ শ সমন্বিতে কেশৱ কাকতীক তেজপুৰলৈ চালান দিলে। তেজপুৰত পবিত্ৰ লুইতৰ পাৰত ২১ চেপ্তেম্বৰ গধূলি শেষ স্বাধীনতা সংগ্ৰামৰ অন্যতম বলি মুকুন্দ কাকতীৰ শেষ কৃত্য সম্পন্ন হ'ল। স্বাধীনতাতকৈ জীৱনৰ মূল্য যে নগণ্য সেই কথাকে শ্বহীদ মুকুন্দই তেওঁৰ আত্মাহুতিৰ মাজেৰে প্ৰতিপন্ন কৰিলে। এনে ত্যাগী বীৰপুৰুষ নিপিড়ীত নিষ্পেষিত আৰু শোষিত জনগণৰ চিৰ নমস্য আৰু অগ্ৰপ্ৰেৰণাৰ আকাশবন্তি।



# দুৱাৰ যেতিয়া বন্ধ হ'ল

(শ্ৰেষ্ঠ নাট আৰু শ্ৰেষ্ঠ দল
মঙ্গলদৈ কলেজ সপ্তাহ—১৯৭০)

| চৰিত্ৰ | চিনাকি | অভিনয় কৰিছিল |
| --- | --- | --- |
| দীপ : — | দৰিদ্ৰ নিবনুৱা ডেকা | বিপ্লৱ কুমাৰ ৰয় ( P. u. ) পি-উ |
| ছবি : — | পূজাৰীৰ ছোৱালী | উপমা বৰা ( 2nd. year ) ২য় বাৰ্ষিক |
| বিদ্যুত : — | দীপৰ বন্ধু | অচ্যুত শৰ্ম্মা ( 1st. year B. A. ) প্ৰথম |
| পুৰোহিত :— | মন্দিৰৰ পূজাৰী | আলোক শৰ্ম্মা ( 3rd. year ) ৩য় বাৰ্ষিক |
| কবিতা : — | দীপৰ ভনীয়েক (নেপথ্যত) | কণিকা দেৱী (3rd. year) ৩য় বাৰ্ষিক |
| | মঞ্চ সজ্জা আৰু আলোক নিয়ন্ত্ৰণ – | মুকুল ডেকা [পি-উ] |

নাট্য ৰচনা, পৰিচালনা আৰু প্ৰযোজনাত

গৌৰী কান্ত ডেকা

---

আজি চাৰিবছৰে মঙ্গলদৈ কলেজৰ ৰঙ্গ মঞ্চত যি সকল ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীয়ে মোক শুভকামনা আৰু অনুপ্ৰেৰণা দি আহিছে তেখেত সকলৈ মোৰ এই নাটখনি মৰম আৰু কৃতজ্ঞতাৰ চিন স্বৰূপে আগবঢ়ালো ।

( এটা মন্দিৰৰ ভিতৰ ভাগ। সোমাজত এখন থাপনাত এটা কৃষ্ণ মূৰ্ত্তি। কেইডাল-মান ধূপ জ্বলি জ্বলি প্ৰায় শেষ হওঁ হওঁ অৱস্থাত আৰু এগছি মাটিৰ চাকি ক্ষীণ পোহৰত তাত জ্বলি থাকিব। পূজা কৰা ফুল, তুলসী, বেলপাত আদি বেদীত পৰি থাকিব। মাজে মাজে বাহিৰত বিজুলী মৰা দেখা যাব।

নিশা তেতিয়া বাৰ মান বাজিছে। বাহিৰত তেতিয়া ধুমুহা বতাহৰ আগ জাননী। মন্দিৰৰ ভিতৰত তেতিয়া মাত্ৰ চাকিৰ ক্ষীণ পোহৰ থাকিব। মন্দিৰৰ দুয়োকালে দুখন দুৱাৰ। এখন পুৰোহিতৰ ঘৰৰ পিনে, আনখন বাহিৰৰ পিনে। বাহিৰৰ দুৱাৰখন খোলা এটা শব্দ হয় আৰু কন্তেক পিচতে দীপ মন্দিৰৰ ভিতৰত সোমায়। সি চাৰিওপিনে লক্ষ্য কৰি থাপনা খনৰ পিনে আগবাঢ়ে আৰু আঠুকাঢ় বহে। )

দীপ— হে ভগৱান। ইমানদিনে তুমি এই পৃথিবীত আছিলা বুলিয়েই ভাবিছিলোঁ। আজি কুৰি বছৰে তোমাক সেৱা কৰিছোঁ। কিন্তু আজি মোৰ বিশ্বাস হৈছে তুমি এই পৃথিবীত নাই। তুমি.........( হঠাৎ কাৰোবাৰ শব্দ শুনি সি ভিতৰৰ দুৱাৰ খনৰ পিনে চায়। এগৰাকী নাৰী তাৰ পিনে আহি থকা দেখি সি আচৰিত হৈ থিয় হয়।) কোন ? কোন তুমি ?

ছবি— (মাতটো বুজি পাই) অ' দীপ ককাইদেউ।

দীপ— ( আচৰিত হয় তাৰ নাম কোৱাৰ বাবে ) ( সৰুকৈ ) দীপক ককাইদেউ ? ( আগুৱাই আহি স্পষ্টকৈ ) কিন্তু তুমি কোন ? তুমি ইয়াত ইমান ৰাতি ?

ছবি— মোৰ নাম ছবি ! মই এই মন্দিৰৰ পুৰোহিতৰ ছোৱালী। ৰবা লাইটটো জ্বলাই দিওঁ। ( বেৰৰ পিনে আগুৱাই গৈ লাইটৰ চুইজ অন কৰে। মন্দিৰৰ ভিতৰখন পোহৰ হয়। ঘূৰি আহি ভাই দীপৰ ঘামি থকা মুখখনৰ পিনে চাই থাকে। )

দীপ— তুমি মোৰ মুখৰ পিনে কি চাই আছা ?

ছবি— তুমি ইমান ঘামিছা ? ( দীপ অন্যমনস্ক হয় ) বাৰু বাহিৰত ইমান বতাহ বৰষুণ আহিছে, তুমি ইমান নিশা এই মন্দিৰলৈ কিয় আহিছা ?

দিপ— হাঃ মোক কি সুধিছা ?

ছবি— দেউতা এতিয়া ঘৰত নাই। পুৱাতে দূৰগাওঁ এখনলৈ পূজা কৰিবলৈ গৈছিল। এতিয়ালৈ উভতি অহা নাই। সেয়ে মই দেউতাৰ বাবে অপেক্ষা কৰি আছোঁ। ( দীপক আনমনা দেখি ) তুমি কিবা ভাবি আছা দীপ ককাইদেউ ?

দীপ— হাঃ অ' মই ? অ' ছবি, মই ভ বছোঁ

দুৱাৰ যেতিয়া বন্ধ হল

তুমি পুৰোহিতৰ ছোৱালী। আজি কুৰি বছৰে মই এই মন্দিৰলৈ আহিছোঁ অথচ তোমাক মই দেখা নাই ; কিন্তু ....

ছবি— জানা দীপ ককাইদেউ ; দেউতাই মোক ঘৰৰ পৰা বাহিৰ ওলাব নিদিয়ে।

দীপ আচৰিত !

ছবি— আচৰিত ?

দীপ— ওঁ ! ইমান বান্ধোনত থকাৰ পিচতো তুমি মোক চিনি পোৱা। মোক ককাই- দেউ বুলিছা। আনকি 'তুমি' সম্বোধনেৰে মোক ইমান আপোন কৰিছা জানোছা তুমি মোক বহুদিন আগৰে পৰা চিনি পোৱা। (সুৰ সলাই) বাৰু ছবি ! তোমাৰ ভয় লগা নাই ?

ছবি :— ভয় ? কিয় ?

দীপ :— বাহিৰত ধুমুহা বৰষুণ ! এই নিৰ্জ্জন ঠাইখিনিত তুমি অকলে ?

ছবি — অকলে থাকিম কিয় ?

দীপ — (সন্দেহ হৈ) আৰু কোনোবা আছে ?

ছবি— ওঁ ! আছেতো।

দীপ— অ' তোমাৰ মা ?

ছবি— মোৰ মা নাই নহয়।

দীপ তোমাৰ মা নাই ?

ছবি— মোৰ জন্মৰ এবছৰ পিচতে মাৰ মৃত্যু হৈছে।

দীপ— তেনেহলে আৰু কোন কোন আছে।

ছবি— মই আৰু দেউতাৰ বাহিৰে আমাৰ আৰু কোনো নাই।

দীপ - কিন্তু তুমি অলপ আগতে যে ক'লা আৰু কোনোবা— ... ....

ছবি— অ' সেইজন ভগৱান।

দীপ— (হাহিব চেষ্টা কৰি) অ' তাৰমানে ভগ- বান তোমাৰ প্ৰহৰী হৈ আছে।

ছবি— ওঁ। ভগৱানৰ বাহিৰে পৃথিবীত ৰক্ষা কৰ্ত্তা বাৰু আন কোন আছে ?

দীপ — তুমি ভগৱানক বিশ্বাস কৰা ?

ছবি— অ' মোৰ হৰি ! নকৰিম কিয় ?

দীপ— মই সমূলি বিশ্বাস নকৰো।

ছবি — তেনেহলে ইমান ৰাতি মন্দিৰলৈ আহিছা কিয় ?

দীপ — [ কিবা অলপ চিন্তা কৰি ] অ' মানে কি জানা ছবি ? আজি কুৰি বছৰে মই এই মন্দিৰত পূজা আৰু গধূলি সেৱা কৰিছো কিন্তু ভগৱানক নেপালোঁ। সেয়ে আজি ভাবিলো এই এন্ধাৰ ৰাতিয়েই এবাৰ ভগৱানক বিচাৰি চাওঁ। ( কথাটো ৰৈ প্ৰসঙ্গ সলনি কৰি ] বাৰু, বাৰু, ছবি তুমি মোক কেনেকৈ চিনি পোৱা ?

ছবি— তুমি আগতে মন্দিৰলৈ সদায় আহিছিলা নহয়, যেতিয়া সেইখন দুৱাৰেদি তুমি সেৱা কৰা, দেউতাৰ লগত কথাপাতা, মই সদায় চাই থাকো ! বাৰু আজি কালি তুমি মন্দিৰলৈ নাহা কিয় ?

দীপ— এতিয়া ভুল ভাগিল।

ছবি— ভুল ?

দীপ— ওঁ। যেতিয়ালৈ মন্দিৰত ভগৱান আছিল বুলি ভাবিছিলোঁ তেতিয়ালৈ আহি আছিলো।

ছবি— কিন্তু এতিয়া ?

দীপ — এতিয়া গম পালো, মন্দিৰত কিয় ? গোটেই পৃথিবীখনতেই ভগৱান নাই !

ছবি — ছিঃ তুমি যে কি কথাবোৰ কোৱা ?

দীপ — ঠিকেই কৈছো ছবি । এইটো এটা কৃত্রিম মন্দিৰ । ইয়াত ভগৱান থাকিব নোৱাৰে ।

ছবি -- কৃত্রিম মন্দিৰ ?

দীপ — বাৰু কোৱাছোন এই মন্দিৰটোৰ গৰাকী কোন ?

ছবি— শিৱ বৰুৱা ?

দীপ — তেখেত থাকে ক'ত ?

ছবি— দেউতাই কৈছে তেওঁ হেনো কোনোবা এখন ডাঙৰ ঠাইত থাকে ।

দীপ— অ । আৰু মাজে ডেৰ শ টকাৰ বিনিময়ত তেওঁৰ পূণ্যৰ হকে তোমাৰ দেউতাৰাই পুৱা গধূলি ইয়াত পূজা কৰে ।

ছবি— এইবোৰ কথা মই বুজি নেপাওঁ ।

দীপ— মই বুজি পাওঁ ছবি । প্ৰথমতে মযো বুজা নাছিলো । আৰু সেয়ে শিৱ বৰুৱাৰ মন্দিৰত ভক্তি ৰস পান কৰি কৰি ভোটৰ সময়ত তেওঁক জিকাবলৈ দেহে কেহে খাটিছিলো । কিন্তু এতিয়া বুজিছো, সকলোৱেই তেজ শুহি খোৱা জোক ।

ছবি— দেউতাই তোমাৰ কথা খুব কয় ।

দীপ— কি কয় ?

ছবি— তুমি হেনো খুব ধাৰ্ম্মিক আৰু ......

দীপ— সেয়া দেউতাৰাৰ স্বাৰ্থ, ছবি ?

ছবি — স্বাৰ্থ ?

দীপ — ওঁ । জানা ছবি, আমি মানুহ নামধাৰী এই জীৱবোৰ সব স্বাৰ্থপৰ । আমাৰ বিবেক বুদ্ধি, হৃদয়-আবেগ, আইন-কানুন, ৰীতি-নীতি সকলো ব্যক্তিগত স্বাৰ্থৰ বাবেহে । আমি যি ভাবো বা যি কৰো সেয়াও নিজৰ কাৰণেহে ।

ছবি — জানা দীপ ককাইদেউ । আজি কেইদিন মানৰ পৰা মই তোমাৰ হকেও ভগৱানক প্ৰাৰ্থনা কৰিছো । বাৰু তোমাৰ চাকৰিটো হ'ল ?

দীপ— দেখিছো মোতকৈও তুমি মোৰ বাবে বেচি ব্যস্ত । কিন্তু মই তোমাক আজিহে প্ৰথম দেখিছো ।

ছবি— মই তোমাক বহুদিন আগৰে পৰা দেখিছোঁ । দেউতাই তোমাৰ কথা মোক সব কৈছে ।

দীপ — তোমাৰ ভয় লগা নাই ?

ছবি — ভয় ? কিহৰ বাবে ?

দীপ — মোৰ বাবে ?

ছবি— অ' মোৰ হৰি ! মই ক'ত মৰো ? তোমাক আকৌ ভয় কৰিম কিয় ।

দীপ -- মই যদি খুন কৰোঁ ?

ছবি— ধেৎ । মন্দিৰৰ ভিতৰত তেনেকৈ কব নেপাই নহয় ?

দীপ - কিয় ? পাপ লাগিব ? পাপক মই ভয় নকৰো ছবি ? মোৰ জন্ম নেখাই মৰিবৰ বাবে নহয় । মই জানো কোনোবা প্ৰান্তত মোৰ বাবেও মৃত্যু বৈ আছে । কিন্তু এইটোও



**শ্ৰেষ্ঠ দল—"দুৱাৰ যেতিয়া বন্ধ হ'ল"**

১৯৭০-৭১ চনৰ কলেজ সপ্তাহৰ একাঙ্ক নাট প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ দলৰ অংশ গ্ৰহণকাৰীসকল যথাক্ৰমে—

**বহি ঃ** (বাওঁপিনৰপৰা) গৌৰীকান্ত ডেকা (নাট্যকাৰ); কণিকা দেৱী (এই বছৰৰ শ্ৰেষ্ঠ গায়িকাৰো সন্মান লাভ কৰে); উপমা বৰা।

**থিয় হৈ ঃ** (বাওঁপিনৰপৰা) বিপ্লৱ ৰয় (শ্ৰেষ্ঠ অভিনেতা); আলোক শৰ্ম্মা আৰু অচ্যুত শৰ্ম্মা।

—



একেলেঠাৰীয়ে দুবছৰৰ শ্ৰেষ্ঠ খেলুৱৈৰ সন্মান পোৱা এৰেই মিচ বেদনা কৰ্ম্মকাৰ।



অন্তৰৰ হাঁহিটি ফুটাই বছৰৰ শ্ৰেষ্ঠা অভিনেত্ৰী দীপ্তিবাণী দেৱী। কলেজ সপ্তাহ—১৯৭০



সুদূৰত দৃষ্টি ৰাখি এয়া বিপ্লৱ ৰয়— বছৰৰ শ্ৰেষ্ঠ অভিনেতা (১৯৭০-৭১)

ঠিক মই মৰাৰ আগতে আমাৰ দেশৰ, আমাৰ সমাজৰ কিছুমান বিষাক্ত কীটক মাৰি থৈ যাম।

ছবি— তুমি যে কি কথাবোৰ কোৱা দীপ ককাইদেউ! মই একো বুজি নেপাওঁ!

দীপ— দুৱাৰে পৰা গধূলিলৈ এই মন্দিৰৰ চোহদত আৱদ্ধ নেথাকি বাহিৰৰ সৌখন পৃথিৱীত যদি খোজ পেলাই চালাহেঁতেন ছবি, তেনেহলে বুজিলাহেঁতেন জীৱন এটা ফুল নহয়, জীৱন বৰ জটিল।

ছবি— আমাৰ মন্দিৰৰ ফুলনীখন দেখিছা দীপ ককাইদেউ? তাত ইমান ফুল ফুলে! মই জানা, সদায় মালা গাঠো।

দীপ— মই স্বীকাৰ কৰো ছবি! সেই ফুলনীৰ ফুলবোৰতকৈও তুমি বেচি পবিত্ৰ। কিন্তু মন্দিৰৰ বাহিৰৰ বতাহ লবলৈ নুখুজিবা!

ছবি— তুমি কি কৈছা দীপ ককাইদেউ!

দীপ— এদিন, এদিন এইখন দুৱাৰেদি ময়ো মোৰ দেউতাৰ লগত এই মন্দিৰত সোমাইছিলো। সেইদিন ধৰি আজি কুৰি বছৰে মই ইয়ালৈ আহিছো, সেৱা কৰিছো। ধূপ প্ৰদীপৰ সুৰভিৰে জীৱনক নতুন পথেৰে নিব খুজিছিলো। সকলো দেউতাই যেতিয়া মোক এইবোৰ শিকাইছিল তেতিয়া মোক আৰু কিছুমান কথা শিকাইছিল: কি জানা? দেউতাই কৈছিল এইটো নকৰিবি পাপ হব, সেইটো নকৰিবি পাপ হব।

ছবি— দীপ ককাইদেউ!

দীপ— আৰু দেউতাৰ কথা শুনি শুনি মই আজিলৈ যি বাটেৰে আহিছো তাত কি দেখিছো জানা? দেউতাই মানা কৰা কামবোৰ মোৰ বাহিৰে পৃথিৱীত সকলোৱে কৰে। আৰু মই পাপৰ ভয়ত হাত সাবুটি বহি থাকো। মই নকৰা কামবোৰ আনে কৰাৰ পিচতো দেখিছো আজিলৈ কাৰো পাপ লগা নাই। সিহঁত মোতকৈ বেচি সুখী।

ছবি— দেউতাই কি কয় জানা? আমাৰ এই জনমৰ পাপ পূণ্যৰ বিচাৰ হেনো পিচতহে হব।

দীপ— বাৰু ছবি তুমি এতিয়া যোৱাগৈ। ময়ো যাওঁ।

ছবি— এনে বতৰত তুমি কেনেকৈ যাবা দীপ ককাইদেউ?

দীপ— মই যাব পাৰিম ছবি।

ছবি— ইস্ ইমান এন্ধাৰ আৰু--

দীপ— তোমাৰ ভগৱানক এটা লাইট দি মোৰ পিচে পিচে পঠিয়াই দিয়া।

ছবি ছিঃ তেনেকৈ নকবা।

দীপ— তেনেকৈ নকম? তোমাৰ ভগৱানক মই আজি লগ পোৱা হলে কি কৰিলোহেঁতেন জানা? তাৰ পিঠিত উঠি ঘোৰা চলালোহেঁতেন! (সুৰ সলাই) বাৰু বাৰু তুমি যোৱাগৈ। মই যাওঁ! (দীপ ওলাই

যায়। ছবিয়ে দীপ যোৱাৰ পিনে চাই থাকি ভিতৰৰ দুৱাৰেদি সোমায় যায়। কন্তেক পিচতে দীপ পুণৰ সোমাই আহি থাপনা খনৰ সম্মুখত আঠু কাঢ়ি বহে।

দীপ— হে ভগৱান ..........

বিদ্যুত— (অলপ ব্যগ্ৰ হৈ সোমাই আহি) দীপ?

দীপ— (থিয় হৈ) অ' বিদ্যুত!

বিদ্যুত— তই ইমান পৰে কি কৰিলি?

দীপ— ইমান পৰে মানে?

বিদ্যুত— তই কাৰোবাৰ লগত কথা পতা যেন শুনিছিলো।

দীপ - অ' ছবি আহিছিল।

বিদ্যুত— ছবি? কোন ছবি?

দীপ— পুৰোহিতৰ ছোৱালী।

বিদ্যুত— অ' বুজিছো। তাৰমানে তই ইমান পৰে ছবিৰ সতে প্ৰেমালাপ কৰিলি।

দীপ— প্ৰেম? নাই নাই বিদ্যুত! যেতিয়া মোৰ সকলো আছিল তেতিয়া হৃদয়লৈ প্ৰেমো আহিছিল। এতিয়া একো নাই, প্ৰেমো নাই।

বিদ্যুত— পাৰিবি তেনেহলে?

দীপ - [অসহায় হৈ] কিন্তু.. ....

বিদ্যুত— কিন্তু কি?

দীপ— মানে? মই নোৱাৰোঁ বিদ্যুত! মই নোৱাৰোঁ।

বিদ্যুত— অ' বাহিৰত মই বিজুলী ধেৰেকনিৰ মাজত বৈ আছো আৰু তই ইয়াতে ছবিৰ লগত কথা পাতিয়েই সকলো পাহৰি গলি!

দীপ— [বিৰক্তিৰে] ভুল! ভুল বিদ্যুত। ছবিক মই আজি প্ৰথম লগ পাইছোঁ। আৰু মই ইমান দুৰ্ব্বল নহওঁ যে · ··· [বৈ যায়]

বিদ্যুত— ৰই গলি যে?

দীপ— [ওচৰলৈ গৈ] জান' বিদ্যুত সচা কৈছো, মোৰ ভয় লাগে!

বিদ্যুত— [দীপৰ চোলাত ধৰি] বুৰ্ব্বক, জীয়াই থাকিব খোজনে নোখোজ?

দীপ— কিন্তু এনেকৈ জীয়াই......... (বৈ যায়)

বিদ্যুত— ক' ৰই যাৱ কিয়?

দীপ— জীয়াই থকাটোৱে জীৱন নহয় বিদ্যুত।

বিদ্যুত— (চোলাৰ পৰা এৰি দি) সোঃ জীৱনক বিচাৰি তোৰ মোৰ দৰে আজিৰ শিক্ষাৰে শিক্ষিত নিৱনুৱা ডেকাই যদি ঘুৰি ফুৰো তেনেহলে জীৱনকটো নেপাৱই, জীয়াই থাকিবও নোৱাৰিবি।

দীপ— কিন্তু.......।

বিদ্যুত— বাদ দে তোৰ কিন্তু চিন্তু। প্ৰথমে জীয়াই থকাৰ চিন্তা, তাৰ পিচত জীৱনৰ মাদকতা বিচৰা। মনত আছেনে নাই তোৰ ভনী কবিতা বৰ্ত্তমান ৰোগশয্যাত। মনত আছেনে নিকৰুণ দাৰিদ্ৰতাৰ মাজত থাকিও তাই তোৰ লগতে জীয়াই থাকিব বিচাৰে। তই জান নে নেজান পৃথিৱীৰ সকলো মানুহেই চোৰ।

দীপ – জানো ! জানো বিদ্যুত !

বিদ্যুত— তই একো নেজান ' । জান দীপ আজি আমাৰ দৰে ডেকা লৰাবোৰৰ সমুখত এটাই সমস্যা জীয়াই থকাৰ ! আৰু কি জান' আজি সকলোৱে বিচাৰে মাথোঁ জীয়াই থাকিবলৈ ! আৰু কাৰোবাৰ ভৰি যদি কাৰোবাৰ মূৰৰ ওপৰতো উঠে তেনে কাৰো সময় নাই ওভতি চোৱাৰ ! (সুৰ সলাই) ক' পাৰিবি ? | জেপৰ পৰা মনে মনে কিবা এটা বস্তু উলিয়াই দীপৰ হাতত দি ] ল, দৰকাৰ হ'ব পাৰে । মই অলপ দূৰত ৰৈ আছো ! [ বেগাই ওলাই যায় ]

দীপ ( বিদ্যুত যোৱাৰ পিনে চাই ) তই নেযাবি বিদ্যুত। মোৰ ভয় লাগে ! ( দীপে বাহিৰৰ পিনে চাই থাকোতে তাৰ ভনীয়েক কবিতাই কোৱা কথাবোৰলৈ যেন তাৰ মনত পৰে। কবিতাৰ মাতটো যেন সি শুনিবলৈ পায় ! )

# FLASH BACK

কবিতা— দীপ ককাইদেউ মোৰ ! মোক মৰিবলৈ নিদিবা ।"

দীপ—অজানৰ দৰে (চিএৰি উঠে) কবিতা!

কবিতা — "মই তোমাক অকলে এৰি মৰিব নোখোজো ককাইদেউ ! মোক জীয়াই ৰাখা ।"

( বিৰতি )

দীপ—( লাহে লাহে অংশ স্পষ্টকৈ ) কবিতা ! তোক মোৰ বুকুৰ পৰা কোনেও কাঢ়ি নিব নোৱাৰে কবিতা। মই তোক জীয়াই ৰাখিম । ( হঠাত দীপৰ মনটো সজাগ হয় । সি পুনৰ থাপনাখনৰ সন্মুখলৈ গৈ আঠুকাঢ়ি বহে ।) হে ভগৱান ! দেউতাই কোৱা কথাবোৰ, পুৰোহিতে কোৱা কথাবোৰ সব মিছা । তুমি কতো নাই ! তুমি…………

পুৰোহিত – ( বাহিৰৰ পৰা ছবিক মাতি সোমাই) ছবি ! ছবি ! ( হঠাৎ দীপক তেনেকৈ বহি থকা দেখি ) কোন ? কোন তুমি ?

দীপ ( থিয় হৈ ) অ' আপুনি আহিল পুৰোহিত দেউ !

পুৰোহিত— দীপ বোপা ! এই গভীৰ ৰাতি তুমি মন্দিৰত ?

দীপ— হয় – ।

পুৰোহিত— কিন্তু … ।

দীপ - নেজানো পুৰোহিত দেউ ! কি শক্তিয়ে মোক ইয়ালৈ লৈ আহিছে !

পুৰোহিত— ছবি ক'ত ?

দীপ— অলপ আগতে ইয়ালৈ আহিছিল। এতিয়া ভিতৰলৈ গৈছে ।

পুৰোহিত - অ' মোৰ অহাত কেতিয়াবা ৰাতি হলে সেই মন্দিৰত আহি বহি থাকে । আজি মোৰ বহুত ৰাতি হ'ল । ওবে বাটে মই তাইৰ কথাই চিন্তা কৰি

আহিছোঁ। ভগৱানকে একমাত্র সাৰথি কৰি এৰি থৈ যাওঁ। ( অলপ ৰৈ ) বাৰু তোমাৰ ভনীয়াৰাৰ খবৰ কোৱাচোন।

দীপ— তাইক বচাব নোৱাৰিম পুৰোহিত দেউ! ডাক্তৰে আজি কৈছে তাইক বচাবলৈ হেনো বহুত টকাৰ প্ৰয়োজন হব আৰু অসমৰ বাহিৰলৈ নিব লাগিব।

পুৰোহিত— কিন্তু ……… ….

দীপ— তাইক জীয়াই ৰাখিবলৈ মোৰ খুব হেপাহ আছিল পুৰোহিত দেউ! মা, দেউতা, ভাই-ভনী সকলোকে হেৰুৱাই যেতিয়া মোৰ একমাত্ৰ ভনী কবিতাক মই মোৰ বুকুত সাৱটি ৰাখিব পাৰিছিলোঁ, তেতিয়া ভাবিছিলোঁ তাইক আৰু মোৰ বুকুৰ পৰা কোনোৱে কাঢ়ি নিব নোৱাৰে ! কিন্তু…… ।

পুৰোহিত— ভগৱানৰ যি ইচ্ছা দীপ। ভগৱানে তোমাৰ কবিতাৰ মঙ্গল কৰক।

দীপ—তাই গুচি গলে মই বৰ অকলশৰীয়া হম পুৰোহিত দেউ।

পুৰোহিত— জানো! জানো দীপ বোপা! তোমাৰ দেউতা বৰ-ধাৰ্ম্মিক মানুহ আছিল! তেওঁ মোৰ বন্ধু আছিল! কিন্তু—

দীপ— বাৰু পুৰোহিতদেউ! আপুনি মোৰ দেউতাক খুব ভাল পাইছিল। মোকো আপুনি খুব মৰম কৰে। মই আজি আপোনাক এটা প্ৰশ্ন সুধিব খোজো।

পুৰোহিত— কি…. ?

দীপ—কওঁকচোন ভগৱান আছেনে ? যদি আছে ক'ত কেনেকৈ আছে ?

পুৰোহিত— বোপা দীপ, তোমাৰ এই সংশয়—

দীপ— মিছাকথা পুৰোহিত দেউ! ভগৱান নাই।

পুৰোহিত—ছি: ছিঃ দীপ বোপা, তেনেকৈ নকবা। ভগৱান সৰ্ব্ববিদ্যমান। তেওঁ ধনী-দুখীয়া সকলোৰে মাজতে আছে। মাজে মাজে আমাক পৰীক্ষা কৰে।

দীপ- সোঃ পৰীক্ষা কৰে ? কওঁক মই কি অপৰাধ কৰিছোঁ তেওঁৰ ওচৰত ? আজি ইমান বছৰে মই মোৰ হৃদয়ৰ স-ভক্তিৰে তেওঁক সেৱা কৰিছোঁ। কিন্তু—

পুৰোহিত— ধৈৰ্য্য ধৰা দীপ বোপা! বিপদত ধৈৰ্য্য ধৰাহে জ্ঞানীৰ কৰ্ত্তব্য।

দীপ— ধৈৰ্য্য ? ভগৱানক পোৱা হলে তাৰ ডিঙিত ধৰি সুধিলোহেঁতেন মই—

পুৰোহিত— ছি: ছি: তেনেকৈ নকবা !

দীপ— কিয় পাপ লাগিব ? পাপ কি ? য'ত পুণ্য নাই তাত পাপৰ বোজ আপুনি কিহেৰে লব ?

পুৰোহিত-- পাপ পুণ্য নহব কিয় দীপ ? আমি মানুহ ক্ষুদ্ৰ নৰমনিচে পাপ পুণ্যৰ পাৰ্থক্য নেদেখো।

দীপ- আমি ক্ষুদ্ৰ নহয় পুৰোহিত দেউ ? আমাৰ শক্তি নাই, আমি দুৰ্ব্বল। এমুঠি মানুহে পৃথিৱীখন হাতৰ মুঠিত বান্ধি সুখ ভোগ

কৰিছে আৰু আমি—

পুৰোহিত—বুজিছো দীপ বোপা। বিপদে যেতিয়া ধৰা তোমাৰ এই জীৱনটোৱে বিদ্ৰোহ কৰিব বিচাৰে। কিন্তু—

( বৈ যায় )

দীপ - আপুনি বৈ গ'ল কিয় ?

পুৰোহিত—কেতিয়াবা তোমাৰ দৰে মোৰো এই বয়সতো বিদ্ৰোহ কৰিবলৈ মন যায়। আজি বাৱন্ন বছৰে পূজা কৰি অহাৰ পিচতো এই মন্দিৰ ত্যাগ কৰিবৰ মন যায়। পুৱা গধূলি ভগৱানক স্তুতি কৰি থাকিও তোমাৰ দৰে মোৰো সন্দেহ হয়; ভগৱান আছে নে নাই ? যদি আছে তেওঁ চকু মেলি নেচাই কিয় ? মোৰ জীৱনলৈ চোৱা দীপ। আজি বাৱন্ন বছৰে ভগৱানক পূজা কৰি থাকিও মই কি হেৰুওৱা নাই। মোৰ যদি জীৱনৰ সিটো ফাল চোৱা তেনে দেখিবা হোমৰ ধোৱাৰ দৰে ভাত পোৰা কলা দাগ আছে।

দীপ—আপুনি এই মন্দিৰ ত্যাগ কৰক পুৰোহিত দেউ। আপোনাৰ শঙ্খ-ঘণ্টাবোৰ এই জড়পদাৰ্থৰ সন্মুখত বজাই একো লাভ নাই। আপোনাৰ শঙ্খ-ঘণ্টাবোৰ বাহিৰত বজাওক। সাধাৰণ মানুহৰ ঘৰে ঘৰে বজাওক। তাৰ ধ্বনিৰে সকলোকে জগাই দিয়ক। সকলোৱে সাৰ পাব লাগে।

পুৰোহিত - সকলোৱে সাৰ পাইছে দীপ। মই দেখিবলৈ পাইছোঁ আমাৰ মানুহৰ দেহৰ পানীখিনি তেজলৈ ৰূপান্তৰ হৈছে। আৰু এই তেজেই মানুহক মানুহ হিচাবে জীয়াই থকাৰ আত্মচেতনা আনি দিব। ভগৱানেও আমাৰ আহ্বান শুনিব।

দীপ—ভগৱানে আমাৰ আহ্বান নুশুনে পুৰোহিত দেউ।

পুৰোহিত— শুনিবই লাগিব দীপ বোপা !

দীপ— মিছা কথা ! কিয় আজি ইমান দিনে এই গাওঁখনৰ মানুহে এই মন্দিৰত সেৱা কৰা নাছিল ? প্ৰাৰ্থনা কৰা নাছিল ?

পুৰোহিত— কৰিছিল।

দীপ — আমাৰ গাওঁখনৰ মানুহে কি ডাঙৰ পাপ কৰিছিল যাৰ বাবে লুইতৰ বানে সকলোকে উটুৱাই নিলে !

পুৰোহিত— এইবোৰ ভগৱানৰেই লীলা বোপা।

দীপ— মোৰ দেউতা অত্যন্ত ধাৰ্মিক মানুহ আছিল, কিন্তু মোৰ মা, দেউতা, ভাই ভনী সকলোকে লুইতৰ বানে পশুৰ দৰে উটুৱাই লৈ গ'ল। গাওঁখনৰ লখিমী পথাৰ বানে সমান কৰি দিলে। কিয় ? কিয় পুৰোহিত দেউ চিৰাজ ককায়ে সদায়ে নামাজ পঢ়ে কিন্তু তেওঁৰ একমাত্ৰ জীয়েক নাজিমা'ক কিয় সোঁতে কাঢ়ি লৈ গ'ল ?

পুৰোহিত— নিয়তিক কোনে বাধা দিব দীপ ? তোমাৰ এই অমূলক সংশয় ত্যাগ কৰা !

বিধাতাৰ সৃষ্টি যেনে অনুপম তেওঁৰ কাৰ্য্যও বিচিত্ৰ। তেওঁৰ বাহিৰে পৃথিবীত আৰু আন একো সত্তা নাই! (অলপ ৰৈ) বাক দীপ তুমি এতিয়া যোৱাগৈ। মইও যাওঁ। কাইলৈ কথা হ'ম। (পুৰোহিত ভিতৰ সোমায়।

(দীপে পুৰোহিত যোৱাৰ পিনে চাই থাকে)

বিদ্যুত— (বেগাই সোমাই আহি) তই এতিয়াও ৰৈ আছ দীপ?

দীপ— অ' বিদ্যুত!

বিদ্যুত— বস্তাহ ধৰধুণ আহিছে। সোনকাল কৰ। মই বাহিৰত ৰৈ আছোঁ। (ওলাই যায়)

দীপ— বিদ্যুত! তই নাযাবি বিদ্যুত। (বিদ্যুত যোৱাৰ পিনে তন্ময় হৈ চাই থাকে। পুনৰ কবিতাৰ কথাবোৰ মনত পৰে।)

## FLASH BACK

কবিতা— "দীপ ককাইদেউ মোৰ; মোক মৰিবলৈ নিদিবা!

দীপ— কবিতা!

কবিতা— "মই তোমাক এৰি কলৈকো নেযাও ককাইদেউ।"

দীপ— কবিতা! তোক মই বচাই ৰাখিম কবিতা। তই জীয়াই থাকিব লাগিব। তোক মই জীয়াই ৰাখিম। (মনটো সলনি হয়। চাৰিওপিনে এবাৰ চকু ফুৰাই থাপনাখনৰ পিনে আগবাঢ়ি গৈ) হে ভগবান! মই নিৰুপাই! মই জানো তোমাৰ সেই মূৰ্ত্তিয়ে মোৰ দুচকুৰ চকুলো মচি দিব নোৱাৰ! তোমাৰ দৰে নিৰ্জ্জীৱ পদাৰ্থক পূজিম কিয়? (থাপনাত থকা সোণৰ কৃষ্ণ মূৰ্ত্তিটো কপা কপা হাতেৰে থাপনাৰ পৰা লৈ ওলাই যাব খোজোতে ভিতৰৰ পৰা ছবিয়ে মাত দি সোমাই আহে!)

ছবি— দীপ ককাইদেউ!

দীপ— (ভভাত চাই) ছবি!

ছবি— (দীপৰ হাতত মূৰ্ত্তিটো দেখি আচৰিত হৈ) তুমি মূৰ্ত্তিটো কলৈ লৈ যোৱা?

দীপ— মনে মনে থাকা ছবি!

ছবি— কিন্তু——

দীপ— তুমি মনে মনে থাকা ছবি। সোণৰ এই মূৰ্ত্তিটো ভাঙি মই বেচিম।

ছবি— দীপ ককাইদেউ!

দীপ— সেই টকাৰে মই কবিতাক জীয়াই তুলিম ছবি।

ছবি— সেই বুলি তুমি ইমান ডাঙৰ এটা পাপ কৰিবানে?

দীপ— পাপ? (মূৰ্ত্তিটো পৰি যায়! মজিয়াৰ পৰা ছবিয়ে বুটলি লয়!) আজি আৰু মোৰ একোলৈ ভয় নাই ছবি!

ছবি— এইটো তোমাক নিব নিদিও।

দীপ— মোক মূৰ্ত্তিটো দিয়া ছবি!

ছবি— ছিঃ ছিঃ। এইটো দেউতাৰ পূজা কৰা মূৰ্ত্তি দীপ ককাইদেউ!

দীপ— নিচিঞৰিবা ছবি। মই হাত যোৰ কৰিছোঁ, মূৰ্ত্তিটো দিয়া।

ছবি— তুমি কি খেমালি কৰিছা!

দীপ— ইমানদিনে ভগৱানে মোকলৈ খেলিলে, আজি মই—

ছবি— মই তোমাক ভাল পাওঁ দীপ ককাইদেউ!

দীপ—মইও তোমাক ভাল পাওঁ ছবি!

ছবি— সেয়ে হাত যোৰ কৰিছোঁ তুমি—

দীপ—কিন্তু তোমাতকৈ মই মোৰ কৱিতাক বেচি ভাল পাও ছবি। তাইক বচাব লাগিব।

FLASH BACK

কৱিতা— "দীপ ককাইদেউ! "মোক মৰিবলৈ নিদিবা।"

দীপ—(অজ্ঞানৰ দৰে চিঞৰি উঠে) কৱিতা!

ছবি—তোমাৰ দৰে পাপী এজন এই মন্দিৰৰ পৰা ওলাই যোৱা।

দীপ—ছবি! (খঙেৰে চিঞৰি দি, বিদ্যুতে দিয়া ছুৰিখন উলিয়াই লৈ ছবিৰ পিনে আগুৱাই যায়।) মূৰ্ত্তিটো মোক দিবা নে নিদিয়া?

ছবি—(পিচুৱাই গৈ থাকি) তুমি চোৰ, তুমি পাপী।

দীপ— মই কৱিতাৰ বাবে সব কৰিম ছবি! (থিক ভিতৰৰ ছুৱাৰখন পোৱাৰ লগে লগে ছবিৰ পেটত ছুৰি বহুৱাই দিয়ে! ছবিয়ে— "অস্ ভগৱান" বুলি চিঞৰি দিয়ে! ৰক্তাক্ত ছুৰিখন আৰু মূৰ্ত্তিটো লৈ দীপ বাহিৰৰ দুৱাৰখনৰ পিনে যাব খুজি ৰৈ যায়; ছুৰিখনৰ পিনে চাই।) আজি মই সব কৰিম! (যাব খোজোতেই সমুখত পুৰোহিতক দেখি, পুৰোহিতদেউ!

পুৰোহিত—তুমি পলাবা বুলি ভাবিয়েই মই এই ছুৱাৰেদি সোমাইছোঁ। কলৈ যোৱা?

দীপ—মোক যাবলৈ দিয়ক পুৰোহিতদেউ!

পুৰোহিত— এই মূৰ্ত্তিটো থৈ যোৱা।

দীপ—পুৰোহিতদেউ! (খঙেৰে)

পুৰোহিত— মই জানো। সেইখন ছুৱাৰত মোৰ ছবিৰ ৰক্তাক্ত দেহ পৰি আছে। কিন্তু মোৰ প্ৰথম কৰ্ত্তব্য এই সোণৰ মূৰ্ত্তিটো ৰক্ষা কৰা।

দীপ— এইটো আপোনাৰ মূৰ্ত্তি নহয়।

পুৰোহিত— কিন্তু আজি বাৱন্ন বছৰে মই ইয়াক পূজা কৰিছোঁ।

দীপ—ইয়াত ভগৱান নাই পুৰোহিতদেউ!

পুৰোহিত— সেই কথা মোক শিকাব নেলাগে পাপী?

দীপ—আপুনি বাট এৰি দিয়ক! নহলে (ছুৰিখন দেখুৱাই।)

পুৰোহিত—যি জনে ভগৱানৰ নামত সকলো উৎচৰ্গা কৰিছে তেওঁ আৰু কাৰোলৈ ভয় নকৰে।

দীপ—মই হাত যোৰ কৰিছো দেউ! মই মোৰ কৱিতাক বচাব লাগিব!

পুৰোহিত— হঁহে ।

দীপ—আপুনি আঁতৰি যাবনে নেযায় ? ( ছুৰিখন দেখুৱাই আগুৱাই গৈ থাকে ! পুৰোহিত পিচুৱাই যায়। ) আপুনি আঁতৰি যাওঁক ! বাট এৰি দিয়ক নহলে—( বাহিৰৰ দুৱাৰখনৰ কাষত পুৰোহিতকো ছুৰিৰে আঘাত কৰে । "উস্ ভগৱান" বুলি পুৰোহিত বাগৰি পৰে । দীপৰ হাতৰ পৰা মূৰ্ত্তিটো মজিয়াত চিটিকি পৰে । দীপে মূৰ্ত্তিটো লবলৈ আহে । বাহিৰত ধুমুহাৰ শব্দ । ভিতৰলৈ এজাক বতাহ সোমাই আহি মন্দিৰৰ ফুল-তুলসীবোৰ উকৰাই নিয়ে । লগে লগে বিজুলী বন্ধ হোৱাৰ বাবে লাইট নুমায় । মন্দিৰৰ ভিতৰখন এন্ধাৰ হয় ।

দীপ— আস্ লাইট নুমাল !

বিদ্যুত—( দৌৰি দুৱাৰ মুখৰ পৰা চিঞৰি ) দীপ ধুমুহা বৰষুণ আহিছে । মই আহিলোঁ, তই দৌৰি আহ । ( বিদ্যুত যোৱাৰ লগে লগে এটা ডাঙৰকৈ শব্দ কৰি বাহিৰৰ দুৱাৰখন বতাহে বন্ধ কৰি দিয়ে । )

দীপ—তই নেযাবি বিদ্যুত ! তই নেযাবি ! ইমান এন্ধাৰ ; দুৱাৰখন ক'ত বিদ্যুত ? [দীপে দুৱাৰখন বিচাৰি এন্ধাৰৰ মাজতে ঘূৰি ফুৰে ! মাজে মাজে বাহিৰৰ আকাশৰ বিজুলী আহি তাৰ মুখত পৰিব । সেই এন্ধাৰৰ মাজতে তাৰ মনত প্ৰশ্ন হব । ]

প্ৰশ্ন—দীপ, তই ছবিক কিয় হত্যা কৰিলি ?

দীপ—[ নাহে নাহে স্পষ্টকৈ ] ছবিয়ে মোক ভাল পাব খুজিছিল ।

প্ৰশ্ন—এই পুৰোহিতক কিয় হত্যা কৰিলি দীপ ?

দীপ—তেওঁক মই শ্ৰদ্ধা কৰিছিলোঁ আৰু সকলোতকৈ তেওঁ মোক বেচি মৰম কৰিছিল।

FLASH BACK

কৱিতা—"দীপ ৰুকাইদেউ ! মোক মৰিবলৈ নিদিবা ।

দীপ—নিদিও নিদিও কৱিতা! তোক জীয়াই ৰাখিম তই মোৰ লগতে জীয়াই থাকিব লাগিব ।.........! কিন্তু দুৱাৰ ক'ত ? মই কেনি যাওঁ ? ইয়াত ইমান এন্ধাৰ ! হে ভগৱান, মোক অলপ পোহৰ দিয়া । [ উন্মাদৰ দৰে চিঞৰে ] বিদ্যুত ! দুৱাৰ খোল । বি—বি-দ্যু-ত ! আস্—[কলিজাত আঘাত লাগি পৰি যায় । ওপৰৰ পৰা পোহৰ নিয়ন্ত্ৰণ কৰি কেৱল দীপৰ সোঁ হাতখন দেখুউৱা হব । সি হাতখন দূৰলৈ মেলি দিব ! সেই পোহৰে সমুখৰ মূৰ্ত্তিটো দেখুৱাই দিব । দ্বিতীয়বাৰ চুচৰি দীপে মূৰ্ত্তিটো আনিব খোজাৰ লগে লগে তাৰ মৃত্যু হ'ব । পোহৰ গৈ এইবাৰ তাৰ মুখত পৰিব ! কিছুমান কেচা তেজ তাৰ মুখৰ পৰা ওলাই বাগৰি থাকিব— পিচপিনৰ পৰা ধ্বনিত হব—

'ওম্ অসতো মা সদ্গময়
তমসো মা জ্যোতি র্গময়
মৃত্যোর্মা অমৃতং গময়
ওম্ শান্তি ! শান্তি !! শান্তি ॥

ধীৰে ধীৰে পট্ পৰে

# সাধাৰণ সম্পাদকৰ প্ৰতিবেদন ইং ১৯৭০-৭১

জয়জয়তে মঙ্গলদৈ কলেজৰ সমূহ ছাত্ৰ ছাত্ৰী, মাননীয় অধ্যক্ষ, পূজনীয় অধ্যাপক অধ্যাপিকা সকলৰ ওচৰত কৃতজ্ঞতা জ্ঞাপন কৰি মই এই ক্ষুদ্ৰ প্ৰতিবেদন লিখিবলৈ আৰম্ভ কৰিলোঁ।

যিহেতু এই বছৰৰ কাৰ্য্যকৰী কমিটিৰ সাধাৰণ সম্পাদক কলেজত নাই, সেইবাবে নৈশ বিভাগৰ উপৰিও মোক কাৰ্য্যকৰী কমিটিয়ে দিনৰ ভাগৰ সাধাৰণ সম্পাদকৰ ভাৰ অৰ্পণ কৰা বাবে মই সমূহ ছাত্ৰ-ছাত্ৰীৰ ওচৰত কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। যোৱা ইং ১০।৮।৭১ তাৰিখে মই কাৰ্য্যভাৰ হাতত লওঁ।

কলেজ সপ্তাহ—

যোৱা ইং ১৫/১২/৭০ তাৰিখৰ পৰা ১৮/১২/৭০ তাৰিখলৈ আমাৰ কলেজত কলেজ সপ্তাহ সমাৰোহেৰে হৈ যায়। প্ৰথম দিনাখন ৰাতিপুৱা এন, চি, চি, ৰ কুছ কাৱাজেৰে আমাৰ কলেজৰ অধ্যক্ষ মহোদয়ে কলেজ পতাকা উত্তোলন কৰি কলেজ সপ্তাহ উদ্বোধন কৰে। খেল ধেমালি সঙ্গীতাদি প্ৰতিযোগিতাত যদিও প্ৰতিযোগীৰ সংখ্যা তাকৰ আছিল তথাপিও অনাবাৰৰ তুলনাত খেলৰ মানদণ্ড কিছু উচ্চ খাপৰ আছিল। মই আশা কৰোঁ যাতে ভৱিষ্যতে ছাত্ৰ-ছাত্ৰী সকলে কলেজ সপ্তাহত যোগদান কৰি আন কলেজৰ লগত মানদণ্ড বজাই ৰাখিবলৈ চেষ্টা কৰে।

শোক সভা—

যোৱা ইং ২৮/৮/৭১ তাৰিখে অসমৰ খ্যাতনামা শিল্পী আৰু খ্যাতনামা শিক্ষাবিদ স্বৰ্গীয়

চন্দ্ৰ ফুকন আৰু স্বৰ্গীয় প্ৰফুল্ল প্ৰাণ চাং কাকতী দেৱৰ মৃত্যুত এখন শোকসভা পাতি গভীৰ শোক প্ৰকাশ কৰে আৰু মৃতক দুজনাৰ আত্মাৰ সদ্‌গতিৰ কাৰণে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱা হয় আৰু শোক সন্তপ্ত পৰিয়ালবৰ্গলৈও সমবেদনা জনোৱা হয়। যোৱা ইং ৪/৯/৭১ তাৰিখে সমূহ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকৰ উপস্থিতিত হোৱা এখন সভাত মঙ্গলদৈৰ খ্যাতনামা প্ৰবীন অধিবক্তা স্বৰ্গীয় কাৰ্ত্তিক বৰুৱাৰ অকাল মৃত্যুত গভীৰ শোক প্ৰকাশ কৰে আৰু শোক সন্তপ্ত পৰিয়াল বৰ্গলৈ সমবেদনা জ্ঞাপন কৰে।

## এটি নতুন বস্তু, ছাত্ৰী-নিবাস-

অতি সুখৰ কথা যে সদ্যনিৰ্মিত ছাত্ৰী-নিবাসটিয়ে এই কলেজৰ ছাত্ৰীসকলৰ এটি বহু-দিনীয়া অভাৱ দূৰ কৰিছে। দূৰদূৰণীৰ পৰা অহা ছাত্ৰীসকলে ইয়াত থাকি অতি সহজে উচ্চ শিক্ষা লাভ কৰিব পাৰিব বুলি মোৰ বিশ্বাস। ছাত্ৰী-নিবাসটিয়ে ছাত্ৰীসকলৰ অভাৱ দূৰ কৰাৰ উপৰিও কলেজৰো যথেষ্ট সৌন্দৰ্য্য বঢ়াইছে। ছাত্ৰী নিবাসটিয়ে পূৰ্ণাঙ্গ অৱস্থা পোৱা বাবে মই কলেজ কৰ্তৃপক্ষৰ ওচৰত অশেষ কৃতজ্ঞতা অৰ্পণ কৰিছোঁ।

## কলেজ কেণ্টিন-

কলেজ চৌহদৰ ভিতৰত যোৱা বছৰ নতুনকৈ প্ৰতিস্থিত হোৱা কেণ্টিনখনে আম কলেজৰ সমূহ ছাত্ৰ-ছাত্ৰীৰ এটি বহুদিনীয়া অভাৱ দূৰ কৰিছে। কেণ্টিনখনৰ পৰিচালক, অধ্যক্ষ মহোদয় তথা সমূহ অধ্যাপক, অধ্যাপিকাসকলে ইয়াৰ প্ৰতি দেহে কেহে লাগি থকা হেতু তেখেত সকললৈ মই শলাগৰ শৰাই আগবঢ়ালোঁ। মোৰ আশা ই যেন সুচাৰুৰূপে পৰিচালিত হয়।

## কলেজৰ আদৰ্শ কৃষি পাম -

বহুত বছৰ চন পৰি থকা কলেজৰ প্ৰায় ১৫০ বিঘা মাটিত যোৱা বছৰৰ পৰা বৈজ্ঞানিক পদ্ধতিৰে বিভিন্ন খেতিৰে এই পামখন ছাত্ৰ সকলৰ বাবেও উৎসাহজনক আৰু শিক্ষা প্ৰদ হৈ উঠিছে। সেইবাবে মাননীয় অধ্যক্ষ, অধ্যাপক সকললৈ মই মোৰ আন্তৰিক কৃতজ্ঞতা অৰ্পণ কৰিলোঁ।

## নৱাগত আদৰণী সভা—

ইং ১৯৭১ চনৰ নৱাগত আদৰণী সভাখন যোৱা ২/৯/৭১ তাৰিখে হৈ যায়। আবেলিৰ সাধাৰণ সভাত মূখ্য অতিথিৰ আসন গ্ৰহণ কৰে স্থানীয় মহকুমাধিপতি শ্ৰীযুত চিত্তৰঞ্জন দে মহোদয়ে। ইয়াৰ উপৰিও ৰাজ্যিক কৃষি মন্ত্ৰী মাননীয় শ্ৰীদণ্ডিৰাম দত্ত দেৱে সভাত উপস্থিত থাকি আমাৰ চেৰেক ছাত্ৰ-ছাত্ৰী সকলক হিতোপদেশ দি কৃতাৰ্থ কৰা বাবে তেখেত সকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা জনালোঁ। গধূলি সাংস্কৃতিক আয়োজনেৰে এই বছৰৰ নৱাগত আদৰণী সভাৰ যৱনিকা পেলোৱা হয়।

অভাব অভিযোগ—

মই সাধাৰণ সম্পাদকৰ কালৰ পৰা তথা কলেজৰ এজন ছাত্ৰ হিচাবে অধ্যক্ষ মহোদয়ৰ ওচৰত ছাত্ৰ ছাত্ৰীসকলৰ এশ-এবুৰি অভাব অভিযোগৰ কেইটামান বিশেষ দাবী পূৰণৰ বাবে অনুৰোধ কৰিলোঁ। মোৰ আগৰ সম্পাদক বিলাকে কলেজৰ অভাব অভিযোগৰ বিষয়ে আলোচনীত প্ৰকাশ কৰিছিল যদিও কলেজ কৰ্তৃপক্ষই ছাত্ৰ ছাত্ৰীসকলৰ অভাব অভিযোগৰ বিষয়ে কোনো সঁহাৰি নেদেখুৱালে। সেয়েহে এইবাৰো মই কলেজৰ কৰ্তৃপক্ষ তথা অধ্যক্ষ মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলোঁ। বিশেষকৈ আমাৰ ছাত্ৰ সন্থাৰ যি এটি কোঠা আছে সেই কোঠাটো কোনো কালৰ পৰা Union Hall হিচাবে পৰিগণিত নহয়। ছাত্ৰ সন্থাৰ খেলা ধূলাৰ পৰা আদি কৰি সামাজিক কামৰ সকলোবোৰ বস্তু এই কোঠালিতে থাকে। গতিকে এনেবোৰ বস্তু আৰু আমাৰ বিভাগবোৰৰ বস্তু–বোৰ সঙাই পৰাই ৰাখিবলৈ এটি আহল-বহল কোঠালিৰ নিতান্তই আৱশ্যক। মহাশয়ে এই বিষয়ে চকু দিলে নথৈ আনন্দ পাম। বহু সংখ্যক ছাত্ৰই চাইকেলেৰে অহা বাবে কলেজৰ বাৰান্দা চাইকেলেৰে ভৰি যায়। ফলত ছাত্ৰ-ছাত্ৰী সকলৰ চলন-ফুৰণ কৰাত অসুবিধা হয়। এই বিষয়েও মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলোঁ। এই সন্দৰ্ভতে আৰু এটি কথা কৈ আছিলে ভাল হব বুলি ভাবো যে ছোৱালী জিৰণি কোঠা কলেজৰ পুথিভৰাল একেটা কোঠালিতে হোৱাত পাঠক পাঠিকা-সকলে অতি অসুবিধা ভোগ কৰি আহিছে। গতিকে এই বিষয়েও মহোদয়ে বিবেচনা কৰিব বুলি আশা কৰিলোঁ।

শলাগৰ শৰাই—

প্ৰথমে মোৰ এই সম্পাদকৰ কালছোৱাত যি সকল ছাত্ৰ ছাত্ৰী তথা অধ্যাপক অধ্যাপিকাৰ পৰা আৱশ্যকীয় সহায় সহানুভূতি আৰু উপদেশ পাইছো তাৰ বাবে সকলোৰে ওচৰত আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো। মই এই সম্পাদকৰ ভাৰ লোৱা সময় ছোৱাৰ ভিতৰত জ্ঞাতে তথা অজ্ঞাতে দোষ কৰাটো অতি স্বাভাৱিক। তাৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰিছো। মোৰ শ্ৰদ্ধাস্পদ শিক্ষা গুৰু ছাত্ৰ সন্থাৰ উপদেষ্টা শ্ৰীযুত কীৰ্তেশ্বৰ কোচ মহাশয়ৰ যথোপযুক্ত উপদেশ মই অকল সম্পাদক হিচাবে নহয়, তেখেতৰ এজন ছাত্ৰ হিচাবেও মই কেতিয়াও পাহৰিব নোৱাৰো। প্ৰত্যেক মুহূৰ্ত্তে তেখেতে মোক মই বিচৰা পৰামৰ্শ দি উৎসাহ আৰু অন্তৰত বল দিয়া বাবে তেখেতৰ ওচৰত মই চিৰ কৃতজ্ঞ। লগতে মাননীয় অধ্যক্ষ আৰু উপাধ্যক্ষ মহোদয়ৰ পৰা সদুপদেশ পোৱা হেতু তেখেত সকললৈ শলাগৰ শৰাই আগ বঢ়াইছো। পৰম শিক্ষা গুৰু মাননীয় শ্ৰীপ্ৰভাত চন্দ্ৰ শৰ্ম্মা দেৱে মোক যিখিনি সহায় তথা সহানুভূতি আগবঢ়াইছিল তাক মই কেতিয়াও পাহৰিব নোৱাৰিম। সেইবাবে তেখেতৰ ওচৰত মই চিৰঋণী।

ছাত্র সন্থাৰ বিভিন্ন কামত সকলো সময়তে যি সকল ছাত্র ছাত্রীয়ে মোক সহায় সহানুভূতি আগবঢ়াইছিল তেওঁলোকৰ ওচৰত মই চিৰ কৃতজ্ঞ। ইয়াৰ উপৰিও বিভিন্ন শাখাৰ সম্পাদক সকলে মোক যি সহানুভূতিৰে কামত আগবাঢ়ি যোৱাত সহায় কৰিলে তেওঁলোকলৈও মই শলাগৰ শৰাই আগবঢ়ালো।

সদৌ শেষত সকলোকে মোৰ আন্তৰিক ধন্যবাদ জনাই মই মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলো। নমস্কাৰ।

শ্ৰীঅতুল কুমাৰ ভূঞা
সাধাৰণ সম্পাদক (ভাৰপ্ৰাপ্ত)
মঙ্গলদৈ কলেজ ছাত্র সন্থা।

এই বছৰৰ সাহিত্যৰ নবেল বঁটা চিলিৰ কবি আৰু কূটনীতি-বিদ পাব্লু নেৰুদাক প্ৰদান কৰা হয়।

৬৭ বছৰীয়া এই কবি গৰাকী বৰ্ত্তমান পেৰিছত চিলিৰ ৰাষ্ট্ৰদূত পদত অধিস্থিত। একেধাৰে কবি, কূটনীতি বিদ আৰু কমিউনিষ্ট নেৰুদা হ'ল এই বঁটা পোৱা দ্বিতীয় জন চিলি বাসী।



মঙ্গলদৈ কলেজ আলোচনী সম্পাদনা সমিতি, ইং ১৯৭০-৭১

**প্ৰথম শাৰী ঃ** ( বাওঁফালৰপৰা ) অধ্যাপক ভূপেন্দ্ৰ নাথ কাকতি ; অধ্যক্ষ প্ৰবোধ চন্দ্ৰ গোস্বামী ; অধ্যাপক জীৱন শৰ্ম্মা ( উপদেষ্টা )।

**দ্বিতীয় শাৰী ঃ** ( বাওঁফালৰপৰা ) দীনবন্ধু শৰ্ম্মা ( সম্পাদক ) ; কিনাৰাম নাথ ; মনো চহৰীয়া ; নিৰুপমা তালুকদাৰ ; খগেন নাথ ; পৰীক্ষিত শৰ্ম্মা ; জলতি ৰাম শৰ্ম্মা ।

# খেল-বিভাগ

প্ৰতিবেদনৰ আৰম্ভনিতে মই মোৰ আন্তৰিক মৰম আৰু কৃতজ্ঞতা আগবঢ়াইছো সেই সকল ছাত্ৰ ছাত্ৰী বন্ধু বান্ধৱীলৈ যি সকলে মোক তেওঁলোকৰ সেৱাৰ মানসে ১৯৭০—৭১ চনৰ বাবে মঙ্গলদৈ কলেজৰ খেল বিভাগৰ সম্পাদক হিচাবে স্বীকৃতি দিলে। অৱশ্যে এনে গুৰু দায়িত্ব এটা পৰিচালনা কৰোতে মই কিমান দূৰ সফলতা লাভ কৰিছো তাৰ বিচাৰ ছাত্ৰ-ছাত্ৰীৰ ওপৰত ন্যস্ত কৰিলো।

## কলেজ সপ্তাহ—

আন কেইবাৰৰ দৰে এইবাৰো কলেজ সপ্তাহ ১৫/১২/৭০ তাৰিখৰ পৰা ১৮/১২/৭০ লৈ মহাসমাৰোহৰ মাজেদি পাৰ হৈ যায়। অলিম্পিক শিখা প্ৰজ্বলনৰ পিচতে সেইদিনাৰ কাৰ্য্যসূচী আৰম্ভ কৰা হয়। এক বৃহৎ সংখ্যক ছাত্ৰ-ছাত্ৰীৰ উপস্থিতি দেখি মই সচাকৈয়ে আনন্দিত হৈছিলো। প্ৰতিযোগীতাপূৰ্ণ নানা খেলৰ মাজেদি নিজকে শ্ৰেষ্ঠ-খেলুৱৈৰ শাৰীত প্ৰতিষ্ঠা কৰা ক্ৰমে শ্ৰীঅৰনি কুমাৰ দত্ত আৰু শ্ৰীবেদনা কৰ্ম্মকাৰলৈ মোৰ আন্তৰিক শুভেচ্ছা থাকিল।

## অভাৱ-অভিযোগ—

এই খিনিতে কৈ থোৱা ভাল, আগৰ খেল সম্পাদক সকলেও আমাৰ কলেজ খনত ক্ৰিকেটৰ

সজুলিৰ বাবে বহুতো কৈ আহিছে । আৰম্ভণিতে ময়ো ইয়াৰ বাবে উপদেষ্টা আৰু অধ্যক্ষ মহোদয়ৰ কৰ্ণ গোচৰ কৰিছিলো । কিন্তু বৰ্ত্তমানেও ইয়াৰ অভাৱ পূৰণ হোৱা নাই । ইয়াৰ বাহিৰেও লন-টেনিচ্ ৰ বাবেও বহুতো বাৰ কোৱা হৈছে । অৱশ্যে খেল গুডামত ইয়াৰ আংশিক সজুলি বিকৃত অৱস্থাত পৰি থকা দেখা গৈছে । মই ইয়াৰ বাবে উপদেষ্টা আৰু অধ্যক্ষ মহোদয়ক টানি অনুৰোধ কৰিলো যাতে এইখিনি অভাৱ দূৰ কৰে । ইয়াৰ বাহিৰে বাকী খেলৰ সজুলি যথেষ্ট আছে ।

## দুখ প্ৰকাশ—

আন্তঃ কলেজ ক্ৰিয়া মহোৎসৱত মঙ্গলদৈ কলেজক ( ফুট বলৰ বাহিৰে ) প্ৰায়েই যোগদান কৰা দেখা নাযায় । অৱশ্যে বিচাৰিলে ভাল খেলুৱৈৰ নোলোৱাও নহয় । এনেবোৰ অনুস্থানত যোগদান কৰি কলেজৰ গৌৰৱ বঢ়াবলৈ সকলোৰে আগবাঢ়ি অহা উচিত । মই আশাকৰোঁ। অহা বাৰ আমাৰ কলেজৰ পৰা আন্ত: কলেজ ক্ৰিয়া মহোৎসৱলৈ যি কোনো খেল খেলিবলৈ খেলুৱে পঠিওৱা হব ।

## কৃতজ্ঞ ও শলাগ—

মোৰ খেল বিভাগৰ উপদেষ্টা অধ্যাপক শ্ৰীযুত কুমুদ সন্দিকৈ দেৱৰ ওচৰত তেখেতৰ দিহা পৰামৰ্শৰ বাবে কৃতজ্ঞ থাকিলোঁ । মোৰ প্ৰতিটো কামতে সোঁ হাত স্বৰূপ সৰ্ব্বশ্ৰী প্ৰবীৰ চক্ৰবৰ্ত্তী, বিমল শইকীয়া, টঙ্কেশ্বৰ চলিহা, অতুল বৰুৱা, কামাখ্যা চাহা, পঞ্চানন বৰুৱা, হেম শইকীয়া, দিলীপ দাস, অমৰ নাথ, পঞ্চানন শৰ্ম্মা, সুশীল দে, প্ৰসন্ন চহৰীয়া, অনিৰুদ্ধ দৈমাৰিলৈ মোৰ আন্তৰিক মৰম থাকিলো ।

প্ৰদীপ দাস
সম্পাদক, খেলবিভাগ ।

# কলা আৰু সংস্কৃতি বিভাগৰ

## সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণীতে মঙ্গলদৈ কলেজৰ অধ্যক্ষ মহোদয় আৰু শিক্ষাগুৰু সকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা আৰু ছাত্ৰ-ছাত্ৰী সকললৈ শুভেচ্ছা জ্ঞাপন কৰিলো।

মঙ্গলদৈ কলেজৰ ছাত্ৰ সভাৰ 'কলা আৰু সংস্কৃতি' বিভাগৰ সম্পাদক হিচাপে আপোনালোকৰ সেৱা কৰিবলৈ পাই মই নিজকে ধন্য মানিছো। কিন্তু সেই সেৱাত কিমান দূৰ কৃতকাৰ্য্য হৈছো নাজানো।

কলা আৰু সংস্কৃতি হৈছে জাতীয় জীৱনৰ দাপোন স্বৰূপ। এটা জাতিক জীয়াই ৰখাত কলা আৰু সংস্কৃতিৰ অৱদান অপৰিসীম। এটা জাতিক জানিবলৈ হলে সেই জাতিৰ কলা আৰু সংস্কৃতিৰ আভাষ লোৱাটো নিতান্ত প্ৰয়োজন। মানৱ সমাজত ইয়াৰ গুৰুত্ব আৰু প্ৰয়োজনীয়তা যথেষ্ট। ইংৰাজ কৱি চেক্সপিয়েৰে সংগীত কলাৰ বিষয়ে গুৰুত্ব আৰোপ কৰি কৈছিল-- 'যি মানুহে সঙ্গীত বস্তুটো বেয়া পায়, যি মানুহে সঙ্গীতক শ্ৰদ্ধাৰ চকুৰে নাচায়, সেই মানুহৰ হৃদয় থন শিলৰ দৰে টান। এইবিধ মানুহে নৰহত্যা কৰিবলৈকো সক্ষম হব পাৰে"। ই একেবাৰে সত্য কথা! কলা অবিহনে কোনো প্ৰাণীয়ে শান্তি লাভ কৰিব নোৱাৰে। সেয়েহে সংস্কৃতত এষাৰ কোৱা আছে— "সাহিত্য সঙ্গীত কলাবিহীনঃ

সাক্ষাৎ পশুঃ পুচ্ছবিষাণহীনঃ।"

অৰ্থাৎ সাহিত্য সঙ্গীত কলা বিহীন লোক নেজ নোহোৱা পশুৰ দৰে।

পৃথিবীৰ সকলো সভ্য জাতিৰেই একোটা নিজস্ব সংস্কৃতি আছে। সেই হিচাবে আমাৰ অসমৰো এটা স্বকীয়া সংস্কৃতি আছে। আমি যদি অসমী আইৰ গৌৰৱ বঢ়াব খোজো তেনেহলে আমাৰ এই সংস্কৃতিক উন্নতিৰ পথত আগুৱাই নিয়াত প্ৰত্যেকজন অসমীয়াই ইন্ধন যোগোৱা উচিত,

যাতে এই সংস্কৃতিয়ে পৃথিবীৰ সভ্য জাতি সমূহৰ মাজত চিৰযুগমীয়া ঢৌ তুলি থাকে। সেয়েহে এই কলা আৰু সংস্কৃতিৰ ভৱিষ্যৎ উন্নতিৰ হকে আমি সকলোৱে চিন্তা কৰা উচিত।

### এইবাৰৰ আদৰণী সভা –

এইবাৰৰ আদৰণী সভা বিশেষ জাক-জমক-ভাৱে পতা হৈছিল। সেই উপলক্ষে নিশা এখনি সাংস্কৃতিক সমাৰোহৰ আয়োজন কৰা হৈছিল। তাত আমাৰ কলেজৰ বহু সংখ্যক ছাত্ৰ ছাত্ৰীয়ে অংশ গ্ৰহণ কৰি উক্ত সাংস্কৃতিক সন্ধিয়াৰ সৌষ্ঠৱ বঢ়াইছিল।

### কলেজ সপ্তাহ—

এইবাৰৰ কলেজ সপ্তাহত অনুষ্ঠিত হোৱা কলা আৰু সংস্কৃতিৰ প্ৰতিযোগীতা সমূহ বিশেষ মান বিশিষ্ট হয় আৰু প্ৰতিযোগীৰ সংখ্যাও আছিল সৰহ। এইবাৰৰ সঙ্গীত প্ৰতিযোগীতাৰ শ্ৰেষ্ঠ সম্মান লাভ কৰা আমাৰ কলেজৰ ছাত্ৰী কণিকা দেৱীলৈ মোৰ আন্তৰিক অভিনন্দন যাচিলো আৰু বাকী অংশ গ্ৰহণকাৰী শিল্পী সকললৈও মোৰ শুভেচ্ছা থাকিল।

গৌৰৱৰ বিষয় যে, একাঙ্ক নাট প্ৰতিযো গিতাৰ এইবাৰৰ নাট সমূহ উন্নত ধৰণৰ আৰু ছাত্ৰ-ছাত্ৰীসকলৰ মৌলিক ৰচনা আছিল। এই নাট প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ নাট্যকাৰ গৌৰীকান্ত ডেকা, শ্ৰেষ্ঠ অভিনেতা বিপ্লৱ ৰয়, অভিনেত্ৰী দীপ্তি দেৱী, শ্ৰেষ্ঠ পৰিচালক বেনীমাধৱ বৰা আৰু শ্ৰেষ্ঠ দল "ৰূপজ্যোতিলৈ" মোৰ আন্তৰিক শুভেচ্ছা থাকিল।

### অভাৱ অভিযোগ –

কলা আৰু সংস্কৃতি বিভাগৰ এটি নিজস্ব টনকিয়াল পুঁজি আৰু এটি স্থায়ী মঞ্চৰ অভাৱত এই বিভাগে বাৰুকৈ ঠন ধৰি উঠিব পৰা নাই আৰু সেই হেতু আমাৰ ছাত্ৰ ছাত্ৰীসকলে ভালেখিনি অসুবিধা পাই আহিছে। গতিকে এই অভাৱ দূৰীকৰণৰ হেতু আমৰ অধ্যক্ষ মহোদয় আৰু ছাত্ৰ-ছাত্ৰীসকলে চকু দিয়ে যেন।

### সদৌ শেষত—

এই বিভাগৰ সম্পাদক হিচাবে মই কিমান-দূৰ কৃতকাৰ্য হৈছো নেজানো। শ্ৰদ্ধেয় শিক্ষাগুৰু সকল আৰু মোৰ ছাত্ৰ-ছাত্ৰী বন্ধু সকলেহে মোৰ প্ৰকৃত কৃতকাৰ্য্যতা জুখিব পাৰিছে। মই কৰি যোৱা কামবোৰত হয়তো বহুতো ভুল অজানিত ভাবে কৰি গৈছো, তাৰ বাবে মই সকলোৰে ওচৰত ক্ষমা বিচাৰিছো।

এই বিভাগৰ তত্ত্বাৱধায়ক অধ্যাপক শ্ৰীযুত খগেশ্বৰ গোস্বামীদেৱে সকলো সময়তে মোক যি উপদেশ আৰু দিহাপৰামৰ্শ দি মোৰ কৰ্ত্তব্য পথত আগবাঢ়ি যোৱাত সহায় কৰিলে তাৰ বাবে মই তেখেতৰ ওচৰত চিৰঋণী আৰু তেখেতলৈ মোৰ আন্তৰিক শ্ৰদ্ধা থাকিল।

গৌৰীদা, প্ৰভাতদা, বাপু, বুবুল, বেনী আৰু অৱনীদা, শিখা আৰু কনিকা বাইদেউ আপোনালোকৰ দিহা পৰামৰ্শৰ বাবে মোৰ কৃতজ্ঞতা থাকিল। নৱবাহাদুৰ আৰু গোপী বাহাদুৰক কেতিয়াও পাহৰিব নোৱাৰো।

বাপুতি, অৰুণ, অনুপমা, দিপ্তী, বিমল, মগৰ, মানিক, মঞ্জু, বলিন, বিজয়া আৰু দিপালী, ছায়া, ৰাচিনা, ৰেখা তহঁতে মোক যি সহায় কৰিলি তাৰ বাবে তহঁতলৈ মোৰ অশেষ মৰম থাকিল।

ইয়াৰ বাহিৰেও যিসকল ছাত্ৰ-ছাত্ৰী বন্ধুৱে মোক নানা কামত নানা ভাৱে সহায় কৰিলে তাৰ বাবে মই তেওঁলোকলৈ যাচিলো মোৰ অশেষ ধন্যবাদ।

শ্ৰীহৰেন্দ্ৰ মোহন ভট্টাচাৰ্য্য
সম্পাদক, 'কলা আৰু সংস্কৃতি বিভাগ'।
মঙ্গলদৈ কলেজ।
১৯৭০-৭১

# তৰ্ক সভাৰ সম্পাদকৰ প্ৰতিবেদন

জয় জয়তে মঙ্গলদৈ কলেজৰ শ্ৰদ্ধাস্পদ অধ্যক্ষ মহোদয় পূজনীয় অধ্যাপক-অধ্যাপিকাবৃন্দ আৰু সমূহ ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। ১৯৭০-৭১ চনৰ তৰ্ক সভাৰ সম্পাদক হিচাবে সেৱা কৰিবলৈ সুবিধা দিয়া বাবে সমূহ ছাত্ৰ-ছাত্ৰীকে মোৰ হিয়াভৰা মৰম আৰু ওলগ জনাইছোঁ।

প্ৰতিযোগিতা—

১৯৭০-৭১ চনৰ বাবে মাত্ৰ দুখন তৰ্কসভা পতা হয়। প্ৰথমখন অক্টোবৰ মাহৰ ২০তাৰিখে

"সদৌ অসম আন্তঃ কলেজ ভোলানাথ বৰুৱা স্মৃতি তৰ্ক প্ৰতিযোগিতা"লৈ প্ৰতিযোগি পঠাবৰ কাৰণে প্ৰতিযোগিতাখন পতা হৈছিল। এই প্ৰতিযোগিতাত শ্ৰীগিৰিন্দ্ৰ শৰ্ম্মা আৰু মঃ চোলেমান আলীক ক্ৰমে প্ৰথম আৰু দ্বিতীয় হোৱা বাবে ওপৰোক্ত প্ৰতিযোগিতালৈ পঠোৱা হয়। যদিও তেওঁলোকে পুৰস্কাৰ পাবলৈ অসমৰ্থ হয়, তথাপি ১০ম স্থানৰ ভিতৰতে স্থান অধিকাৰ কৰি আমাৰ কলেজৰ সন্মান অটুট ৰাখে। তেওঁলোকলৈ মোৰ মৰম আৰু শুভেচ্ছা থাকিল।

দ্বিতীয়খন প্ৰতিযোগিতা অনুষ্ঠিত হয় কলেজ সপ্তাহত। কলেজ সপ্তাহত আকস্মিক বক্তৃতা প্ৰতিযোগিতাও এখন পতা হৈছিল। প্ৰতিযো-গিতাখন চলাবৰ কাৰণে বক্তা হিচাবে আমন্ত্ৰণ কৰা হৈছিল — শ্ৰীযুত ৰামেশ্বৰ শৰ্ম্মা বি-এ বি-এল দেৱক। বিচাৰক হিচাবে আমন্ত্ৰণ জনাইছিলোঁ শ্ৰীযুত জিতেন চক্ৰবৰ্ত্তি এম্-এ, বি-টি: শ্ৰীযুত গগনচন্দ্ৰ অধিকাৰী, (এজন প্ৰখ্যাত শিশু-সাহি-ত্যিক আৰু বিনিয়োগ বিনিময় কেন্দ্ৰৰ প্ৰধান বিষয়া); শ্ৰীযুত শিৱপ্ৰসাদ ৰাজখোৱা বি-এল আৰু শ্ৰীযুত ৰাজেন্দ্ৰ বৰুৱা এম–এ, বি-টি, দেৱক। কিন্তু দুখৰ বিষয় শ্ৰীযুত শিৱপ্ৰসাদ ৰাজখোৱা উপস্থিত থাকিব পৰা নাছিল। আন কেই-গৰাকী আমন্ত্ৰিত ব্যক্তিৰেই আমাৰ কাৰ্য্য সুক-লমে সম্পাদন কৰা হৈছিল। এই প্ৰতিযোগি-তাত অধ্যক্ষ মহোদয়, অধ্যাপক অধ্যাপিকাবৃন্দ, ছাত্ৰ-ছাত্ৰী আৰু উপস্থিত ভদ্ৰলোক যথেষ্ঠ সংখ্যক উপস্থিত থাকি সভাৰ সৌষ্ঠৱ বৰ্দ্ধন কৰে।

তৰ্ক প্ৰতিযোগিতাত শ্ৰীগোবিন্দ উপাধ্যায়, শ্ৰীগিৰিন্দ্ৰ শৰ্ম্মা আৰু মঃ চোলেমান আলিয়ে ক্ৰমে প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থান অধিকাৰ কৰে। আকস্মিক বক্তৃতা প্ৰতিযোগিতাত শ্ৰীলোকেশ্বৰ শৰ্ম্মাই প্ৰথম স্থান, শ্ৰীমতী বেদনা কৰ্ম্মকাৰ আৰু মঃ চোলেমান আলীয়ে দ্বিতীয় স্থান আৰু শ্ৰীগিৰিন্দ্ৰ শৰ্ম্মাই তৃতীয় স্থান অধি-কাৰ কৰিবলৈ সমৰ্থ হয়। তেওঁলোক আটাইলৈ মোৰ শুভেচ্ছা থাকিল। প্ৰতিযোগিতাখন সুকলমে চলাই দিয়া বাবে বিচাৰক মণ্ডলীলৈ শ্ৰদ্ধা নিবেদিছোঁ।

অভাব অভিযোগঃ–

সম্পাদক হিচাবে মোৰ অভিজ্ঞতাৰ পৰা কৈছোঁ, এই তৰ্ক সভা বিভাগটোত কোনো সা-সুবিধা নাই। প্ৰত্যেক ছাত্ৰ-ছাত্ৰীৰ পৰা ২৫ পইচাকৈ তোলা ধনেৰে কোনো কাম হব নোৱাৰে। টকাৰ অভাৱতে গুৱাহাটী বিশ্ববিদ্যা-লয় ছাত্ৰ সভাই পতা "তৰ্ক প্ৰতিযোগিতা" আৰু তেজপুৰত দৰং কলেজ ছাত্ৰ সভাই পতা "চিলভাৰ জুবিলী"লৈ প্ৰতিযোগী পঠিয়াবলৈ অসমৰ্থ হওঁ-হক্ঁ॥ অন্ততঃ পঞ্চাচ পইচা (৫০ পইচা) কৈ তুলিলেও কিছু কামত আহে বুলি মই ভাবোঁ। এই কথাটো চিন্তা কৰি চাবলৈ অধ্যক্ষ মহোদয় আৰু ছাত্ৰ সভাৰ সভাপতি মহোদয়ৰ ওচৰত

অনুৰোধ জনালোঁ। বহুত অসুবিধা বশতঃ এখন পান সভা (Sympcsium) আহ্বান কৰিও সময়ত স্থগিত ৰাখিব লগীয়াত পৰিছিলোঁ। মক্ পাৰ্লিয়ামেণ্ট, গ্ৰুপ ডিচকাচন আদি পাতিব পৰা নাছিলোঁ—বহুতো অসুবিধা আৰু বাধা পোৱা হেতুকে। সেই কাৰণে মই সম্পাদক হিচাবে বৰ দুখ পাইছোঁ। মঙ্গলদৈ কলেজৰ ছাত্ৰ-ছাত্ৰী বৃন্দ তৰ্ক কৰাত বৰ পিচপৰা। তৰ্কৰ টেক্‌নিক্ বিলাকৰ বিষয়ে অনভিজ্ঞ। তৰ্ক সভা, আকস্মিক বক্তৃতা—আদি শিক্ষাৰ কাৰণে সপ্তাহত অন্ততঃ এদিন এটা "স্পেচিয়েল ক্লাচ" ল'লে ভাল হব বুলি মোৰ দৃঢ় ধাৰণা। প্ৰত্যেক শনিবাৰে তৰ্ক সভা, আকস্মিক বক্তৃতা, পান সভা আদি পাতিবৰ কাৰণে অনুমতি দিবলৈ ভৱিষ্যৎ তৰ্ক সভাৰ সম্পাদকৰ হৈ অধ্যক্ষ মহোদয়ৰ ওচৰত টানি অনুৰোধ জনালোঁ।

কৃতজ্ঞতাঃ—

সকলো সময়তে দিহা পৰামৰ্শ আগবঢ়োৱা বাবে অধ্যক্ষ মহোদয়লৈ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। এই বিভাগৰ ভাৰপ্ৰাপ্ত অধ্যাপিকা শ্ৰীযুতা বিজয়া চক্ৰবৰ্ত্তীলৈ মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ। শেষত মোৰ কৰ্ত্তব্য পালনত উপদেশ, সহায়-সহযোগিতা আগবঢ়োৱা অধ্যাপক-অধ্যাপিকা, ছাত্ৰ-ছাত্ৰী সকলোলৈকে হিয়া ভৰা কৃতজ্ঞতা আৰু ওলগ জনাই মোৰ ক্ষুদ্ৰ প্ৰতিবেদনৰ সামৰণি পেলালোঁ। জয়হিন্দ।

শ্ৰীখেপীন্দ্ৰ শৰ্ম্মা
সম্পাদক, তৰ্ক-সভা বিভাগ,
মঙ্গলদৈ কলেজ
ইং ১৯৭০-৭১ চন

# সমাজ সেৱা বিভাগৰ প্ৰতিবেদন

জয়জয়তে আমাৰ মঙ্গলদৈ কলেজৰ শ্ৰদ্ধাস্পদ অধ্যক্ষ, অধ্যাপক, অধ্যাপিকা আৰু প্ৰিয় ছাত্ৰ-ছাত্ৰী ভাই-ভনী সকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতাৰে সমাজ সেৱা বিভাগৰ সম্পাদক হিচাবে মোৰ প্ৰতিবেদনৰ খোখনি মেলিছো। ছাত্ৰ-ছাত্ৰী ভাই-ভনীসকলৰ অশেষ কৰুণাৰে মই ১৯৭০-৭১ চনৰ বাবে সমাজ সেৱা বিভাগৰ সম্পাদক হিচাবে তেখেতসকলক সেৱা কৰিবলৈ পাই বা সেই সুবিধাকণ দিয়াৰ বাবে তেওঁলোকৰ ওচৰত চিৰকৃতজ্ঞ হৈ ৰলোঁ। নেজানো মোৰ কামৰ পৰা তেওঁলোক কিমান উপকৃত হৈছে।

সমাজ সেৱা কি?

সাধাৰণ অৰ্থত কবলৈ গলে সমাজ বা দহৰ হকে কাম কৰাকে সমাজসেৱা বোলে। কিন্তু ব্যক্তিগত স্বাৰ্থ জৰিত কাম সমাজ সেৱাৰ বাহিৰত। সেয়ে নিস্বাৰ্থভাৱে দহৰ তথা দেশৰ কামত আত্মোৎসৰ্গ কৰিব পৰাটোৱে প্ৰকৃত সমাজ সেৱা।

শিক্ষানুষ্ঠানত ইয়াৰ আৱশ্যকতা— মহামানৱ মহাত্মা গান্ধীয়ে কৈ গৈছে 'জুই শালত পঢ়িলেহে কমাৰ শালত গঢ়িব পাৰে'। কিতাপৰ জ্ঞানেই প্ৰকৃত জ্ঞান নহয়। সেই জ্ঞান বা অভিজ্ঞতাক কম বেচি পৰিমাণে কাৰ্য্যত খটুৱাব পাৰিলেহে

জ্ঞানৰ প্ৰকৃত মূল্য নিৰূপণ হয়। Example is better then precept কথাষাৰ এই ক্ষেত্ৰত প্ৰযোয্য। শিক্ষানুস্থানবোৰত সমাজসেৱা বা তেনে ধৰণৰ যিবোৰ কথাৰ শিক্ষা দিয়া হয় সেই বোৰৰ কাৰ্যকৰি শিক্ষা দিয়াৰো প্ৰয়োজন। তেনে এক উদ্দেশ্য আগত ৰাখিয়েই বৰ্ত্তমান সময়ত প্ৰায়বোৰ সৰু ডাঙৰ শিক্ষানুষ্ঠানতে এই সমাজসেৱা বিভাগটো ৰখা হৈছে। অকল এয়ে নহয়। সমাজসেৱা কৰোতে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত যি আমোদ প্ৰমোদ আৰু মিলা মিছা হয় সেয়ে তেওঁলোকক একত্ৰিত হোৱাত ইন্ধন যোগায়।

কলেজ সপ্তাহ—

কলেজ সপ্তাহ কলেজৰ এটা অন্যতম দিবস। ইয়াত পতা বিভিন্ন প্ৰতিযোগিতাৰ জৰিয়তে ছাত্ৰ-ছাত্ৰী সকলৰ বিভিন্ন বিষয়ত দক্ষতা প্ৰকাশ পায়। আন আন প্ৰতিযোগিতাৰ লগতে সমাজ সেৱা বিভাগৰো প্ৰতিযোগিতা পতা হয়। ইয়াক বিশেষকৈ আলোচনাচক্ৰ আৰু কামৰ ওপৰত ভিত্তি কৰিয়েই পতা হয়। কামৰ ভিতৰত তলত দিয়া কামৰ আঁচনিবোৰেই প্ৰধান।

১) কলেজ চৌহদত কাম।

২) ৰাস্তা বন্ধা।

৩) ফাৰ্ম্মত ধান কটা আৰু আলুত মাটি দিয়া।

৪) বাহিৰত সমাজ সেৱাৰ কাম।

কলেজ সপ্তাহৰ কাৰণে তিনিদিন প্ৰতিযোগিতামূলক কাম কৰা হয়। ইয়াৰ বাহিৰেও আগৰ দুদিন কামৰ উপস্থিতিৰ গড় সহ মুঠ পাঁচ দিন কাম কৰাৰ ভিত্তিত প্ৰতিযোগিতা পতা হয়। ইয়াৰ লগতে আলোচনা চক্ৰত প্ৰতিযোগী সকলে লাভ কৰা নম্বৰ যোগকৰি তেওঁলোকৰ দক্ষতাৰ নিৰ্ব্বাচন কৰা হয়। সকলোবোৰকে ভিতৰ কৰি সমাজসেৱা বিভাগে মুঠ প্ৰায় ৪০০ (চাৰিশ) ঘণ্টা কাম কৰে। উক্ত বিভাগৰ কাৰ্য্যকৰী সমিতিৰ সভ্য সকলে কামত সম্পূৰ্ণ-ৰূপে অংশ গ্ৰহণ কৰে যদিও তেওঁলোক প্ৰতিযোগিতাৰ পৰা বিৰত থাকে। এয়ে তেওঁলোকৰ প্ৰকৃত সমাজ সেৱাৰ পৰিচয় দিয়ে। প্ৰতিযোগি সকলৰ যোগ্যতা অনুসৰি এজনক প্ৰথম, দুজনক দ্বিতীয় আৰু তিনিজনক তৃতীয় মুঠ ছজনক পুৰস্কাৰ দিয়া হয়।

আমাৰ অভাৱ—

সমাজসেৱা বিভাগে আৱশ্যকীয় বস্তু-বাহানিৰ লগতে আৰ্থিক বিষয়তো অভাৱ অনুভৱ কৰি আহিছে। কামত যোগ দিয়া প্ৰত্যেকজনকে আমি সজুলিৰ যোগান ধৰিব পৰা নাই। ইয়াৰ মূলতে আৰ্থিক অনাটন। গতিকে মোৰ এই প্ৰতিবেদনৰ জৰিয়তে সমাজসেৱা বিভাগটোৰ প্ৰতি কলেজ কৰ্ত্তৃপক্ষৰ দৃষ্টি আকৰ্ষণ কৰিলোঁ।

লাজ লাগে –

সমাজ সেৱা যে এটা ভাল কাম আৰু ইয়াৰ দ্বাৰা যে এখন দেশৰ উন্নতিত অৰিহণা যোগাব পৰা যায় এই কথা কলেজৰ ছাত্ৰ-ছাত্ৰী হিচাবে প্ৰত্যেকেই উপলব্ধি কৰে; কিন্তু এখন কলেজৰ ইমানবোৰ ল'ৰা-ছোৱালীৰ ভিতৰত নিচেই কম সংখ্যক কেৱল লৰাইহে সমাজসেৱা কৰিবলগীয়া হোৱাটো অকল দুখৰেই নহয় লাজৰো কথা।

কৃতজ্ঞতা–

মোক এই দায়িত্বপূৰ্ণ কামত সদুপদেশ আৰু দিহাপৰামৰ্শ আদিৰে সহায় কৰা কাৰণে শ্ৰদ্ধাস্পদ শিক্ষাগুৰু শ্ৰীযুত প্ৰবোধচন্দ্ৰ গোস্বামী এম-এবি-টি, (অধ্যক্ষ) শ্ৰীযুত ৰাজেন্দ্ৰ বৰুৱা এম-এ, বি-টি (উপদেষ্টা সমাজসেৱা বিভাগ) শ্ৰীযুত বসন্ত কুমাৰ গোস্বামী এম-এ, শ্ৰীযুত শৰৎচন্দ্ৰ শৰ্ম্মা এম-এ, শ্ৰীনৰেন্দ্ৰ কুঃ সিং এম-এচ-চি, দেৱলৈ মোৰ আন্তৰিক কৃতজ্ঞতা আৰু শলাগ আগবঢ়ালোঁ। ইয়াৰোপৰি মঙ্গলদৈ কলেজ আলোচনীৰ সম্পাদক শ্ৰীদীন বন্ধু শৰ্ম্মা দেৱে তেখেতৰ আলোচনীত এই প্ৰতিবেদনক ঠাই দিয়া বাবে কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

শলাগ আৰু শুভেচ্ছা–

যি সকল উৎসাহী ছাত্ৰ বন্ধুৱে মোক মোৰ কামত আগবাঢ়ি যোৱাত সহায় কৰিছে তেওঁলোকলৈ মোৰ শলাগ আৰু শুভেচ্ছা আগবঢ়ালোঁ। তেওঁলোক সৰ্ব্বশ্ৰী হেম শইকীয়া, অনিৰুদ্ধ দৈমাৰী, বিপীন ৰাজবংশী, ইন্দ্ৰেশ্বৰ শৰ্ম্মা, খেগেন্দ্ৰ শৰ্ম্মা, যোগেশ্বৰ হাজৰিকা, শৰৎচন্দ্ৰ কলিতা, নৰবাহাদুৰ কাৰ্কী, জলটী শৰ্ম্মা।

ক্ষমা বিচাৰি–

মানুহ মাত্ৰেই ভুল বুলি এটা কথা আছে। ময়ো সেই মানৱ জাতিৰেই এটি ক্ষুদ্ৰ অংশ হিচাবে মোৰো ভুল চিৰলগৰীয়া। সেয়ে মোৰ এই সমাজ সেৱা মূলক দায়ীত্বশীল কামটো চলাবলৈ যাওঁতে যিবিলাক ভুল ক্ৰটী কৰিছো সেই সকলোবোৰৰ কাৰণে শিক্ষাগুৰু আৰু ছাত্ৰ-ছাত্ৰী সকলৰ ওচৰত ক্ষমা বিচাৰি মোৰ এই প্ৰতিবেদনৰ সামৰণিৰ ৰেখা টানিলো।

জয় হিন্দ

শ্ৰীহৰিৰাম চহৰীয়া,
সম্পাদক,
সমাজসেৱা বিভাগ
মঙ্গলদৈ কলেজ।

## প্ৰতিবেদন

### সম্পাদিকা, ছোৱালী জিৰণি কোঠা

প্ৰথমতে আমাৰ শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰী সকলে মোক ছোৱালী জিৰণি কোঠাৰ সম্পাদিকা হিচাবে সেৱা কৰিবলৈ যি সুযোগ দিলে তাৰ বাবে তেওঁলোকলৈ মই মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

জিৰণি কোঠাৰ সম্পাদক বা সম্পাদিকাৰ দায়িত্ব বেচ গধুৰ। ছাত্ৰী অনুপাতে আমাৰ জিৰণি কোঠাটো আয়তনত বহুখিনি সৰু। এই সৰু কোঠাটোক লৈ মই প্ৰায়ে ছোৱালীবিলাকৰ পৰা ওজৰ-আপত্তি শুনিবলগীয়া হৈছোঁ। কোনেও অকণমান শান্তিৰে পঢ়া-শুনা বা খেলা-ধূলা কৰিব নোৱাৰে। সেইকণ সুবিধাৰ পৰা ছাত্ৰী সকল সম্পূৰ্ণৰূপে বঞ্চিত হৈ আছে। মোৰ আগৰ সম্পাদিকা সকলৰ দৰে মইও ওজৰ আপত্তি শুনি নিৰ্বিকাৰ হৈ থকাৰ বাহিৰে আন উপায় নেপাওঁ। কোৱা বাহুল্য যে, মোৰ আগৰ সম্পাদিকাৰ অনুৰোধ ক্ৰমে কৰ্তৃপক্ষই জিৰণি কোঠাৰ লগতে থকা পুথি ভঁড়ালৰ কিতাপৰ আলমিৰা কেইটি সামান্য আঁতৰাই কোঠাটো কিছু বহল কৰিবলৈ চেষ্টা কৰিছিল। অৱশ্যে কিছু দূৰ সাফল্যও হৈছিল। কিন্তু সেয়ে জানো যথেষ্ট — ? বৰ্ত্তমান ছোৱালীৰ সংখ্যা বাঢ়ি যোৱাৰ ফলত অকণমান কোঠাটিত থকাটো অসম্ভৱ হৈ পৰিছে। গোটেইবোৰ ছোৱালী একেলগে সোমাই থাকিলে শ্বাসৰুদ্ধ হব যেন লাগে। সেয়েহে উপায় নেপাই বহুত ছোৱালী বাহিৰতে থাকিবলগীয়া হয়। 'টেবুল টেনিছ' বৰ্ডখন কিতাপ থোৱা টেবুল হিচাবেই ব্যৱহাৰ হৈ আছে। টেবুল টেনিছেই হওক বা কেৰমেই হওক কোনোটোকে শান্তিৰে খেলিব নোৱাৰি। গৰমৰ দিন কেইটাত আমাৰ অসুবিধা আৰু কষ্টৰ সীমা নোহোৱা হয়। এইখিনিতে মই কৈ থওঁ যে কোঠাটিত থকা পানীৰ কেতেবা ড্ৰামটোস

মলনি আন এটা পাত্রত খোৱা পানী থোৱাৰ ব্যৱস্থা কৰিলে ছোৱালীসকলে পানীৰ বাবে অনাই বনাই ঘূৰিব নালাগিব। গতিকে মই অনুৰোধ জনাওঁ যাতে কৰ্তৃপক্ষই ছোৱালীসকলৰ অসুবিধা-বোৰ দূৰ কৰিবলৈ সোনকালে কিবা এটা ব্যৱস্থা লয়।

প্ৰতিবছৰে আমাৰ কলেজত "কলেজ সপ্তাহ" পতা হয়। প্ৰায়বোৰ ছাত্ৰীয়ে প্ৰতিযোগিতা বোৰত যোগদান কৰিবলৈ সঙ্কোচ কৰে। আশা-কৰো এইবাৰৰ পৰা সকলোৱে আনন্দেৰে সকলো প্ৰতিযোগিতাতে যোগদান কৰিবলৈ আগবাঢ়ি আহিব।

সদৌ শেষত যিসকল বন্ধু-বান্ধৱীয়ে মোৰ এই গধূৰ দায়িত্ব আৰু কৰ্ত্তব্য সুচাৰুৰূপে বহন কৰাত ইন্ধন যোগালে তেওঁলোকলৈ মোৰ চিয়া-ভৰা ওলগ জনাইছোঁ। লগতে কলেজৰ অধ্যক্ষ মহোদয়, অধ্যাপক আৰু অধ্যাপিকা সকলে সকলো প্ৰকাৰে মোক অনুপ্ৰেৰণা যোগোৱাৰ বাবে তেখেতসকললৈও মোৰ আন্তৰিক শ্ৰদ্ধা যাঁচি মোৰ এই সামান্য প্ৰতিবেদনৰ ইতিৰেখা টানিলোঁ।

মিচ্ দীপ্তি দেৱী
সম্পাদিকা,
ছোৱালী জিৰণি কোঠা
মঙ্গলদৈ কলেজ

MANGALDAI COLLEGE LIBRARY

# প্ৰতিবেদন :

## এন্, চি, চি আণ্ডাৰ অফিচাৰ

মঙ্গলদৈ কলেজৰ সমূহ ছাত্ৰ-ছাত্ৰী, অধ্যক্ষ তথা অধ্যাপক বৃন্দলৈ মোৰ হিয়াভৰা শুভেচ্ছা জনাইছো। ছাত্ৰ-ছাত্ৰীৰ মানসিক আৰু শাৰীৰিক গঠনৰ লগতে বন্ধুত্ব স্থাপন—এই উদ্দেশ্য-বোধক লৈয়েই ৰাষ্ট্ৰিয়-সমৰ-শিক্ষাৰ্থী বাহিনী বা এন্, চি, চি ( National Cadet Corps ) গঠন কৰা হৈছে।

উক্ত উদ্দেশ্যবোধক সাৰোগত কৰি আমাৰ কলেজতো এন্, চি, চি প্ৰশিক্ষণ দিয়া হৈছে। এই বছৰ নতুনকৈ প্ৰাক্ বিশ্ববিদ্যালয় আৰু তৃতীয় বাৰ্ষিকৰ ছাত্ৰৰ বাবেও ইচ্ছাকৃত ভাবে এই প্ৰশিক্ষণ লবলৈ সুবিধা দিয়া হৈছে। এই বছৰ তেজপুৰৰ মিছামাৰীত আমি বছেৰেকীয়া প্ৰশিক্ষণ লওঁগৈ। কামৰূপ, দৰং, নগাওঁ, লক্ষীমপুৰ, মিকিৰ পাহাৰ আদিৰ প্ৰায় ১৮ খন কলেজৰ শিক্ষাৰ্থীৰ লগত এই সুযোগতে মিলা-মিছা কৰিবলৈ সুবিধা পাইছিলো আৰু এই শিবিৰত মঙ্গলদৈ কলেজৰ "কেডেট" সকলে যোগ্যতাৰ প্ৰতিযোগীৰ দল হিচাবে প্ৰতিদ্বন্দিতা কৰিছিল। এই দিনিতে আমাৰ কলেজৰ গৌৰৱৰ বিষয় যে উক্ত প্ৰশিক্ষণ শিবিৰত সমূহ বেটেলিয়নৰ ভিতৰত মোক 'শ্ৰেষ্ঠ আণ্ডাৰ অফিচাৰ' ৰ পুৰস্কাৰটো দিয়ে। কিন্তু এয়াও সম্ভৱ হৈছিল, আমাৰ "কেডেট" সকলৰ সকলো ক্ষেত্ৰতে দেখুওৱা সু-শৃঙ্খলতা আৰু 'লাইন ড্ৰেচিঙ'ত কৃতকাৰ্য্যতাৰ

বাবে। মই আশা ৰাখিছো, এইদৰে আগলৈও মঙ্গলদৈ কলেজৰ ছাত্ৰ সকলে যোগ্যতাৰ পৰিচয় দিব। উক্ত প্ৰশিক্ষণ শিবিৰত হোৱা 'বি' [B] চাৰ্টিফিকেট পৰীক্ষাত ১৬ জন পৰীক্ষাৰ্থীৰ ভিতৰত ১২ জনে আৰু 'চি' [C] চাৰ্টিফিকেটৰ তিনিজনৰ ভিতৰত ২ জন উত্তীৰ্ণ হয়।

প্ৰতিবেদনৰ শেষত, উপদেশ তথা উৎসাহ উদ্দীপনা যোগাওতা অধ্যক্ষ দেৱ আৰু 'অফিচাৰ ইনচাৰ্জ' শ্ৰীযুক্ত দেবেশ নন্দী দেৱৰ ওচৰত আন্তৰিক কৃতজ্ঞতা জনাইছো। লগতে কলেজ কৰ্তৃপক্ষ আৰু সহযোগী বন্ধু-বান্ধৱ সবালৈ কৃতজ্ঞতা জনাইছো। মঙ্গলদৈ কলেজ এন্, চি, চিৰ ভবিষ্যৎ উন্নতি হওঁক এই কামনাৰে—

শ্ৰীঅমূল্য চৰণ ডেকা
তৃতীয় বাৰ্ষিক বি-এ.
এন্., চি. চি আণ্ডাৰ অফিচাৰ



**মঙ্গলদৈ কলেজ ছাত্ৰ সংস্থা ইং ১৯৭০-৭১**

**প্ৰথম শাৰী :** ( সোঁফালৰপৰা ) অধ্যাপক কুমুদ চন্দ্ৰ সন্দিকৈ ( উপদেষ্টা, খেল বিভাগ ) ; অধ্যাপক ৰাজেন বৰুৱা ( উপদেষ্টা, সমা সেৱা বিভাগ ) ; উপাধ্যক্ষ আব্দুল মজিদ ( সভাপতি, কলেজ ছাত্ৰ সংস্থা ) ; অধ্যক্ষ প্ৰবোধ চন্দ্ৰ গোস্বামী ; অধ্যাপিক বিজয়া চক্ৰৱৰ্ত্তী ( উপদেষ্টা, তৰ্ক সভা ) ; অধ্যাপক ক্ষীতেশ্বৰ কোছ ( উপদেষ্টা, সাধাৰণ সভা ) ; অধ্যাপক গিৰী গোস্বামী ( উপদেষ্টা, জিৰণি কোঠা ) ।

**দ্বিতীয় শাৰী :** ( সোঁফালৰপৰা ) বিপিন ৰাজবংশী ( সাধাৰণ সম্পাদক ) ; প্ৰদীপ দাস ( সম্পাদক, খেল বিভাগ ) থেপীন্দ্ৰ শ ( সম্পাদক, তৰ্ক সভা ) ; খগেন শৰ্ম্মা ( শ্ৰেণী প্ৰতিনিধি ) ; অনুপমা ডেকা : দীপ্তি দেৱী ( সম্পাদিকা, ছোৱাল জিৰণি কোঠা ) ; বাপুতি মোহন হাজৰিকা ( শ্ৰেণী প্ৰতিনিধি ) ; ইন্দ্ৰেশ্বৰ শৰ্ম্মা ( শ্ৰেণী প্ৰতিনিধি ) ; ফৰিদ আ ( শ্ৰেণী প্ৰতিনিধি ) ; পৰীক্ষিত শৰ্ম্মা ( শ্ৰেণী প্ৰতিনিধি ) ; অতুল ভূঞা ( উপ-সাধাৰাণ সম্পাদক ) ।

**তৃতীয়•শাৰী :** ( সোঁফালৰপৰা ) হংসধৰ নাথ ( শ্ৰেণী প্ৰতিনিথি ) ; দীনবন্ধু শৰ্ম্মা ( আলোচনী সম্পাদক ) ; সৰোজ কুঃ নেৱৰ ( সম্পা ল'ৰাৰ জিৰণি কোঠা ) ; হৰেন ভট্টাচাৰ্য্য ( সম্পাদক, কৃষ্টি বিভাগ ) : লোকেশ্বৰ শৰ্ম্মা ( শ্ৰেণী প্ৰতিনিধি ) ।



Sri Rameswar Sarma B. L. (Advocate)
First Secretary of the College
Governing Body.

# MANGALDAI COLLEGE MAGAZINE

## English Section

Editor — Dinabandhu Sarma

Volume XI Annual Publication 1970-71

## Contents—

| | | |
|---|---|---|
| Philosophical Approach To Origin of Religion. | | Page |
| | —Prof. Purna Ch. Bora | 1 |
| One side of a Remarkable Town. | | |
| | — Indreswar Sarmah. | 5 |
| Mangaldai College. | —Rameswar Sharmah Advocate. | 6 |
| The Resemblance. | | |
| | —Tarun Sarmah. | 9 |
| Evolution of Plant Kingdom. | | |
| | —Ataur Rahman. | 12 |
| How I bought my kite | | |
| | —Kabi Sarmah. | 20 |
| The scope of Industrial Development of Assam. | | |
| | - Rabindra Nath Saharia. | 21 |
| Editorial. | | 28 |
| Games And Sports. : College Week 1970--71. | | 32 |
| Results of Cultural and Music Section | | 35 |
| Results of the Annual Indoor Games. | | 36 |
| Results of the Annual Literary Competition 1970-71 | | 38 |

# Philosophical Approach To Origin of Religion

Prof. Purna Ch. Bora M. A.

To almost cent. per cent. followers, religion might be an accepted fact; and hence, no auiry of any kind is necessary for them. But the port-folio of philosophy includes the enauiry of religions too, as religion is a vital part of human life.

Origin of Religion :-

Once widely prevelent, but now obsolescent among the great thinkers of the world, is the view—special Divine Revelation.

(I) Special Divine Revelation -

Jewish, Christian, Mohemmedan and Hindu theologies too had given prominent place to this view, which has taken the form of a belief, in a primeval Monotheism of Devine Origin from which, polytheism in many forms, was a later relapse.

To this view, religion ( Origin of religion ) is in far too intellectual, and divine revelation impartated to human beings a set of ideas, ready made, and finished knowledge of the Holy.

(2) Another view, fostered by the English Diests like Lord Herbert, John Toland and others, and French thinkers like La Mettric, D' Alembert, Voltaire and others, is this—

(a) Reason is the origin of natural and good religion. Man becomes religious, when his reason unfolds the secret of religion that he should do all good thinks dictated by his reason or conscience or good-sense and what there is a supreme being, to whom all good things and works are due.

(b) " Priest-craft " or willful deceit of the priests is the origin of religion. The priests were the most cunning section of society, who invented religion as their means to live, at the cost of the common masses who were simple and ignorant. Greek Sophists also festered such view,

Animistic theory — E. B. Tylor Narrates in his book 'primitive Culture" that the early savages at a certain stage of their culture, in every part of the globe, had at tributed.

Super-soul or super-power to trees, brooks, mountains, clouds, stones, stars and etc. All things of nature had been deified. Thus, Animistic theory says as to origin of religion.

Ghost Theory—

Herbert Spencer opines Ghost theory to be the origin of religion. This theory holds, the savages had been in consternation for those dead persons of their family or known persons. These deads had been belived to be re-appearing as ghost or spirit, keeping their dwelling places in different objects of Nature. These haunted objects of Nature had been adored. Thus, religion came into being.

Totemism :— Totemism, some remark to be the origin of religion. Totem is not exactly a Go; but a cognate being and one to be honoured by a clan which was thought of, to be the ancestor

of the clan, and with whose name, the clan was named or known or called. This Totem, somtimes, was species of animal or plant or more rarely a class of inanionate objects. Its use for common purposes was strictly forbidden. Moreover, stiff prohibition was present for slaining or eating it, with a solitary permission of using it, in some solemn and secramental purposes. Totem was always the species, and not any individual animal or plant.

(Vide—"Introduction to the History of Religion" by F. B. Jevons

And

Vide "Religion of the Semites" By W. R. Smith.)

Durkheism, the authoritative philosopher estimates Totemism as the most simple and primitive religion--

(Vide—" Les Formes Elementaires La La Vie Religiense" of

Durkheism (English Translation)

*Mana* (Pre-Animistic *Religion*)— The Savages of Pre-animistic period, owing to owe, wonder, fear and magical or mysterious powers of nature, deified these mysterious powers. This deified Natural power was Mana, which was super-sensual, mysterious or magical, and for whose compassion or anger, persons enjoyed or suffered.

(Vide—"The Melanesians", By *Bishop Codrington*)

Tabu—Dr. Marett speaks of Mana and Tabu, taken together, as origin of religion. Tabu is negative aspect of Mana, (Vide—"The *Threshold* of Religion" P P=1-28, 38-121, By Dr. *R*. R. Marett).

Historical Development religion

(a) Individualistic Religion :— *The* elementery farms of religion, represented by the firm conviction in Mana, Tabu, Animism, Totemism and a host of spirits weilding, mysterious powers which could be influenced by propitiation and certain rites duly celebrated, had been in vogue, first.

Then it developed into spiritism. This spiritism, afterwards developed into spiritualism which culminated in the saying " God is a spirit and Truth."

(b) National Religion : — From this

step, religion developed into national religion like Hinduism, Islam, Christianity and etc. basing God as truth, and God being strictly one, who was neither male, nor female, nor having any form or shape. And this God was something, undescribable and in explicable.

[ Vide—"The philosophy of Religion" P – 113. By G. Gallowery ]

To this stage, still religion remained as national, being confined to, in one sect, although, it came to the refined plane, so it say.

(o) Universalistic Religion :– Religion can be universalistic, when it is capable to unite every person of the world in to one race viz. one human race and one nation viz. one human nation and can preach one religion viz. the Religion of human race.

This universalistic religion teaches us to regard every person of the globe as brother or sister and to contribute and work for others with a humaniterian spirit.

Can we aspire and await for such a heavenly day ? Or it is a impossibi lity ?

# One Side of a Remarkable Town

Indreswar Sarmah
2nd. yr. ( Arts )

One day evening
I was wandering
Hither and thither,
Lonely as a cloud
On the unknown path of the town,
The drains of the two sides
Were full with ill-scented things,
Huts of the two sides of the same,
Like a bleak unlucky devil
Were standing quite.
I heard some noisy voices
From the huts, it came
Some were crying in the huts
And some were laughing Probably.
With a poor spirited heart
I entered and crossed over the hell
One after another.
All people were crying for food,
And trambling in cold
Some were suffering for diseases
Which was one of the horrowful hells,
They were dark in the appearance,
And were very lean and thin
They gazed me with widen eyes.
But I feared so much
That I run over the Path.
One word that comes to my memory
Which was spoken by some poet
That—
" Life is nothing but a burning Cigarette."

# MANGALDAI COLLEGE

Sree Rameswar Sharmah,
Advocate,
Mangaldai.

The year 1951 is highly important in the annals of education in Mangaldai, which was in ancient times the seat of the Koch Rajas of Darrang and the birth place of many eminent Scholars. Mangaldai enjoyed the proud privilege of being the Head quarter station of the District of Darrang for a few years after the British took over the administration of Assam after the treaty of Yandabu. Then as the Brahmaputra receded to a distance, and the climate of Mangaldai became unhealthy, the Head quarter stations of the 'District was shifted to Tezpur. At this stage the place fell into oblication and lost its importance. Inspite of vast natural resources, the economic and educational development of the place could not go ahead for want of proper facilities and suitable communication. Many a intelligent students could not secure the benefit of collegiate education for poverty. The number of student's who could avail themselves of collegiate education at Gauhati or Shillong prior to 1951 is few and far between.

This state of affairs roused the consciousness of a big section of the

people of Mangaldai to make a serious attempt for the establishment of a college at Mangaldai, A public meeting was held in the Mangaldai Public Library and a strong representative Committee was formed with Shree A. B Das Gupta as president and Shree R. Sarma as Secretary, and Shree S. Saharia, Shree B. Patwari, Shree S. Das Gupta, Shree S. L. Ghose, Shree A. C. Barua, Shree T. Sarma, Late Maulavi B. Ahmed, Late Gangadhar Deka, Late Rajanikanta Sherma and several other gentlemen of different parts of Mangaldai as members. Many benevolent gentlemen responded to the apeal of the committee and donated good sums according to their pecuniary capacity for the College. Thus with the kind and sincere help of Shree A. B. Das Gupta, the then S. D. O of Mangaldai the committee could succeed in securing a substantial amount for the College.

